


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত


জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ১০৪ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ১৯ নৱেম্বৰ, ২০২০, ৩ আঘোণ, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ঃ ৭.০০ টকা

VOL. 11 ISSUE NO. 104 Dainandin Barta ■ Guwahati, Thursday ■ 19 November 2020 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only



ফাৰ্মাচিষ্টৰ কলম

■ ৰিপন জামান
(বি, ফাৰ্ম প্ৰেক্টিছ)

## এক অভাৱনীয় সিদ্ধান্ত

চৰকাৰী চাকৰি এটা এইমুহূৰ্তত সকলোৰে এটা হাবিয়াসৰ বস্তু। সকলোৰে চকু এতিয়া এটা চৰকাৰী চাকৰিত। চৰকাৰী চাকৰি এটা পালেই যেন সকলো সমস্যা সমাধান হৈ যাব, জীৱনটো সফল হৈ যাব, এই ধাৰণা সকলোৰে।

সেয়ে চৰকাৰী চাকৰি এটাৰ বাবে ক'তজনে কত পন্থা অৱলম্বন কৰে তাৰ হিচাপ নাই। চৰকাৰী চাকৰি মানেই যেন সুৰক্ষিত জীৱন, তাতে যদি হয় ঔষধ পৰিদৰ্শকৰ চাকৰি,কবই নালাগে গাখীৰতে ম'হৰ খুটি, ভাবিবই নোৱাৰি, ■ ৮ পৃষ্ঠাত



## গুইজানত স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সমাধি ক্ষেত্ৰৰ শুভাৰম্ভ

গুইজানৰ দাঁতিকাষৰীয়া অঞ্চলৰ সুৰক্ষা আৰু সৌন্দৰ্যবৰ্দ্ধন আঁচনিৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ গুইজান ঘাটত ব্ৰহ্মপুত্ৰ নদীৰ (অনন্ত নলা) গৰাৰ পুনৰ নিৰ্মাণ আৰু উন্নয়নৰ লগতে স্বৰ্গদেউ সৰ্বানন্দ সিংহ সমাধি ক্ষেত্ৰ আৰু গুইজানৰ দাঁতিকাষৰীয়া অঞ্চলৰ সুৰক্ষা আৰু সৌন্দৰ্যবৰ্দ্ধন আঁচনিৰ নিৰ্মাণ কাৰ্যৰ ■ ২ পৃষ্ঠাত

১৮ কোটি টকা ব্যয় সাপেক্ষ এই আঁচনিৰ জৰিয়তে গুইজান অঞ্চলৰ ১১ হাজাৰ হেক্টৰ ভূমি সুৰক্ষা প্ৰদানৰ লগতে অঞ্চলটোক আকৰ্ষণীয় পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে ঃ মুখ্যমন্ত্ৰী




গুৱাহাটীত 'কা' বিৰোধী সমন্বয় সমিতিৰ প্ৰতিবাদ

অসম সাহিত্য সভাৰ বিশ্বকোষ, অৰুণোদয়, সাহিত্য সভাৰ ইতিহাস, জোনাকী, অসমৰ সাংস্কৃতিক ইতিহাসকে ধৰি বহু মূল্যৱান গ্ৰন্থ পাঠকৰ কাষলৈ লৈ যোৱাৰ দৃষ্টান্তমূলক পৰিকল্পনা

## শংকৰদেৱ কলাক্ষেত্ৰত অসম সাহিত্য সভাৰ গ্ৰন্থ বিপণী উদ্বোধন

সাহিত্যৰ বিকাশ আৰু বিস্তৃতিৰ বাবে পৰিকল্পনাযুক্ত আঁচনিৰ প্ৰয়োজন ঃ ড° কুলধৰ শইকীয়া



**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৮ নৱেম্বৰ ঃ** 'সাহিত্যৰ বিকাশ আৰু বিস্তৃতিৰ বাবে পৰিকল্পনাযুক্ত আঁচনিৰ প্ৰয়োজন অনস্বীকাৰ্য। আমি জানো যে এই আঁচনিৰ সফল ৰূপায়ণেহে প্ৰকৃত মূল্যৱান সাহিত্য পাঠকৰ ■ ৮ পৃষ্ঠাত

অচিৰেই আঞ্চলিক কাৰ্যালয় সমূহলৈকো সম্প্ৰচাৰিত হ'ব অসম সাহিত্য সভাৰ প্ৰকাশিত গ্ৰন্থৰ বিপণি ঃ জানুৱাৰী প্ৰথম সপ্তাহত শংকৰ কলাক্ষেত্ৰৰ সহযোগত অনুষ্ঠিত হ'ব অসম সাহিত্য সভাৰ বিশেষ সাহিত্যৰ অনুষ্ঠান

## উদুলি মুদুলি পৰিৱেশৰ মাজত সদৌ অসম ছাত্ৰ সন্থাৰ সপ্তদশ দুলীয়াজান অধিৱেশন আৰম্ভ

# এৰিবনে আছু নে লুৰিণজ্যোতি গগৈ হ'ব পাৰে পৰৱৰ্তী সভাপতি

## প্ৰকৃততেই আছু ত্যাগ কৰিবনে বৰ্তমানৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই







**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ নৱেম্বৰ ঃ** আছুৰ পৰৱৰ্তী সভাপতি পদত অধিষ্ঠিত হ'ব নেকি বৰ্তমানৰ ছাত্ৰ সংগঠনটোৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈ। আছুৰ দুলিয়াজানত আজিৰে পৰা আৰম্ভ হোৱা সপ্তদশ অধিৱেশনত ব্যাপক উদুলি-মুদুলি পৰিৱেশৰ মাজতে সমান্তৰালভাৱে চৰ্চালৈ আহিছে এই প্ৰশ্ন। ইতিমধ্যে সপ্তদশ অধিৱেশনত ছাত্ৰ সংগঠনটোৰ সাধাৰণ সম্পাদক আৰু সভাপতি নতুনকৈ নিৰ্বাচিত হোৱাক কেন্দ্ৰ কৰি সংগঠনটোৰ ভিতৰচ'ৰাত ব্যাপক উৎকণ্ঠা বিৰাজ কৰিছে। কিয়নো এইবাৰৰ অধিৱেশনত সভাপতিৰ দৌৰত বিশেষকৈ দুজন ছাত্ৰ নেতাৰ নাম উচ্চাৰিত হৈছে যদিও শেহতীয়াকৈ 'দৈনন্দিন বাৰ্তা'ৰ হাতত পৰা তথ্য অনুসৰি পৰৱৰ্তী সভাপতিৰ পদটো দখল কৰিব পাৰে লুৰীণজ্যোতি গগৈয়ে। কোৱা বাহুল্য যে ছাত্ৰ সংগঠনটোৰ চলিত অধিৱেশনত সংগঠনটোৰ ভিতৰচ'ৰাত গা কৰি উঠিছে লবীকেন্দ্ৰীক ৰাজনীতি। ইয়াৰ প্ৰভাৱৰ ফলতে নাম উচ্চাৰিত দুই ছাত্ৰ নেতা ক্ৰমে উৎপল শৰ্মা আৰু প্ৰজ্ঞান ভূঞাক ওফৰাই সংগঠনটোৰে এটা চক্ৰই লুৰীণজ্যোতিক সভাপতিৰ পদত অধিষ্ঠিত কৰাবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অৱশ্যে এই প্ৰচেষ্টা কিমান ফলপ্ৰসু হ'ব সেয়া সময়েহে নিৰ্ধাৰণ কৰিব। একেদৰে সংগঠনটোৰ সাধাৰণ সম্পাদকৰ পদত এইবাৰ উদীপ্তজ্যোতি গগৈৰ নাম শীৰ্ষত থকালৈ চাই আছুৰ পৰৱৰ্তী সাধাৰণ সম্পাদক পদত উদীপ্তজ্যোতি গগৈয়ে অধিষ্ঠিত হোৱাৰ সম্ভাৱনা অধিক বুলি চৰ্চা চলিছে। আনহাতে আছুৰ সবাতোকৈ জ্যেষ্ঠ নেতা ■ ৮ পৃষ্ঠাত

## ছাত্ৰ সন্থাৰ দুলীয়াজান অধিৱেশন আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি, ১৮ নৱেম্বৰ ঃ** আজি এক উদুলি-মুদুলি পৰিৱেশৰ মাজেৰে সদৌ অসম ছাত্ৰ সন্থা সপ্তদশ দুলীয়াজান অধিৱেশনৰ আৰম্ভ হয়। কাৰ্যসূচী অনুসৰি পুৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মূল তোৰণ জ্যোতি বাটচ'ৰাৰ আৰ্হিত নিৰ্মিত মূল বাটচ'ৰা উদ্বোধন কৰে দুলীয়াজান মহাবিদ্যালয়ৰ ■ ৮ পৃষ্ঠাত

তামুলপুৰত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বিশাল গণ সমাৱেশ ঃ কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবীত উত্তাল তামুলপুৰ

## আমাক কমতাপুৰ দিয়ক, নহ'লে গুলিয়াই মাৰক ঃ গকুল বৰ্মন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ নৱেম্বৰ ঃ** হয় কমতাপুৰ প্ৰদান কৰক নহ'লে আমাক গুলিয়াই মাৰক। আমি নিজৰ প্ৰাপ্য অধিকাৰ কাঢ়ি আনিব লাগিব। কোঁচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰাপ্য অধিকাৰৰ বাবে বহু সংগ্ৰাম কৰা হ'ল। বহু ধৈৰ্য ধৰা হ'ল। আৰু ধৈৰ্য নধৰো। আমাক যাতে হাতত অস্ত্ৰ তুলি লবলৈ ■ ৮ পৃষ্ঠাত

ৰাইদঙীয়াত মহিলা কংগ্ৰেছৰ বিশাল কৰ্মী সভাত সাংসদ গৌৰৱ গগৈ

## 'অন্যায়-অসাধু চক্ৰৰ বিৰুদ্ধে মাত মতাৰ বাবেই সাংবাদিকক হত্যা কৰা হৈছে'

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ নৱেম্বৰ ঃ** বিজেপি চৰকাৰৰ দিনতেই অধিক দুৰ্নীতি হৈছে। সকলো বস্তুটোৰে মূল্যবৃদ্ধি হৈছে। আনকি ■ ৮ পৃষ্ঠাত



## হঠাৎ শিৱসাগৰত বিত্ত-স্বাস্থ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা




**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৮ নৱেম্বৰ ঃ** সাংস্কৃতিক সঞ্চালকালয় নামৰ এটা গুৰুত্বপূৰ্ণ বিভাগ থকাৰ পিছতো শিৱসাগৰ জিলাবাসীৰ বাবেই আত্ম আৰু পৰিচয়ৰ ■ ৮ পৃষ্ঠাত

ৰাজ্যৰ খচৰা ভোটাৰ তালিকাত সোমাল ২,২৪,৩৯,৫২২ নাগৰিক

# এবছৰতে বাঢ়িল ৭৬,০২০ ভোটাৰ

১৫ ডিচেম্বৰলৈকে নাম অন্তৰ্ভুক্ত-সংশোধনৰ সুযোগ ঃ মহিলাতকৈ ৪ লক্ষাধিক অধিক পুৰুষ ভোটাৰ



মা কামাখ্যা মন্দিৰত ছেনিটাইজ কৰাৰ ছবি

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৮ নৱেম্বৰ ঃ** অসমৰ খচৰা ভোটাৰ তালিকা আজিপ্ৰকাশ কৰা হয়। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া তথা জ্যেষ্ঠ আইএএছ বিষয়া নীতিন খাড়ে ৰাজহুৱা কৰে এই তালিকা। সেই অনুসৰি খচৰা তালিকাত নাম সোমাইছে ২,২৪,৩৯,৫২২ জন নাগৰিকৰ নাম। ইফালে এই তালিকাত মহিলাৰ তুলনাত বৃদ্ধি পাইছে চাৰি লক্ষাধিক পুৰুষ ভোটাৰ। উল্লেখ্য যে প্ৰতিবছৰে অক্টোবৰ মাহৰ পৰা ৰাজ্যৰ ভোটাৰ তালিকাসমূহ পুনৰ প্ৰস্তুত কৰা হয়। এইবাৰ বিষয়টোৰ গুৰুত্ব বাঢ়িছে এইকাৰণেই যে নতুন তালিকাৰ ভিত্তিত ২০২১ চনৰ অসম বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি প্ৰকাশিত তালিকাত নাম অন্তৰ্ভুক্ত নোহোৱা যোগ্য ভোটাৰসকলে নিৰ্বাচনত অংশ গ্ৰহণ কৰিব নোৱাৰিব। অৱশ্যে নিৰ্বাচন আয়োগে ১৮ নৱেম্বৰৰ পৰা ১৫ ডিচেম্বৰলৈকে ৰাজ্যৰ সকলো জিলা আৰু ■ ৮ পৃষ্ঠাত

## ৰাজ্যৰ বিভিন্ন স্থানত 'কা'বিৰোধী সমন্বয় সমিতিৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৮ নৱেম্বৰ ঃ** শিৱসাগৰত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই পুনৰ আৰম্ভ হৈছে 'কা' বিৰোধী দল-সংগঠনৰ প্ৰতিবাদ। এই উদ্দেশ্যে শিৱসাগৰত আজি 'কা' বিৰোধী সমন্বয় সমিতিয়ে ৰূপায়ণ ■ ৮ পৃষ্ঠাত

নলবাৰীত বিজেপিৰ সাংগঠনিক সভাত সভাপতি ৰঞ্জিত দাস

## 'বিজেপিৰে প্ৰথমতে মিত্ৰতা ভংগ কৰিছে বিপিএফে'



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৮ নৱেম্বৰ ঃ** ইমানুৱেল মুছাহাৰী, বিশ্বজিৎ দৈমাৰীয়ে নহয় বি পি এফৰ আৰু বহু বিধায়ক-নেতাই বিজেপিত যোগদানৰ বাবে কৰিছে যোগাযোগ। এই মন্তব্য বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাসৰ। আজি নলবাৰী জিলাৰ নাট্যমন্দিৰত অনুষ্ঠিত ভাৰতীয় জনতা পাৰ্টিৰ সাংগঠনিক সভাত উপস্থিত হৈ ৰঞ্জিত দাসে বি পি এফৰে মিত্ৰতা সন্দৰ্ভত মত প্ৰকাশ কৰি কয় যে প্ৰথমতে মিত্ৰতা ভংগ কৰিছে বি পি এফে ।পঞ্চায়ত নিৰ্বাচনত আমাৰ লগত আলোচনা নকৰাকৈ অকলশৰীয়াকৈ ■ ২ পৃষ্ঠাত

পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ বিভিন্ন আঁচনি ৰূপায়ণ সম্পৰ্কত পৰ্যালোচনা

অৰ্থনৈতিকভাৱে প্ৰত্যাহ্বানৰ মুখামুখি হোৱা শ্ৰেণীৰ উন্নয়ন কৰি অসমৰ গাঁও অঞ্চলৰ ছবি সলনি কৰিবলৈ হ'লে আমি সকলোৱে প্ৰতিযোগিতাৰ মনোভাবেৰে কাম কৰিব লাগিব ঃ মন্ত্ৰী দলে

## সময় নিৰ্দ্ধাৰিত লক্ষ্য নিৰ্দ্ধাৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ নৱেম্বৰ ঃ** 'গাঁৱৰ লোকসকলক স্বনিৰ্ভৰশীল কৰি গাঁৱৰ অৰ্থনৈতিক বুনিয়াদ সুদৃঢ় কৰাৰ ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অপৰিসীম দায়িত্ব। অৰ্থনৈতিকভাৱে আটাইতকৈ অধিক প্ৰত্যাহ্বানৰ মুখামুখি হোৱা শ্ৰেণীৰ উন্নয়ন সাধন ■ ২ পৃষ্ঠাত

নগাঁৱত ৰাইজৰ দলৰ ৰাজ্যিক আহ্বায়ক ভাস্কো ডি শইকীয়া

## 'কা'বিৰোধী আঞ্চলিক শক্তিৰ মহাজোঁট গঠন কৰিব লাগিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ নৱেম্বৰ ঃ** ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ নতুনকৈ গঠিত আঞ্চলিক ৰাজনৈতিক দল। অসমৰ ৰাইজে বিচাৰিছে দুয়োটা দল একত্ৰিত হওক এয়া সময়ৰ দাবী, ৰাইজৰ দাবী। আমি আশা কৰিছো দুয়োটা দল একত্ৰিত হ'ব। এই মন্তব্য কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক ধৈৰ্য কোঁৱৰৰ। আজি নগাঁও জিলা সাহিত্য সভা ভৱনত ৰাইজৰ দলৰ ৰাজ্যিক আহ্বায়ক সকলৰ অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰি কোঁৱৰে কয়- দুয়োটা দল শীঘ্ৰেই একলগ হ'ব, সেয়া নিশ্চিত বুলি ভাবিব পাৰি। অসমৰ ৰাইজৰ ■ ৮ পৃষ্ঠাত

ৰঙাচীনে অবৈধভাৱে দখল কৰা তিব্বতৰ স্বাধীনতাৰ সৈতে ভাৰতৰ সীমা সুৰক্ষা জড়িত হৈ আছে ঃ জিগমে চুলট্ৰিন

## প্ৰতিবেশী ৰাষ্ট্ৰখনৰ স্বাধীনতাৰ বাবে গণজাগৰণৰ প্ৰয়োজন




প্ৰতিবেশী ৰাষ্ট্ৰ চীন নহয়, তিব্বত হে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৮ নৱেম্বৰ ঃ** স্বাধীনতা সকলোৰে কাম্য। চীন দেশে তিব্বতৰ যি স্বাধীনতা কাঢ়ি নিছে তাক পুনৰাই ঘুৰাই আনিব লাগিব। কিয়নো তিব্বতৰ স্বাধীনতাৰ সৈতে ভাৰতৰ সীমা সুৰক্ষাও জড়িত হৈ আছে। ভাৰতৰ আৰু তিব্বতৰ মাজত গুৰু আৰু শিষ্যৰ সম্পৰ্ক আছে। সেয়েহে ভাৰততো চীন দেশে কাঢ়ি নিয়া তিব্বতৰ স্বাধীনতাৰ সম্পৰ্কক এক গণ জাগৰণৰ প্ৰয়োজন আহি পৰিছে। আজি তেজপুৰত এইদৰে কয় দিল্লীস্থিত তিব্বত মুক্তি আন্দোলনৰ মূল গোট-ভাৰতৰ কাৰ্যালয়ৰ বিষয়া জিগমে চুলট্ৰিনে। উল্লেখ্য যে, কালি তিব্বত মুক্তি ■ ৮ পৃষ্ঠাত


NEMCARE
Group of Institutions, Mirza
Shantipur, Mirza, Kamrup, Assam-781125
AFFILIATED TO: SSUHS, ASTU, and ANC Govt. of Assam
APPROVED BY: HFW Govt of Assam, AICTE, PCI, and INC Govt of India
APPLY ONLINE
Our Courses
Pharmacy
B Pharm
D Pharm
B Pharm (L)
Nursing
BSc Nursing
GNM
Allied Health Science
HS Science/Arts, Under SALTBROOK Mirza
Contact Us
98540-07355/56
info@ngiguwahati.in www.ngiguwahati.in

# নৱনিৰ্মিত ডিব্ৰুগড় বাইপাছক ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঃ ৯৬.৮৪ কোটি টকা ব্যয়ৰে নিৰ্মিত প্ৰায় ১৫.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই বাইপাছ এন এইচ আই ডি এলৰ দ্বাৰা ৰূপায়িত অসমৰ প্ৰথমটো প্ৰকল্প

## কংগ্ৰেছ দলটোৱে বিগত ৬০ বছৰত কৰিব নোৱাৰা কাম বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ৬ বছৰতে সম্ভৱ কৰি তুলিছে ঃ মুখ্যমন্ত্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৮ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ জালিসকীয়াত আয়োজিত এক বিশেষ অনুষ্ঠানত নৱনিৰ্মিত ডিব্ৰুগড় বাইপাছৰ শুভ উদ্বোধন কৰি ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰে। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ অধীনস্থ সংস্থা ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে (এন এইচ আই ডি চি এল)ৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ বৰ্গীবিল সংযোগস্থলীৰ পৰা বকুল পৰ্যন্ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৫৮১.৭০০ কিলোমিটাৰৰ পৰা ৫৯৭.১৪৭ কিলোমিটাৰ অংশৰ পুনঃসংৰেখনৰ জৰিয়তে নিৰ্মিত এই বাইপাছটো ৰাজ্যখনৰ ভিতৰতে এন এইচ আই ডি চি এলে মুকলি কৰা প্ৰথমটো প্ৰকল্প। এছ এ আৰ ডি পি — এন ইব অধীনত ই পি চি আৰ্হিত নিৰ্মিত প্ৰায় ১৫.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ নিৰ্মাণত ৯৬.৮৪ কোটি টকা ব্যয় কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি এই বাইপাছৰ অংশ হিচাপে নিৰ্মিত এখন ৰেল'ৱে অভাৰ ব্ৰীজও আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে 'ট্ৰেন্সফৰমেশ্যন থ্ৰ' ট্ৰেন্সপৰ্টেশ্যন' নীতিক সাৰোগত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে ২০১৪ চনত শাসনভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা সমগ্ৰ দেশৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ আমূল পৰিবৰ্তন সাধন হৈছে। যাতায়াত আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব নোৱাৰিলে ৰাজ্যসমূহ উন্নয়নৰ পথত আগবাঢ়ি যাব নোৱাৰে। এই কথা উপলব্ধি কৰি কেন্দ্ৰীয় চৰকাৰ বিশেষকৈ মন্ত্ৰী নীতিন গাড়কাৰীৰ ঐকান্তিক প্ৰচেষ্টাত বিগত সময়ছোৱাত অসম তথা উত্তৰ-পূৰ্ব পথ পৰিবহনৰ ক্ষেত্ৰত প্ৰায় ৩ লাখ কোটি টকা বিনিয়োগ সম্ভৱ হৈ উঠিছে। ইয়াৰ বাবে ৰাজ্যখনৰ প্ৰায় ৩.৫ কোটি জনতাৰ হৈ মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় ঘাই পথ মন্ত্ৰীগৰাকীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কংগ্ৰেছ দলটোৱে বিগত ৬০ বছৰত কৰিব নোৱাৰা কাম বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ৬ বছৰতে সম্ভৱ কৰি তুলিলে। ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ সক্ৰিয় সহযোগিতা আৰু আন্তৰিকতাৰ ফলস্বৰূপে আজি ৰাজ্যখনে এইমছ, ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান, ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠানৰ দৰে শৈক্ষিক প্ৰতিষ্ঠান তথা যোগীঘোপাৰ মাল্টি মডেল লজিষ্টিক পাৰ্কৰ দৰে বিশ্বমানৰ আন্তঃগাঁথনি নিৰ্মাণ সম্ভৱ হৈছে। পূৰ্বে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং পোৱাৰ বাবে ৰাইজে আন্দোলন কৰিবলগীয়া হৈছিল। কিন্তু বিগত ৬ বছৰত ৰাইজে দাবী নকৰাকৈয়ে ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত ৫ খন নতুন দলং নিৰ্মাণৰ অনুমোদন জনাইছে। একেদৰে অসম চৰকাৰেও নিজৰ চাৰি বছৰীয়া কাৰ্যকালত ৰাজ্যখনৰ অন্যান্য উন্নয়নমূলক কাম-কাজৰ লগতে পথ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। কংগ্ৰেছে বিগত ১৫ বছৰীয়া কাৰ্যকালৰ কাম-কাজৰ লগত বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ চমু কাৰ্যকালৰ তথ্যভিত্তিক আৰু তুলনামূলক বিশ্লেষণ কৰিলেই এই কথা স্পষ্ট হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সময়ছোৱাত ৰাজ্যৰ লোক নিৰ্মাণ বিভাগে ১৫ হাজাৰৰো অধিক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰি উলিয়াইছে। এই প্ৰসংগত তেওঁ মহাবাহু লাচিত-চিলাৰায় সেতু নিৰ্মাণ আঁচনিৰ অধীনত ১২ হাজাৰ খন কাঠৰ দলং পকীকৰণ, স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ বাবে ৰাজ্যৰ ৮৫০ খনকৈ চাহ বাগিচাৰ ১ কোটিকৈ টকা ব্যয়ত লাইনৰ পকীপথ নিৰ্মাণ আদিৰ কথা উল্লেখ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ বঞ্চনা, অৱহেলা আৰু প্ৰতাৰণাৰ ৰাজনীতিৰ বিপৰীতে বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সম-উন্নয়ন আৰু সম-মৰ্যাদা প্ৰদানৰ বাবে আন্তৰিকতাৰে কাম কৰিছে। ইয়াৰ ফলত ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে নিজৰ বৰ্ণিল ঐতিহ্য আৰু পৰম্পৰা অক্ষুণ্ণ ৰাখি সমন্বয়ৰ ধাৰা শক্তিশালী ৰূপত বোৱাবলৈ সক্ষম হৈছে। চৰকাৰখনৰ বিগত চাৰে চাৰি বছৰীয়া কাৰ্যকালত ৰাজ্যখনত কোনো জাতিগত তথা ধৰ্মীয় সংঘাতৰ সৃষ্টি নোহোৱাটোৱে ইয়াৰে পৰিচয় দাঙি ধৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ আধুনিকীকৰণ, উন্নয়ন আৰু নৈসৰ্গিক সৌন্দৰ্য বৰ্দ্ধনৰ ক্ষেত্ৰত ডিব্ৰুগড় বাইপাছৰ নিৰ্মাণ এক যুগান্তকাৰী পদক্ষেপ বুলি মন্তব্য কৰি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত এই বাছপাছ নিৰ্মাণ কৰি উলিওৱা বাবে মুখ্যমন্ত্ৰীয়ে এন এইচ আই ডি চি এল তথা নিৰ্মাণৰ দায়িত্বত থকা সংস্থাটোৰ মুৰব্বী যুগলকৃষ্ণ মহন্তকে ধৰি প্ৰতিগৰাকী অভিযন্তা আৰু শ্ৰমিক-কৰ্মচাৰীক ধন্যবাদ জ্ঞাপন কৰে। ৰাজ্যখনত ৰূপায়ণ হৈ থকা অন্যান্য প্ৰকল্পসমূহো নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ বাবে মুখ্যমন্ত্ৰীয়ে এন এইচ আই ডি চি এলক আহ্বান জনায়। তেওঁ লগতে ডিব্ৰুগড় বাইপাছৰ নিৰ্মাণকাৰ্য চলি থকাৰ সময়ছোৱাত বিকল্প পথ হিচাপে ব্যৱহৃত বকুল হাইস্কুলৰ সন্মুখৰ পথছোৱাকো সুন্দৰ ৰূপত নিৰ্মাণ কৰিবৰ বাবে এন এইচ আই ডি চি এল কৰ্তৃপক্ষক আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে কয় যে বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ শাসনকালত অসমৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাত এক নৱজাগৰণৰ সূচনা হৈছে। অসম চৰকাৰেও নিজৰ কাৰ্যকালত ৰাজ্যৰ চাহ বাগিচাসমূহৰ পথসমূহৰ লগতে সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত পূৰ্বে কেতিয়াও সম্ভৱ নোহোৱা পৰিৱৰ্তন আনিছে বুলি উল্লেখ কৰি ইয়াৰ বাবে তেওঁ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত স্থানীয় লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱাই ভাষণ প্ৰদান কৰি কয় যে ডিব্ৰুগড় বাইপাছ নিৰ্মাণে ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ মাজৰ যাতায়াতৰ সময় ডেৰ ঘন্টাৰ পৰা ৪০ মিনিটলৈ হ্ৰাস কৰিলে। এই বাছপাছে উজনি অসমৰ লগতে চুবুৰীয়া অৰুণাচল প্ৰদেশৰ ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ কাৰ্যবাহী সঞ্চালক পংকজ সিঙে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, নৰেন সোণোৱাল, বিমল বৰা আৰু চক্ৰধৰ গগৈ, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপু ৰঞ্জন মাক্ৰাৰী, ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেডৰ পৰিচালন সঞ্চালক আৰ হাজৰিকা, ডিব্ৰুগড় জিলা পৰিষদৰ সভানেত্ৰী ডেইজী ৰাণী শ্যাম, বহুকেইটা নিগম আৰু নিকায়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষসকল, ডিব্ৰুগড় জিলাৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত তথা জিলা উন্নয়ন আয়ুক্ত পাৰ্থপ্ৰতীম বৈৰাগী, আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুবেকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## বিজেপিৰে প্ৰথমতে মিত্ৰতা ভংগ কৰিছে

*প্ৰথম পৃষ্ঠাৰ পৰা...* অৱতীৰ্ণ হৈছিল নিৰ্বাচনত। তদুপৰি নলবাৰী জিলাৰ অন্তৰ্গত নলবাৰী, ধৰ্মপুৰ আৰু বৰক্ষেত্ৰী বিধান সভা সমষ্টিয়ে বিজেপিৰ জয়ৰ ইংগিত বহন কৰা বুলি কৈ এই আটাইকেইটা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী জয়ী হোৱা মানে ৰাজ্যত বিজেপিয়ে চৰকাৰ গঠন কৰাটো নিশ্চিত বুলিও সভাপতি গৰাকীয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা সাংসদ দিলীপ শইকীয়া, ৰাজ্যিক বিজেপিৰ উপ সভাপতি জয়ন্ত মল্ল বৰুৱা, বিধায়ক অশোক শৰ্মা প্ৰমুখ্যে বহুকেইজন ভাৰতীয় জনতা পাৰ্টি বিষয়ববীয়াৰ লগতে কৰ্মীসকল উপস্থিত থাকে।

## গুইজানত স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ

*প্ৰথম পৃষ্ঠাৰ পৰা...* শুভাৰম্ভ কৰে। ড'নাৰ মন্ত্ৰালয়ৰ অধীনত উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ শিতানত ১৮ কোটি টকা ব্যয় সাপেক্ষে হাতত লোৱা এই আঁচনিৰ জৰিয়তে গুইজান অঞ্চলৰ প্ৰায় ডেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ নদীৰ গৰা সুৰক্ষাৰ লগতে বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ১১ হাজাৰ হেক্টৰ ভূমিক সুৰক্ষা প্ৰদান কৰিব পৰা যাব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ এই পৱিত্ৰ ভূমিক নদীৰ খহনীয়াৰ পৰা চিৰকাললৈ সুৰক্ষিত কৰাৰ লগতে ৰাজ্যখনৰ ভিতৰতে এক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই আঁচনি গ্ৰহণ কৰিছে। জীৱ বৈচিত্ৰ্যৰ আকৰ ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ্শ্বৱৰ্তী এই গুইজান অঞ্চলৰ নৈসৰ্গিক সৌন্দৰ্য অতুলনীয় বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৮ কোটি টকা ব্যয় সাপেক্ষ এই আঁচনিৰ কাম সম্পূৰ্ণ হৈ উঠিলে এই অঞ্চলটো সমুদ্ৰ তীৰৰ দৰে আকৰ্ষণীয় হৈ উঠিব। গুইজানৰ ৰাইজৰ দীৰ্ঘদিনীয়া সংগ্ৰামৰ প্ৰতি সন্মান জনাই চৰকাৰে গ্ৰহণ কৰা এই আঁচনি সঠিক ৰূপত ৰূপায়ণৰ বাবে নিৰ্মাণৰ দায়িত্বত নিয়োজিত লোকসকলক সহায়-সহযোগিতা আগবঢ়াবলৈ তথা নিৰ্মাণ কাৰ্যৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ তেওঁ গুইজানবাসী ৰাইজৰ প্ৰতি আহ্বান জনায়। এই গুইজান অঞ্চলৰ সুৰক্ষাৰ বাবে দীৰ্ঘদিন ধৰি মাত মাতি অহা সদৌ অসম মটক সন্মিলন, মটক যুৱ ছাত্ৰ সন্মিলন, আৰু মটক মহিলা পৰিষদৰ বিষয়ববীয়াসকলৰ প্ৰতিও মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে বিগত সময়ছোৱাত অসমৰ ৰাইজে বিজেপি নেতৃত্বাধীন মিত্ৰ জোটৰ চৰকাৰখনক যি মৰম-চেনেহ দিছে তাৰ বাবে অসমৰ ৰাইজৰ প্ৰতি তেওঁ চিৰ কৃতজ্ঞ। বিভিন্ন প্ৰত্যাহ্বান নেওচি ৰাজ্যখনৰ সৰু-বৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ মান-স্বাভিমান ৰক্ষা কৰা তথা অৰ্থনৈতিক স্ব-নিৰ্ভৰশীলতাৰ বাবে ৰাজ্য চৰকাৰে নিষ্ঠা আৰু আন্তৰিকতাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে জলসম্পদ বিভাগটোক মাথো ধন উপাৰ্জনৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। নৈপৰীয়া আৰু বানপীড়িত ৰাইজৰ আৱেগ-অনুভূতিৰ কোনো মূল্য তেওঁলোকৰ ওচৰত নাছিল। কিন্তু বৰ্তমানৰ চৰকাৰখনৰ কাৰ্যকালত এই বিভাগটোৰ কাম-কাজত আমূল পৰিৱৰ্তন আহিছে। চলিত বৰ্ষত জলসম্পদ বিভাগে ইতিহাস সৃষ্টিকাৰী পদক্ষেপ গ্ৰহণ কৰি নৱেম্বৰ মাহতে মথাউৰি নিৰ্মাণ আৰু খহনীয়া প্ৰতিৰোধী কাম-কাজ আৰম্ভ কৰিছে। এই প্ৰসংগত আজি কিছুদিনৰ পূৰ্বে সৰ্থেবাৰীত একেলগে ৰাজ্যখনৰ বিভিন্ন স্থানত হাতত লোৱা জলসম্পদ বিভাগৰ ২০০ টা কামৰ শুভাৰম্ভৰ কথা তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে দেশবাসীৰ প্ৰতি জনোৱা আহ্বানলৈ সহাৰি জনাই ৰাজ্যৰ যুৱ শক্তিও আজি কৰ্ম সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে মাথো কঠোৰ পৰিশ্ৰমৰ দ্বাৰাহে আমাৰ অঞ্চলটোৰ লগতে ৰাজ্যখনক দেশৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তুলিব পৰা যাব। এক ঐতিহাসিক গণ অভ্যুত্থানৰ জৰিয়তে শক্তিশালী বেংমৰা ৰাজ্য প্ৰতিষ্ঠা কৰা স্বৰ্গদেউ সৰ্বানন্দ সিংহ সমন্বয় আৰু একতাৰ প্ৰতীক বুলি অভিহিত কৰি তেওঁৰ আদৰ্শৰে এখন শক্তিশালী সমাজ গঢ়াৰ বাবে ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ্শ্বৱৰ্তী জিলা কেইখনৰ প্ৰশাসন, আৰক্ষী, বন বিভাগ আৰু ৰাইজে যেনেদৰে সন্মিলিত প্ৰয়াসেৰে উদ্যানখনক চোৰাং চিকাৰীৰ হাতোৰাৰ পৰা বহুলাংশে মুক্ত কৰিবলৈ সক্ষম হৈছে, একেদৰে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ বাবেও পাৰ্শ্বৱৰ্তী জিলাকেইখনৰ সংশ্লিষ্ট বিভাগসমূহ তথা স্থানীয় ৰাইজক আগবাঢ়ি আহিবলৈ তেওঁ আহ্বান জনায়। ইয়াৰ জৰিয়তেহে ডিব্ৰু-চৈখোৱাক কাজিৰঙাৰ দৰে এক আন্তৰ্জাতিক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিব পৰা যাব বুলি তেওঁ কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয় যে জলসম্পদ বিভাগটোৱে এতিয়া পৰম্পৰাগতভাৱে মথাউৰি নিৰ্মাণ আৰু খহনীয়া প্ৰতিৰোধী কাম-কাজৰ মাজতে নিজকে সীমাবদ্ধ নাৰাখি নিজৰ কাম-কাজৰ পৰিসৰ বহল কৰি তুলিছে। আজি গুইজানত হাতত লোৱা এই বৃহৎ প্ৰকল্পটো তাৰে এক উজ্জ্বল নিদৰ্শন বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰৰ পুৰাতত্ত্ব বিভাগে ৰাজ্যখনৰ সকলো ৰজাদিনীয়া ঐতিহ্যৰ পুনৰ সংৰক্ষণৰ পদক্ষেপ গ্ৰহণ কৰিছে। স্বাধীনতাৰ পিছৰ কোনো এখন চৰকাৰে এই গুৰুত্বপূৰ্ণ কামটোৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰা নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বলিষ্ঠ আৰু সাহসী নেতৃত্বৰ বাবেহে এয়া সম্ভৱ হৈ উঠিছে। জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা বৰসিং ৰংপীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, সাংসদ প্ৰদান বৰুৱা আৰু স্থানীয় বিধায়ক বিনোদ হাজৰিকাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, তেৰছ গোৱালা, বিমল বৰা, ভাস্কৰ শৰ্মা, চক্ৰধৰ গগৈ আৰু সুৰেন ফুকন, তিনিচুকীয়া জিলাৰ উপায়ুক্ত দিগন্ত শইকীয়া, আৰক্ষী অধীক্ষক শিলাদিত্য চেতিয়াৰ লগতে জলসম্পদ বিভাগ, জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল আৰু বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে আজি গুইজানত উপস্থিত হৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সমাধিত বন্তি প্ৰজ্জ্বলন কৰাৰ লগতে তেখেতৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। আনহাতে আঁচনিখনৰ শুভাৰম্ভ অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰী সঞ্জয় কিষাণ, সাংসদ প্ৰদান বৰুৱা আৰু বিধায়কসকলক লগত লৈ ডিব্ৰু নৈৰ বুকুত ফেৰীৰে পৰিভ্ৰমণ কৰি ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ্শ্বৱৰ্তী এলেকা পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত বন বিভাগৰ উচ্চপদস্থ বিষয়াবৰ্গও উপস্থিত থাকে।

## সময় নিৰ্দ্ধাৰিত লক্ষ্য নিৰ্দ্ধাৰণ

*প্ৰথম পৃষ্ঠাৰ পৰা...* কৰি অসমৰ গাঁও অঞ্চলৰ ছবি সলনি কৰিবলৈ হ'লে আমি সকলোৱে প্ৰতিযোগিতাৰ মনোভাৱেৰে কাম কৰিব লাগিব।' —পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ কৰি থকা আঁচনিসমূহৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ অৰ্থে আজি শ্ৰীমন্তশংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্তশংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা সভাত বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়। আঁচনি ৰূপায়ণৰ প্ৰতিটো স্তৰতে আন্তৰিকতাপূৰ্ণ, সক্ৰিয় তথা দায়বদ্ধতাৰে কৰ্তব্য সম্পাদন কৰিবলৈ বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীৰ প্ৰতি আহ্বান জনাই মন্ত্ৰীগৰাকীয়ে কিছুমান সময় নিৰ্দ্ধাৰিত লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়ে। তদুপৰি বিভাগৰ অধীনত সাৰ্বজনীন ৰূপত গ্ৰহণ কৰা বৃদ্ধ আৰু বিধৱা পেন্সন যাতে সকলো যোগ্য হিতাধিকাৰীয়ে লাভ কৰিব পাৰে তাৰ বাবে বিশেষ ব্যৱস্থা ল'বলৈও বিষয়াসকলক আহ্বান জনায়। সভাত মহাত্মা গান্ধী এনৰেগাৰ অধীনত নতুনকৈ হাতত লোৱা 'স্ব-নিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম' আঁচনিখন ৰূপায়ণ সম্পৰ্কত পোন প্ৰথমে পৰ্যালোচনা কৰা হয়। আনহাতে ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি, শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি, ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি, মহাত্মা গান্ধী এনৰেগা, প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ, চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ৰূপায়িত দীন দয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰামীণ জাৱিকা অভিযান আৰু দীন দয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা সম্পৰ্কতো বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয় আৰু অধিক ফলপ্ৰসূ ৰূপায়ণৰ অৰ্থে বিভিন্ন পৰামৰ্শ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে ক্ষেত্ৰীয় পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অধিক সক্ৰিয় কৰাৰ লক্ষ্যৰে বিভাগীয় মন্ত্ৰীগৰাকীৰ তৎপৰতাত জিলা আৰু ৰাজ্যিক পৰ্যায়ত এনেদৰে এলানি পৰ্যালোচনা সভা অনুষ্ঠিত কৰি অহা হৈছে আৰু ইয়াৰ পৰা সুফল লাভ কৰা হৈছে। বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত চলিত বৰ্ষত এতিয়ালৈ ১৪,৬২,৬১৮টা গ্ৰাম্য পৰিয়ালক মজুৰিভিত্তিক কৰ্মসংস্থাপনেৰে বিভাগে মহাত্মা গান্ধী এনৰেগাৰ জৰিয়তে ৩,৬৬,৯০,১৮৬ কৰ্ম দিন সৃষ্টি কৰি ৭৭৯.৬৭ কোটিতকৈও অধিক টকা মজুৰিৰ বাবদ আদায় দিবলৈ সক্ষম হৈছে। আনহাতে এই সময়ছোৱাত মহিলাৰ অংশগ্ৰহণৰ হাৰ ৪৩.৪০ শতাংশ আৰু ২,৮২,৯৪২ খন নতুন জবকাৰ্ড প্ৰদান কৰা হৈছে। আনহাতে এতিয়ালৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত সৰ্বমুঠ ৩.৫০ লাখতকৈ অধিক গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। তেনেদৰে চতুৰ্দশ বিত্তীয় আয়োগৰ মঞ্জুৰিৰ অধীনত লাভ কৰা ৫১০১.৩৫ কোটি টকাৰ ভিতৰত এতিয়ালৈ ৪২৫৬.৬ কোটি টকা ব্যয়েৰে ৭৩,২৩৯ খন আঁচনিৰ কাম সম্পূৰ্ণ কৰাৰ বিপৰীতে ৬১,৭৮০ খন আঁচনিৰ কাম চলি আছে। তদুপৰি কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এতিয়ালৈ ক্ৰমে ১২,১১,২৫৯ আৰু ১,৬৭,১৯৬ গৰাকী হিতাধিকাৰী উপকৃত হৈছে। সেইদৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিয়ানৰ অধীনত এতিয়ালৈ ২,৮৭,৪৯৭ টা আত্মসহায়ক গোট গঠন কৰাৰ বিপৰীতে ১,৫৪,৭০৪ টা আত্মসহায়ক গোটে ঘূৰ্ণীয়মান পুঁজি আৰু ৯৬,৭৭৬ টা আত্মসহায়ক গোটে সামূহিক বিনিয়োগ পুঁজি লাভ কৰিছে। আনহাতে ১,৪১,০৭১ টা আত্মসহায়ক গোটে বেংক ঋণ লাভ কৰিছে। ইয়াৰ উপৰি কনকলতা মহিলা সৱলীকৰণ যোজনাৰ অধীনত ১,৯৮,৪০২ টা গোটে ঘূৰ্ণীয়মান পুঁজি লাভ কৰিছে। পৰ্যালোচনা সভাৰ আৰম্ভণীতে আদৰণি ভাষণ প্ৰদান কৰে বিভাগৰ আয়ুক্ত হেমেন দাসে। আজিৰ পৰ্যালোচনা সভাত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক খগেশ্বৰ পেগু, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কৃষ্ণা বৰুৱাকে ধৰি উচ্চ পৰ্যায়ৰ বিষয়াসকল আৰু ৰাজ্যৰ প্ৰতিখন জিলাৰ তৃণমূল পৰ্যায়লৈকে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

### মৰিগাঁও কৃষি বিভাগত বীজ কেলেংকাৰীৰ অভিযোগ

## কৃষকৰ পৰিৱৰ্তে মধ্যভোগীৰ হাতত তুলি দিয়ে বীজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ১৮ নৱেম্বৰ ঃ** দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ প্ৰতিশ্ৰুতিৰে শাসনৰ গাদী দখল কৰা সৰ্বানন্দ সোনোৱাল নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰখনে সম্প্ৰতি দুৰ্নীতিৰ ক্ষেত্ৰত উদাৰ মনোভাৱ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ মৰিগাঁও জিলা কৃষি বিভাগত কৃষকৰ বাবে আৱণ্টিত বীজ বিতৰণত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। কেইদিনমান পূৰ্বে নহৰুৰ বীজ কৃষকক বঞ্চিত কৰি মধ্যভোগীৰ হাতত তুলি দিয়াৰ বাতৰি সংবাদ মাধ্যমত সবিস্তাৰে প্ৰকাশ পাইছিল যদিও বিভাগীয় মন্ত্ৰী তথা হিভাগৰ উৰ্ধতন কৰ্তৃপক্ষই জিলা কৃষি বিভাগৰ বিষয়া- কৰ্মচাৰীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম নোহোৱাত পুনৰ মাকৈৰ বীজ, সৰিয়হৰ বীজ আৰু পিয়াঁজৰ বীজ বিতৰণত বিয়াগোম দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উঠিছে মাকৈ, পিয়াঁজ আৰু সৰিয়হৰ বীজ প্ৰকৃত কৃষকৰ মাজত বিতৰণ নকৰি মৰিগাঁও জিলা কৃষি বিভাগৰ বিষয়া কৰ্মচাৰী সকলে কমিচনৰ বিনিময়ত মধ্যভোগী দাললৰ হাতত তুলি দিছে মধ্যভোগী দালালৰ হাতোৰাত বন্দী জিলা কৃষি বিভাগ জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে কৃষকক এৰি মধ্যভোগী দালালৰ লগত সম্পৰ্ক ৰক্ষা কৰি চৰকাৰে ৰূপায়ন কৰা বিভিন্ন আচনিত দুৰ্নীতি সংঘটিত কৰি আহিছে বান খহনীয়াত বিধ্বস্ত মৰিগাঁও জিলাৰ কৃষকৰ বাবে ৰবি শস্যৰ ৰোপণৰ বাবে পিয়াঁজৰ বীজ মাকৈৰ বীজ আৰু সৰিয়হৰ বীজ চৰকাৰে বিনামূলীয়াকৈ যোগান দিছে জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে বহু মূল্যৱান তথা উন্নত মানৰ বীজ কৃষকৰ মাজত বিতৰণ নকৰি মধ্যভোগীৰ লগত গোপন বুজাবুজি কৰি বীজসমূহ গোপনে বিক্ৰী কৰাৰ অভিযোগ উঠিছে। ৰবি শস্যৰ এই বীজসমূহ বিতৰণত অধিক দুৰ্নীতি সংঘটিত হৈছে বান খহনীয়াগ্ৰস্ত লাহৰীঘাট আৰু ভুৰাগাঁৱত যি সময়ত লাহৰীঘাট-ভুৰাগাঁৱৰ হাজাৰ হাজাৰ কৃষকে বীজৰ অভাৱত হাহাকাৰ কৰিব লগা হৈছে, সেই সময়তেই বিভাগীয় চৰকাৰী বীজৰে ৰমৰমীয়া ব্যৱসায় চলাই গৈছে বিষয়া-কৰ্মচাৰীসকলে কৃষকৰ ওচৰত নাহি জিলা কাৰ্যালয়ৰ পৰাই বীজ মধ্যভোগী দালালৰ হাতত তুলি দিছে। উদাহৰণ স্বৰূপে জিলাখনৰ ভুৰাগাঁও কৃষি চক্ৰৰ অন্তৰ্গত কৃষকৰ বাবে ২২ কুইন্টল মাকৈৰ বীজ, ৩ কুইন্টল পিয়াজৰ বীজ আৰু ৩ কুইন্টল সৰিয়হৰ বীজ আৱন্টন দিছে এই বৃহৎ পৰিমাণৰ বীজ কৃষকৰ মাজত বিতৰণ নকৰি মধ্যভোগীৰ দালালৰ হাতত তুলি দিছে। ভুৰাগাঁও কৃষি চক্ৰৰ বীজ বিতৰণৰ দায়িত্বত আছে কৃষি সম্প্ৰসাৰণ সহায়ক ইউছুৱ আলী আলীয়ে বীজ সমূহ জিলা কাৰ্যালয়ৰ পৰাই কমিচনৰ বিনিময়ত মধ্যভোগীৰ মাজত বিতৰণ কৰিছে। এই বৃহত পৰিমাণৰ বীজৰ পৰা সকলো প্ৰকৃত কৃষক বঞ্চিত হৈছে। আলীক ভুৰাগাঁৱৰ কোনো কৃষকে চিনি নাপায় অধিক দামত বীজ ক্ৰয় কৰিব নোৱাৰি বহু কৃষকে ৰবি শস্যৰ আশা বাদ হাত সাৱটি বহি থাকিব লগা হৈছে। এয়া মাত্ৰ এটা উদাহৰণহে ভুৰাগাঁৱৰ এইদৰে সমগ্ৰ জিলাখনত বীজ বিতৰণত দুৰ্নীতি সংঘটিত হৈছে ইমান দুৰ্নীতি সংঘটিত কৰাৰ পিছতো জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ প্ৰতি চৰকাৰৰ ইমান দৰদ কিয়? বীজৰ পৰা বঞ্চিত কৃষকসকলৰ প্ৰশ্ন কৃষি মন্ত্ৰী অতুল বৰাই জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীক দুৰ্নীতি কৰিবলৈ লাইচেন্স দিছে নেকি? এইলৈ কৃষৰ মাজত সৰ্বত্ৰ আলোচনা চলিছে।

## এইবাৰ দিছপুৰৰ পৰা হিমন্ত আউট বিপিএফ ইন, মই দুৰ্নীতি কৰা নাই হিমন্তই দুৰ্নীতি কৰিছে ঃ হাগ্ৰামা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৮ নৱেম্বৰ ঃ** 'বি টি চিত এজন হিমন্ত বিশ্ব শৰ্মা কিয় এশ জন হিমন্ত বিশ্ব শৰ্মা আহিলেও বি টি চিত বি জে পি দলে চৰকাৰ গঠন কৰিব নোৱাৰে, বি পি এফ দলেহে বি টি চিত চৰকাৰ গঠন কৰাটো খাটাং, যোৱা কেইদিনত বি টি চিত অনুষ্ঠিত হোৱা বিজেপি দলৰ নিৰ্বাচনী সভাসমূহত স্থানীয় ৰাইজৰ উপস্থিতি একেবাৰে নাই সকলো বিলাক ৰাইজ বি টি চিৰ বাহিৰৰ পৰা একশ-দুইশ টকাকৈ হাজিৰা দি অনা মানুহ'— কোকৰাঝাৰ জিলাৰ কাজিগাঁও থানাৰ অন্তৰ্গত কুৰ্শাকাটীত আজি অনুষ্ঠিত এখন বি পি এফ দলৰ নিৰ্বাচনী সভাত ভাষণ প্ৰসঙ্গত এইদৰে কয় বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে। উক্ত নিৰ্বাচনী সভাখনত মহিলাৰীয়ে ইউ পি পি এল আৰু বি জে পি দলক কঠোৰ সমালোচনা কৰি আকৌ কয় যে ইউ পি পি এল বা বিজেপি দল বি টি চিৰ ক্ষমতালৈ আহিলে বি টি আৰ চুক্তি মতে বি টি চিত বসবাস কৰা অবড়ো আৰু চৰকাৰী খাছ মাটিত বসবাস কৰা লোক সকলোক উচ্ছেদ কৰিব, কিন্তু বি পি এফ দলে শাসনলৈ আহিলে অবড়ো আৰু খাছ মাটিত বসবাস কৰা সকলো লোককে মাটিৰ পট্টা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি মহিলাৰীয়ে কয় যে বিটিচিত একো কেলেংকাৰী হোৱা নাই বৰঞ্চ অসম চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইহে বি টি চিয়ে পাব লগা চাৰিশ কোটি টকা দিছপুৰত বহি বহি খাই শেষ কৰিছে। উল্লেখ্য যে বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ৰাজনৈতিক দল বিলাকৰ তৎপৰতা দুগুনে বৃদ্ধি পোৱাৰ সময়তে আজি ২নং গুমা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত কুৰ্শাকাটী খেল পথাৰত বি পি এফ দলৰ এখন বিশাল নিৰ্বাচনী সভা অনুষ্ঠিত হয়। উক্ত সভাখনত অবড়ো সুৰক্ষা সমিতিৰ প্ৰাক্তন নেতা ৰফিক আহমেদে সাংসদ নৱ শৰণীয়াক কঠোৰ ভাবষাৰে সমালোচনাৰে আক্ষেপ কৰি কয় যে আমি কেৱল নৱ শৰণীয়াৰ পেট ভৰাবলৈহে অবড়ো সুৰক্ষা সমিতিৰহে কাম কৰিছো। এক নম্বৰ স্বাৰ্থপৰ সাংসদ নৱ শৰণীয়াৰ বৰ্তমান বি টি চিত স্থিতি এটা ডাঙৰ শূন্য আৰু বি টি চিত বি পি এফৰ বিকল্প নাই বুলি উল্লেখ কৰি ৰফিক আহমেদে কয় যে হাগ্ৰামা মহিলাৰীৰ হাত মজবুত কৰিবলৈ ২নং গুমা পৰিষদীয় সমষ্টিৰ বিপিএফ দলৰ প্ৰাৰ্থী ৰহিন্দ্ৰ ব্ৰহ্মক নাঙলৰ ছবিত ভোট দি জয়ী কৰিবলৈ ৰাইজক আহ্বান জনায়। সভাত জনপ্ৰিয় কৌতুক অভিনেতা বিপুল ৰাভাই বি পি এফ দলৰ প্ৰাৰ্থী ৰহিন্দ্ৰ ব্ৰহ্মৰহে প্ৰচাৰ চলাই সাংসদ নৱ শৰণীয়াক সমালোচনা কৰি নিজৰ ভাষণত কয় যে নৱ শৰণীয়াৰ আন এটা নাম হীৰা শৰণীয়া যদিও তেওঁ আচলতে হীৰা নহয়, এটা প্লাষ্টিকহে। বি পি এফ দলৰ পৰিষদীয় চৰকাৰে যিহেতু বি টি চিৰ বহুত উন্নতি সাধন কৰিছে সেয়ে বিপিএফৰ শীৰ্ষ নেতাসকলে বি পি এফ দলৰ প্ৰাৰ্থী ৰহিন্দ্ৰ ব্ৰহ্মৰ জয় নিশ্চিত বুলি উল্লেখ কৰা উক্ত সভা খনত প্ৰায় ছয় শহস্ৰাধিক ৰাইজ উপস্থিত আছিল। উল্লেখযোগ্য যে বি পি এফ দলৰ আদৰ্শৰ প্ৰতি আকৃষ্টহৈ অঞ্চলটোৰ বিভিন্ন ৰাজনৈতিক দলৰ পৰা ১৩১গৰাকী লোকে বিপিএফ দলত যোগদান কৰে।

## ৰাশিফলত আজিৰ দিনটো

**৩ আঘোণ, বৃহস্পতিবাৰ, ১৯ নৱেম্বৰ, ১৪২৭ ভাস্কৰাব্দ**
**তিথি ঃ তৃতীয়া, নক্ষত্ৰ ঃ উত্তৰভাদ্ৰপদ, জন্মৰাশি ঃ মেষ**
**সূৰ্যোদয়-০৪.৩৫, সূৰ্যাস্ত-০৬.০৩**



■ **মেষ** ঃ ব্যয় বৃদ্ধি। ■ **বৃষ** ঃ স্বাস্থ্য ক্ষতি। ■ **মিথুন** ঃ আনৰ সহায়। **কৰ্কট** ঃ মাতৃৰ সহায়। ■ **সিংহ** ঃ আলহী আগমন। ■ **কন্যা** ঃ আনৰ সহায়। ■ **তুলা** ঃ প্ৰেমত শুভ। ■ **বৃশ্চিক** ঃ ব্যৱসায়ত লাভ। ■ **ধনু** ঃ মন পৰিৱৰ্তন। ■ **মকৰ** ঃ প্ৰেমত নিৰাশ। ■ **কুম্ভ** ঃ ব্যয়বহুলতা। ■ **মীন** ঃ অৰ্থ ব্যয়।


## NOTICE

To: Sri Santanu Kr. Deka, Sr. Asstt.
Office of the Research Officer, Fisheries
Amranga, Kamrup (R)

You are remain absent in your duties with effect from 19/09/2019 to till date without any information and without handing over charge to any one. Many show cause notices were sent to you for your unauthorized absence and negligence of Govt. duties. Again, on 20th October, 2020 and 3rd November, 2020 notices were served through news paper. But you did not responded and remain absent in official duties.

Again this notice served through news papers for last time asking you to show cause within 5 days from publication of this notice. This is last and final notice. No claim for your service after the specified time will be entertained.

Sd/
Research Officer,
Fisheries Amranga, Kamrup (R)

Janasanyog/D/7157/20

No. TE(Ex)Admn-1/2020/545

## EDUCATIONAL NOTICE

**Regarding Probable Cancellation of Seats of Admitted Students in Different Govt. Engineering Colleges for Non-Attending Online Classes**

It has been observed that many students who took admission in different Govt. Engineering Colleges of the State through online mode, have not attended their online classes or are having very poor attendance record. With reference to our earlier Public Notice No. TE(Ex)Admn-1/2020/465 dated 3rd October, 2020 and subsequent undertaking by the students, such students will forfeit their allotted seat and the seat will be filled up by the aspiring candidates in the queue within the stipulated time frame fixed by the AICTE, If such students do not fulfill the following instructions which has been resolved in the interest of all concerned:

1) Such students will have to report to their respective colleges at 10 AM on 23rd November, 2020 and to justify why their seat will not be cancelled.
2) To avoid undesirable complications due to filling up such seats by the other aspirants, such students will have to submit their Original Mark sheets of 12th Examination to their College for temporary retention as a proof that the candidates will be continuing their studies at that Institution.
3) Any such students, who remain indifferent and who fails to report/justify to the college on the specified date will imply his unwillingness to remain a student of that college and his/her seat will be cancelled automatically.

Sd/-
Director of Technical Education, Assam
Kahilipara, Guwahati-19

Janasanyog/D/7173/20

## SHORT TENDER NOTICE

SEALED TENDER AFFIXING COURT FEE STUMP OF RS. 8.25 (RUPEES EIGHT AND PAISA TWENTY FIVE) ONLY SUBSEQUENTLY TO BE DRAWN IN F-2 FORM ARE INVITED FOR THE WORK AS MENTIONED BELOW FROM THE REGISTERED CLASS-1 CONTRACTOR UNDER IRRIGATION DEPARTMENT,CLASS-II CONTRACTORS REGISTERED UNDER UPPER ASSAM C.A.D. AUTHORITY, KATLMARY, NAGAON, ASSAM AND CLASS-III CONTRACTORS REGISTERED UNDER THIS DIVISION ONLY WILL BE RECEIVED IN THE OFFICE OF THE UNDER-SIGNED UPTO 2(TWO)P.M. OF 25.11.2020 AND WILL BE OPENED AT 3 P.M. ON THE SAME DATE AND PLACE IN THE PRESENCE OF THE TERDERER OR THIRE AUTHORIZED AGENT WHO LIKE TO BE PRESENT.THE TENDERER WILL HAVE TO SUBMIT THEIR TENDERS IN PRESCRIBED FORM OBTAINABLE WITH DETAILED PARTICULARS FROM THE OFFICE OF THE UNDER-SIGNED WHICH WILL BE AVAILABLE ON ALL WORKING DAYS DURING OFFICE HOURS UPT0 3(THREE)P.M. OF 23.11.2020 ON PAYMENT OF RS.300.00 (RUPEES THREE HUNDRED)ONLY IN THE SHAPE OF INDIAN POSTAL ORDER PLEDGED TO THE UNDER-SIGNED FOR EACH GROUP.IF FOR ANY REASON LAST DAY OF RECEIVING OR ISSUEING TENDER PAPER IS DECLARED AS HOLIDAY/BANDH THE TENDER WILL BE RECEIVED AND OPENED ON NEXT OFFICE WORKING DAYS.

| | |
|---|---|
| NAME OF SCHEME :- | DIMORU RIVER FLOW IRRIGATION SCHEME (CHECK DUM) UNDER A.I.B.P. FOR THE YEAR 2012-13. |
| NATURE OF WORK :- | AS MENTIONED IN THE GROUP SHEET. |
| APPROX VALUE :- | RS. 17,67,115.00 (RUPEES SEVENTEEN LAKHS SIXTY SEVEN THOUSAND ONE HUNDRED FIFTEEN) ONLY. |
| EARNESTMONEY :- | 1) 2% OF WORK VALUE FOR GENERAL. 2) 1 % OF WORK VALUE FOR S.C/S.T./OBC/MOBC |
| TIME OFCOMPLETION :- | WITHIN 45 (FORTY FIVE) DAYS TIME FROM THE DATE OF ISSUE OF WORK ORDER. |

SD/-
EXECUTIVE ENGINEER
JAMUNA CAD DIVISION (IRRIGATION)
HOJAI… ASSAM

Janasanyog/C/7048/20

**GOVERNMENT OF ASSAM**
**OFFICE OF THE DIRECTOR, A. H. & VETERINARY DEPARTMENT, B.T.C.,**
**KOKRAJHAR**

**NOTICE INVITING QUOTATION**

Sealed quotations affixing non-refundable Court fee of **Rs. 8.25 (Rupees eight and twenty five paisa)** only are invited from the interested Manufacturers / Dealers / Company Authorized Farms / Traders in separate covers for each group for the supply of the below mentioned groups of Vety. Surgical / Bandage etc. items to the office of the Director, A.H. & Vety. Deptt., BTC, Kokrajhar for the Financial Year 2020-21.

| Group No. | Name of Item | Remarks |
|---|---|---|
| A | Surgical Instruments, Bandage Cloths, Cotton, Casting Rope, Hand Gloves, Mask etc. | Detailed lists of Vety. Surgical Instruments, Bandage Clothes etc. and A. A. amount against the supply items may be collected from the office of the undersigned during office hours upto 12.00 noon of **21st Nov'2020.** |

**The bidder should enclose the following documents with their bid.**

(a) Bid Security/Earnest Money @ 1% of A.A. amount for each group in the form of Call Deposit/NSC/Demand Draft duly pledged in favour of "The Director, A.H. & Veterinary Department, BTC, Kokrajhar".
(b) Copy of Trade License with up-to-date validity.
(c) Drug License with up-to-date validity.
(d) Self attested copy of GST Registration Certificate.
(e) Self attested copy of PAN Card.

The quotations will be received at the Office of the undersigned up to **1.00 P.M. of 21st Nov'2020** and will be opened at **1.30 P.M.** of the same day. In case, last date of receipt is happened to be a non-working day for any reason, the next working day will be considered as the date for submission of Quotations and opening thereof. The bidders or their representatives may remain present at the time of opening of the quotations.

**Terms & Conditions**

01. Rate should be quoted for 1(One) Unit as per required presentation of each item.
02. The Quoted Rate should not exceed the MRP of the particular item (wherever applicable) and should be quoted legibly both in **Figure and Words.**
03. The rate should be quoted including GST.
04. **To facilitate prompt evaluation, the bidder shall quote rate as per format of quotation attached.**
05. The purchaser is not bound to procure all the items even it is in the approved list.
06. The Vety. Surgical/Bandage etc. thus to be supplied should be of full quantity as per order otherwise short supplied items will not be received.
07. All the items should be supplied within 15 days from the date of issue of supply order.
08. The decision of the Director, A.H. & Veterinary Department, BTC, Kokrajhar/BTC Secretariat shall be the final in case of any dispute.
09. The selected bidders will have to execute a Bond with this Department before the issue of formal order of supply.
10. Vety. Surgical/Bandage etc. thus to be supplied should be placed before the checking committee of this Department for acceptance thereby by the Department.

(Dr. D.K. Bhuyan)
i/c, Director,
A.H. & Vety. Deptt., BTC, Kokrajhar

Memo No: DV/BTC/VETY/D-16/2020-21/534/ Dated Kokrajhar the 11TH Nov'20

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১৯ নৱেম্বৰ, ২০২০ বৃহস্পতিবাৰ, গুৱাহাটী ৩ আঘোণ ১৯৪২ শক





## নলবাৰীত অবৈধ বালিক লৈ উত্তপ্ত পৰিস্থিতি
## বনবিভাগৰ গাড়ী আটক কৰিলে ৰাইজে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৮ নৱেম্বৰ ঃ** নলবাৰী বালিলেচাত শ্ৰী শ্ৰী কালি দেৱালয় সন্মুখত উত্তপ্ত পৰিস্থিতি । বনবিভাগৰ গাড়ী আটক কৰিলে ৰাইজে । ঘটনা অনুসৰি বিগত বহু মাহ ধৰি বালিলেছা পথেৰে টেক্ট'ৰ, ডাম্পাৰ আদিয়ে অবৈধভাৱে পাগলদিয়া নদীৰ বালি কঢ়িয়াই থকাত পৰিলক্ষিত হৈছে। বিনা চালান বিহীন ভাবে অবৈধ ভাৱে মাটি কঢ়িওৱা এই গাড়ী বিলাকৰ বাবে স্হানীয় ৰাইজে যাতায়তৰ লগতে দিনে দিনে বৃদ্ধি হোৱা ধূলি বাবে বহুত অসুবিধা সন্মুখীন হৈ আছে । বহুদিন ধৰি স্থানীয় ৰাইজে নলবাৰী বনবিভাগক লিখিত ভাৱে দৰ্খাস্ত প্ৰদান কৰাৰ পিছত ও আজিলৈ কোনো ব্যৱস্থা নকৰা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। এনে সময়তে আজি এখন ট্ৰেক্টৰে অবৈধ ভাৱে বালি কঢ়িয়াই অনি থকাৰ সময়ত স্থানীয় বনবিভাগক খবৰ দিয়ে । কিন্তু বনবিভাগৰ দল এটি ঘটনাস্থলীত উপস্থিত হয় গোপন বুজা বুজিৰে ট্ৰেক্টৰে যাব দিয়া বুলি ব্যাপক অভিযোগ উত্থাপন কৰি স্থানীয় ৰাইজে বনবিভাগৰ গাড়ী খন আটক কৰে । প্ৰায় দুই ঘন্টা ধৰি ৰাইজৰ হাতত আৱদ্ধ হৈ থকাৰ পিছত বনবিভাগৰ লোকে ভৱিষ্যতে অবৈধ ভাৱে বালি কঢ়িওৱা টে”ৰৰ ওপৰত বিহিত ব্যৱস্থা লোৱা প্ৰতিশ্ৰুতি দিয়াৰ পিছত হে স্থানীয় ৰাইজে বনবিভাগৰ গাড়ী খনক যাব দিয়ে । উল্লেখ্য যে বালিলেচাৰ সমীপৰ নামদোঙাত থকা পালগদিয়া ঘাটত বালি মাফিয়া হামিদ আলীয়ে বহুত দিন ধৰি অবৈধ ভাৱে মাটি কাটি থকা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰে ।

### ধুবুৰীৰ হালাকুৰা আৰক্ষীৰ বিশেষ অভিযান
## ছিপাঝাৰৰ ইটাভাটাত আবদ্ধ হৈ থকা শিশু, মহিলাসহ পাঁচ শ্ৰমিকক উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৮ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত হালাকুৰা আৰক্ষী চকীৰ আৰক্ষীয়ে এক অভিযোগৰ ভিত্তিত দৰং জিলাৰ ছিপাঝাৰলৈ গৈ তাত থকা এটা ইটা ভাটাত আৱদ্ধ হৈ থকা পুৰুষ, মহিলা, শিশু সহ পাঁচজন শ্ৰমিকক উদ্ধাৰ কৰি আজি ৰাতিপুৱা আৰক্ষীয়ে শ্ৰমিকৰ দলটোক হালাকুৰালৈ লৈ আনি নিজ নিজ পৰিয়ালৰ লোকক চমজাই দিয়ে । ঘটনাৰ বিৱৰণী মতে যোৱা তিনি মাহ মাহমান পূৰ্বে ধুবুৰী জিলাৰ হালাকুৰা অঞ্চলৰ জনৈক ঠিকাদাৰ সাহিদুৰ হক প্ৰধানী য়ে জিলা খনৰ হালাকুৰা, আগমনি, পোকালাগী আদি অঞ্চলৰ শ্ৰমিকক দৰং জিলাৰ ছিপাঝাৰৰ এটা ইটা ভাটাত অধিক হাজিৰা পোৱাৰ কামৰ প্ৰলোভন দি মুঠ ১৭ জন শ্ৰমিকক ছিপাঝাৰলৈ লৈ গৈছিল । ছিপাঝাৰৰ গণেশ কুৰেৰী IBI ইটা ভাটাৰ স্বত্তাধিকাৰী আফতাজুল হকৰ পৰা সাহিদুৰ হক প্ৰধানীয়ে উক্ত শ্ৰমিক কেইজনৰ মজুৰি বাবদ ১১ লাখ টকাৰ অগ্ৰিম ধন লৈ ১৭ জন শ্ৰমিকক স্বত্তাধিকাৰী আফতাজুল হকৰ ওচৰত চমজাই দি অন্তৰ্ধান হৈ পৰে ।ইপিনে কিছুদিন কাম কৰাৰ পিছত শ্ৰমিক সকলে নিজা ঘৰলৈ আহিব বিচৰাত ইটা ভাটাৰ স্বত্বাধিকাৰীয়ে তেওঁলোকক ঘৰলৈ যাবলৈ নিদি ভাটাতে কামত লগাই আৱদ্ধ কৰি ৰাখে। ইটা ভাটাৰ স্বত্তাধিকাৰী হকে টকা লোৱা বাবদ শ্ৰমিক কেইজনক আটক কৰি ৰখাৰ উপৰিও তেওঁৰ কৰ্মচাৰীৰ দ্বাৰা মাৰপিট কৰাৰ কথাও উল্লেখ কৰে শ্ৰমিক কেইজনে । ইপিনে ১৭ জন শ্ৰমিকৰ ১২ জন শ্ৰমিকে উক্ত স্থানৰ পৰা ঘৰলৈ পলাই আহিবলৈ সক্ষম হয় । পিছত ঘটনা সন্দৰ্ভত হালাকুৰা আৰক্ষীক অৱগত কৰোৱা হয়। উক্ত ইটা ভাটাটোত বাকী থকা পুৰুষ-মহিলা কে ধৰি পাঁচজন শ্ৰমিকৰ লগতে এটি তিনিছৰীয়া শিশুকো আবদ্ধ কৰি ৰখাৰ ঘটনা পোহৰলৈ অহাত হালাকুৰা আৰক্ষীৰ নেতৃত্বত আৰু বগুলামাৰী আঞ্চলিক আমছুৰ সভাপতি কাবিউৰ ৰহমান, ভাৰতীয় মজদুৰ সংঘৰ জিলা সভাপতি তৌফিক আহমেদ, গৰীয়া মৰিয়া দেশীৰ জিয়াউৰ ৰহমান মোল্লাৰ সহযোগত আৰক্ষীৰ এটি সজাতি দলে কালি দৰং জিলাৰ ছিপাঝাৰলৈ গৈ তাৰপৰা পাঁচজন শ্ৰমিক সহ এটি তিনিছৰীয়া শিশুকো উদ্ধাৰ কৰা বুলি জানিব পৰা গৈছে।

### বিদ্যুৎ বিভাগৰ আজব কাণ্ড
## বি পি এল গ্ৰাহকলৈ আহিল অভাৱনীয় পৰিমাণৰ বিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ১৮ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি বিদ্যুৎ উপ সংমণ্ডলৰ পৰা এজন বি পি এল গ্ৰাহকলৈ প্ৰেৰণ কৰিছে অভাবনীয় পৰিমাণৰ বিদ্যুৎ বিল ।এই লৈ বিপাঙত পৰিছে দুখীয়া-দৰিদ্ৰ লোকজন ।এই সংবাদদাতাৰ হাতত পৰা অভিযোগ মতে ঢেকীয়াজুলি ৰাজহচক্ৰৰ অন্তৰ্গত আমতল বঙালী গাঁৰৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ হৰিচৰণ মাহাতুৰ নামত ঢেকীয়াজুলি বিদ্যুৎ উপ সংমণ্ডল (১) এ ৩৬৫২০ টকাৰ বিদ্যুৎ বিল প্ৰেৰণ কৰিছে ।উল্লেখযোগ্য যে,চৰকাৰী আচঁনি আনুসৰি বিনামূলীয়া বিদ্যুত সংযোগ দিয়া হৈছে ।বিনামূলীয়া বিদ্যুত সংযোগ লাভ কৰা হিতাধিকাৰী তথা বিদ্যুত গ্ৰাহক হৰিচৰণ মাহাতুৰ নামত অভাৱনীয় পৰিমাণৰ বিদ্যুত বিল প্ৰেৰণক লৈ ৰহস্যৰ সৃষ্টি হৈছ অভিযোগত প্ৰকশ পোৱা মতে,যোৱা ২০১৭ চনৰ ১০ অক্টোবৰত তেওঁলৈ ৩৭১ টকাৰ বিদ্যুত বিল আহিছিল যদিও পিছৰ ১২য১৩য২০১৭ তাৰিখে বিদ্যুত বিভাগে তেওঁলৈ ৬২৭৮ টকাৰ বিল প্ৰেৰণ কৰে ।এই বিল পোৱাৰ পিছত মাহাতুৰে সংশ্লিষ্ট বিভাগৰ কাৰ্যালয়লৈ গৈ আপত্তি দৰ্শাই যদিও কোনো গুৰুত্ব নিদিলে বিষয়াই ।ইয়াৰ বিপৰীতে তেওঁলৈ ১১/১১/২০২০ তাৰিখে ৩৬৫২০ টকাৰ বিল এখন হে প্ৰেৰণ কৰিলে ।মাহাতুৰে এই সংবাদদাতাৰ ওচৰত অভিযোগ কৰিছে যে,তেওঁৰ ঘৰত মাত দুটাহে লাইট জ্বলোৱা হয় ।তেনে ক্ষেত্ৰত প্ৰতিমাহে বৃহৎ পৰিমাণৰ বিদ্যুত বিল কেনেকৈ হয় ।তেওঁ আৰু জানিব দিয়া মতে,মিটাৰ ৰিডাৰে মিটাৰ (গ্ৰাহক নম্বৰ-১০০০০০০২৪২০৭) টো আসোৱাহপূৰ্ণ বুলি বিলত লিখি থৈ যায় ।লিখি দিয়া মতে আপত্তি দৰ্শাবলৈ যাওতেও বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে কোনো গুৰুত্ব নিদিলে ।এতিয়া এই বৃহৎ পৰিমাণৰ বিদ্যুত বিল কেনেকৈ আদায় দিব তাৰেই চিন্তিত নিদ্ৰাহৰণ হৈছে দৰিদ্ৰ সীমাৰেখাৰ তলৰ বিদ্যুত গ্ৰাহক হৰিচৰণ মাহাতুৰ ।উপায়ন্তৰ হৈ মাহাতুৰে ন্যায় বিচাৰি সংবাদ মাধ্যমৰ ওচৰ চাপিছে ।ইপিনে বিদ্যুত বিভাগৰ এনে আজৱ কাণ্ডই সচেতন ৰাইজৰ চকু কপালত তুলিছে।

### টংলাত ইউপিপিএলৰ বিশাল জনসভা
## জনসমুদ্ৰত পৰিণত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৮ নৱেম্বৰ ঃ** বি টি চিত এতিয়া নিৰ্বাচনৰ বতাহে আকাশ বতাহ কঁপাই তুলিছে। টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত বি টি চিৰ পাঁচটা সমষ্টিৰ ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা ইউ পি পি এলৰ পৰিৱৰ্তন জনসভাত ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োয়ে অংশগ্ৰহণ কৰি ৰাইজৰ আগত বক্তব্যত কয় যে দুই মহৰ যুদ্ধত বিৰিণাৰ মৰণ হয় যদিও আমি বিৰিণা নহয়, সেয়েহে আমাৰ মৰণ নাই। ১৭ বছৰে দুখেৰে পাৰ কৰিলোঁ, এতিয়া ভাল দিন আহিছে ।আমাৰ সমাজত সকলোৰে ভাষা সংস্কৃতি,ৰীতি-নীতি জীয়াই থাকিব লাগিব ।বি টি আৰত এতিয়া পৰিৱৰ্তনৰ ঢৌ উঠিছে ।আমি প্ৰতিশোধ লব লাগিব, প্ৰতিশোধ মানে হিংসা নহয়,প্ৰতিশোধ মানে গণতান্ত্ৰিক আন্দোলন ।বি টি আৰ চুক্তিত সকলো আছে কিন্তু এটাই নাই সেইটো হল দুৰ্নীতি বুলি কয় ।লগতে হাগ্ৰামাই সকলো জনগোষ্ঠীক থগিছে,দুখীয়াৰ টকা খাইছে বুলি অভিযোগ কৰে তেওঁ ।লগতে কয়যে বি টি আৰত আমি শান্তি সম্প্ৰতি গঢ়ি বি টি আৰ চুক্তিৰ নীতিৰ আধাৰত সকলোয়ে সমান সুবিধা লাভ কৰিব,মাটি বাৰীৰ অধিকাৰ লাভ কৰিব। সভাত তেওঁ ব্যক্ত কৰি কয় যে ইউ পি পি এল চৰকাৰ আহিলে হাতী আৰু মানুহ সংঘাত ৰোধ কৰাৰ ব্যৱস্থা কৰা হব ।লগতে কয় যে বি টি আৰ অঞ্চলত প্ৰত্যিক জাতি জনগোষ্ঠীৰ ভাষা সংস্কৃতি,ৰীতি নীতি জীয়াই ৰখা দায়িত্ব ইউ পি পি এল চৰকাৰ থাকিব ।দুৰ্নীতি কৰা লোকক বিচাৰি আনি আইনগত ভাবে শাস্তি দিয়া হব, ইয়াত বড়ো অনাবড়ো বিভেদ নচলিব,গণতন্ত্ৰ দেশত সকলো সমান,আমি সমাজৰ কাৰণে ৰাজনীতি কৰিছোঁ দুৰ্নীতিৰ কাৰণে নহয়, ইউ পি পি এলে কৰ্ম সংস্কৃতিক আকোঁৱালী লৈ আহিছে, ভাৰত তথা অসম চৰকাৰে আমাক নিৰাপত্তা দিব লাগিব, আমাৰ চৰকাৰ আহিলে বি টি আৰত সকলো জাতি জনগোষ্ঠীৰ উন্নয়ন কাৰণে উন্নয়ন পৰিসদ গঠন কৰি দিয়া হব লগতে সাহিত্যৰ ক্ষেত্ৰত অনুদান আগবঢ়োৱা হব বুলি ঘোষণা কৰে ।উক্ত পৰিৱৰ্তন জনসভাত পাঁচটা সমষ্টি ক্ৰমে খালিংদুৱাৰ, মুদৈবাৰী, খৈৰাবাৰী, ভেৰগাওঁ আৰু নোনাই ছেফাফাং সমষ্টিৰ প্ৰায় ২০ হাজাৰতকৈ অধিক ৰাইজে আহি জনসমুদ্ৰত পৰিণত কৰা উক্ত অনুষ্ঠান খনৰ আদৰণি ভাষণৰ প্ৰসংগত ইউ পি পি এলৰ প্ৰতিষ্ঠাপক সভাপতি ইউ জি ব্ৰহ্মই কয় যে এতিয়া ঘৰে ঘৰে ইউ পি পি এল হৈ গল ।আমাৰ মঞ্চত জাতি জনগোষ্ঠীৰ নৃত্য প্ৰদৰ্শন হয় ।বি টি আৰ অঞ্চলত এক নতুন পৰিৱৰ্তন হব গৈ আছে ।অস্ত্ৰ আন্দোলন সমাধান কৰি শান্তি,আদৰ্শ, প্ৰগতিশীল সমাজ প্ৰতিষ্ঠা কৰিবলৈ গৈ আছে ইউ পি পি এল চৰকাৰে ।বি টি আৰত আৰু কেতিয়াও আন্দোলনৰ সৃষ্টি নহয় ।অসমত অসমীয়া ভাষা জীয়াই থাকিব লাগিব ।মই অসমীয়া ভাষাত সাহিত্য সৃষ্টি কৰিব চেষ্টা কৰি আছো ।আমাক নিৰাপত্তা লাগে বুলি ব্যক্ত কৰি কয়।



## বৰপেটাৰ কুমুল্লীপাৰাত অবৈধভাৱে ভূমি দখল ঃ দুয়ো পক্ষৰ মাজত প্ৰচণ্ড মাৰপিট

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৰেমাৰী, ১৮ নবেম্বৰ ঃ** বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত কুমুল্লীপাৰাত যোৱা ১৪ নবেম্বৰত ভূমি বেদখলক কেন্দ্ৰ কৰি দুটা পক্ষৰ মাজত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয় ।দুয়োপক্ষৰ কেবা জনো হতা-হত হৈ চিকিৎসাধীন হব লগীয়া হৈছে ।জানিব পৰা মতে কুমুল্লীপাৰা গাৱঁৰ আব্দুল কদ্দুছে একে গাৱঁৰে সোমেজ উদ্দিন পলোয়ানৰ পৰা ২২৪নং পাট্টাৰ ৪৮আৰু ৪৯নং দাগৰ পৰা মুঠ ১ বিঘা ৯৯ লেচা মাটি ক্ৰয় কৰি ঘৰ-বাৰী নিৰ্মান কৰে। তাৎপৰ্য পূৰ্ণ কথা যে পাৰ্শ্বৱৰ্তী ৪৭নং দাগৰ বাহাৰুল ইছলামৰ ভূমি খণ্ডও আব্দুল কদ্দুছে বাহুবল দেখুৱাই দখল কৰি লয় ।বাহুবলেৰে আব্দুল কদ্দুছে প্ৰায় ২বিঘা ৫১ লেচা মাটি অবৈধ ভাবে দখল কৰি আছে ।অবৈধ ভাবে দখল কৰা ভূমিকলৈ কেবা বাৰো সামাজিক মেল হয়আৰু অবৈধ ভাবে দখল কৰা মিটিখিনি বাহাৰুল ইছলামক চমজাই দিবলৈ সিদ্ধান্ত লয়। যোৱা১৪ নবেম্বৰত সমাজৰ মুখিয়াল ব্যক্তি সকলক লৈ ভূমি খণ্ডৰ ওচৰলৈ যোৱাৰ লগে লগে পূৰ্বপৰিকল্পিত ভাবে দা,লাঠি,ডেগাৰেৰে সুসজ্জিত ভাবে আব্দুল মোতালেব, আব্দুল কদ্দুছ ,ফচিউৰ ৰহমানৰ প্ৰৰোচনা আৰু উচটনিত প্ৰায় ৩৫/৪০ জনীয়া দলটো বাহাৰুল ইছলামৰ পৰিয়ালটোক আক্ৰমন কৰি কেবাজনক গুৰুতৰ ভাবে আহত কৰি বাহাৰুল ইছলামৰ পুত্ৰ ইমদাদুল ইছলামক ধৰি লৈ যায় ঘৰৰ ভিতৰত হাত-ভৰি বান্ধি মাৰপিট চলায় ।ইমদাদুল ইছলামক উদ্ধাৰৰ ভাবে প্ৰাক্তন জিলা পৰিষদ সদস্য তথা নবোদয় জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ইউচুব আলী আহমেদে সমাজৰ মুখিয়াল ব্যক্তিক লৈ ইমদাদুলক এৰি দিবলৈ বুজনি দিয়ে যদিও কাজিয়াবাজ আঃ কদ্দুছৰ ভেৰোণীয়া গুণ্ডা বাহিনীয়ে ইমদাদুলক এৰিবলৈ অমান্তি হোৱাত হাউলী থানাৰ আৰক্ষীৰ সহযোগত উদ্ধাৰ কৰি থানালৈ লৈ যায় ।ঘটনা সংক্ৰান্তত দুয়োপক্ষই পৃথকে পৃথকে হাউলী থানাত গোচৰ ৰুজো কৰিছে ।প্ৰত্যক্ষ দৰ্শীৰ ভাষ্য মতে কাজিয়াবাজ আঃকদ্দুছৰ ঘৈণীয়েকে শত্ৰু পক্ষক শলঠেকত পেলাবলৈ আচুতীয়া ঘৰখনত নিজেই অগ্নি সংযোগ কৰে ।দাংগাবাজ পৰিয়ালটোৱে ইতিপূৰ্বেও কেবাটাও মাৰপিটৰ ঘটনা সংঘটিত কৰাৰ অভিযোগ প্ৰতিবেদকক জানিবলৈ দিয়ে ।উক্ত মাৰপিটৰ ঘটনা তথা অবৈধ ভূমি দখলত আব্দুল মোতালেব ,ফচিউৰ ৰহমান আৰু আব্দুল কদ্দুছৰ প্ৰৰোচনাত পূৰ্বপৰিকল্পিত আছিল বুলি অভিযোগ উৎথাপিত হৈছে। তদন্তভিত্তিক দোষীক উপযুক্ত শাস্তিৰ দাবী কৰিছে স্থানীয় ৰাইজে । প্ৰশাসনক উচিত পদক্ষেপ গ্ৰহণৰ দাবী কৰিছে সচেতন মহলে।

## নগাঁৱত বেংক বিষয়াৰ মৃত্যুক লৈ চাঞ্চল্য
### প্ৰেমজনিত কাৰণত আত্মহত্যাৰ সন্দেহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ নৱেম্বৰ ঃ** এগৰাকী বেংক বিষয়াৰ আত্মহত্যাক কেন্দ্ৰ কৰি নগাঁও চহৰত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰেমাস্পদৰ বিচ্ছেদৰ বিৰহ সহ্য কৰিব নোৱাৰি আত্মহননৰ পথ বাচি লোৱা এই বেংক বিষয়া জনৰ নাম খুন্দৰাকপম জয় কুমাৰ সিং (২৯)। তেওঁৰ ঘৰ মণিপুৰত ।সিঙে ভাৰতীয় ষ্টেট বেংকৰ নগাঁৱৰ খুটিকটীয়া শাখাত প্ৰৱেচনাৰী বিষয়া হিচাপে যোৱা এবছৰ ধৰি অতি দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি আছিল। বেংক বিষয়া খুন্দৰাকপম জয় কুমাৰ সিঙৰ মৃতদেহ কালি নিশা নগাঁও চহৰৰ খুটিকটীয়াৰ ভাড়াঘৰতে এখন কাপোৰেৰে চিপ লোৱা অৱস্থাত উদ্ধাৰ হয় ।নিশাই ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰোনোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বেংক বিষয়াগৰাকীৰ মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়াও পোহৰলৈ অহা নাই যদিও প্ৰেমত বিফল হোৱাৰ বাবেই আত্মহত্যা কৰাৰ সন্দেহ কৰিছে বেংক কৰ্তৃপক্ষই। কিছুদিন পূৰ্বে বেংক বিষয়াগৰাকীয়ে তেওঁ প্ৰেম প্ৰতাৰণাৰ বলি হোৱাৰ কথা ভাৰতীয় ষ্টেট বেংকৰ নগাঁও মাণ্ডলিক কাৰ্যালয়ৰ প্ৰৱন্ধকৰ আগত প্ৰকাশ কৰা বুলি উল্লেখ সাংবাদিকৰ আগত সদৰী কৰে।


**এনটিপিচি লিমিটেড** (NTPC)
(ভাৰত চৰকাৰৰ এটি প্ৰতিষ্ঠান)

পঞ্জীয়ন কাৰ্যালয়ৰ ঠিকনা ঃ এনটিপিচি ভৱন, ক্ৰ'ৰ-৭, স্কোপ কমপ্লেক্স, ৭-ইনষ্টিটিউছনেল এৰিয়া, লোধী ৰোড, নতুন দিল্লী-১১০ ০০৩
ক'ৰ্পৰেট আডেণ্টিফিকেছন নম্বৰ- এল৪০১০১ ডিএল১৯৭৫জিঅ'আই০০৭৯৬৬

**জাননী**

ওপৰত নাম উল্লেখ কৰা আবেদনকাৰীয়ে কেন্দ্ৰীয় বৈদ্যুতিক নিয়ামক আয়োগ, নতুন দিল্লীত এখন আবেদন দাখিল কৰিছে কাহালগাঁও ছুপাৰ থাৰ্মেল পাৱাৰ ষ্টেচন ষ্টেজ-I (৪×২১০ এমডব্লিউ) টেৰিফ নিৰ্ণয়ৰ বাবে ০১.০৪.২০১৯ ৰ পৰা ৩১.০৩.২০২৪ লৈ।

১। উৎপাদন আস্থানৰ হিতাধিকাৰীসকল ঃ
১) বিহাৰ ৰাজ্যিক পাৱাৰ (হল্ডিং) কোম্পানী লিঃ, পূৰ্বৰ বিহাৰ ৰাজ্যিক বিদ্যুৎ পৰিষদ, বিদ্যুৎ ভৱন, বেইলী ৰোড, পাটনা-৮০০০২১।
২) ঝাৰখণ্ড বিজুলী বিতৰণ নিগম লিঃ, ইঞ্জিনীয়াৰিং বিল্ডিং, এইচইচি টাউশ্বিপ, ধুৰ্ব, ৰাচী-৮৩৪০০৪।
৩) গ্ৰীডকো লিঃ, ২৪, জনপথ, ভুৱনেশ্বৰ-৭৫১০০৭।
৪) পশ্চিমবংগ ৰাজ্যিক বিদ্যুৎ বিতৰণ কোম্পানী লিঃ, বিদ্যুৎ ভৱন, ব্লক-ডিজে, ছেক্টৰ-II, ছল্ট লেক চিটি, কলকাতা ৭০০০৯১।
৫) শক্তি বিভাগ, ছিকিম চৰকাৰ, কাজী ৰোড, গেংটক, ছিকিম ৭৩৭১০১।
৬) অসম শক্তি বিতৰণ কোম্পানী লিঃ, বিজুলী ভৱন, পল্টনবজাৰ, গুৱাহাটী-৭৮১০০১।
৭) তামিলনাডু উৎপাদন আৰু বিতৰণ ক'ৰ্পৰেচন লিঃ, এনপিকেআৰপি, মালীগলি-৮০০, আন্না ছালাই, চেন্নাই-৬০০০০২।
৮) উত্তৰ প্ৰদেশ পাৱাৰ কোঃ লিঃ, শক্তি ভৱন, ১৪, অশোক মাৰ্গ, লক্ষ্ণৌ-২২৬০০১।
৯) ৰাজস্থান উৰ্জা বিকাশ নিগম লিঃ (আৰইউভিএনএল), বিদ্যুৎ ভৱন, জনপথ, জয়পুৰ-৩০২০০৫ (ৰাজস্থান) (জয়পুৰ বিদ্যুৎ বিতৰণ নিগম লিঃ, (জেভিভিএন), আজমেৰ বিদ্যুৎ বিতৰণ নিগম লিঃ (এভিভিএন) আৰু যোধপুৰ বিদ্যুৎ বিতৰণ নিগম লিঃ (জেডিভিভিএন))।
১০) শক্তি উন্নয়ন বিভাগ (জম্মু আৰু কাশ্মীৰ), জম্মু আৰু কাশ্মীৰ চৰকাৰৰ সচিবালয়, শ্ৰীনগৰ।
১১) হাৰিয়না শক্তি ক্ৰয় কেন্দ্ৰ (এইচপিপিচি), শক্তি ভৱন, ছেক্টৰ-VI, পাঞ্চকোলা, হাৰিয়ানা-১৩৪১০৯।
১২) বিএছইএছ ৰাজধানী পাৱাৰ লিঃ, বিএছইএছ ভৱন, নেহৰু প্লেচ, নতুন দিল্লী-১১০০১৯।
১৩) বিএছইএছ যমুনা পাৱাৰ লিঃ, শক্তি কিৰণ বিল্ডিং, কাৰ্কাৰডোমা, দিল্লী।
১৪) টাটা পাৱাৰ দিল্লী বিতৰণ লিঃ, এনডিপিএল হাউছ, হাডছনলেন, কিংছৱে কেম্প, দিল্লী-১১০০০৯।

২। উৎপাদন আস্থানৰ সক্ষমতা ঃ ৮৪০ মেগাৱাট
৩। প্ৰকল্পৰ বাবে অনুমোদিত মূলধনী ব্যয় ঃ ২২১৯.৯২ কোটি টকা (৩১.০৩.২০১৯ তাৰিখত)।
৪। মূলধনী ব্যয় অনুমোদন জনোৱা কৰ্তৃপক্ষ ঃ চিইআৰচি।
৫। বাণিজ্যিক কাম-কাজৰ নিৰ্ধাৰিত সময় ঃ কাৰ্যকৰী নহয়।
৬। চিঅ'ডি ঃ ০১.০৮.১৯৯৬।
৭। বাণিজ্যিক কাম-কাজৰ মূলধনী ব্যয়ৰ তাৰিখ ঃ (কাৰ্যকৰী নহয়)
৮। সবিশেষ টেৰিফ ঃ

| বিষয়বস্তু | পূৰ্বৰ বৰ্ষৰ টেৰিফ | অনুমোদনৰ বাবে বাৰ্ষিক ভিত্তিত বিচৰা টেৰিফৰ নিৰিখ | | | | |
|---|---|---|---|---|---|---|
| | | ২০১৯-২০ | ২০২০-২১ | ২০২১-২২ | ২০২২-২৩ | ২০২৩-২৪ |
| ১। কেপাচিটি চাৰ্জেছ (লাখ টকা/বছৰ) | ৬৭৮৬৪.১৬ | ৬৩২৪৯.৯৬ | ৬৯৭৮২.১৭ | ৭২৩২৯.৯৭ | ৬৩১৫২.৫০ | ৬০৬৮৬.৫৭ |
| ২। এনাৰ্জি চাৰ্জেছ (লাখ টকা/বছৰ) | ২৪১.০৪ | ২২৮.৬ | | | | |

* চিইআৰচিৰ ওচৰত দাখিল কৰা আবেদনৰ ভিত্তিত ২০১৪-২০১৯ বৰ্ষৰ টেৰিফৰ নিৰিখ।
# ইচিআৰ হ'ল টেৰিফ সময়ৰ আৰম্ভণিৰ এনাৰ্জি চাৰ্জৰ হাৰ নিৰূপণৰ ভিত্তি। প্ৰকৃত এনাৰ্জি চাৰ্জৰ নিৰিখ মাহিলী ভিত্তিত নিৰূপণ হয় ইন্ধনৰ খৰচ আৰু মাহটোৰ কাৰণে জিচিভি, চিইআৰচি বিধি অনুসৰি।

৯। টেৰিফ নিৰ্ণয়ৰ বাবে আবেদনৰ এটা প্ৰতিলিপি এনটিপিচিৰ ৱেবছাইট www.ntpc.co.in লৈ প্ৰেৰণ কৰা হৈছে 'জাননী' টেবৰ অধীনত।
১০। পৰামৰ্শ আৰু আপত্তিসমূহ, যদিহে কোনো ব্যক্তিৰ আছে, আবেদনত উল্লেখ থকা ধৰণে টেৰিফ নিৰ্ণয়ৰ প্ৰস্তাৱ সম্পৰ্কত, তেনেহ'লে তেওঁলোকে হিতাধিকাৰীকে আদি সকলো ওজৰ-আপত্তি লিখিতভাৱে দাখিল কৰিব পাৰিব সচিব, কেন্দ্ৰীয় বৈদ্যুতিক নিয়ামক আয়োগ, তৃতীয় আৰু চতুৰ্থ মহলা, চান্দাৰলক বিল্ডিং, ৩৬, জনপথ, নতুন দিল্লী-১১০০০১,ৰ ওচৰত এই জাননী প্ৰকাশ পোৱাৰ ৩০ দিনৰ ভিতৰত।

স্থান ঃ নতুন দিল্লী
তাৰিখ ঃ ২৪.০৭.২০২০

(ৰোহিত চাব্ৰা)
অঃ জেনেৰেল মেনেজাৰ (কমাৰ্চিয়েল)

interads


শক্তি খণ্ডৰ নেতৃত্বত


## মিৰ্জাত সংবাদিক মিলন মহন্তক নিৰ্যাতনৰ প্ৰতিবাদ সাংবাদিক-ছাত্ৰ সন্থাসহ বিভিন্ন দল-সংগঠনৰ

### মূল অভিযুক্ত ভূ মাফিয়া-জুৱাৰীক তিনিদিন উকলি যোৱাৰ পিছতো কৰায়ত্ত কৰিব নোৱাৰাক লৈ পলাশবাৰী আৰক্ষীৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৮ নৱেম্বৰ ঃ** পলাশবাৰীৰ তিনিআলীত ভূ- মাফিয়া আৰু জুৱাৰীয়ে সাংবাদিক মিলন মহন্তক যোৱা ১৫ নৱেম্বৰত দিন দুপৰতে বৰ্বৰভাৱে শাৰীৰিক নিৰ্যাতন চলাই হত্যাৰ চেষ্টা কৰাৰ বাবে আজি মামণি ৰয়ছম গোস্বামী চ'ক মিৰ্জাত ই.পি.মিডিয়া ফ'ৰাম চাউথ কামৰূপ, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ যুটীয়া উদ্যোগত আৰু বিভিন্ন দল সংগঠনৰ সহযোগত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ই.পি.মিডিয়া ফ'ৰাম চাউথ কামৰূপৰ সাধাৰণ সম্পাদক নীৰেন চন্দ্ৰ মালীয়ে আঁত ধৰা অনুষ্ঠানটোৰ পৰিচালনা কৰে সংগঠনটোৰ সভাপতি ৰতন কলিতাই। কাৰ্যসূচীৰ আৰম্ভণীতে ১৯৯১ চনৰ পৰা বৰ্তমানলৈ গুলী, বোমা, দা-কুঠাৰ, তৰোৱাল আদিৰ নিৰ্মম আঘাত অপহৰণৰদ্বাৰা নিহত হোৱা হোৱা শ্বহীদ সাংবাদিক প্ৰতি সন্মান জনাই ই.পি.মিডিয়া ফ'ৰাম চাউথ কামৰূপৰ উপদেষ্টা বলেন কলিতা আৰু কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নীৰোদ দাসে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰ্যায়ক্ৰমে উপস্থিত সকলো শ্বহীদ সাংবাদিকসকল প্ৰতি সন্মান জনাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে উপস্থিত প্ৰতিবাকাৰীসকলে বেনাৰ আৰু হাতে হাতে ফেষ্টুন লৈ সাংবাদিক হত্যাকাৰী হুচিয়াৰ, জুৱাৰী-মাফিয়া সঞ্জয় ঠাকুৰীয়া গ্ৰেপ্তাৰ কৰক, সাংবাদিক ঐক্য জিন্দাবাদ, সাংবাদিক মিলন মহন্তক নিৰ্যাতনকাৰীক গ্ৰেপ্তাৰ কৰক, সাংবাদিক নিৰ্যাতন বন্ধ কৰক, সাংবাদি সুৰক্ষাৰ বাবে নতুন আইন প্ৰৱৰ্তন কৰক, সাংবাদি সুৰক্ষা প্ৰদান কৰক আদি শেগান দি পৰিবেশ উত্তাল কৰি তোলে। উক্ত প্ৰতিবাদ স্থলীত দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থা, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী, ৰামপুৰ ব্লক শিক্ষক সন্মিলনী, সন্মিলিত তিনিআলী সংঘ, শ্ৰীমন্ত শংকৰদেৱ সংঘ, পলাশবাৰী জিলা শাখা, পলাশবাৰী সাহিত্য সভা, বকো প্ৰেছ ক্লাৱ, ছয়গাঁও প্ৰেছ ক্লাৱ, দক্ষিণ কামৰূপ প্ৰেছ ক্লাৱ, কামৰূপ জিলা সাংবাদিক পৰিষদ, মিৰ্জা আঞ্চলিক দুৰ্গাপূজা সমিতি, পলাশবাৰী নাগৰিক সমাজ, পলাশবাৰী সংস্কৃতি বিকাশ মঞ্চ, পলাশবাৰী ৰাস মহোৎসৱ, বৃহত্তৰ আমৰঙ্গা বৰিহাট নাগৰিক মঞ্চ, দক্ষিণ কামৰূপ সচেতন মঞ্চ, আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্ট ইউনিয়ন (আপকু ), সদিচ্ছা (মিৰ্জা), সুষ্ঠ সমাজ বিকাশ চক্ৰ, মালিগাঁও প্ৰেছ ক্লাৱ, গৰৈমাৰী-কালাতলী- সোণতলী প্ৰেছক্লাৱ, নগৰবেৰা প্ৰেছ ক্লাৱ, উত্তৰ গুৱাহাটী প্ৰেছ ক্লাৱ, আজাৰা সাহিত্য সভা, সদৌ অসম জাতিয়তাবাদী যুৱ পৰিষদ, মিৰ্জা ব্যৱসায়ী সন্থা, কামৰূপ জিলা সাহিত্য সভা, দক্ষিণ কামৰূপ মহাবিদ্যালয় শিক্ষক সন্থা, বশিষ্ঠ প্ৰেছ ক্লাৱ আদিৰ বিষয়ববীয়াসকলৰ লগতে সাহিত্যিক-সাংবাদিক মৃদুল সন্দিকৈ, প্ৰতিদিন টাইমৰ ৰাজনৈতিক সম্পাদক নয়ন কুমাৰ, পলাশবাৰীৰ জ্যেষ্ঠ নাগৰিক দীনেশ চৌধুৰী, বিশিষ্ট সমাজকৰ্মী পংকজ লোচন গোস্বামী আদি লোকসকল উপস্থিত থাকি সাংবাদিক মিলন মহন্তক বৰ্বৰভাৱে অত্যাচাৰ কৰা ভু-মাফিয়া, জুৱাৰীক সঞ্জয় ঠাকুৰীয়া, বুদু ঠাকুৰীয়া আৰু বিশ্বজিৎ দাসক বৰ্তমানলৈ আটক কৰিব নোৱাৰা কৰ্যক পলাশবাৰী আৰক্ষীক তীব্ৰ ভাষাৰে গৰিহণা দি অতিশীঘ্ৰে দোষীক কৰায়ত্ত কৰি উচিত শাস্তি দিয়াৰ বাবে দাবী জনায়। লগতে এনেধৰণৰ ঘটনা পুণৰাবৃত্তি নঘটে তাক লৈও প্ৰতিবাদস্থলীৰ পৰা ৰাইজক আহ্বান জনায়। প্ৰতিবাদস্থলীত প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্তই উপস্থিত থাকি শেহতীয়াভাৱে পুনৰ ৰাজ্যত একাংশ মাফিয়াৰদ্বাৰা সাংবাদিক হত্যা, সাংবাদিক নিগ্ৰহৰ ঘটনা বৃদ্ধি পাবলৈ ধৰিছে। যিটো দুৰ্ভাগ্যজনক। সাংবাদিকসকলৰ বাবে আন এক দুৰ্ভাগ্যজনক কথা যে, আৰক্ষী প্ৰাশসনেও এতিয়া কোনো সাংবাদিক নিগ্ৰহ হলে তেওঁলোকে ঘটনাক গাপ দিবলৈ বিচাৰে। এতিয়া ৰাইজে সাংবাদিকক সুৰক্ষা দিব লাগিব আৰু সকলো সাংবাদিকে ঐক্যবদ্ধ ভাৱে সংগ্ৰামখন আগবঢ়ায় নিব লাগিব। আজি তিনিদিন উকলি গল সাংবাদিক মিলন মহন্তক শাৰীৰিকভাৱে অত্যাচাৰ কৰা দুষ্কৃতিকাৰীক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনক অতিশীঘ্ৰে দোষীক কৰায়ত্ত কৰিবলৈ দাবী জনায়। উল্লেখ্য যে, যোৱা কালি তিনিআলী মেনাপাৰাৰ দিগন্ত দাস (৩৭) নামৰ এজন অভিযুক্তক পলাশবাৰীৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। বৰিহাট তথা গুৱাহাটীৰ পৰা প্ৰকাশিত দুখনকৈ আগশাৰীৰ কাকতৰ মিৰ্জা আৰু বৰিহাটৰ সংবাদকৰ্মী মিলন মহন্তক পলাশবাৰীৰ তিনিআলীত লাইট পোষ্টত বান্ধি প্ৰহাৰ কৰি হত্যাৰ চেষ্টা চলোৱা জুৱাৰীক তিনিদিন উকলি যোৱাৰ পিছতো পলাশবাৰী আৰক্ষীয়ে মূল অভিযুক্তক কৰায়ত্ত কৰিব নোৱাৰাত ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। কিছুদিন আগতে সাংবাদিক মিলন মহন্তই তিনিআলীত চলি থকা জুৱাৰ বিৰুদ্ধে বাতৰি কাকতত সংবাদ পৰিবেশন কৰিছিল। উক্ত জুৱাৰ বাতৰি সন্দৰ্ভত তিনিআলীৰ একাংশ জুৱাৰীয়ে ক্ষোভিত হৈ দেওবাৰে দিন দুপৰতেই সাংবাদিক মিলন মহন্তই ঘৰৰ পৰা বাতৰি সংগ্ৰহৰ বাবে আহি তিনিআলী পদপথত ৰৈ থকা অৱস্থাত আগচি ধৰি ভূ-মাফিয়া সঞ্জয় ঠাকুৰীয়া, বুদু ঠাকুৰীয়া আৰু বিশ্বজিৎ দাস নামৰ জুৱাৰী তিনিজনৰ নেতৃত্বত এটা দলে মহন্তক খেদি আহি অতৰ্কিতে প্ৰহাৰ কৰিছিল। পিছত লাইট পোষ্টত বান্ধি লৈ বৰ্বৰভাৱে শাৰীৰিক অত্যাচাৰ কৰি মহন্ত পিন্ধি থকা সোণৰ চেইন কাঢ়ি লৈ যোৱাৰ লগতে অন্য ঠাইলৈ নি প্ৰাণে মৰাৰ যো-জা চলাইছিল। মূৰ, কাণ আৰু পিঠিত গুৰুত্বৰভাৱে আহত হৈ চিকিৎসাধীন হৈ থকা মহন্তক স্থানীয় একাংশ সচেতন লোকে কোনোমতে জুৱাৰীৰ দলটোৰ ৰোষৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। গুৰুত্বৰভাৱে আহত মিলন মহন্তই ভূ-মাফিয়া সঞ্জয় ঠাকুৰীয়া, বুদু ঠাকুৰীয়া আৰু বিশ্বজিৎ দাসৰ বিৰুদ্ধে পলাশবাৰী আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰাত ঘটনা সন্দৰ্ভত পলাশবাৰী আৰক্ষীয়ে গোচৰ নং ৫১৫য২০ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত ৩৪১য ৩২৪য ৩২৫ য৩৪ নম্বৰ ধাৰাত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে যদিও মূল অভিযুক্ত এজনকো কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। ইয়াকে লৈ দক্ষিণ কামৰূপত তীব্ৰ প্ৰতীক্ৰীয়াৰ সৃষ্টি হৈছে।



দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৯ নৱেম্বৰ ■ ২০২০ ■ ৩ আঘোণ ■ গুৱাহাটী

# হাগ্ৰামা মহিলাৰীৰ স্থিতিক লৈ ৰাজনৈতিক আক্ৰমণ



বিজেপি চৰকাৰৰ ঘোষণা মতে ডিচেম্বৰ মাহৰ ৭ আৰু ১০ তাৰিখে বিটিআৰৰ পৰিষদীয় নিৰ্বাচন অনুষ্ঠিত হ'ব। ইতিমধ্যে বিটিআৰৰ নিৰ্বাচনী ৰাজনীতিয়ে নতুন গতি লাভ কৰিছে। শাসক দলৰ কেইবাগৰাকী মন্ত্ৰী বিধায়কে বিটিআৰৰ দলৰ পক্ষত প্ৰচাৰ চলাই আছে। বিটআৰৰ নিৰ্বাচনী ৰাজনীতিত বিপিএফ তথা ইয়াৰ মুৰব্বী হাগ্ৰামা মহিলাৰীক চাৰিওফালৰ পৰা আক্ৰমণ কৰা হৈছে। ইয়াকে লৈ হাগ্ৰামাৰ দল পুনৰ ক্ষমতালৈ অহাটো সন্দিহান হৈ পৰিছে। আনকি ব্যাপক গণভিত্তি থকা ছাত্ৰ সংগঠন এবছুৱেও সমালোচনা নকৰাকৈ থকা নাই। সকলোৱে অভিযোগ কৰিছে যে মহিলাৰীৰ কাৰ্যকালত ব্যাপক কেলেংকাৰী সংঘটিত হৈছে। আনকি শাসক দলটোৱে ঠিকাদাৰ ৰাজ চলিছে। নিৰ্বাচনৰ পাছতে তদন্ত কৰা হ'ব বুলিও প্ৰকাশ কৰিছে। লগতে ৰাজহুৱা ধন আত্মসাৎ কৰা ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব বুলি কৈছে। আনহাতে গণ সুৰক্ষা দলৰ নেতা নৱ শৰণীয়াই বিটিআৰৰ নিৰ্বাচনত বিজেপি আৰু ইউপিপিএলে বুজাবুজিৰে আগবাঢ়িছে। এই সম্পৰ্কে দলটোৱে কোনো বুজাবুজি নাই যদিও নিৰ্বাচনৰ ফলাফলৰ পিছত সিদ্ধান্ত ল'ব। অৱশ্যে এই দুটা দলৰ কোনোটোৱে কাকো সমালোচনা কৰা নাই। কিন্তু মহিলাৰীৰ চন্দন ব্ৰহ্মই তেওঁক বিপথে পৰিচালিত কৰাৰ অভিযোগ আনিছে। আনকি আধা ভূমিও ক্ৰয় কৰিছে আৰু সেইবোৰ ধন ক'ত পালে তাৰো প্ৰশ্ন উঠাইছে। ইফালে কংগ্ৰেছ দলে আজমলৰ লগত হাত মিলাইছে আৰু বিপিএফলৈ মিত্ৰতাৰ হাত আগবঢ়াইছে। গণ সুৰক্ষাক সংখ্যালঘু ভোটাৰে সমৰ্থন দি আহিছে। এই ক্ষেত্ৰত শাসক দলে সকলো জাতি ধৰ্মই একেলগে যদিও থাকিব বুলি আশ্বাস দিছে। স্বাভাৱিকতে এই আশাৰ বতৰা। উল্লেখযোগ্য যে বিটিআৰত কংগ্ৰেছৰ স্থিতি দুৰ্বল তৎস্বত্বেও বিটিআৰত বিপিএফক সকলেও শত্ৰু জ্ঞান কৰি আহিছে। মুঠতে কাৰ ভাগ্যত বিটিআৰ এতিয়াই ক'ব নোৱাৰিলেও হাগ্ৰামা মহিলাৰীৰ স্থিতি আগতকৈ বহু গুণে কমিছে বুলি ৰাজনৈতিক পৰ্যবেক্ষকসকলে বিবেচনা কৰিছে। সময়ত ইয়াৰ সকলো নিৰ্ণয় কৰিব ভোটাৰসকলে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### নিচাযুক্ত দ্ৰব্যসমূহৰ বেহা অনতিপলমে বন্ধ কৰিব লাগে

ৰাজ্যত আমাৰ যুৱ চামসকলে এতিয়া প্ৰতি দিনে কিছুমান জীৱনলৈ ভাবুকি আনিব পৰা নিচাযুক্ত দ্ৰব্য যেনে - ড্ৰাগছ, গুটখা , চিগাৰেট, মাদকদ্ৰব্য ইত্যাদিৰ প্ৰতি বেয়াকৈ আসক্ত হ'বলৈ আৰম্ভ কৰিছে আৰু ইয়াৰ ফলত ৰাজ্যত থকা প্ৰায় ৬৫ শতাংশ যুৱক-যুৱতীৰ জীৱন আৰম্ভণিতে অন্ত পৰাৰ নিছিনা হ'বলৈ লৈছে। এইটো হয় যে ৰাজ্য চৰকাৰে বৰ্তমানলৈকে কিছুমান নিচাযুক্ত দ্ৰব্যক নাকি লগোৱাৰ বাবে বিভিন্ন কাৰ্য্য পন্থা অবলম্বন কৰিছে কিন্তু এইটোও নুই কৰিব নোৱাৰি যে ৰাজ্যত বৰ্তমানেও ইয়াৰ কুপ্ৰভাব আতৰাব পৰা নাই। বিশেষকৈ আমাৰ উঠি অহা প্ৰজন্মৰ অধিকাংশই উক্ত নিচাযুক্ত দ্ৰব্যক সেৱণ কৰি আহিছে আৰু যাৰ ফলত শৰীৰৰ কিছুমান বিশেষ তথা লাগতিয়াল অংগৰ ক্ষতি সাধন হোৱাটো ইতিমধ্যে পৰিলক্ষিত হৈছে। কিন্তু এতিয়া মোৰ প্ৰশ্নটো হ'ল যে মই আজিলৈকে এটা কথা বুজিব পৰা নাই যে ৰাজ্য চৰকাৰে সকলোবোৰ দেখি, বুজি আৰু জানিয়ো কিয় ৰাজ্যত এই নিচাযুক্ত দ্ৰব্য সমূহৰ বেহা তথা বেপাৰ বাণিজ্য বন্ধ কৰিব পৰা নাই? নে সকলোবোৰ জানিয়ো নিমাত হৈ আছে? ইয়াত ৰাজ্য চৰকাৰৰ কিবা বিশেষ মুনাফা জড়িত হৈ আছে নেকি? বৰ্তমান সময়ত যদি এক ক্ষেত্ৰ অধ্যয়ন কৰি চোৱা হয় তেনেহ'লে আপোনালোকে লক্ষ্য কৰিব যে ৰাজ্যত যিমানবোৰ পৰিয়াল কেন্দ্ৰীক, মাক-দেউতাক তথা আপোনজনৰ লগত হোৱা সংঘাটৰ মূল সূতি কিন্তু এই নিচাযুক্ত দ্ৰব্য সমূহেই। বিশেষকৈ আমি লক্ষ্য কৰিছো যে সাধাৰণতে টেলিভিশনৰ পৰ্দাত বাৰে বাৰে অতি সুন্দৰকৈ, নামিদামি অভিনেতা তথা অভিনেত্ৰী ৰ দ্বাৰা এই নিচাযুক্ত দ্ৰব্য সমূহৰ বিৰতিৰ সময়ছোৱাত বাণিজ্যিক বিৰতিৰ উদ্দেশ্য এডভাৰ্টাইজমেন্ট কৰা হয় আৰু যাৰ ফলত আমাৰ যুৱচামে ইয়াৰ প্ৰতি বৰ বেছি আসক্ত হোৱাটো দেখা গৈছে। যদি আমাৰ দেশৰ ভৱিষ্যৎ এই উঠি অহা প্ৰজন্মটোৱে উক্ত নিচাযুক্ত দ্ৰব্যসমূহৰ প্ৰতি এনেকৈয়েই আসক্ত হৈ থাকে তেনেহ'লে অহা ১০ বছৰৰ ভিতৰত ৰাজ্যৰ যুৱশক্তি কোনটো পৰ্যায়লৈ আগমন ঘটিব সেয়া হয়তো আজিৰ তাৰিখত আপুনি মই কল্পনাই কৰিব নোৱাৰোঁ। গতিকে, ৰাজ্যত অনতিপলমে এই নিচাযুক্ত দ্ৰব্যসমূহৰ ব্যৱসায় বাণিজ্যৰ ওপৰত নাকি লগোৱাৰ এক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে নহ'লে আহিবলগীয়া দিনবোৰত ৰাজ্যৰ যিসকল যুৱক-যুৱতীয়ে এই নিচাযুক্ত দ্ৰব্যসমূহৰ প্ৰতি আসক্ত তেওঁলোকৰ ভৱিষ্যত এক সংকটময় পৰিস্থিতিৰ মাজত যে বসবাস কৰিব তাত কোনো সন্দেহ নাই।

■ চন্দন কুমাৰ নাথ
সৰভোগ, বৰপেটা
ফোন ঃ ৯১৩২৮-৪৯৭২৬

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# ভাৰতবৰ্ষৰ ৰাজনীতিক আচাদউদ্দিন ওৱেইছিৰ উত্থানে কোন দিশে লৈ যাব ?

■ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী

বিহাৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পৰাই ৰাজনীতিৰ আলোচনাৰ কেন্দ্ৰবিন্দুত পৰিণত হৈছে আচাদউদ্দিন ওৱেইছিৰ দল মিম। যদিও ব্যাৰিষ্টাৰ ওৱেইছিৰ 'অল ইণ্ডিয়া মজলিছে ইত্তেহাদুল মুছলিমীন' দক্ষিণৰ তেলেঙ্গানা ৰাজ্যৰ হায়দৰাবাদ কেন্দ্ৰীক এটি আঞ্চলিক দল। বৰ্তমান ওৱেইছিৰ দলৰ ৰাজনৈতিক শক্তি হ'ল ১৪ জন বিধায়ক আৰু দুজন সাংসদ। নিজৰ ৰাজ্য তেলেঙ্গানাত আছে ৭ জন বিধায়ক আৰু নিজৰ সাংসদ পদ। মহাৰাষ্ট্ৰত আছে দুজন বিধায়ক আৰু এজন সাংসদ। সদ্য বিহাৰ বিধানসভা নিৰ্বাচনত জিকিছে মিম দলৰ পাঁচজন বিধায়ক। অথচ ২০০৬ চনত বদৰুদ্দিন আজমলৰ দল 'অসম ইউনাইটেড ডেমোক্ৰেটিক ফ্ৰন্ট' প্ৰথমবাৰ অসম বিধানসভা নিৰ্বাচনত প্ৰাৰ্থী দি ১০ খন বিধানসভাৰ আসন পাইছিল। ২০০৯ চনৰ লোকসভা নিৰ্বাচনত নিজে জিকি সাংসদ হৈছিল। ২০১১ চনৰ বিধানসভা নিৰ্বাচনত ১৮ খন আসন লাভ কৰিছিল আৰু ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰবল মোদীঢৌৰ মাজতো তিনিখন লোকসভা আসন জিকি ৰাজ্যৰ ৰাজনীতিত চমক দেখুৱালেও জাতীয় ৰাজনীতিত আলোচনাৰ কেন্দ্ৰবিন্দু হ'ব পৰা নাই। বদৰুদ্দিন আজমলে বাৰে বাৰে চেষ্টা কৰিলেও কংগ্ৰেছৰ সৈতে গঠবন্ধনত অংশগ্ৰহণ কৰাৰ সপোন আধৰুৱা হৈ আছিল। ২০১৬ চনৰ অসম বিধানসভা নিৰ্বাচনত বিজেপি ক্ষমতাত আহিলেও বদৰুদ্দিন আজমল নেতৃত্বাধীন 'অল ইণ্ডিয়া ইউনাইটেড ডেমোক্ৰেটিক ফ্ৰন্ট' দলৰ প্ৰাৰ্থীয়ে ১৩ খন বিধানসভাৰ আসন নিজৰ দখলত ৰাখিবলৈ সক্ষম হৈছিল আৰু ২০১৯ চনৰ লোকসভা নিৰ্বাচনত বদৰুদ্দিন আজমলে নিজৰ সাংসদ পদটি ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। অসম ৰাজ্যৰ বাহিৰে কেৱলমাত্ৰ ২০১১ চনত পশ্চিমবঙ্গৰ বিধানসভা নিৰ্বাচনত জমিয়ত উলামাএ হিন্দৰ ৰাজ্যিক নেতা মাওলানা ছিদ্দিকুল্লা চৌধুৰীৰ নেতৃত্বত কেইজনমান প্ৰাৰ্থীয়ে দলীয় টিকট লাভ কৰিলেও বিশেষভাৱে আসন লাভ কৰিব পৰা নাই। ২০১৬ চনত পশ্চিমবঙ্গৰ বিধানসভা নিৰ্বাচনত তৃণমূল নেত্ৰী মমতা বন্দ্যোপাধ্যায় চৌধুৰীক দুখন বিধানসভাৰ আসন দিছিল। বৰ্ধমান জিলা আৰু মালদা জিলাত চৌধুৰী চাহেব এআইইউডিএফৰ বেনাৰত জোটত অংশগ্ৰহণ কৰি শেষপৰ্যন্ত তৃণমূল চুপ্ৰিমোৰ নিৰ্দেশত তৃণমূলৰ লগত নিৰ্বাচন খেলিব বিচাৰিলেও নিজৰ প্ৰতীকেৰেই নিৰ্বাচনত অৱতীৰ্ণ হয়। নিজে বিধায়ক হৈ মমতা চৰকাৰৰ মন্ত্ৰী হোৱাত এআইইউডিএফ দলৰ পশ্চিমবঙ্গৰ বেছিভাগ কৰ্মকৰ্তাই তৃণমূল দলৰ লগত মিলি গৈছে। বাস্তৱতা হ'ল অসম ৰাজ্যৰ বাহিৰে বদৰুদ্দিন আজমল আৰু তেওঁৰ দলে দেশৰ মুছলিম অধ্যুষিত অঞ্চল বিলাকত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হোৱা নাই।

বিহাৰ বিধানসভাৰ ৫ খন বিধানসভাৰ আসন জিকাৰ পিছত আচাদউদ্দিন ওৱেইছিৰ এআই এমআই এম দলৰ বিৰুদ্ধে দেশৰ বিৰোধী ৰাজনৈতিক দলবিলাকে অভিযোগ কৰিছে যে মহাজোটৰ মুছলিম ভোট ভাগ কৰি বিজেপিক সুবিধা কৰি দিছে আচাদউদ্দিন ওৱেইছিৰ দলে। বিৰোধী ৰাজনৈতিক দলৰ কোনো কোনো নেতাই আকৌ ওৱেইছিৰ দলক বিজেপিৰ 'বি টিম' বুলিও কটাক্ষ কৰিছে। কেৱল সেয়াই নহয় ছ'চিয়েল মিডিয়াতো বিৰোধী ৰাজনৈতিক দলৰ সমৰ্থকসকলৰ এটা অংশই ওৱেইছিক বিজেপিৰ দালাল আৰু তেওঁৰ দল মিমক ভোট কটা পাৰ্টী বুলিও তুমুলভাৱে সমালোচনা কৰিছে।

প্ৰশ্ন উঠা স্বাভাৱিক বিহাৰ বিধানসভা নিৰ্বাচনত ওৱেইছিৰ দলে পাঁচখন বিধানসভা আসনত যদি জয়লাভ নকৰিলেহেঁতেন তেনেহ'লে ওৱেইছি আৰু তেওঁৰ দল 'মিম' বিৰোধী ৰাজনৈতিক দলবিলাকৰ ওচৰত আৰু ৰাজ্যৰ ৰাজনীতিত ইমান গুৰুত্ব নাপালেহেঁতেন। এইবাৰেই প্ৰথম নহয় ইয়াৰ আগতেও ২০১৫ চনত বিহাৰ বিধানসভা নিৰ্বাচনত ওৱেইছিৰ দল মিমে ৬ খন আসনত প্ৰাৰ্থী দিছিল আৰু আটাইকেইখন আসনতে পৰাজয় বৰণ কৰিছিল। এনেকি ২০১৯ চনত ওচৰৰ ৰাজ্য ৮১ খন আসনবিশিষ্ট ঝাড়খণ্ড বিধানসভা নিৰ্বাচনত ওৱেইছিৰ দল মিমে ৮ খন আসনত প্ৰাৰ্থী দি আটাইকেইখন আসনতে পৰাজিত হৈছিল। তেতিয়াও আচাদউদ্দিন আৰু তেওঁৰ দলক লৈ কোনো ৰাজনৈতিক দলৰ বাবে মূৰৰ কামোৰণিৰ কাৰণ হোৱা নাছিল। ওৱেইছিৰ দলে কিন্তু হঠাৎ বিহাৰ বিধানসভাৰ নিৰ্বাচনত সাফল্য পোৱা নাই। বিশেষ পৰিকল্পনা গ্ৰহণ কৰি এই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ২০১৯ চনত বিহাৰৰ কিষানগঞ্জ বিধানসভা উপ নিৰ্বাচনত মিম প্ৰাৰ্থী জয়লাভ কৰাৰ পিছত ওৱেইছিয়ে বিহাৰত নিজৰ দলৰ শক্তি বৃদ্ধি কৰিবলৈ উদ্যোগ গ্ৰহণ কৰে। বিহাৰৰ এই বাৰৰ বিধানসভা নিৰ্বাচনত এআই এমআই এম দল এককভাৱে প্ৰতিনিধিত্ব নকৰি ছয়টি ৰাজনৈতিক দলক লৈ গ্ৰ্যাণ্ড ডেমোক্ৰেটিক ছেকুলাৰ ফ্ৰন্ট গঠন কৰি নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। বিহাৰৰ বিধানসভা নিৰ্বাচনত এই তৃতীয় জোটত এআই এমআই এমৰ বাহিৰেও আছিল এনডিএ জোট চৰকাৰৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী উপেন্দ্ৰ কুশওৱাহৰ ৰাষ্ট্ৰীয় লোক সমতা পাৰ্টী, ইউপিএ চৰকাৰৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দেবেন্দ্ৰ প্ৰসাদ যাদৱৰ সমাজবাদী জনতা দল ডেমোক্ৰেটিক, উত্তৰপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মায়াৱতীৰ বহুজন সমাজ পাৰ্টী আৰু ইয়াৰ বাহিৰেও দুটা সৰু দল। অতি দলিতসকলৰ নেতা উপেন্দ্ৰ কুশওৱাহৰ ৰাষ্ট্ৰীয় লোক সমতা পাৰ্টীয়ে ১০৪ খন আসনত প্ৰাৰ্থীত্ব দিওঁ এখন আসনত জয়যুক্ত হ'ব নোৱাৰিলে। অথচ এই দলটিয়ে ২০১৫ চনৰ বিধানসভা নিৰ্বাচনত এনডিএ'ৰ জোটত চামিল হৈ ২৩ খন আসনত প্ৰাৰ্থীত্ব দি ২ খন আসনত বিজয় লাভ কৰিছিল।

দলিত নেত্ৰী মায়াৱতীৰ বহুজন সমাজ পাৰ্টীৰ প্ৰাৰ্থীয়ে ৮০ খন আসনত প্ৰতিনিধিত্ব কৰি বিজয়ী হৈছিল মাত্ৰ এখন আসনত। সদ্য বিধানসভা নিৰ্বাচনত এককভাৱে ২৪৩ খন আসনত প্ৰতিনিধিত্ব কৰি এখন আসনতো জিকিব পৰা নাই। সমাজবাদী জনতা দল ডেমোক্ৰেটিকেও এখনো আসন লাভ কৰিব নোৱাৰিলে। উপেন্দ্ৰ কুশওৱাহ এসময়ত নীতীশ কুমাৰৰ জনতা দল ইউনাইটেডৰ নেতা আছিল। তৃতীয় জোট কৰি প্ৰাৰ্থী দি তেওঁৰ দলে এখন আসনতো জয়লাভ কৰিব নোৱাৰিলেও এই দলৰ প্ৰাৰ্থীসকলে যে নীতিশ কুমাৰৰ দলৰ প্ৰাৰ্থীসকলৰ অতি দলিত ভোট কাটিছে সেয়া কোৱাই বাহুল্য। কাৰণ কুশওৱাহ সম্প্ৰদায়ৰ ভোট লাভ কৰিবলৈ এই দলটিয়ে ৪০ শতাংশ কুশওৱাহ সকলৰ প্ৰাৰ্থী থিয় কৰাইছিল। অন্যফালে মায়াৱতীৰ বহুজন সমাজ পাৰ্টী বিহাৰৰ ৰবিদাস সম্প্ৰদায়ৰ যি ৪ শতাংশ দলিত ভোট আছে সেয়া পোৱাৰ লক্ষ্যৰে ব'ৰ, বহতাছ আৰু কাইমুৰ জিলাত প্ৰাৰ্থী দিছিল। ইফালে আচাদউদ্দিন ওৱেইছিৰ এআইএমআইএম দলে বিহাৰৰ মুছলিম অধুষ্যিত কিষানগঞ্জ, পূৰ্ণিয়া, আৰাৰিয়া আৰু কাটিহাৰ জিলাত প্ৰাৰ্থী দিছিল। বিহাৰৰ সীমান্ত অঞ্চলৰ জিলাবিলাকৰ ৪৫ খন মুছলিম অধ্যুষিত বিধানসভাৰ আসন আছে। সীমান্ত অঞ্চলৰ বিধানসভা আসনবিলাকত ২০১৪ চনৰ লোকসভা আৰু ২০১৫ চনৰ বিধানসভা নিৰ্বাচনত আৰজেডি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলে জয়লাভ কৰিছিল। এইবাৰৰ বিধানসভা নিৰ্বাচনত সীমান্ত অঞ্চলৰ যি ২৪ খন আসনত এআই এমআই এম প্ৰাৰ্থীসকলে প্ৰাৰ্থীত্ব আগবঢ়াইছিল তাৰ ভিতৰত এআইএমআইএমৰ প্ৰাৰ্থীসকলে পাঁচখন বিধানসভাৰ আসনত জয়লাভ কৰিলেও ভোট কটাকটিৰ খেলত ১৪ খন আসনত আন প্ৰাৰ্থীসকলে জয়লাভ কৰিবলৈ সক্ষম হৈছে আৰু বাকী ৫ খন আসন গৈছে মহাজোটৰ দখললৈ। এই তথ্য দেখি কংগ্ৰেছ আৰু বিজেপি বিৰোধী ৰাজনৈতিক দলবিলাকে কৈছে আচাদউদ্দিন ওৱেইছিৰ দলে মহাজোটৰ মুছলিম ভোট কাটি বিজেপি প্ৰাৰ্থীসকলৰ জয় লাভৰ পথ সুগম কৰি দিছে। যদিও যুক্তিৰ খাতিৰত এই কথা মানি লোৱা হয় তেনেহ'লে এই কথাও স্বীকাৰ কৰিব লাগিব যে মায়াৱতীৰ বহুজন সমাজ পাৰ্টী আৰু উপেন্দ্ৰ কুশওৱাহৰ ৰাষ্ট্ৰীয় লোক সমতা পাৰ্টীৰ প্ৰাৰ্থীসকলেও অতি দলিত আৰু দলিত সম্প্ৰদায়ৰ ভোট কাটি আৰজেডি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলৰ জিকাৰ পথ সুগম কৰি দিছে। এই সত্যটো গোপন কৰি সকলোৱে কেৱল এআইএমআইএম দলক কাঠগড়াত থিয় কৰোৱাৰ চেষ্টা কৰিছে। কিন্তু এইটোও ঠিক এআইএমআইএম দলক বিজেপিৰ বি টিম হিচাপে চিহ্নিত কৰাৰ বাবে আচাদউদ্দিন ওৱেইছিৰ কিছু সিদ্ধান্ত দায়ী।

মহাৰাষ্ট্ৰ, কৰ্ণাটক, উত্তৰপ্ৰদেশৰ দৰে ৰাজ্যৰ মিউনিচিপাল আৰু লোকেল বৰ্ডৰ ভোটত অংশগ্ৰহণ কৰি সফলতাও লাভ কৰিছে। দক্ষিণ ভাৰতৰ পৰা আহি মিম প্ৰাৰ্থীসকলে পূব ভাৰতৰ বিহাৰৰ বিধানসভা নিৰ্বাচনত ২৪ খন আসনত প্ৰাৰ্থীত্ব আগবঢ়াইছে। ঝাড়খণ্ড বিধান সভাৰ ৮ খন আসনত প্ৰাৰ্থীত্ব আগবঢ়াইছে। এনেকি ২০১৯ চনত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত বিআৰ আম্বেদকাৰৰ নাতি দলিত নেতা প্ৰকাশ আম্বেদকাৰৰ দল বঞ্চিত বহুজন আগাদিৰ লগত জোট কৰি মহাৰাষ্ট্ৰ বিধানসভাৰ ৪৪ খন আসনৰ দুখন আসনত জয়লাভ কৰিছে আৰু লোকসভাৰ ৪৮ খন আসনৰ ভিতৰত জোট কৰি এখন আসনত জয়লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু নিজৰ ৰাজ্যত এআইএমআইএমৰ ৰাজনৈতিক কৰ্মকাণ্ড সেই ধৰণৰ কৰ্মসূচীৰ কোনো লক্ষণ দেখিবলৈ পোৱা যোৱা নাই। তেলেঙ্গানা ৰাজ্যৰ এআইএমআইএম দল ১১৯ খন বিধানসভা আসনৰ ভিতৰত ২০১৮ চনৰ বিধানসভা নিৰ্বাচনত কে চন্দ্ৰশেখৰ ৰাওৰ দল তেলেঙ্গানা ৰাষ্ট্ৰীয় সমিতিৰ লগত জোট কৰি মাত্ৰ ৮ খন আসনত প্ৰাৰ্থী দিছিল আৰু ৭ খন আসনত জয়লাভ কৰিছিল। জোটত অংশগ্ৰহণ কৰা টিআৰএছক ১১০ খন আসন এৰি দিছিল। এইভাৱে ২০১৯ চনৰ লোকসভা নিৰ্বাচনত ৰাজ্যৰ ১৭ খন লোকসভা আসনৰ ভিতৰত নিজে হায়দৰাবাদ আসনত জয়ী হৈছিল বাকী ১৬ খন আসন জোটৰ সহযোগী দল টিআৰএছক এৰি দিছিল। ওচৰৰ ৰাজ্য অন্ধ্ৰপ্ৰদেশৰ ২০১৯ চনৰ বিধানসভা নিৰ্বাচনত কোনো প্ৰাৰ্থী দিয়া নাই। কেৱল সেয়ে নহয় ২০২০ চনৰ দিল্লীৰ বিধানসভা নিৰ্বাচনতো এআইএমআইএম দলে প্ৰাৰ্থী দিয়া নাই। এই দুখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনত মিম দলে অংশগ্ৰহণ কৰা নাই। কিন্তু তেওঁ এই সম্পৰ্কত কোনো মন্তব্য কৰা নাই। উক্ত দুখন ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত অংশগ্ৰহণ নকৰি তাৰ সপক্ষে কোনো কাৰণ বিশ্লেষণ নকৰাৰ বাবে ইতিমধ্যে মিম দলৰ প্ৰধানজন বিশিষ্ট সমালোচক সকলৰ সমালোচনাৰ সন্মুখীন হৈছে যদিও একে লগতে কেন্দ্ৰৰ বিজেপি জোট চৰকাৰৰ এনআৰচি, চিএএ, মুছলিম বিবাহ আইনৰ তিনি তালাক প্ৰথা, কাশ্মীৰৰ ৩৭০ ধাৰা আইন বিলুপ্ত কৰণ, মব লিনচিং (Mob lyncing) ইত্যাদিৰ সুতীব্ৰ বিৰোধ কৰি সাংসদৰ অধিৱেশন তথা বিভিন্ন সভা-সমিতি, সাংবাদিক মেলত প্ৰকাশ কৰা মত তথা বিশ্লেষণৰ বাবে ইতিমধ্যে মুছলিম তথা যুক্তিবাদী সমাজৰ মাজত আচাদউদ্দিন ওৱেইছিৰ জনপ্ৰিয়তাৰ গ্ৰাফ (graph) উৰ্দ্ধগামী কৰি তুলিছে। বিজেপি দলৰ চৰকাৰে নিম্নবৰ্গৰ দলিত সকলৰ প্ৰতি কৰি থকা অৱহেলাৰ আচৰণত বিৰোধিতা কৰিও ওৱেই ছিয়ে তেওঁলোকৰ মাজতো জনপ্ৰিয়তাৰ এটি খুটি স্থাপন কৰিব পাৰিছে।

বিহাৰ বিধানসভা নিৰ্বাচনত সাফল্য লাভৰ পিছত বাংলাত ২০২১ চনৰ পশ্চিমবঙ্গৰ বিধানসভা নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে এআই এমআই এম দলৰ সভাপতি আচাদউদ্দিন ওৱেইছিয়ে। ওৱেইছিৰ এই ঘোষণাত বাংলাৰ শাসকদল তৃণমূল আৰু কংগ্ৰেছ দল মুছলিম অধ্যুষিত বিধানসভা এলেকাবিলাকত তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব বুলি মন্তব্য কৰিছে ৰাজনৈতিক মহলৰ একাংশই। ওৱেইছিৰ দলে উত্তৰবঙ্গৰ মালদা, মুৰ্শিদাবাদ, উত্তৰ দিনাজপুৰৰ বাহিৰেও দক্ষিণবঙ্গৰ হাওড়া, উত্তৰ আৰু দক্ষিণ ২৪ পৰগনা এই ছয়খন জিলাৰ মুছলিম অধ্যুষিত বিধানসভা সমষ্টিত প্ৰাৰ্থী দিয়াৰ পৰিকল্পনা কৰিছে। এআইএমআইএম দলৰ সভাপতিৰ দাবী বিগত তিনি বছৰৰ পৰা তেওঁলোকে পশ্চিমবঙ্গত সংগঠনৰ কাম কৰিছে। ৰাজ্যৰ ক্ষমতাসীন দল তৃণমূলৰ লগত জোট কৰাৰ বিষয়েও বাৰ্তা প্ৰেৰণ কৰিছে। আচাদউদ্দিন ওৱেইছি সাধাৰণ ৰাজনীতিবিদ নহয়। হায়দৰাবাদ লোকসভা আসনৰ পৰা একেৰাহে চাৰিবাৰ জিকা সাংসদ। ২০১২ চনত দ্বিতীয়বাৰ গঠন হোৱা ইউপিএ চৰকাৰৰ আমোলত ৫৫৪ জন সাংসদৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ সাংসদ হিচাপে তেখেত পুৰস্কৃত হৈছিল। দীৰ্ঘদিন ধৰি তেখেত ইউপিএ জোটত আছিল। ২০১৬ চনৰ বিধানসভা নিৰ্বাচনত পশ্চিমবঙ্গৰ জমিয়ত উলামাএ হিন্দৰ নেতা মাওলানা ছিদ্দিকুল্লা চৌধুৰীক নিজৰ দলত অন্তৰ্ভুক্ত কৰি তৃণমূল নেত্ৰীয়ে সিংহভাগ মুছলিম ভোট নিজৰ দললৈ অনাত সক্ষম হৈছিল। ফলত চিপিএম আৰু কংগ্ৰেছে জোট গঠন কৰিও তৃণমূলক হৰুৱাব পৰা নাছিল। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত তৃণমূলৰ বাবে পৰিস্থিতি যে অনুকূল নহয় সেয়া কোৱাই বাহুল্য। সংখ্যালঘু মুছলিম ভোটৰ সিংহভাগ নিজৰ দখললৈ আনিব নোৱাৰিলে তৃণমূলৰ বিপদ অনিবাৰ্য। সেইক্ষেত্ৰত আচাদউদ্দিন ওৱেইছিৰ দলৰ লগত জোট কৰি নিৰ্বাচনত প্ৰতিনিধিত্ব কৰিলে শেষত তৃণমূল লাভৱান হ'ব বুলি ৰাজনৈতিক বিশ্লেষক সকলে মত প্ৰকাশ কৰিছে। সেয়ে আগন্তুক সময়ত ওৱেইছিৰ মিম দলে যিকোনো উপায়ে যে নিজৰ বাবে কিছু ঠাই মুকলি কৰিবৰ বাবে বিভিন্ন ৰাজ্যসমূহৰ নিৰ্বাচন সমূহত চেষ্টা নকৰিব তাক ক'ব পৰা নাযায় আৰু বৰ্তমান সময়ৰ ৰাজ্য চৰকাৰ সমূহে সংখ্যালঘু আৰু দলিতসকলক অৱহেলা নকৰি তেওঁলোকৰ উন্নয়নত মনোনিৱেশ কৰিব লাগে। অন্যথাই উক্ত ৰাজ্য চৰকাৰ সমূহেই প্ৰকাৰান্তৰে ওৱেইছিৰ স্থিতি টনকিয়াল কৰিবলৈ বাট মুকলি কৰি দিয়াৰ দৰে হ'ব বুলি ক'ব পৰা যায় আৰু লগে লগে ভাৰতীয় ৰাজনীতিত এই শক্তিশালী সাংসদজনৰ দ্বাৰা পৰিচালিত মিম দলৰ মাধ্যমেৰে এক বৃহৎ মেৰুকৰণ সৃষ্টি হৈ যাব বুলি বিশ্লেষকসকলে মত পোষণ কৰিছে।

ফোন ঃ ৯৯৫৭৩১০৪৩৬

# ঐক্য, সংহতি, সমন্বয়ৰ প্ৰতীক ঃ জাতীয় সংহতি দিৱস

■ নৱ ডেকা

ভাৰতবৰ্ষত জাতীয় সংহতি দিৱস পালন কৰা হয় প্ৰথম মহিলা প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধীৰ জন্মদিন ১৯ নৱেম্বৰ দিনটোত প্ৰতি বছৰে। মানুহৰ মাজত শান্তি, প্ৰেম, ভাতৃত্ববোধ আৰু একতাৰ এনাজৰীডাল ৰহৰহীয়া কৰাৰ উদ্দেশ্য সাৰোগত কৰি উদ্‌যাপন কৰা হয় বৰ্ণাঢ্য কাৰ্যসূচীৰে। অনৈক্যৰ মাজতো ঐক্য সংহতিৰ মহামিলনৰ সেঁতু ৰচিবলৈ অহোপুৰুষাৰ্থ কৰা জাতীয় সংহতি দিৱসক কৌমী একতা দিৱস হিচাপেও জনা যায়। বিভিন্ন ধৰ্মাৱলম্বী, বিভিন্ন সম্প্ৰদায়, বিভিন্ন সংস্কৃতি, বিভিন্ন আৰ্থ-সামাজিক লোক আৰু যুবপ্ৰজন্মই একগোট হৈ সমিলমিল আৰু বুজাবুজিৰে ভাবৰ আদান-প্ৰদান কৰি সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ যোগেদি সংহতি দৃঢ় আৰু নিকপকপীয়া কৰাৰ লগতে ঐক্যৰ পৰিসৰ বৃদ্ধি কৰিব চেষ্টা কৰা হয়। পাৰস্পাৰিক সৌহাদ্যপূৰ্ণ বাতাবৰণেৰে সম্পৰ্কবোৰ চিন্ময়ী কৰাৰ প্ৰয়াস কৰে য'ত গংগা, যমুনা, সৰস্বতী, গোদাবৰী কাবেৰী, ব্ৰহ্মপুত্ৰ একেলগে মিলিত হৈ সৃষ্টি হ'ব বৃহত্তৰ ভাৰতীয় সংস্কৃতি। অথাৎ মানৱপ্ৰেমৰ মূৰ্ত প্ৰকাশ। প্ৰেমৰ ঐকতান কিমান সুদূৰপ্ৰসাৰী সেইটো সহজে অনুমেয় হয় মহান মনীষী হানচ আৰচ ভন ব্লাথাচাৰদেৰৰ অমোঘ বাণীত- 'বিশ্বাসৰ ঐক্য যেতিয়া সম্ভৱ নহয়, প্ৰেমৰ ঐক্য সম্ভৱ।' উল্লেখযোগ্য যে ১৩২ কোটিৰ অধিক জন সংখ্যাৰ সুবিশাল দেশ ভাৰতবৰ্ষ প্ৰাচীন সভ্যতাবোৰৰ এক অন্যতম সভ্যতা য'ত বিভিন্ন ভাষা, ধৰ্ম, গোষ্ঠী, জাতি, সম্প্ৰদায়, সংস্কৃতিৰ লোকে অনৈক্যৰ মাজতো একতাৰ ডোলেৰে বান্ধ খাই আছিল। দৰাচলতে ধৰ্মীয়, ভাষিক, প্ৰাকৃতিক, ভৌগোলিক আদি সকলোতে অনৈক্যৰ চিত্ৰখন জাজ্বল্যমান যদিও মানুহৰ মাজত বিৰাজমান সহৃদয়তা, অনুৰাগ, সহানুভূতিশীল মানবতাবাদীৰ মাৰ্গদৰ্শনত ভাৰতবৰ্ষখন পৰিগণিত হৈছিল ঐক্য, শান্তি, সম্প্ৰীতি, সমন্বয়ৰ ৰম্যভূমি । জাতি, বৰ্ণ ধৰ্ম, উচ্চ-নীচ নিৰ্বিশেষে সকলো সম অধিকাৰ আৰু সমজ্ঞানেৰে বিবেচিত হৈছিল। কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম বাণীৰে উদ্বুদ্ধ এই বাৰে ৰহণীয়া সংস্কৃতিৰ বৃহত্তৰ ঐক্যৰ ৰংগমঞ্চখনত কিহৰ বাবে জাতীয় সংহতি দিৱস উদ্‌যাপনৰ প্ৰাসংগিকতা আহিল সেইটো সৰ্বজনবিদিত।

স্মৰ্তব্য যে ইতিহাসৰ পৃষ্ঠা লুটিয়াই চালে দৃশ্যমান হৈ পৰে চতুৰ আৰু দূৰদৰ্শী ইংৰাজ জাতিটোয়ে শাসন আৰু শোষণৰ অন্তৰ্নিহিত স্বাৰ্থত Divide and Rule নীতি প্ৰয়োগ কৰি যি বিষবাষ্প সিঁচিছিল তাৰ ছত্ৰছায়াত গা কৰি উঠিছিল অনৈক্য নামৰ মহিষাসুৰটো। ইংৰাজৰ দুশ বছৰীয়া শাসন কালত সি পুষ্টি-তুষ্টিৰে নোদোকা হৈ সংহতিৰ কঠীয়াতলীখন ভৰিৰে খচকি-ফেনেকি ধুনপাত কৰিলে যিটো আনকি স্বাধীনোত্তৰ কালছোৱাতো আকৌ সঁজাল ধৰি উঠাত বহু আহুকালৰ সৃষ্টি হ'ল। নিজৰ মাজত ক্ষুদ্ৰাতিক্ষুদ্ৰ স্বাৰ্থত দ্বন্দ্ব-খৰিয়ালৰ সৃষ্টি কৰি নিকৃষ্ট মানসিকতা হুবহু চিত্ৰখন দাঙি ধৰাৰ বিপৰীতে সংহতিৰ আন্তঃগাঁথনি দুৰ্বল কৰা পৰিলক্ষিত হয়। এই সংহতিৰ বেসুৰীয়া সংগীতটো আকৌ সুৰেৰে সুৰঞ্জিত কৰাৰ স্বাৰ্থত জাতীয় সংহতি দিৱসৰ গুৰুত্ব নিশ্চয় অপৰিসীম।

পৰিশেষত কওঁ যিখন দেশৰ বায়ু পানী গ্ৰহণ কৰি ধূলি-মাকতিৰে খেলা-ধূলা, ৰং-ৰহইচৰ কামৰসেৰে নিজৰ জীৱনটো উদ্‌যাপন কৰোঁ সেই স্বদেশক ভালপোৱা, স্বদেশৰ ঐক্য সংহতি অক্ষুণ্ণ ৰখাটো মৌলিক কৰ্তব্যই নহয় দায়িত্বও। দেশৰ ভেটি সুদৃঢ় হ'ব যেতিয়া জননীৰ প্ৰতিটো সন্তান একগোট হৈ সমস্বৰৰ কণ্ঠৰে নিনাদিত হয় সমন্বয় গান। যিহেতু ব্ৰহ্মতালুতে খোট মাৰা অনৈক্যই দেশৰ ভেটি নিশকতীয়া কৰি জাতীয় সংহতি বিপন্ন কৰি তুলে সেয়েহে পোন প্ৰথমে আমাৰ পৰিচয় ভাৰতীয় বুলি কৈ গৌৰৱান্বিত হ'লে নিশ্চয় মই হিন্দু, মই মুছলমান, মই শিখ, মই খ্ৰীষ্টান, মই বৌদ্ধ, মই জৈন আদি পৰিচয় উপেক্ষিত হৈ পৰিব। ভাৰতীয় বুলি নিজৰ পৰিচয় দি আত্মস্বভিমানী হ'বলৈ শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানত ফুলকুমলীয়া মনত উদ্বুদ্ধ কৰিলে নিশ্চয় পৰৱৰ্তী কালত নিজক তেনেদৰেই প্ৰস্তুত কৰিব আৰু সকলো জাতি-জনজাতি, ধৰ্ম, গোষ্ঠী সম্প্ৰদায় সদৃশ ধাতু সংমিশ্ৰিত হৈ এক সংকৰধাতুৰূপী বৃহত্তৰ ভাৰতবৰ্ষ গঢ় লৈ উঠিব যেই ধ্ৰুৰূপ।

ফোন ঃ ৭৫৭৬৮৯৫৯৭০

জাতি, বৰ্ণ ধৰ্ম, উচ্চ-নীচ নিৰ্বিশেষে সকলো সম অধিকাৰ আৰু সমজ্ঞানেৰে বিবেচিত হৈছিল। কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম বাণীৰে উদ্বুদ্ধ এই বাৰে ৰহণীয়া সংস্কৃতিৰ বৃহত্তৰ ঐক্যৰ ৰংগমঞ্চখনত কিহৰ বাবে জাতীয় সংহতি দিৱস উদ্‌যাপনৰ প্ৰাসংগিকতা আহিল সেইটো সৰ্বজনবিদিত...

# এইবাৰৰ নিৰ্বাচনত 'মিঞা'ক সজোৱা হ'ব পাৰে বলিৰ পঠা

■ জুলহাছ আলী আহমেদ

হয়, যি দেখিছো সমাগমত অসম বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বঙ্গমূলীয় (মিঞা) মুছলমানসকলক বলিৰ পঠা সজাবলৈ উঠি পৰি লাগিছে ৰাজনৈতিক দলসমূ। কংগ্ৰেছকে ধৰি বিভিন্ন দল-সংগঠনে ৰাজ্যৰ দ্বিতীয় বৃহত্তৰ জনগোষ্ঠী মিঞা মুছলমানসকলক অ'ত দিনে ফুটবল হিচাপে ব্যৱহাৰ কৰি আহিছিল যদিও এই বাৰ নিৰ্বাচনত উক্ত মিঞা জাতিটোক বলিৰ পঠা সজাই নিৰ্বাচনী বৈতৰণী পাৰ হ'ব বিচাৰিছে একাংশ ৰাজনৈতিক দলে। মিঞা বুলি কলে সাধাৰণতে অসমৰ বঙ্গমূলীয় মুছলমানকে বুজাই। সততে ধৰ্ম নিৰপেক্ষতাৰ শ্লোগান আওঁৰাই ফুৰা কংগ্ৰেছ দলে নিজকে যিমানেই ধৰ্মনিৰপেক্ষ বুলি জাহিৰ কৰিবলৈ চেষ্টা নকৰক কিয়, প্ৰকৃতাৰ্থত কংগ্ৰেছ দল যে ভোট বেংকৰ স্বাৰ্থত সাম্প্ৰদায়িক ৰাজনীতি কৰে সেয়া আজিৰ তাৰিখত জলজল পটপটকৈ পোহৰলৈ আহিছে। শেহতীয়াকৈ কংগ্ৰেছ দলৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰাজেদ আলি চৌধুৰীয়ে কৰা বিতৰ্কিত মন্তব্য তাৰেই প্ৰমাণ। এগৰাকী প্ৰবীণ ৰাজনৈতিক নেতা তথা দায়িত্বশীল বিধায়ক হোৱা সত্বেও ৰাজেদ আলি চৌধুৰীয়ে যি আপত্তিজনক তথা উগ্ৰ সাম্প্ৰদায়িক ভাষণ প্ৰদান কৰিলে তাৰ পৰিপেক্ষিতত যদি ৰাজ্যত সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হয় তেন্তে তাৰ বাবে দায় কোন হ'ব? উল্লেখ্য যে কংগ্ৰেছৰ এইগৰাকী সংখ্যালঘু নেতাই সিদিনা এক ৰাজহুৱা সভাত ভাষণ দি কৈছিল যে এইবাৰ ৰাজ্যত বিজেপিৰ চৰকাৰ আহিলে অসমৰ মুছলমানসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰিব লাগিব আৰু হিন্দু ধৰ্ম গ্ৰহণ নকৰিলে দেশ এৰি যাব লাগিব। এনেকুৱা উগ্ৰ সাম্প্ৰদায়িক মন্তব্যৰে তেওঁ অসমৰ শান্তিপূৰ্ণ পৰিৱেশ বিনষ্ট কৰিব বিচৰাই নহয় এক কথাত কবলৈ গলে মিঞা জনগোষ্ঠীটোক ভাবুকি দিয়া যেন হৈছে? ৰাজেদ আলি হতে জানি ৰখা ভাল হ'ব যে, অসম তথা ভাৰতবৰ্ষৰ মুছলমানসকল এইখন ৰাম-ৰহিমৰ দেশত যিমান নিৰাপদে বসবাস কৰি আছে, বহু ইছলামীক ৰাষ্ট্ৰতো সিমান নিৰাপদে থাকিব পৰা নাই। যিটো সময়ত দুবেলা দুমুঠি অন্নৰ বাবে মিঞা জাতিটো সংগ্ৰাম কৰিব লগীয়া হৈছে সেই সময়ত জাতিটোৰ মৌলিক সমস্যাসমূহৰ প্ৰতি গুৰুত্ব নিদি অনৰ্থক সাম্প্ৰদায়িক মন্তব্যৰে নিকৃষ্ট ৰাজনীতি কৰাত লাগি পৰিছে। স্বাধীনোত্তৰ কালৰে পৰা মিঞা জনগোষ্ঠীক ফুটবলৰ দৰে ব্যৱহাৰ কৰা কংগ্ৰেছী সকলে পাৰে যদি পিচপৰা জাতিটোৰ শিক্ষা, স্বাস্থ্য, জীৱনধাৰণ ব্যৱস্থাকে ধৰি মৌলিক সমস্যাসমূহৰ সমাধানকল্পে ফলপ্ৰসূ উপায় উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিয়ক। তাকে নকৰি মিঞা সমাজত অযথা উল্টাপাল্টা বয়ান বাজী কৰি পানী ঘোলা কৰাৰ মতলব কি? এফালে যদি বিজেপিয়ে মোগল, সভ্যতা, শৰাইঘাটৰ ৰণ আৰু বিধায়ক শ্বেৰমান আলী আহমেদে সূচনা কৰা মিঞা মিউজিয়াম, নীলা লুঙী আদিৰ প্ৰসঙ্গ টানি মিঞাক ইতিকিং কৰা দেখা যায়, আনফালে আকৌ কংগ্ৰেছে মিঞাৰ ভোট আদায়ৰ বাবে ভাবুকিৰ সুৰত উগ্ৰ সাম্প্ৰদায়িক বক্তৃতাৰে মিঞা জনগোষ্ঠীটোক ব্লেকমেইলিং কৰি থকা পৰিলক্ষিত হৈছে,- এয়া কেনেকুৱা ধৰণৰ কথা? মানে ২০২১ বৰ্ষত অনুষ্ঠিত হবলগীয়া অসম বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এই অনুন্নত, অশিক্ষিত মেহনতী জাতিটোক বলিৰ পঠা সজাব বিছৰা হোৱা নাইতো?—

ফোন ঃ ৯৭০৬৬-৬৬১৯২

# এম বি বি এছ-বি ডি এছৰ চাহ জনজাতিৰ সংৰক্ষিত আসনত ভুৱা শিক্ষাৰ্থীৰ নাম

## তালিকা বাতিল ন'হলে তীব্ৰ গণ আন্দোলনৰ হুংকাৰ 'আছা'ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ নৱেম্বৰ ঃ** দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীল নীতি আওৰাই থকা বিজেপি নেতৃত্বাধীন চৰকাৰৰ ইটোৰ পিছত সিটো দুৰ্নীতি কাৰ্য পোহৰলৈ অহাত বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচী অব্যাহত থকাৰ সময়তে শেহতীয়াকৈ আদিবাসী চাহ জনজাতি ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষিত এমবিবিএছ আৰু বিডিএছ আসনৰ ২০২০ বৰ্ষত ব্যাপক বিসংগতি হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই অভিযোগ তুলি 'সদৌ অসম আদিবাসী ছাত্ৰ সন্থা' (আছা) ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ষ্টিফেন লাক্ৰা আৰু সাধাৰণ সম্পাদক দেৱেন ওৰাঙে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত প্ৰকাশ কৰিছে যে, বিগত বছৰসমূহৰ দৰে চলিত বছৰতো আদিবাসী চাহ জনজাতিৰ বাবে সংৰক্ষিত এমবিবিএছ আৰু বিডিএছ পাঠ্যক্ৰমৰ ২১ খন আসনৰ ভিতৰত ১২ খন আসনত বিভিন্ন সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী সকলক মেডিকেল কাউঞ্চিলে নিৰ্বাচিত কৰাটো দুৰ্ভাগ্যজনক। কি যুক্তিত বেগম, কৈৰী আৰু ৰহমান আদি উপাধিৰ প্ৰাৰ্থীক নিৰ্বাচিত কৰা হৈছে সেয়া অতি লক্ষণীয় বিষয়। তদুপৰি পৰিৱৰ্তনৰ নামত বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ এয়াই পৰিৱৰ্তন নেকি বুলিও সংগঠনটোৱে মুকলি প্ৰশ্ন তুলিছে। বাৰম্বাৰ প্ৰতিটো বছৰে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই আদিবাসী চাহ জনজাতি ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষিত আসনত অন্য সম্প্ৰদায়ৰ প্ৰাৰ্থীক নিৰ্বাচিত নকৰাৰ দাবী জনাই অহাৰ পিছতো বিষয়টো চৰকাৰে কোনো ধৰণৰ গুৰুত্ব আৰোপ কৰা নাই বুলি অভিযোগ তুলিছে সংগঠনটোৱে। চলিত বৰ্ষত ২১ খন এমবিবিএছ আৰু বিডিএছৰ সংৰক্ষিত আসনৰ ১২ খন আসনতে সন্দেহজনক প্ৰাৰ্থী ক্ৰমে ৰেচমা বেগম, ৰাহুল যাদৱ, চোচন নুনীয়া, গৌৰৱ চৌহান, ফাৰহান আনছাৰী, নিলোফাৰ ৰহমান, সূৰয কৰ্মকাৰ, অৰুণাভ কৈৰী, দীপজ্যোতি কৰ্মকাৰ, লোহিত কৈৰী, ৰাহুল কৈৰী আৰু স্নেহা কৈৰীক নিৰ্বাচিত কৰি বিজেপি নেতৃত্বাধীন চৰকাৰে জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ হেতালি খেলাৰ লগতে আদিবাসী চাহ জনগোষ্ঠীৰ মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীক বঞ্চিত কৰিব বিচৰা কাৰ্যক সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই কেতিয়াও সহ্য নকৰে বুলিও বিবৃতিটোত উল্লেখ কৰিছে। অতিশীঘ্ৰে এই সন্দেহজনক তালিকাখন বাতিল নকৰিলে তীব্ৰ গণ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি বিবৃতিটোৰ জৰিয়তে হুংকাৰ প্ৰদান কৰিছে।

## কৰ'না মহামাৰীয়ে বৃদ্ধি কৰিছে অনিয়ন্ত্ৰিত মধুমেহ ৰোগীৰ স্বাস্থ্যৰ জটিলতা

**গুৱাহাটী, ১৮ নৱেম্বৰ ঃ** বিশ্ব মধুমেহ দিৱস উপলক্ষে, ন'ভ' ন'ৰডি' এডুকেচন ফাউণ্ডেচনে আজি তেওঁলোকৰ ইমপেক্স ইণ্ডিয়া ১০০০ ডে চেলেঞ্জ অনুষ্ঠানৰ দ্বিতীয় বৰ্ষৰ তথ্য উন্মোচন কৰে। দুই বছৰৰ আগতে এই অনুষ্ঠানটো ভাৰতত পাৰ্শ্বীয় অনুকূলিত মধুমেহৰোগ নিয়ন্ত্ৰণৰ বিষয়টো লক্ষ্য কৰি আৰম্ভ কৰা হয়। এই তথ্য অনুসৰি ২০20 চনৰ ছেপ্টেম্বৰ মাহত গড় এইছবিএ১চিৰ সীমা হ'ল ৮.৪২ শতাংশ। বিগত বৰ্ষত তুলনাত চলিত বৰ্ষত এইছবিএ১চিৰ গড় সীমা বৃদ্ধি হৈছে আৰু কৰ'ণা মহামাৰীৰ পৰিপ্ৰেক্ষিতত বৰ্ধিত এইছবিএ১চিৰ সীমা এক চিন্তনীয় বিষয় কাৰণ এই মহামাৰীয়ে অনিয়ন্ত্ৰিত মধুমেহ ৰোগীৰ স্বাস্থ্যজনিত জটিলতা আৰু ভয়াৱহতা বৃদ্ধি কৰিছে। তেজৰ শৰ্কৰাৰ দীৰ্ঘদিনীয়া নিয়ন্ত্ৰণৰ বাবে এইছবিএ১চিৰ সৰ্বোত্তম প্ৰস্তাৱিত সূচাংক আৰু প্ৰিয় তিনি মাহলৈ তেজৰ শৰ্কৰা নিয়ন্ত্ৰণৰ গড় হিচাপ প্ৰদান কৰে। চহৰখনৰ ৫৪ বছৰ গড় বয়সৰ ১০০০ ব্যক্তি এই সমীক্ষাটোত অংশগ্ৰহণ কৰিছিল, য'ত ৬১ শতাংশ পুৰুষ আৰু ৩৯ শতাংশ মহিলা। ডাঃ কৰুণা কান্ত বৰ্মণে কনচালটেণ্ট ডায়েবেট'ল'জিষ্ট আৰু বৰ্মণ ডায়েবেটিছ স্পেছিয়েলিষ্টৰ সচিব, এই তথ্যৰ সন্দৰ্ভত কয়, 'গুৱাহাটীৰ বৰ্দ্ধিত এইছবিএ১চিৰ সূচাংকৰ বাবে তাৎক্ষণিক গুৰুত্ব প্ৰদানৰ প্ৰয়োজন কাৰণ ক'ৰ'ণা মহামাৰীয়ে মধুমেহ ৰোগীৰ মাজত স্বাস্থ্য সম্পৰ্কীয় জটিলতা ৫০ শতাংশ বঢ়াই তুলিছে। দেহৰ শৰ্কৰা নিয়ন্ত্ৰৰ বাবে দৈনিক ঔষধ সেৱনৰ লগতে সঘন আত্ম নিৰীক্ষণৰ প্ৰয়োজন। ইয়াৰ লগতে শাৰীৰিক ব্যায়াম, স্বাস্থ্য সন্মত জীৱন-যাপন, পৰিপুষ্টিকৰ আহাৰৰ গ্ৰহণৰ প্ৰয়োজন। কাৰণ অনিয়ন্ত্ৰত মধুমেহ ৰোগে চকু, কিড্‌নি, কলিজা আদি অংগসমূহৰ ক্ষতি সাধন কৰে। কঁৰ'ণা মহামাৰীৰ লগত সমতা ৰাখি চলিবলৈ মধুমেহ ৰোগীসকলে ঘৰত পৰ্যাপ্ত পৰিমাণৰ ঔষধ ৰখাৰ লগতে শৰ্কৰা পৰীক্ষণৰ বাবে সামগ্ৰী সমূহ ৰখাৰ প্ৰয়োজন। যদি উশাহ চুটি হোৱা, উশাহত কষ্ট, জ্বৰ, শুকান কাহ, ভাগৰ লগা, বিষ, ডিঙিৰ বিষ, মূৰৰ বিষ, স্বাদহীনতা বা ঘ্ৰাণহীনতা আদি লক্ষণ সমূহে দেখা দিয়ে অনতি পলমে চিকিৎসকৰ কাষ চপা উচিত। আই ডি চি আই ন'ভ' ন'ৰডি' এডুকেচন ফাউণ্ডেচৰ ইমপেক্স ইণ্ডিয়া ১০০০ ডে চেলেঞ্জ অনুষ্ঠানৰ অংশ আৰু ই মধুমেহ ৰোগৰ তত্ত্বাৱধানৰ বাবে আগৰণুৱা ৰূপে সমগ্ৰ ভাৰতত সেৱা আগবঢ়াই আহিছে। এই অনুষ্ঠানটোৰ অংশ হিচাপে মধুমেহ ৰোগৰ তত্ত্বাৱধান স্থিতি নিৰীক্ষণৰ বাবে ২০১৮ চনত আইডিচিআই আৰম্ভ কৰা হয়। বিগ ডাটা এনালেটিকচ্‌ৰ ওপৰত নিৰ্ভৰ কৰি আইডিচিআইয়ে ভাৰতৰ গড় এইছবিএ১চিৰ এখন বাস্তৱিক ছবি প্ৰদান কৰি আহিছে। উল্লেখনীয় যে এইছবিএ১চি চহৰ জুৰি মধুমেহ নিয়ন্ত্ৰণৰ মুখ্য সূচাংক।

## নগৰবেৰাত ৫ দিনীয়া ৰাস মহোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ নৱেম্বৰ ঃ** নগৰবেৰাত ২৮, ২৯, ৩০ নৱেম্বৰ, ১, ২ ডিচেম্বৰত পাঁচদিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। এই উপলক্ষে অলপতে স্থানীয় ৰাস ময়দান প্ৰাংগণত অনুষ্ঠিত এক সাধাৰণ সভাত শ্যামাচৰণ ঠাকুৰীয়াক সভাপতি, দ্বীপেন মেধিক কাৰ্যকৰী সভাপতি, নিৰ্মল কলিতা, ভুৱন মেধি, ভাৰত দাস, কন্দৰ্প কলিতা, ভৱেশ তালুকদাৰক উপ সভাপতি, দীপক কলিতাক সম্পাদক প্ৰধান আৰু ক্ৰমে কমল কলিতা, প্ৰদীপ কলিতা, ৰাতুল মেধি, হৰকুমাৰ কলিতা, সম্পাদক মণ্ডলী হিচাপে লৈ মুঠ ৫১ গৰাকী কাৰ্যনিৰ্বাহক সদস্যৰে নগৰবেৰা আঞ্চলিক ৰাস মহোৎসৱ উদযাপনৰ এখনি শক্তিশালী সমিতি গঠন কৰা হয়।

## কাকডোঙাৰ ৰাজহুৱা পুখুৰীত নিশা মাছ চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৮ নৱেম্বৰ ঃ** দেৰগাঁৱৰ কাকডোঙা চোমণি আৰক্ষী চকীৰ অন্তৰ্গত উত্তৰ পশ্চিম কাকডোঙা গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ কাষতে থকা ৰাজহুৱা বৰ পুখুৰীত ১৬ নৱেম্বৰৰ নিশা দুস্কৃতিকাৰীয়ে পুখুৰীত নামি প্ৰায় লক্ষাধিক টকাৰ মূল্যৰ মাছ লৈ যোৱাৰ বাতৰি পোৱা গৈছে। প্ৰাপ্ত তথ্য মতে পুৱা পঞ্চায়ত কাৰ্যালয়লৈ অহা পঞ্চায়ত কৰ্মচাৰীয়ে এই ঘটনা প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজক অৱগত কৰে। কাকডোঙাত পূৰ্বতে এনেধৰণৰ ঘটনা বহুকেইটা সংঘটিত হৈছে। কাকডোঙাৰ সচেতন মহলে এনেধৰণৰ ঘটনাক তীব্ৰ ভাৱে গৰিহণা দিছে।

## মানালীত কাৰাটে ছেমিনাৰলৈ গোলাঘাটৰ দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৮ নৱেম্বৰ ঃ** অহা ২১ নবেম্বৰৰ পৰা ২৫ নবেম্বৰলৈ, হিমাচল প্ৰদেশৰ মানালীত অল ইণ্ডিয়া কাৰাটে ছেমিনাৰ অনুষ্ঠিত হ'ব। সেই ছেমিনাৰত গোলাঘাট জিলাৰ বুঢ়ালিকচন অল ষ্টাইল মাৰ্চিয়েল আৰ্ট একাডেমী (গোলাঘাট) আৰু খঙীয়া অল ষ্টাইল মাৰ্চিয়েল আৰ্ট একাডেমীৰ (দেৰগাঁও) মুখ্য প্ৰশিক্ষক সঞ্জীৱ বৰা আৰু তেখেতৰ সহযোগী প্ৰণৱ কুমাৰ বৰুৱাৰ নেতৃত্বত ৮ জন প্ৰশিক্ষাথীয়ে অংশ গ্ৰহণ কৰিব। ছেমিনাৰত অংশ গ্ৰহণ কৰিব লগা প্ৰশিক্ষাৰ্থী সকল হ'ল স্বাধীন গগৈ (গোলাঘাট), অম্লানজ্যোতি বৰুৱা, যুৱৰাজ বৰুৱা, অবিনাশ বৰা, যুগান্তৰ বৰা, মন্দাকিনী বৰুৱা, বিষ্ণুপ্ৰিয়া বৰুৱা, কিলক হাজৰিকা অংশ গ্ৰহণ কৰিব লগা দলটোক স্থানীয় লোক সকলে অভিনন্দ জ্ঞাপন কৰিছে।

## মৰিগাঁৱত সাংবাদিক, সাহিত্যিক শিক্ষাবিদক সম্বৰ্ধনা ৰাজ্যিক সাংবাদিক সন্থাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৮ নৱেম্বৰ ঃ** ৰাজ্যখনৰ ভিন্ন জিলাৰ লগতে মৰিগাঁৱতো অসম ৰাজ্যিক সাংবাদিক সন্থাই ৰাষ্ট্ৰীয় প্ৰেছ দিবসৰ দিনা জিলাখনৰ কেইবাগৰাকী প্ৰবীন সাংবাদিক, সাহিত্যিক আৰু শিক্ষাবিদক সম্বৰ্ধনা জনায়। ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে মৰিগাঁও জিলা সমিতিয়ে জিলাখনৰ প্ৰবীন সাংবাদিক, সাহিত্যিক, শিক্ষাবিদ নৱ কান্ত বৰদলৈ, শিশু সাহিত্যিক তথা চৰাইবাহী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা অনিতা হাজৰিকা আৰু সাহিত্যিক চৰাইবাহী মহাবিদ্যালয় অধ্যক্ষ ড° কমল চন্দ্ৰ নাথক একোখনকৈ মান পত্ৰ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সৃষ্টিশীল লেখনি, সাহিত্য চৰ্চা আৰু সাংবাদিকতাৰে মৰিগাঁৱৰ সমাজিক ক্ষেত্ৰখনলৈ অনবদ্য অবদান আগবঢ়োৱা নব কান্ত বৰদলৈৰ ঘৰলৈ গৈ ৰাজ্যিক সাংবদিক সন্থাৰ কৰ্মকৰ্তাসকলে ৰাষ্টীয় প্ৰেছ দিৱসৰ শুভেচ্চা জ্ঞাপন কৰাৰ লগতে সম্বৰ্ধনা জনায়। একেদৰে সাহিত্যিক, শিক্ষাবিদ ড° কমল চন্দ্ৰ নাথ আৰু অনিতা হাজৰিকাকো তেওঁলোকৰ নিজা বাসভৱনত সাক্ষাৎ কৰি সম্বৰ্ধনা জনায়। উল্লেখ্য যে সাংবাদিক, সাহিত্যিক, শিক্ষাবিদ কেই গৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰা দলটোত আছিল অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকা, জিলা সমিতিৰ ভাঃপাঃ সম্পাদক মিণ্টু মেধি, সহকাৰী সম্পাদক ভৱেন চন্দ্ৰ নাথ, সাংগঠনিক সম্পাদক আবুল কালাম, কাৰ্যনিবাহক বিষ্ণু ডেকা, আমিৰুল ইছলাম আৰু অলি উল্লাহ খান আৰু ধৰণী ডেকা।

## ভোটাৰ শিক্ষা-সজাগতা কাৰ্যসূচীত ৰাইজক অংশগ্ৰহণৰ আহ্বান বিলাসীপাৰা প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিলাসীপাৰা, ১৮ নৱেম্বৰ ঃ** ২০২১ চনৰ এক জানুৱাৰী ভিত্তি বৰ্ষৰূপে লৈ নিৰ্বাচন আয়োগে বিশেষ সংক্ষিপ্ত সংশোধিত খচৰা ভোটাৰ তালিকা প্ৰকাশ প্ৰাকক্ষণত আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে বিলাসীপাৰা মহকুমা প্ৰশাসনৰ তথা বিসালীপাৰা জিলা নিৰ্বাচনী বিষয়াৰ বাক্যালয়ৰ তৰফৰ পৰা ৰাইজক পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী সজাগতা কাৰ্যসূচীত ভাগ ল'বলৈ আহ্বান জনোৱা হৈছে। যিসকল যুৱক-যুৱতীয়ে ওঠৰ বছৰ বয়স (০১-০১-২০২১ তাৰিখৰ ভিতৰত) লাভ কৰিব তেওঁলোকক ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা অনুৰোধ জনাই কোৱা হৈছে যে ইয়াৰ বাবে অনলাইনযোগে তেওঁলোকে প্ৰপত্ৰ পূৰণ কৰিব পাৰিব। নিৰ্বাচন আয়োগৰ www.nvsp.in ৱেবচাইটযোগে তেওঁলোকে এনে প্ৰপত্ৰ লাভ কৰিব। আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে তেওঁলোকে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিলে অহা বিধানসভা নিৰ্বাচনত তেওঁলোকে জীৱনৰ প্ৰথমটো গণতান্ত্ৰিক প্ৰতিনিধি নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ গৌৰৱ অৰ্জন কৰিব পাৰিব। এই ক্ষেত্ৰত প্ৰশাসনে 'ভোটাৰ স্বাক্ষৰতা সংঘ' সমূহৰ দায়িত্ববাহী বিষয়াসকলৰ লগতে শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বীসকল, স্বেচ্ছাসেৱী বা বেচৰকাৰী সংস্থা, অভিভাৱক তথা নেতৃস্থানীয় নাগৰিকসকলক এই সন্দৰ্ভত নতুন প্ৰজন্মক সজাগ কৰি তুলিবলৈ আহ্বান জনাইছে। দেশৰ অন্যপ্ৰান্তত চাকৰি কৰি থকা লোক বা তেওঁলোকৰ সন্তান, বিশেষভাৱে সক্ষমলোক, বয়োজ্যেষ্ঠলোক সকলোৱে যাতে অহা বিধানসভা নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা প্ৰচাৰ কৰাৰ বাবে বিলাসীপাৰা প্ৰশাসন তথা জিলা নিৰ্বাচনী বিষয়াৰ তৰফৰ পৰা সচেতনতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে আলোচনা চক্ৰ, বেনাৰ লিখন, দেৱাল লিখন, ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা, গণ সংগীত অনুষ্ঠান আদি পৰ্যায়ক্ৰমে আয়োজন কৰা হ'ব। কিন্তু বৰ্তমানে কোভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজহুৱা সভা বা মুখামুখী আলোচনাৰ সলনি বৈদ্যুতিন ব্যৱস্থাৰে ৰাইজক ভোটাৰ শিক্ষা আৰু সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ ল'বলৈ আহবান জনোৱা হৈছে। উল্লেখনীয় যে বিগত লোকসভা নিৰ্বাচনত বিলাসীপাৰা নিৰ্বাচনী জিলাত ৯০.৮৯ শতাংশ ভোটাৰ ভোটদান কৰিছিল। ইয়াৰ ভিতৰত পুৰুষ ভোটাৰ আছিল ৯০/৬৯ শতাংশ আৰু মহিলা ভোটাৰ আছিল ৯১.০৯ শতাংশ। তাৎপৰ্যপূৰ্ণভাৱে পুৰুষতকৈ মহিলাৰ ভোটাৰৰ হাৰ বেছি আছিল। এনে সফলতা ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কাৰ্যসূচীত ৰাইজৰ আন্তৰিক সহযোগিতাৰ বাবেই সম্ভৱ হৈছে।

## জামুগুৰিহাটৰ জুমণি শইকীয়াৰ স্মৃতিত নিৰ্মাণ হ'ব প্ৰেক্ষাগৃহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৮ নৱেম্বৰ ঃ** জীৱন আৰু মৃত্যু এক অৱধাৰিত প্ৰক্ৰিয়া। জন্ম হোৱা জনৰ মৃত্যুও অনিবাৰ্য। তথাপিও কিছুমান মৃত্যুৰ সংবাদ আমাৰ বাবে অসহনীয় হৈ উঠে। প্ৰচুৰ সম্ভাৱনাপূৰ্ণ ভৱিষ্যত এটা হেৰাই গ'ল অকালতে। সংস্কৃতিৰ পথাৰখনত জুমনিৰ অভাৱ অনুভৱ হ'ব বহুদিনলৈ। এই মন্তব্য নদুৱাৰ খণ্ড উন্নয়ন বিষয়া ৰাজীৱ কুমাৰ বৰাৰ। কালি জামুগুৰিহাটৰ উদীয়মান সাংস্কৃতিক কৰ্মী জুমণি শইকীয়াৰ মৃত্যুৰ আদ্যশ্ৰাদ্ধ দিনটোৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা এখনি স্মৃতিচাৰণ সভাত 'বিষাদ গাঁথা জুমণিৰ সজল সোঁৱৰণ' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰি এই দৰে কয় উন্মোচক ৰাজীৱ কুমাৰ বৰাই। বিয়লি প্ৰয়াত শিল্পীগৰাকীৰ কোছগাঁৱৰ বাসগৃহত অসম সত্ৰ মহাসভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ভৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাখনত স্মৃতিচাৰণ কৰে কোঁছগাঁও গাঁও উন্নয়ন সমিতিৰ সভাপতি প্ৰদীপ শইকীয়া, ভৰলীপৰীয়া সাংস্কৃতিক গোষ্ঠীৰ উপদেষ্টা তথা ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° দিলীপ কুমাৰ ভূএঞা, অসম সাহিত্য সন্মিলনীৰ প্ৰধান সম্পাদক মিংকু কলিতা, জামুগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নাৰায়ন শইকীয়া, ভৰলীপৰীয়া বিহুদলৰ উপদেষ্টা মনজ্যোতি হাজৰিকা, লক্ষীমপুৰ মনিকাঞ্চন সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা দীপাদাস হাজৰিকা প্ৰমুখ্যে গুণমুগ্ধসকলে। স্মৃতিচাৰণ সভাৰ প্ৰাকক্ষণত প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহৰ সন্মুখত শিল্পীগৰাকীৰ স্মৃতিত বৃক্ষৰোপণ কৰে বাপুজি ভৱন নাট্য সমাজৰ সভাপতি জনাৰ্দন ভূএঞা, জাগৰণ যুথ ক্লাৱ প্ৰমুখ্যে শিল্পীগৰাকীৰ গুণমুগ্ধ সকলে। উল্লেখ্য যে অঞ্চলটোৰ অৰ্ধশতাধিক অনুষ্ঠানৰ শোকস্তব্ধ গুণমুগ্ধসকলৰ লগতে গাঁওখনৰ ৰাইজ, মহিলা, যুৱক-যুৱতীসহ প্ৰায় দুই শতাধিক লোক উপস্থিত থকা সভাখনৰ 'বিষাদ গাঁথা' সোঁৱৰণি গ্ৰন্থখন উন্মোচন কৰি নদুৱাৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰাজীৱ কুমাৰ বৰাই উল্লেখ কৰে যে গ্ৰামোন্নয়ন বিভাগৰ পৰা অঞ্চলটোৰ বিভিন্ন গাঁৱত তথা বিভিন্ন অনুষ্ঠানত নিৰ্মিয়মান কোনো এটি প্ৰেক্ষাগৃহ জুমণি শইকীয়াৰ স্মৃতিত নিৰ্মাণ কৰাৰ কথাও ঘোষণা কৰে। আনহাতে সাংস্কৃতিক কৰ্মী শৈলেন বৰকটকীয়ে আঁত ধৰা একেখন সভাতে জুমণিৰ স্মৃতি যুগমীয়া কৰিবৰ বাবে বহুকেইটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এক শোকাকুল পৰিৱেশত অনুষ্ঠিত সভাখনত বক্তাসকলে উদীয়মান যুৱক, বিহু, শংকৰী কলা কৃষ্টিৰ একনিষ্ঠশিল্পী, সুললিত কণ্ঠৰ অধিকাৰী তথা ৰাস, ভাঁওনা, বিহু, ঢোল, খোল আদি সকলোতে পাৰ্গত জুমণিৰ বিভিন্ন দিশ আলোকপাত কৰে। ইফালে আজি সন্ধিয়া জামুগুৰিৰ নাভিকেন্দ্ৰৰ 'ডি' স্থানত জুমনিৰ স্মৃতিত বন্তি প্ৰজ্বলনো কৰে শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজৰ জিলা যুৱ সমাজৰ লগতে গুণমুগ্ধ সকলে। উল্লেখ্য যে জামুগুৰিহাটৰ কোঁছগাঁৱৰ উদীয়মান সাংস্কৃতিক কৰ্মী জুমনি শইকীয়া (২৮) যোৱা ৭ নৱেম্বৰত বালিপাৰাৰ নিকটৱৰ্তী দীঘলীত এক পথ দুৰ্ঘটনাত পতিত হৈ কৰুণ মৃত্যুক আঁকোৱালী ল'বলগীয়া হৈছিল।



## ইটাখোলাৰ মেধাৱী ছাত্ৰীৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৮ নৱেম্বৰ ঃ** বিশ্বনাথ জিলাৰ ইটাখোলাস্থিত দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী মেধাৱী ছাত্ৰীৰ আজি পুৱা অকাল মৃত্যুৰ বাতৰিয়ে সমগ্ৰ ইটাখোলা অঞ্চলত শোঁকৰ ছাঁ পৰে। জানিব পৰা মতে ইটাখোলাৰ দিকৰাই চাহবাগিচাৰ অন্তৰ্গত গেলাহাটিঙাৰ সঞ্জীৱ বৰাইক আৰু স্বপ্না বৰাইকৰ ডাঙৰ জীয়ৰী তথা দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ প্ৰথম বৰ্ষৰ ছাত্ৰী সঞ্জনা বৰাইক(১৭) ৰ আজি পুৱা নিজ গৃহতে মৃত্যু হোৱাত দিকৰাই চাহ বাগিচাৰ লগতে সমগ্ৰ ইটাখোলা অঞ্চলত শোঁকৰ ছাঁ পৰে। পৰিয়ালৰ লোকৰ পৰা জানিব পৰা মতে সঞ্জনা বহু দিন ধৰি দুৰাৰোগ্য ৰোগত ভুগি আছিল। দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী মেধাৱী ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ এগৰাকী ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সক্ৰীয় ছাত্ৰীৰ মৃত্যুৰ খবৰে বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী সকলে শোকত ভাগি পৰে আৰু পুৱা বিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ আৰু ছাত্ৰ-ছাত্ৰীয়ে এখন শোক সভা অনুষ্ঠিত কৰি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰী-ছাত্ৰীৰ দল এটাই মৃত সঞ্জনাৰ ঘৰত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জনায়। ইফালে স্থানীয় নদুৱাৰ শাখা আটছাৰ দল এটাই মৃত সঞ্জনাৰ ঘৰত উপস্থিত হৈ তাইক শ্ৰদ্ধাঞ্জলি জনায়।

## মিৰ্জাত সাংবাদিক মিলন মহন্তক কৰা নিৰ্যাতনৰ প্ৰতিবাদী কাৰ্যসূচী

### দোষীক দৃষ্টান্তমূলক শাস্তিৰ দাবী প্ৰকাশ মহন্ত-মধুসূদন মেধিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৮ নৱেম্বৰ ঃ** দেশৰ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ জাগ্ৰত প্ৰহৰী সাংবাদিক আৰু সাংবাদিকতাক কুঠাৰাঘাট কৰা অনৈতিক কাৰ্য্যৰ বিৰুদ্ধে আজি জনতা গৰ্জি উঠিল কামৰূপ জিলাৰ মিৰ্জাত। মিৰ্জাস্থিত মামণি ৰয়ছম গোস্বামী চ'কত কামৰূপ জিলাৰ ভিন্ন প্ৰান্তৰ প্ৰায় দুই শতাধিক সাংবাদিক আৰু সাংবাদিকতাত জড়িত ব্যক্তি, ভিন্ন দ'ল সংগঠনৰ নেতৃবৃন্দৰ সহযোগত আয়োজন কৰে প্ৰতিবাদী কাৰ্যসূচী। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে ৰাজ্যৰ জেষ্ঠ্য সাংবাদিক তথা প্ৰতিদিন কাকতৰ মুখ্য সম্পাদক প্ৰকাশ মহন্ত, কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি মধূসুধন মেধি সহ কাৰ্য্যনিৰ্বাহক বৃন্দ, সাংবাদিক পৰিষদৰ অসমৰ কামৰূপ জিলা সমিতিৰ সাংবাদিক সকল। উল্লেখ্য যে, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সেৱাত মনোনিবেশ কৰা মঞ্চ ই পি মিডিয়া ফ'ৰাম চাউথ কামৰূপ আৰু অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত সংগ্ৰামৰত দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত মিৰ্জাৰ প্ৰতিদিন কাকতৰ সাংবাদিক মিলন মহন্তক কৰা বৰ্বৰ শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ বিৰুদ্ধে আজি প্ৰৱল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰা হয়। ই পি মিডিয়া ফ'ৰাম চাউথ কামৰূপৰ সভাপতি ৰতন কলিতাই সঞ্চালনা কৰা প্ৰতিবাদী কাৰ্যসূচীৰ আত ধৰে সম্পাদক নীৰেন মালীয়ে। সমগ্ৰ দক্ষিণ কামৰূপৰ উপৰিও গুৱাহাটী মহানগৰীৰ বহু সাংবাদিকে অংশগ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে অসম চৰকাৰক সকিয়ণি দি ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা গৃহ বিভাগৰ দায়িত্বত থকা সৰ্বানন্দ সোণোৱালক হিটলাৰী শাসন চলাই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ বাহক সাংবাদিকৰ অধিকাৰ খৰ্ব কৰিব বিচৰা কাৰ্য্যক ধিক্কাৰ দিয়ে জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্ত আৰু মধুসূদন মেধিৰ লগতে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি পৃথিৱী দাসে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি জেষ্ঠ্য সমাজ কৰ্মী পংকজ লোচন গোস্বামী, জেষ্ঠ্য সাংবাদিক নয়ন প্ৰতিম কুমাৰ আদিৰ লগতে বহু সংখ্যক বক্তাই মিলন মহন্তক শাৰীৰিক নিৰ্যাতন কৰা ৰাজনৈতিক দালাল, ভু মাফিয়া, জুৱাৰীৰ নায়ক আৰু নানা অসামাজিক কাৰ্য্যকলাপত জড়িত সঞ্জয় ঠাকুৰীয়াক গ্ৰেপ্তাৰ কৰি কঠোৰৰ পৰা কঠোৰোতম শাস্তি দিবলৈ দাবী জনাইছে।

## বিটিচি নিৰ্বাচনৰ দিন ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৮ নৱেম্বৰ ঃ** সমাগত বিটিচি পৰিসদীয় নিৰ্বাচনৰ দিন চমু চাপি আহিছে। একেদৰে নিৰ্বাচনৰ বাকযুদ্ধ তুংগত হৈ পৰিছে। ৰাজনৈতিক নেতাৰ বাকযুদ্ধ ঢৌৱে বি টি চিৰ আকাশ বতাহ কঁপাই তুলিছে। শাসনৰ বাঘজুৰি নিজৰ মুঠিত অনিবলৈ উঠি পৰি লাগিছে ৰাজ্যখনৰ বহু নেতা পালিনেতা। অৱশেষত আজি বি টি চি পৰিষদীয় নিৰ্বাচনৰ দিন ঘোষণা কৰে। দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব নিৰ্বাচন। প্ৰথম পৰ্যায়ৰ নিৰ্বাচন ৭ ডিচেম্বৰত অনুষ্ঠিত হ'ব বাকসা আৰু ওদালগুৰি জিলাত। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন ১০ ডিচেম্বৰত অনুষ্ঠিত হ'ব কোকৰাঝাৰ আৰু চিৰাং জিলাত।

## ৰোগাক্ৰান্ত পুত্ৰৰ জীৱন ৰক্ষাৰ বাবে মাতৃৰ হিয়া ভগা আহ্বান




**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৮ নৱেম্বৰ ঃ** এগৰাকী মাতৃৰ হিয়াঁভগা ক্ৰন্দনে হৃদয় গধুৰ কৰি তুলিছে এটা অঞ্চল। দেৰগাঁৱৰ সমীপৱৰ্তী মুখ্যমন্ত্ৰীৰ নিজা সমষ্টি মাজুলীৰ দক্ষিণ আঁহতগুৰি গাঁও পঞ্চায়তৰ অধীনস্থ ধোদাং লগুৱাটী গাঁৱৰ এগৰাকী চফল ডেকা পৱন কাকতি(লাচিত)ৰ দুয়োটা কিডনি বিকলহৈ পৰাত সৰগভাগি পৰিছে পৰিয়ালটিৰ মুৰত। পৱন প্ৰয়াত শশীধৰ কাকতি আৰু সুৱান কাকতিৰ একমাত্ৰ সন্তান হোৱাৰ উপৰিও সন্তানহীনা, পক্ষাঘাতত আক্ৰান্ত দদায়েক লক্ষী কাকতি পৰিয়ালৰো একমাত্ৰ ভৰষা আছিল। যাৰ ফলত এতিয়া দুয়োটা পৰিয়ালে দিক-বিদিক হেৰুৱাই পেলাইছে। পৰিয়ালৰ তৰফৰ পৰা জানিব পৰা মতে কলেজীয়া কালৰে পৰা উচ্চ ৰক্ত চাপৰ ঔষধ সেৱন কৰি অহা পৱন শেহতীয়াকৈ দুৰ্বল হৈ পৰে। সমীপৱৰ্তী দেৰগাঁৱৰ চিকিৎসকৰ ওচৰত পৰামৰ্শ গ্ৰহণ কৰিছিল যদিও বিশেষ সুফল নোপোৱাত যোৰহাটৰ চিকিৎসক ডাঃ পিকে নাথৰ ওচৰলৈ যোৱাত পৰীক্ষা কৰাতহে গম পালে যে পৱনৰ দুয়োটা কিডনি বিকল হৈ পৰিছে। চিকিৎসকে পৱনৰ উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়লৈ যোৱাৰ পৰামৰ্শ দিয়ে। ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত ৪ দিন থকাৰ পাছত চিকিৎসকে অসমৰ বাহিৰলৈ নি চিকিৎসা কৰাৰ পৰামৰ্শ দিয়ে। কিন্তু আৰ্থিক ভাৱে জুৰুলা পৰিয়ালটিয়ে ৰাজ্যৰ বাহিৰলৈ নিয়াৰ অপাৰগতা প্ৰকাশ কৰি ঘৰলৈ আনে। বৰ্ত্তমান যুৱক জনৰ অৱস্থা বেয়াৰ পৰা বেয়াৰ ফালে গতি কৰিছে। যাৰ বাবে সংবাদ মাধ্যমৰ যোগেদি মাতৃ সুৱান কাকতিয়ে অসম চৰকাৰৰ লগতে স্থানীয় বিধায়ক তথা অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰতি আহ্বান জনাইছে যাতে পৰিয়ালৰ একমাত্ৰ সন্তানৰ জীৱনটো ৰক্ষাৰ বাবে উন্নত চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে আৰ্থিক ভাৱে সহায় কৰে। অন্যহাতে মাতৃ গৰাকীয়ে কান্দি কান্দি ৰাইজৰ প্ৰতি সহায়ৰ বাবে আহ্বান জনাইছে। যদি কোনো সদাশয় ব্যক্তিয়ে সহায় কৰিব বিছাৰে ইউনাইটেড বেংকৰ দেৰগাঁও শাখাত থকা ০৬০৫০১০২৩১৩৭১ নং হিচাপত সহায়ৰ হাত আগবঢ়োৱাৰ লগতে ৯১০১০৩৪৫৩৩/৬০০৩২০৩৯৭৬ নম্বৰত পোনপটীয়াকৈ যোগাযোগ কৰিব পাৰিব। মাতৃগৰাকীৰ আহ্বানৰ প্ৰতি সহাৰি পালে এজন চফল যুৱকৰ প্ৰাণ ৰক্ষা পৰাৰ লগতে মহানুভৱ সকলৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ব বুলি পৰিয়ালৰ তৰফৰ পৰা জনাইছে।

# মা তুমি ডাইনী নাছিলা



**জয়ন্ত দাস**

বৰ আচৰিত লাগে ডাইনী নামৰ বিষাক্ত কীটটোৱে যেতিয়া মোৰ মন মগজুত কামোৰণি তোলে। আচৰিত লাগিলেও কিন্তু মানিবই লাগিব বৰ্তমানেও যে সমাজৰ এচাম মানুহৰ মাজত এই অন্ধবিশ্বাসটোৱে ৰাজত্ব। আজিৰ এই প্ৰতিযোগিতামূলক দিনতো মানুহে পৰিৱৰ্তনৰ ঢাক ঢাক-ঢোল বজোৱাৰ বিপৰীতে কিয় এতিয়াও পুৰণিকলীয়া ঠেক গণ্ডীৰ মাজত থাকিব বিচাৰে? সভ্যতাই আমাক হাত বাউল দি মাতি থকাৰ পিছতো কিয় আমাৰ চিন্তাধাৰাবোৰ সংকুচিত হ'ব ধৰিছে? যিটো সময়ত মানুহে অসম্ভৱকো সম্ভৱ কৰি তোলাৰ প্ৰতিযোগিতাত নামি পৰিছে সেই সময়তে সমাজৰ এচাম মানুহে ডাইনীৰ নামত এটাৰ পিছত এটাকৈ হত্যাকাণ্ড কৰি প্ৰমাণ কৰিব বিচাৰিছে আমি সংস্কাৰকামী, পৰিৱৰ্তন আমিও বিচাৰো। কিন্তু কিহৰ পৰিৱৰ্তন?

মা, ডাইনী শব্দটোৱে আজি তোমাক মোৰ পৰা বহু দূৰলৈ আঁতৰাই নিলে। এটি পৰিকল্পিত হত্যাকাণ্ডৰ বলি হৈছিলা তুমি। তোমাৰ নিথৰ দেহত ডাইনীৰ চেকা লগোৱা হৈছিল। কেচ্ ডায়েৰীৰ পাততো তুমি ডাইনী বুলিয়ে লিপিবদ্ধ হৈছিলা।আচলতে ডাইনী এটি অস্তিত্ব নে সমাজ সংস্কাৰ সাধিব খোজা সমাজৰ এচাম ৰুগ্ন মানুহৰ ৰুগ্ন মস্তিষ্কৰ নাম ডাইনী যাৰ প্ৰকৃত অৰ্থ বিচাৰি চলাথ কৰা মোৰ মস্তিষ্ক আজি ভাৰাক্ৰান্ত। কেৱল অন্ধবিশ্বাসেই সমাজৰ সেইসকল মানুহক পতিয়ন নিয়াই ডাইনী সজাই এটি ষড়যন্ত্ৰমূলক হত্যাকাণ্ড কৰিবৰ কাৰণে।

তোমাক ডাইনী সজাই সদাজৰ সেইচাম মানুহে যেতিয়া উপহাৰ দিছিল সেই যন্ত্ৰণাদায়ক মৃত্যু, তেতিয়া মোৰ মন মগজু ইমান পৰিপক্ক নাছিল যে সেইখিনি সময়ত মই তাৰ বিৰোধ কৰিম।ডাইনীৰ নামত আকৌ এটা পৰিকল্পিত হত্যাকাণ্ড বিজয়ৰ হাঁহি মৰা সেই তাচ্ছিল্যপূৰ্ণ হাঁহিবোৰে মোক ভাবিবলৈ বাধ্য কৰাইছে মা তুমি বৃহৎ ষড়যন্ত্ৰৰ বলি হৈছিলা। দেউতাৰ মৃত্যুৰ পিছত আঁকোৱালি ল'ব লগা হোৱা তোমাৰ বৈধব্যতাকে তেওঁলোকে সুযোগ হিচাপে গ্ৰহণ কৰিছিল।

মা, তোমাৰ গালৈ বৈধব্যতাৰ সাজ অহাৰ পিছত,কপালৰ টিক্‌টিকিয়া ৰঙা সূৰ্য্যটো চিৰদিনৰ বাবে আকাশত হেৰাই যোৱাৰ পিছত (যদিহে পুনৰবিবাহ নহয়) গাঁওখনলৈ অহা প্ৰতিটো ঘটনা পৰিঘটনাৰ বাবে প্ৰথমেই জগৰীয়া হৈছিলা তুমি। সমাজৰ চিন্তা, তুমি কুলক্ষীণা আছিলা।কাৰণ তুমি অকালতে তোমাৰ স্বামী অৰ্থাৎ মোৰ দেউতাক হেৰুৱাইছিলা। হয়তো সমাজৰ সংস্কাৰকামী চিন্তা হ'ব- মৃত্যুও সমাজে বান্ধি দিয়া সময়সীমাৰ পিছত হ'ব লাগিব।যদি সেয়াই হয় প্ৰিয় পাঠক সমাজ আপোনালোকেও চিন্তা কৰক এয়া কি আচৰিত মৃত্যু হ'ব লাগিব

আজিও মই সেইখন সমাজৰে বাসিন্দা। ডাইনী হত্যাই যিখন গাঁৱক কেতিয়াও সংস্কাৰ কৰিব নোৱাৰিলে। মোৰ নিচিনা আৰু দুই চাৰিজন সচেতন নাগৰিকৰ কাৰণে হত্যাকাণ্ডবোৰ মুক্ত নহৈ গুপ্ত হৈ পৰিল। আৰক্ষীৰো নিৰ্লিপ্ত ভূমিকা। কেচ্ ডায়েৰীৰ পাত লুটিয়াই হয়তো আৰক্ষীৰ চিন্তা- ডাইনীৰ নামত মানুহ মৰিছে ভালেই হৈছে। নিৰক্ষৰ জনগন মৰিলেইটো দেশত উন্নতি আহিব। কিন্তু কামনা কৰিম মদৰ নিচাহত যাতে আৰক্ষীয়ে তেনেকুৱা মন্তব্য দি শিৰোনাম দখল নকৰে সংবাদ মাধ্যমৰ। নহ'লে আমাৰ দৰে দুই এজন সচেতন নাগৰিকো এদিন বলি হ'ব লাগিব ডাইনী নামৰ পৰিকল্পিত হত্যাকাণ্ডৰ।

মা, দেউতাৰ মৃত্যুৰ পিছৰ সময়খিনিত তুমি সংগ্ৰাম কৰাৰ মানসিকতাৰে দৃঢ় সংকল্প কৰিছিলা আৰু শিক্ষাৰে নহ'লেও সদাজৰ অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পৰাকৈ মই জ্ঞানী হোৱাটো বিচাৰিছিলা। ৰাতিপুৱাৰ পৰা গধূলিলৈকে হাড়ভঙা পৰিশ্ৰম কৰি কিদৰে মোক দহ বাৰ বছৰীয়াটো কৰি তুলিছিলা সেয়াই আছিল মোৰ কাৰণে প্ৰকৃত শিক্ষা আৰু অন্ধবিশ্বাসী সমাজখনৰ বিপৰীতে এষাৰ মাত মতাৰ প্ৰবল ইচ্ছাশক্তিয়েই আছিল প্ৰকৃত জ্ঞান। দেউতাৰ মৃত্যুৰ পিছত যিখন সমাজে তোমাক কোনোদিনে ভাল চকুৰে চাব নিশিকিলে সেইখন সমাজৰ মানুহেই কুলক্ষীণা আৰু ডাইনী সজাই হত্যা কৰিলে এদিন। মা, হৃদয়হীন মানৱৰ তেনেকুৱা নাৰকীয় কাণ্ডত সমগ্ৰ সত্বাই কঁপি উঠে মোৰ।সুস্থ চিন্তা কৰিব পৰা সুস্থ মগজুহীন সেইচাম মানুহৰ ডাইনী সংক্ৰান্তীয় চিন্তাধাৰৰ পৰিৱৰ্তন হ'বনে কেতিয়াবা

মা, বাতৰি কাকতৰ পৃষ্ঠাই আজিও ডাইনী হত্যাৰ কথা কয়। তোমাৰ নিচিনাকৈ অইন কাৰোবাৰ মাতৃও ডাইনীৰ নামেৰেই প্ৰাণ হেৰুৱাইছে। কিন্তু সজোৰে প্ৰতিবাদ নকৰে কোনেও।আচলতে আজিকালি কোনো প্ৰতিবাদী ভাষাই কাম নিদিয়ে প্ৰতিবাদৰ স্বাৰ্থ ৰক্ষা কৰাত। আৰু বিশ্বাস নামৰ বস্তুবিধক প্ৰতিবাদে কৰিবই বা কি প্ৰতিবাদৰ ভাষাও যেতিয়া এদিন সমাজৰ দুষ্কাৰ্যৰ কবলত পৰিব তেতিয়াই হয়তো সমাধান হ'ব বিশ্বাস অবিশ্বাসৰ মাজৰ অঘোষিত প্ৰতিযোগিতা খনৰ।

দুওঁঠৰ ভাষাই হেৰাই যোৱাৰ উপক্ৰম আজি। মা, সভ্যতা এতিয়া যেন গছৰ ওপৰত। অসভ্য, বৰ্বৰ এচাম মানুহৰ পৰা পৰিত্ৰাণ পোৱাৰ আশাত যেন গছৰ ওপৰত বাহ সাজিছে সভ্যতাই। হয়তো সাহস নকৰে সেইচাম মানুহৰ লগত যুঁজ দিয়াৰ। আচলতে সভ্যতাৰ লগত খোজ মিলাই চলা আনচাম মানুহ নিজ স্বাৰ্থ ৰক্ষাত ইমানে ব্যস্ত যে ডাইনী হত্যাৰ নামত নিৰীহৰ প্ৰাণ লোৱাটো একো ঘটনাই নহয়।হয়তো বিস্ফোৰণে চেকা লগোৱা সভ্য সমাজত হোৱা মৃত্যুবোৰহে তেওঁলোকৰ কাৰণে প্ৰকৃত মৃত্যু। প্ৰতিবাদী কণ্ঠই পাহাৰ পৰ্বতৰ সুউচ্ছ শৃংগকো হয়তো স্পৰ্শ কৰে। বন্ধ হওঁক উগ্ৰবাদ, নিৰীহৰ প্ৰাণ লোৱা বন্ধ কৰক।কিন্তু ফলাফল..

মা, তুমি ধৈৰ্যশীলা আছিলা। তোমাৰ প্ৰতি সমাজৰ মানুহৰ মানৱীয় সহানুভূতি নাথাকিলেও কিন্তু তুমি মানুহক মানুহৰ চকুৰেই চাব শিকিছিলা। জীৱিত কালত তুমি মানুহৰ মুখৰ পৰা শুনিব লগা হোৱা কথাবোৰ এপাত বিষাক্ত শৰৰ দৰেই আছিল তোমাৰ কাৰণে। প্ৰতিটো কথাই তোমাক উপৰ্যুপৰি আঘাত কৰিছিল যদিও তোমাৰ মানৱীয় সত্বাই হয়তো কিছু সময়ৰ বাবে হ'লেও পৰিত্ৰাণ দিয়াইছিল তোমাক। কিন্তু তোমাক আক্ৰমণৰ অস্ত্ৰ যেতিয়া সলনি হ'ল তেতিয়াই হাৰি গ'ল তোমাৰ মানৱীয় সত্বা।

আধৰুৱা সপোনৰ কল্পনা কৰিছিলা নে কেতিয়াবা তুমি? হয়তো নিশ্চয় কৰা নাছিলা।কিন্তু তোমাৰ প্ৰতিটো সপোনেই আধৰুৱা হৈ ৰ'ল। দেউতাৰ মৃত্যুৰ পিছত বগা সাজতনো তুমি কি সপোন দেখিম বুলি ভাবিছিলা। হয়তো বহুত ভয় লাগিছিল তোমাৰ। আজি সকলো অতীত। ডাইনী হত্যাৰ প্ৰসংগত এতিয়া তুমি কেৱল নষ্টালজিক হৈ ৰ'লা। তোমাৰ মৃত্যুৰ পিছদিনা তুমিও বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাই দখল কৰিছিলা। তেতিয়াই সাঁচি ৰখা বাতৰি কাকতখনৰ শিৰোনামাৰ ডাইনী শব্দটোৱে এতিয়া যেন মোক বাৰে বাৰে কয়-'কোনো মাতৃৰ নামৰ আগত বা পিছত বহি সি যেন সন্তুষ্ট নহয়। কাৰণ সি আধুনিক ডাইনী শব্দ এতিয়া'। মাজে মাজে ক্ষোভত যেন ফাটি পৰে সি।কিন্তু কৰিবই বা কি জীৱশ্ৰেষ্ঠৰ মানসিকতাত এতিয়াও যে স্থান দখল কৰি আছে ডাইনী শব্দটোই।

মা, তোমাৰ মৃত্যু বাৰ্ষিকত দুহাতৰ কলমটোৰে আৰু হৃদয়ৰ পৰা শ্ৰদ্ধাঞ্জলি জনাইছো। দুহাত জুৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো কিছু পৰিৱৰ্তন হওক সেইসকল মানুহৰ চিন্তা ধাৰাবোৰ। সুস্থ মগজুৰে সুস্থ চিন্তা কৰিব পৰা হওক।ডাইনী সংক্ৰান্তীয় অন্ধবিশ্বাসবোৰ আঁতৰ হওক সমাজৰ পৰা। একেখন আকাশৰ তলতে বাস কৰা মানুহৰ মাজত মানৱীয় প্ৰমূল্যবোধক জলাঞ্জলি দিয়া কাম হয়তো কোনেও কাম্য নকৰে। ডাইনী শব্দই হয়তো কোনো মাতৃৰে অন্তৰ জয় কৰিব নোৱাৰে। সঁচাকৈয়ে 'মাঁ তুমি ডাইনী নাছিলা'।

ফোন ঃ ৭৮৯৬৬৮১৭৩৯


# চৰাই-চিৰিকটিয়ে দিয়া মধুৰতা আৰু প্ৰভাতে প্ৰভাতে আমনি কৰা চৰাইকেইটা

**অংশুমান ভূঞা**



প্ৰকৃতিৰ এক বিনন্দীয়া অংগ হৈছে চৰাই-চিৰিকটিবোৰ। গছ-গছনি ধ্বংসৰ ফলত লাহে লাহে বহু প্ৰজাতিৰ চৰাই কমি আহিবলৈ ধৰিছে। তথাপিও গাঁও অঞ্চলত এতিয়াও সেউজ পৰিৱেশ সম্পূৰ্ণ বিনষ্ট নোহোৱাৰ হেতু পুৱা-গধূলি নানা তৰহৰ চৰাই-চিৰিকটিৰ কল-কাকলিৰে মুখৰিত পৰিৱেশটো উপভোগ কৰাৰ সুখকণৰ পৰা বঞ্চিত হ'বলগীয়া হোৱা নাই। ৰাতিপুৱা চকু মেলাৰ পিছতেই যেতিয়া চৰাইবোৰৰ কিচিৰ-মিচিৰ শব্দ আহি কাণত পৰে তাৰ মধুৰতাকণ বুজাব নোৱাৰি।ইফালে-সিফালে জঁপিয়াই সিহঁতৰ মাজতে কৰি থকা কোৰ্হাল-ৰং চায়ো ভাল লাগে।তেনেদৰে গধূলি বাহলৈ উৰা মৰা পখীৰ জাকটোৰ দৃশ্যও অনন্য। মুকলি মনেৰে ইফালৰ পৰা সিফাললৈ উৰি ফুৰিব পাৰে বাবেই মানুহেও কল্পনা প্ৰৱণ কোনো মুহূৰ্তত চৰাই হোৱাৰ কামনা কৰে।ল'ৰালি বিদ্যালয়লৈ যাবলৈ ওলাই মূৰ ফণিয়াবলৈ লৈ চোতালত পৰা কাউৰীক আইনা দেখুৱাই খেদি ৰং পাইছিলোঁ। ঘৰৰ পাৰকেইটাক দিয়া চাউল-দাইল এতিয়াও শালিকাই আহি নিঃসংকোচে খাই যায়। দুটা কণমানি চৰাইৰ মোৰ চকুৰ আগতে হোৱা মৃত্যুৱে আজিও আমনি কৰে। এবাৰ আহত পোৱালি এটা আনি ঘৰত থৈছিলোঁ। নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ঠাইলৈ আহি মাকে মাত দিলেই পোৱালিটো গৈ উপস্থিত হৈছিল আৰু মাকে আহাৰ খুওৱা হ'লেই উভতি আহিছিল। ৩ দিনমান এনেদৰে থাকি পোৱালিটোৰ মৃত্যু ঘটিছিল। লোভ সামৰিব নোৱাৰি বিভিন্ন চৰাইৰ মাংস খাওঁ যদিও মাৰিবলৈ সত নাযায়।

চৰাইবোৰে দি অহা ভাল লগাবোৰৰ মাজতে অকণমানি চৰাই কেইটামানে দি অহা আমনি এটাও যোৱা কেইবা বছৰ ধৰি ঘটি আছে। আমাৰ পদূলি মুখতে এডাল জোপোহা ফুল আছে। তাত এটা চৰাইৰ বাহো আছে। চৰাইৰ বাহ থকা বাবেই ঠাল-ঠেঙুলিবোৰ কাটি দিব নোৱৰাত ফুলজোপা বহুত ডাঙৰ হৈ গৈছে। এই বাহত থকা চৰাইকেইটাই ঠাণ্ডাৰ দিন পৰিলেই পোহৰ নৌহওঁতেই বাৰাণ্ডাৰ গ্ৰীলেৰে সোমাই আহি



খিৰিকীৰ আইনাত খুঁটিয়াবলৈ আৰম্ভ কৰে।সেই শব্দতে টোপনি পলাই পত্ৰং দিয়ে।কথাতে আছে 'মাছৰ চিকুণ মোৱা, টোপনিৰ চিকুণ পুৱা।' তাতে আকৌ শীতৰ পুৱা নিহালিৰ তলৰ টোপনিৰ আমেজেই বেলেগ।গতিকে চৰাইকেইটাৰ ওপৰত ভীষণ খং উঠে। শব্দ শুনি শুনি বিৰক্তি লাগিলে উপায়হীন হৈ খিৰিকী খুলি থৈ দিবলৈ বাধ্য হওঁ।কেতিয়াবা চৰাইকেইটা নাহেঁা তেই খিৰিকী খুলি থওঁ। ইফালে আকৌ হাড়কঁ পোৱা জাৰ। খিৰিকী খোলাৰ পাছত গ্ৰীলতে অলপ সময় ইফাল-সিফাল কৰি উৰি গুচি যায়। গৰমৰ দিনত কিন্তু চৰাইকেইটাই এনেকুৱা নকৰে। এইবাৰো নিশ্চয় শীতৰ আগমনৰ লগে লগে সিহঁতৰ উৎপাত আৰম্ভ হ'ব।

মানুহৰ অপকৰ্মৰ বাবেই এতিয়া আমাৰ পৰিৱেশতন্ত্ৰৰ বাবে উপকাৰী বহুতো চৰাই দেখিবলৈ নোহোৱা হৈ পৰিছে। এদিন ইয়াৰ কুফল বাৰুকৈয়ে মানৱ সমাজে ভুগিব লাগিব।এই জগতখন অকল মানুহৰ উপভোগৰ বাবেই নহয়। সেয়া মানুহে সোনকালে বুজি পোৱা উচিত।

ফোনঃ৬০০২৯৯৪৯৮০

# মহাকবি দাৰ্শনিক ড° ইকবাল ঃ জীৱন আৰু কৰ্ম, এক চমু অৱলোকন

ভাৰত উপমহাদেশত দীৰ্ঘকাল ৰাজত্ব কৰাৰ পিছত অষ্টাদশ শতাব্দীৰ মাজভাগত মুছলমানসকলে আধিপত্য হেৰুৱাই পেলাইছিল। ফলস্বৰূপে তৎকালীন মুছলিম সমাজ জীৱনত নৈৰাশ্য বিৰাজ কৰিছিল। স্বদেশ ভূমিত বৈদেশিক আগ্ৰাসন, মুছলিম বিশ্বতো চলিছিল তিমিৰাচ্ছন্নতা। ঠিক সেই সময়ত অমাৱস্যাৰ ঘোৰ অন্ধকাৰ ভেদ কৰি নতুন দিকদৰ্শনৰে বিংশ শতাব্দীৰ মুছলিম বিশ্বৰ কিম্বদন্তি, কবি সম্ৰাট, দাৰ্শনিক ড° ইকবালৰ আগমন হয়।

১৮৭৭ চনৰ ৯ নৱেম্বৰ তাৰিখে অবিভক্ত পাঞ্জাব প্ৰদেশৰ শিয়ালকোট চহৰৰ এটি সম্ভ্ৰান্ত পৰিয়ালত তেখেতৰ জন্ম হয়। তেখেতৰ পিতাৰ নাম শ্বাইখ নূৰ মুহাম্মাদ আৰু মাতৃৰ নাম ইমাম বিবি। পিতৃ-মাতৃয়ে মৰমতে তেখেতৰ নাম ৰাখে ইকবাল- যাৰ অৰ্থ সৌভাগ্য।

ড° ইকবাল আছিল বিংশ শতাব্দীৰ অন্যতম প্ৰখ্যাত চিন্তাবিদ আৰু ইছলামী চিন্তাধাৰাৰ সাৰ্থক ভাষ্যকাৰ। তেখেত একাধাৰে আছিল কবি, দাৰ্শনিক, ৰাজনীতিবিদ, চিন্তানায়ক আৰু ইছলামী জ্ঞান-বিজ্ঞানত সুপণ্ডিত ব্যক্তিত্ব।

ইকবালৰ প্ৰাথমিক শিক্ষা আৰম্ভ হয় শিয়ালকোটৰ সুবিখ্যাত পণ্ডিত শ্বামছুল উলামা মীৰ হাছানৰ তত্বাৱধানত। মীৰ হাছানে ইকবালৰ কাব্য প্ৰতিভাৰ উমান পাই তেওঁক উৎসাহিত কৰে। লগে লগে আৰম্ভ হয় ইকবালৰ কাব্যচৰ্চা। তেখেত ইউৰোপত 'Poet of the East' হিচাপে পৰিচিত।

ইকবালে প্ৰধানতঃ উৰ্দু আৰু ফাৰ্চী ভাষাত কাব্যচৰ্চা কৰি খ্যাতি লাভ কৰে। তেখেতৰ উৰ্দু কাব্যগ্ৰন্থ বিলাক হ'ল- শ্বিকওৱা, জৱাবে শ্বিকওৱা, বাংগে দাৰা, বালে জিব্ৰীল, জৰবে কলীম। ফাৰ্চী ভাষাত ৰচিত কাব্যগ্ৰন্থ হ'ল- ৭টি পয়ামে মশ্বৰিক, আছৰাৰে খুদী, ৰমুযে বেখুদী, যবুৰে আজ্বম, জাভীদনামাহ, পসচে বায়দ কৰদ আয় আকওৱামে শ্বৰক্ক আৰু মোচাফিৰ। এখন গ্ৰন্থ 'আৰমগানে হেজাজ' উৰ্দু আৰু ফাৰ্চী ভাষা মিশ্ৰিত।

তেখেতৰ বিখ্যাত 'তাৰানা' চীন ও আৰব হামাৰা, হিন্দুস্তান হামাৰা, মুছলিম হ্যায় হাম ওৱাতান হ্যায় ছাৰা জাহা হামাৰা (চীন আমাৰ, আৰব আমাৰ, ভাৰতো আমাৰ... বিশ্বজোৰা মুছলিম আমি, সমগ্ৰ বিশ্বতে বান্ধিছো ঘৰ।) সমগ্ৰ ভাৰতবৰ্ষতে জনপ্ৰিয়।

তেখেতৰ বিখ্যাত দেশপ্ৰেমমূলক গীতি কবিতাটি হ'ল 'চাৰে জাহা চে আচ্ছা, হিন্দুস্তান হামাৰা...।' বৰ্তমানেও এই বিশেষ দেশপ্ৰেমমূলক গীতটি ভাৰতবৰ্ষৰ স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস আদি পালনৰ দিনা ভাৰতীয় সেনাবাহিনীৰ দ্বাৰা তথা বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰা হয়।

তেখেতৰ ফাৰ্চী আৰু উৰ্দু কবিতা সমূহ ফাৰ্চী আৰু উৰ্দু সাহিত্যৰ চিৰকলীয়া অমূল্য সম্পদ হিচাপে পৰিগণিত হৈছে। ইকবাল তেখেতৰ ধৰ্মীয় আৰু ইছলামী ৰাজনৈতিক দৰ্শনৰ বাবেও বিশেষভাৱে সমাদৃত।

প্ৰত্যেক যুগৰ প্ৰতাপশালী জাতিবিলাকে সমগ বিশ্বত আধিপত্য বিস্তাৰ কৰি আছে, যেনেঃ পাশ্চাত্য আধিপত্য। মিচৰৰ ফিৰআউন বংশ, আৰবৰ আদ আৰু ছামুদ, ইৰাকৰ কালদানি, ইৰানৰ কিছৰা, গ্ৰীচৰ দিগ্বিজয়ী বীৰ, ৰোমৰ বিশ্ববিশ্ৰুত সম্ৰাট, জগজ্জয়ী মুছলিম মোজাহিদ, তাতাৰীসকলৰ বিশ্বখ্যাত সেনাবাহিনী প্ৰমুখ্যে সকলোৰেই এই পৃথিৱীত নিজা নিজা পৰাক্ৰম দেখুৱাইছে। কিন্তু কালক্ৰমত তেওঁলোকৰ পতন ঘটিছে। চিৰদিনৰ বাবে অধিকাংশ জাতি পৃথিৱীৰ বুকুৰ পৰা নিশ্চিহ্ন হৈ গৈছে।

ৰাষ্ট্ৰনীতি, ব্যৱসায়-বাণিজ্য, শিল্পকলা আৰু জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰত পাশ্চাত্য জাতিবিলাকে বিস্ময়কৰ উন্নতি কৰিছে তাকে দেখি একশ্ৰেণীৰ মানুহে ভাৱে যে এই জাতিবিলাকৰ উন্নতি তৰক্কী হয়তো অক্ষয় সেয়ে বহু জাতিয়ে তেওঁলোকৰ প্ৰভুত্ব স্বীকাৰ কৰিছে। কিন্তু ডং ইকবালে তেখেতৰ বিখ্যাত গ্ৰন্থ 'Reconstruction of Religious Thought in Islam' ত আলোচনা কৰিছে, যিহেতু আল্লাহে মানুহক সৃষ্টি কৰিছে। সেয়েহে কোনো জাতিৰ দাসত্ব স্বীকাৰ নকৰি আল্লাহৰ প্ৰভুত্ব আৰু দাসত্ব স্বীকাৰ কৰা আৰু তেওঁৰ বিধানেই চিৰস্থায়ী বিধান-সেয়া মনে প্ৰাণে মানি লোৱা। ড° ইকবালে পশ্চিমীয়া চিন্তাৰ আধ্যাত্মিক মূল্যবোধৰ অভাৱক আঙুলিয়াই দেখুৱাইছে।

ড° ইকবাল আধুনিক চিন্তাবিদসকলৰ ভিতৰত যুগান্তকাৰী হিচাপে পৰিগণিত। মুছলমান জাতিৰ অধপতনে তেখেতক কষ্ট দিছিল। এটা সময়ৰ বিশ্ববিজয়ী মুছলমান জাতিৰ অধোগতিৰ কাৰণসমূহ তেখেতে বিচাৰি থাকিছিল। কবিতা আৰু দৰ্শনৰ মাধ্যমত সেই অধোগতিৰ কাৰণ বিশ্লেষণ আৰু সমাধানৰ নিৰ্দেশনা দান কৰে। মুছলমান জাতিক আত্মকলহ, ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি সাম্য, মৈত্ৰী আৰু বিশ্বভ্ৰাতৃত্বৰ পতাকাতলত সমবেত হোৱাৰ আহ্বান জনায়।

ইকবালে নতুন সমাজ গঢ়াৰ সপোন দেখিছিল। ইছলামৰ শিক্ষাক বৈপৰিক দৃষ্টিকোণৰ পৰা নিৰীক্ষণ কৰিছিল। পশ্চিমীয়া অভিজ্ঞতাবাদৰ লগত ইছলামৰ কোনো বিৰোধ নাই। বৰং ইছলামে দাৰ্শনিক আৰু বৈজ্ঞানিক আলোচনাৰ অনুপ্ৰেৰণা দিয়ে। পৱিত্ৰ কুৰআনত ইহজগত আৰু পৰজগতৰ মাজত সমন্বয় সাধন কৰি মানৱজীৱনৰ সৰ্বোচ্চ মূল্যবোধসমূহৰ বাস্তৱ ৰূপায়ণৰ নিৰ্দেশনা দিয়ে। ইকবালৰ সেই চিন্তাধাৰাই কেৱল মুছলমান জাতিকেই উদ্বুদ্ধ কৰা নাই; বিশ্বৰ প্ৰগতিশীল মানৱ মনকো আন্দোলিত কৰিছে। আধুনিক মুছলিম বিশ্বত জ্ঞানতাত্ত্বিক চৰ্চাৰ যি উৎসাহ পৰিলক্ষিত হৈছে; তাৰ যুগস্ৰষ্টা ডং ইকবাল।

ডং ইকবালৰ লেখাবোৰে পৰৱৰ্তী প্ৰজন্মৰ হৃদয়ত দিছে বিপ্লৱৰ শক্তি। বুদ্ধিবৃত্তি চৰ্চাত দিছে নতুন মাত্ৰা। আফগানিস্থান, ইৰান, তুৰস্কৰ পৰা আৰম্ভ কৰি পৃথিৱীৰ নানা প্ৰান্তত ইছলাম চিন্তক সকলৰ পুনৰুজ্জীৱনৰ প্ৰচেষ্টাৰ বাবে তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ জন্মদিন উপলক্ষে শ্ৰদ্ধাৰে সুঁৱৰিলোঁ।

■ **মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী**

ফোন ঃ ৯৯৫৭৩১০৪৩৬

# ভাগ্যৰ দুৱাৰ

**ডালিমী কুলিধিপতি**

ৰাতিটো কোনোমতে কটাই আৰু পোহৰ হোৱাৰ লগে লগে যতীন চিন্তাক্লিষ্ট হৈ পৰে।

টোপনিৰ অৱসাদ আৰু মানসিক চিন্তাই দুয়োটাই তাক এখন পাৰাপাৰবিহীন দলঙ দিছে।

জীৱনৰ ৰং সলনি কৰিব পৰা নাই আজিলৈ তাৰ দুকুৰি চাৰিবছৰ পাৰে হৈ গ'ল। জনা বুজা যিমান হৈ গৈ আছে এটা চাকৰি যোগাৰ কৰিবলৈ সিমান চেষ্টা কৰি আছে। কিন্তু আশা যেন আশা হৈ আজিও সৰা পাত হৈ সৰি আছে। তথাপি মনোবল ভাঙি দিয়া নাই। তাৰ দৃঢ় বিশ্বাস সি চাকৰি পাবই আৰু চাকৰি কৰি মাকক অলপ শান্তি দিব আৰু সি নিজৰ মতে চলিব পাৰিব। কিন্তু নাই বিধাতাই চকু মুদি আছে নেকি তাৰ ভাগ্যৰ দুৱাৰ খোলাই নাই। সিহঁত মাক পুতেকে যিমানে ভগৱানক কোটি ভক্তি কৰে সিমানে যেন আন্ধাৰৰ ৰঙ বেছিহে ঢালি দিছে। ইমানৰ মাজতো কিন্তু মুখত অনবৰতে এটি হাঁহি লাগিয়ে থাকে মাক-পুতেকৰ মুখত। যিমান দুখ নালাগক তাক কোনেও বাধা দিব নোৱাৰে। সি ধনৰ দুখীয়া হ'ব পাৰে কিন্তু মনৰ দুখীয়া নহয় । সেই বাবে তাক গাওঁৰ মানুহে বহুত ভালপায় ।ক'ব গ'লে গাঁওৰ মুখিয়াল স্বৰূপ।কিবা মীমাংসা কৰিব হ'লেও ডেকাৰ পৰা বুঢ়ালৈ তাৰ সিদ্ধান্তই মানি চলে তাৰ ওপৰত থকা বিশ্বাসৰ বাবে। বহু প্ৰমান পাইছে ৰাইজে সি গাঁওৰ এজন ভাল ল'ৰা বুলি।সকলোৰে পৰিচিত গুণী ল'ৰা বুলি। কিন্তু কি হ'ল তাৰ জীৱন দিনে দিনে হতাশাৰ ৰছীৰে মেৰিয়াই ধৰিবলৈ ল'লে। ভাল বেয়া শুদ্ধ অশুদ্ধ বিচাৰ কৰিব নোৱাৰা হৈছে। চাকৰি বিচাৰি দিনটো ওলাই যায় যদিও মাকৰ অৱস্থাটোৰ বাবে বাৰুকৈয়ে বিপাঙত পেলাইছে। তথাপি কিবা এটা আশা পুহি ৰাখিছে। চাকৰিৰ বাবে মধ্যভোগী দালালকো তিনিৰ পৰা চাৰি লাখ টকা বৰ কষ্টৰে ধাৰ কৰি আনি পকেট পূজা আগবঢ়াই দিছে। কিন্তু দালাকক সকলোৱে চিনি পায় সিহঁতৰ মিছলীয়া বোৰক। জানি বুজিও এক মাত্ৰ ভৰষাকে লগৰী কৰি লৈছে। লগৰ আন বন্ধুবোৰেও পইচা দিছে। আশা একেই। কিন্তু কি হ'ল সকলো ভাগৰ দুখ, যন্ত্ৰণা তাৰ বিশ্বাসী বন্ধু দুজনে তাক জাপি দি তাক বেয়াকৈ মানসিক তৰ্জন গৰ্জন কৰিলে। যিমান দালালক টকা পইচা ভেটি দিছিল সকলো যতীনে ঘূৰাই দিব লাগিব নহলে তাক মাৰি পেলাব। আনকি হত্যাৰ ভাবুকি দি তাক নজৰ বন্দী কৰিলে। আনকি ঘৰলৈ ঘনে ঘনে দাবী ধমকি অপহৰণ কৰি নি হত্যা কৰাৰো চেষ্টা চলালে। ভগৱান বিশ্বাসী হোৱা বাবে চাগে মৃত্যুৰ পৰা বহুবাৰ বাচি আছে তথাপি নিজকে ৰক্ষা পাবলৈ কিছুদিন লুকাই থাকিব লগা হৈছিল বিনা দোষত। কেতিয়াবা বজাৰ সমাৰ কৰিব যায় যদিও মাকৰ মনত সংশয় ঘূৰি নহালৈ। কেতিয়াবা ঘৰতে সিহঁতে মাকক গৃহবন্দী কৰে নানান প্ৰশ্ন কৰি। মাক বৰ আজলী কাবু কাকতি কৰি সিহঁতক পঠাই নিজৰ বেটা বুলি।কাইলৈ আকৌ আহিব বুলি কৈ সিহঁতো ঘূৰি আহে যদিও অহাবাটত চোপ দি ৰৈ থাকে। বেচেৰা পাৰ নাপায়।ক'ৰ পৰা সি টকা ঘূৰাই দিব তাৰ নিজৰ চাকৰি হ'লেও কথা নাছিল কিন্তু তাৰোটো চাকৰি হোৱা নাই। লোভত পৰিলে মানুহ ইমান তললৈ যাব পাৰেনে ? এইদৰে ভাবি চিন্তি সি কি কৰিব কি নকৰিব যিজনক পইচা দিছিল কোনোবা কাকতি বুলি তেওঁক ফোন কৰিলে।তেওঁক দূৰৱস্থাৰ সকলো কথা ভাঙি পাতি ক'লে। তেওঁ পিছদিনা গুৱাহাটীলৈ মাটি পঠালে। যতীন সময়মতে উপস্থিত হৈ আলোচনা কৰিলে কিন্তু নাই বিভিন্ন অজুহাত দেখুৱাই। উপাই নাই পইচা তেওঁৰ হাততো নাই ওপৰ মহলাক পইচা দিছে ইত্যাদি নানান অভৌতিক কথাবোৰ হজম কৰিব নোৱাৰি জীয়াই থকাটো মুস্কিল বুলি ভাবি ঠিৰাং কৰিলে মনতে আজি সি নিৰাশ মনে ঘৰলৈ নাযাই আৰু শৰাইঘাট দলঙৰ পৰা জাপ দি মৰিব। যতীন ভবামতে ৰৈ গ'ল দলঙৰ ওপৰত।সি মাকৰ কথা আৰু কামকৰা ঘৰৰ বিশ্বাসী ভগ্নীসম ছোৱালীজনীৰ কথাও ভাবিছিল। ছোৱালী জনী যোৱা পোন্ধৰটা বছৰে ঘৰখন চোৱা চিতা কৰি আছে সুন্দৰভাৱে। সমস্ত দায়িত্ব তাইৰ ওপৰত।ৰন্ধা বঢ়া কৰি নিজৰ ঘৰ বুলি সাৰটি আছে। আজি মৰিলে সিহঁতৰ কিমান আলৈ আঠানি হ'ব। তাৰ চকুৰ পানী বৰষুণ হৈ থিয় হৈ থকা ঠাইৰ পৰা তলত ঢৌ তুলি থকা ব্ৰহ্মপুত্ৰ নদীত পৰিছেগৈ।সময়খিনি সন্ধিয়া সময়। আন্ধাৰৰ লগত চহৰৰ লাইটবোৰ তৰাৰ দৰে জিলিকি উঠিছিল। নদীখনক চাই প্ৰণাম কৰিলে হে বুঢ়া লুইত মোক আঁকোৱালি লোৱা নহলে মোক ৰক্ষা কৰা বিপদৰ পৰা। তাৰ মাকে কোৱা কিছুমান কথা বৰকৈ মনত পৰিব ধৰিলে।

মাকে প্ৰতি সময়তে কৈছিল ভগৱানে ভাগ্যৰ সকলোবোৰ দুৱাৰ একেলগে একদিনাই বন্ধ কৰি নিদিয়ে। এখন বন্ধ কৰিলে আন এখন দুৱাৰ খুলি থয়। ভগৱানে দুখ দি ধৈৰ্যৰ পৰীক্ষা লয় আৰু সুখ দি অহংকাৰৰ পৰীক্ষা লয়। মানুহে বুজিহে নাপায়।

বিধিৰ কি বিপাক মাকে ডাঙৰ ছোৱালীজনীক ফোন কৰিলে যতীন সিহঁতৰ ঘৰত গৈছেনে নাই। কাৰণ সি বায়েকৰ ঘৰটো যাব বুলি এবাৰ মিছাকৈ কৈছিল। গধূলি সাত মান বাজিছিল ঘৰত মাকৰ চিন্তা বাঢ়িল এতিয়া চাগে লাষ্ট বাছ নাই।পলম কৰিলে কেনেকৈ আহিব। ঠাণ্ডাৰ দিন আবেলিতে এন্ধাৰ হয়। যিমানে দেৰি হয় সিমানে বেয়া চিন্তা বিলাক মনলৈ আহি আছে।


বাইদেউকেও নাই যোৱা বুলি কোৱা বাবে আৰু কু চিন্তা বাঢ়িবলৈ ল'লে। এক হাহাকাৰ অৱস্থা হ'ল। বায়েকেও কথাবোৰ শুনি দুখ কৰিলে আৰু ভায়েকক ফোন কৰিব ধৰিলে। নাই একো উত্তৰ নাই।

মাকেও উপায় নাপাই ভগৱানক নানান প্ৰতিশ্ৰুতি ঘূৰি আহিলে শৰাই আগবঢ়াই দিব বুলি।

তাক ফোন কৰিলে ফোনটোও অফ পালে। হে ভগৱান, এতিয়া মই কৰোঁ কি। নিজেই উঠিব নোৱাৰো বুলি কৈ ছোৱালীজনীক চাকি এগছি জ্বলাই দিব ক'লে। চাকি এখোৰ জ্বলাই প্ৰাৰ্থনা কৰিলে ভগৱান তোমাৰ পুত্ৰ মোৰ ল'ৰাটোক বছোৱা আৰু নবচোৱা যদি মোকো মাৰি নিয়া। ইমান কষ্ট দি কিহৰ ৰং চাইছা। আমি ইমান মহাপাপীনে? অলপ পিছত যতীনে ফোনটো অন কৰিলে পানীত জাপ দিব যিহেতু এবাৰ ফোনটো চাও বুলি।

লগে লগে ঘৰত থকা ছোৱালীজনীয়ে ফোন কৰি থকা দেখিলে।। তাই মাকৰ কথামতে ফোন কৰিয়ে আছিল ফোন নধাৰলৈকে। বায়েকেও ফোন কৰিয়ে আছিল নধৰালৈ। হঠাৎ ফোন বাজিল। ঘৰত থকা ছোৱালী জনীৰ ফোনটো সি ধৰো নধৰোকৈ ধৰিলে আৰু ক'লে ঠৈমই আজি ঘৰলৈ নাযাও। মাক কথাটো কবি। এতিয়া মই শৰাইঘাট দলঙৰ ওপৰত থিয় হৈ মৰিবলৈ ৰৈ আছো। মনত বৰ দুখ লাগিছেঅ'। জীয়াই থকাতকৈ মৰাই ভাল । তহঁতে বেলেগত বিচাৰি নুফুৰিবি। মাক ভালকৈ চাবি। ছোৱালীজনীয়ে কান্দি কান্দি বুজালে দাদা ঘৰলৈ আহ। তই এবাৰ বেলেগৰ কথা নাভাবিলেওঁ মাৰ কথাটো এবাৰ ভাৱ।মাই কেনেকৈ থাকিব। আহ তই। আমি মাছ মাংস নাখালেও নিমখ ভাতকে খাম আৰু যদি নিমখো নাপাওঁ লঘোনকে খাতিম। তথাপি তই এইবোৰ নকৰিবি দাদা।জীৱনত হাৰ নামানিবি।দাদা মাই কান্দি আছে তোৰ পলম হোৱা বাবে। কিনো জানো বহু বুজনীত মন ঘূৰিলে মাকৰ কথা ভাবি। মাকে যিবোৰ কৈ থাকে সেইবোৰ সাৰথি কৰি লাষ্ট গাড়ী এখন পালে বৰপেটা অভিমুখী সি সেইখনত উঠি ৰাতি নটা বজাত ঘৰ পালে। কিবাকৈ ঘৰখনৰ মুখত পানী এটুপি পৰিল। শান্তিৰ উশাহ ঘূৰাই পালে।

মাকে কান্দি কান্দি তাক মূৰে কঁপালে হাত ফুৰাই জীয়াই থাকিবলৈ শিকালে আৰু ভাত পানী খাই শুই থাকিবলৈ ক'লে। সিদিনা পিছে পেটত ভোক আছিল যদিও সি ভাত নাখালে, নিজক ধিক্কাৰ দিলে সহজতে আনক বিশ্বাস কিয় কৰে তাৰ বাবে যাৰ বাবে আজি তাৰ এনে ঘটনা ঘটিছে। সি নোখোৱা বাবে মাকেও ভাত নাখালে আৰু দুখৰ সৈতে কথা পাতি কৰ্মফলৰ অনুসোচনা কৰিব ধৰিলে।



যতীনে ঘৰ পাই এগিলাছ পানী মুখত দি কথাবোৰ ভাবি ভাবি বিছনাত দীঘল দি পৰিল আৰু মাকে প্ৰতিদিনে কোৱা কথাবোৰ একেবাৰেই সঁচা বুলি প্ৰমাণ পালে। জীৱনত সংগ্ৰাম অবিহনে সফলতা লাভ কৰিব নোৱাৰি। যিজনে জীৱনত আটাইতকৈ বেছি দুখ উপভোগ কৰিব পাৰিছে আচলতে তেওঁহে পৃথিৱীৰ সকলোতকৈ সুখী। নহ'লেনো তাক দুখবোৰে পিছে পিছে ঘূৰি ফুৰেনে ?দুখে মানুহৰ জীৱৰ জন্ম আৰু মৃত্যুৰ দৰ্শন শিকাই। সিহঁতৰ কষ্টবোৰ ইয়াৰ প্ৰমাণ হৈ দেখা দিছে।কাৰণ যুদ্ধত জয়ী হ'বলৈ কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন।

আজিৰ ঘটনাটো যতীনৰ যেন সাক্ষী হৈ ৰ'ল।

## ডবকাৰ উদমাৰী এম ই স্কুললৈ গৌৰৱ কঢ়িয়ালে ১০ শিক্ষাৰ্থীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১৮ নৱেম্বৰ ঃ** হোজাই জিলাৰ যোগীজান শিক্ষা খণ্ডৰ অন্তৰ্গত নমাটি গাঁও পঞ্চায়ত এলেকাধীন উদমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ দহ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মুখ্যমন্ত্ৰীৰ বিশেষ ছাত্ৰ বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হৈ ডবকাবাসীলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। হোজাই জিলাৰ নীলবাগান মডেল উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা ২০১৯ বৰ্ষৰ মুখ্যমন্ত্ৰীৰ বিশেষ ছাত্ৰ বৃত্তি পৰীক্ষাত উদমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা মুঠ দহ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে বৃত্তি পৰীক্ষাত অৱতীৰ্ণ হোৱা দহ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ১০০% উত্তীৰ্ণ হৈ ফলাফল কঢ়িয়াই আনিবলৈ সক্ষম হয়। গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকল হৈছে ক্ৰমে- ফাহিমা বেগম, ফাৰহিন আকতাৰ, জমিল আহমেদ, জেনিফা ওৱাহিদ, খাদিজা ইয়াছমিন, মমতাজ বেগম, ৰীনা বেগম, চালিক উদ্দিন, তাছমিয়া বেগম। ছাত্ৰ-ছাত্ৰী সকলে এনেধৰণৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সকলো ছাত্ৰ-ছাত্ৰী উৎফুল্ল হৈ পৰে। লগতে এই সকল ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে সকলোকে ধন্যবাদ জ্ঞাপন কৰে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে। উদমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এনে সফলতা অৰ্জন কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত বিদ্যালয়ৰ প্ৰধান শিক্ষক ময়নুল হক লস্কৰৰ লগতে সকলো সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীৰ শলাগ লয় অভিভাৱক সমাজৰ লগতে উদমাৰীবাসী ৰাইজে।

## পলাশবাৰীৰ শিক্ষক-সমৰকলাবিদ-বাদ্যযন্ত্ৰী দাদুল কুমাৰ দাসৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৮ নৱেম্বৰ ঃ** পলাশবাৰীৰ মিৰ্জা নিবাসী শিক্ষক, সমৰকলাবিদ আৰু বাদ্যযন্ত্ৰী দাদুল কুমাৰ দাসৰ কালি পুৱতি নিশা হঠাৎ শ্বাস প্ৰশ্বাস বন্ধ হৈ ব্যক্তিগত চিকিৎসায়ত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত দাসৰ বয়স আছিল ৪৯ বছৰ। প্ৰয়াত দাসে অসম কুং-ফু সন্থাৰ উপ-সভাপতি তথা কেইবাবাৰো ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হোৱাৰ উপৰিও মিৰ্জা কুং-ফু একাডেমীৰ বৰ্তমানৰ প্ৰশিক্ষক, অসমৰ বহু কেইজন জনপ্ৰিয় শিল্পীৰ লগত বাদ্যযন্ত্ৰী বজাই এক সুনাম কঢ়িয়াবলৈ সক্ষম হৈছিল। লগতে তেওঁ ড্ৰামৰ সুদক্ষ প্ৰশিক্ষক আছিল। প্ৰয়াত দাসে শিক্ষকৰ দৰে মহান বৃত্তিত জড়িত হৈ মিৰ্জা হৰমোহন গোস্বামী আদৰ্শ প্ৰাথমিক বিদ্যালয়, বৰকুছি প্ৰাথমিক বিদ্যালয় আৰু বৰ্তমান জুপাংবাৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞানৰ পোহৰ বিলাইছিল। দাদুল কুমাৰ দাসৰ মৃত্যুত অসমৰ কুং-ফু জগতৰ বাবে বৃহৎ ক্ষতি হিচাপে বিবেচিত হৈছে। তেখেতৰ মৃত্যুত অসম কুং-ফু সন্থা, শিল্পী সমাজ, বিশ্ব চটোকান কৰাটে, লাফৰিং গ্ৰুপ, সৰপৰা ফ্ৰেণ্ডছ ক্লাব, দক্ষিণ কামৰূপ ক্ৰীড়া সংস্থা, ভাৰতীয় কুং ফু সন্থাৰ সম্পাদক হৰজিৎ সিংহৰ লগতে অসম ক্ৰীড়া জগতৰ যথেষ্ট সংখ্যক সংগঠনৰ লগতে বিশিষ্ট ক্ৰীড়া সংগঠকে গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত দাসে মা, দাদা, বৌ, ভতিজিৰ লগতে অসংখ্য গুণমুগ্ধক ইহসংসাৰণ এৰি থৈ যায়। উল্লেখ্য যে, শেহতীয়া ভাবে দাদুল কুমাৰ দাসে লণ্ডনৰ ট্ৰিনিটি কলেজ পৰা লণ্ডন ৮ গ্ৰেট ড্ৰাম চেটৰ ডিগ্ৰী লাভ কৰিছিল।

### ড° বাণীকান্ত কাকতিৰ ১২৬ সংখ্যক জয়ন্তী উদ্‌যাপন

# কলিতা জনগোষ্ঠী উন্নয়ন পৰিষদৰ বিষয়ববীয়া-সদস্যসকলৰ শপত গ্ৰহণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৮ নৱেম্বৰ ঃ** কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু উত্তৰ কামৰূপ জিলাৰ সহযোগত কামৰূপ জিলা বাইহাটাৰ ত্ৰিবেনী চ'কত যোৱা ১৫ নৱেম্বৰত ড° বাণীকান্ত কাকতি ১২৬ সংখ্যক জন্ম জয়ন্তী উদযাপন কৰা হয়। অসম ইতিহাসত প্ৰথম বাৰৰ বাবে কলিতা উন্নয়ন পৰিষদ ৰাজ্য চৰকাৰে ঘোষণা কৰি ডাঃ ৰজেন চন্দ্ৰ কলিতাক অধ্যক্ষ হিচাপে লৈ এখন উন্নয়ন পৰিষদ গঠন কৰা হয়। যোৱা ৭ নৱেম্বৰত কলিতা জনগোষ্ঠী উন্নয়ণ পৰিষদৰ নৱনিযুক্ত অধ্যক্ষ ডাঃ ৰাজেন চন্দ্ৰ কলিতা আৰু উপাধ্যক্ষ মিহিৰ তালুকদাৰৰ শপত গ্ৰহণ হৈ যায়। সেই মৰ্মে যোৱা ১৫ নৱেম্বৰত বাইহাটাত অনুষ্ঠিত অনুষ্ঠানত নৱ নিযুক্ত অধ্যক্ষ ডাঃ কলিতাই পৰিষদৰ আন আন বিষয়ববীয়া আৰু সদস্যসকলক শপত বাক্য পাঠ কৰায়। শপত বাক্য অনুষ্ঠানত প্ৰাক্তন সাংসদ ৰমেন ডেকাও উপস্থিতি থাকে।

## তিৱা স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচনৰ অধিসূচনা জাৰি

### মনোনয়ন পত্ৰ জমা দিয়াৰ অন্তিম দিন ২৫ নৱেম্বৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ নৱেম্বৰ ঃ** অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি নগাঁও জিলাৰ ১০ টাকৈ তিৱা স্বায়ত্বশাসিত পৰিষদীয় সমষ্টিৰ নিৰ্বাচনৰ অধিসূচনা নগাঁও জিলা উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই জাৰি কৰিছে। সেই অনুসৰি মনোনয়ন পত্ৰ জমা দিয়াৰ অন্তিম দিন হ'ল ২৫ নৱেম্বৰৰ আবেলি ৩ বজালৈ। ২৬ নৱেম্বৰত মনোনয়ন পত্ৰ সমূহ পৰীক্ষা কৰা হ্‌ব আৰু সেই দিনাই বৈধ প্ৰাৰ্থী সমূহৰ তালিকা প্ৰকাশ কৰা হ'ব। ২৮ নৱেম্বৰৰ বিয়লি ৩ বজাৰ ভিতৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু সেই দিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ১৭ ডিচেম্বৰৰ পুৱা ৭-৩০ বজাৰ পৰা ৪-৩০ বজালৈ নিৰ্বাচনৰ ভোট গ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰয়োজন সাপেক্ষে কোনো সমষ্টিত ১৮ ডিচেম্বৰত পুনৰ ভোট গ্ৰহণ অনুষ্ঠিত কৰা হ'ব আৰু ভোট গণনা ১৯ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব।

## মুকালমুৱাত নেটৱৰ্ক সেৱা উন্নত কৰাৰ দাবী ঃ জিঅ'ৰ কাৰ্যালয়ত তলা ওলমালে এজেৱাইচিপিয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১৮ নৱেম্বৰ ঃ** অৱশেষত তলা ওলমিল মুকালমুৱাৰ জিঅ' কাৰ্যালয়ত। দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্তত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বৰক্ষেত্ৰী আঞ্চলিক সমিতিয়ে আজি এক প্ৰতিবাদী কাৰ্যসূচীৰ জড়িয়তে মুকালমুৱাস্থিত জিঅ'ৰ কাৰ্যালয়টোত তলা লগাই দিয়ে। উল্লেখ্য যে-দীৰ্ঘদিন ধৰি নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ দমদমা, গোৱাক্ষাট্ৰাৰী, ঘোগা, মুকালমুৱা, হাউলীঘাট, নাৰায়ণপুৰ, হামলাকুৰ, নপ্তিপাৰা, কালদী, ডিৰোৱা, বালিকুছি, ৰামপুৰ, বামুনবড়ী, দৌলাশাল, ঘোৰাথাল, কেকানকুছি, নাৰুৱা, মুগদি, আম্ৰাট্ৰাৰী, লছিমা, দাগাপাৰা, দৰংগীপাৰা, গংগাপুৰ আদিকে ধৰি ভিন্ন গাঁৱৰ গ্ৰাহক সকলে জিঅ'ৰ নেটৱৰ্কৰ নামত ব্যাপক অসুবিধাৰ সন্মুখীন হৈ আহিছে। এজে ৱাই চিপিৰ বৰক্ষেত্ৰী, আঞ্চলিক সমিতিয়ে ৰাইজৰ এনে অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে কেবাবাৰো জিঅ' ভিন্ন প্ৰতিবাদী কাৰ্যসূচী তথা স্মাৰক যোগে জিঅ'ৰ নেটৱৰ্ক সেৱা উন্নীতকৰণৰ বাবে দাবী জনাইছিল যদিও প্ৰতিশ্ৰুতি দিয়ে দায়িত্ব সামৰিছিল জিঅ' কাৰ্যালয় কৰ্তৃপক্ষই। সেয়ে, হেমাহিত অতিষ্ঠ হৈ আজি সৰৱ সংগঠনটোৱে আজি জিঅ'ৰ কাৰ্যালয়টোত তলা লগোৱাৰ লগতে বৰক্ষেত্ৰীত জিঅ' সেৱা উন্নত নোহোৱা পৰ্য্যন্ত তলাবন্ধ কাৰ্যসূচী অব্যাহত থাকিব বুলি এ জে ৱাই চিপিৰ বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে অমল কুমাৰ বৰ্মন-ৰাজু আলীয়ে জানিবলৈ দিয়ে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত এজে ৱাই চিপি আঞ্চলিক সমিতিৰ উপদেষ্টা চিত্তৰঞ্জন তালুকদাৰ, জাকিৰ হুছেইন, যুটীয়া সম্পাদক প্ৰাণজিৎ ডেকাকে ধৰি শতাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰে। পৰৱৰ্তী সময়ত প্ৰতিবাদস্থলীত বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া কংকন শৰ্মা উপস্থিত হৈ কাৰ্যসূচীৰ বুজ লোৱাৰ লগতে এজে ৱাই চিপিৰ সতে আলোচনাত মিলিত হৈ জিঅ কৰ্তৃপক্ষক শীঘ্ৰেই বৰক্ষেত্ৰী অঞ্চলৰ নেটৱৰ্ক সেৱা উন্নত কৰিবলৈ কঠোৰ নিৰ্দেশনা জাৰি কৰে।জানিব পৰা মতে কাইলৈ এই সন্দৰ্ভত এজে ৱাই চিপি, বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া আৰু জিঅ'ৰ উচ্চস্তৰীয় বিষয়াৰ সৈতে এক ত্ৰিপাক্ষিক বৈঠকত মিলিত হ'ব। মুঠৰ ওপৰত জিঅ' নেটৱৰ্ক সেৱা উন্নত নকৰালৈ এজে ৱাই চিপিৰ এই প্ৰতিবাদ অব্যাহত থাকিব বুলি এক প্ৰেছ বিজ্ঞপ্তি যোগে জানিবলৈ দিয়ে।

## কাইলৈ নগাঁৱত এনএমঅ'পিএছৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৮ নৱেম্বৰ ঃ** 'নেচনেল ম'ভমেণ্ট ফৰ অ'ল্ড পেঞ্চন স্কীম' চমুকৈ এন এম অ'পি এছৰ নগাওঁ জিলা সমিতিৰ আহ্বানক্ৰমে এখন গুৰুত্বপূৰ্ণ ৰাজ্যক কাৰ্যনিৰ্বাহক সভা ২০ নৱেম্বৰত নগাওঁ প্ৰেছ ক্লাবত অনুষ্ঠিত হ'ব। দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া উক্ত সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ নেতৃবৰ্গৰ লগতে এন এম অ' পি এছৰ ৰাজ্যিক সমিতিৰ লগতে জিলা সমিতিসমূহৰ সভাপতি, সম্পাদক আৰু ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সদস্যসকল উপস্থিত থাকিব। উক্ত সভাতে জিলা সমিতিৰ খালি থকা পদসমূহো পূৰণ কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

## ৰহাৰ বামুণীজানত বনগীতৰ কৰ্মশালা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৮ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অন্তৰ্গত সাংস্কৃতিক নৱজাগৰণ অভিযান সমাজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ বৰদোৱা সাংস্কৃতিক কেন্দ্ৰৰ ব্যৱস্থাপনাত ৰহাৰ বামুণীজানত আজিৰ পৰা অনুষ্ঠিত হৈছে বনগীতৰ ১৫ দিনীয়া এক প্ৰশিক্ষণ কৰ্মশালা। বামুণীজান উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই কৰ্মশালাত হেৰাই যাব ধৰা বনগীতক নৱ প্ৰজন্মৰ মাজত উদ্ভাষিত কৰাৰৰ প্ৰয়াস কৰা হৈছে। বন্তি প্ৰজ্বলনেৰে এই কৰ্মশালাৰ শুভ উদ্বোধন কৰে অকনিৰ কবিতা ঘৰ অসমৰ প্ৰধান পৰিচালক অৱনি কুমাৰ শইকীয়াই। তদুপলক্ষে আয়োজিত কৰ্মশালা উদ্বোধনী অনুষ্ঠানত ভাষণ দি ৰহা মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যাপক যতীন্দ্ৰ কুমাৰ পাৰৈয়ে বনগীত অসমীয়া সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ আৰু সুৰক্ষিত কৰিব লাগে বুলি মন্তব্য কৰে। বামুণীজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী সভাত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সাংস্কৃতিক বিষয়া সৌৰভ পানীফুকন, সাংস্কৃতিক কৰ্মী প্ৰশান্ত খাউণ্ড, লেখিকা মনোৰমা ভূঞা প্ৰমুখ্যে গণ্য মান্য ব্যক্তিসকলৰ লগতে স্থানীয় বহু সংখ্যক লোক উপস্থিত থাকে। এই বনগীতৰ কৰ্মশালাত প্ৰশিক্ষণ দিব বিশিষ্ট সংগীতজ্ঞ গুণ শইকীয়াই।

# চাৰিং গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ কামত বৃহৎ অনিয়মৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ আৰু ডবকা, ১৮ নৱেম্বৰ ঃ** দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি প্ৰদৰ্শন কৰা শাসনাধীন সোণোৱাল চৰকাৰৰ দিনত ৰাজ্যৰ চুকে কোনে সংঘটিত হৈছে বৃহৎ দুৰ্নীতি। হোজাইৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনস্থ চাৰিং গাঁও পঞ্চায়তত বৃহৎ দুৰ্নীতি অনিয়ম হোৱাৰ অভিযোগ উঠিছে। গাঁও পঞ্চায়তখনৰ চতুৰ্দশ বিত্তীয় আয়োগত সংঘটিত হৈছে বৃহৎ অনিয়ম। গাঁও পঞ্চায়তৰ সভাপতি আৰু পঞ্চায়ত সচিবে নিজৰ খেয়াল খুচি মতে দালালৰ সহযোগত কাম কৰাৰ অভিযোগ উঠিছে, পঞ্চায়তখনত চতুৰ্দশ বিত্তীয় আয়োগৰ প্ৰতিটো কামত হৈছে বৃহৎ অনিয়ম, কাম সম্পূৰ্ণ নকৰাকৈ লাখে লাখে টকা আত্মসাৎ কৰাৰ যো-জা চলাইছে। ইপিনে অতি নিম্নমানৰ পথ লাইট স্থাপন কৰাৰ বাবে দুমাহতে বিকল হোৱাৰ খবৰ আহি পৰিছে পঞ্চায়তটিত। কেৱল ইমানেই নহয় চতুৰ্দশ বিত্তীয় আয়োগৰ কামত দুৰ্নীতি হৈ আছে বুলি ৰাইজে অভিযোগ কৰিলে যিকোনো প্ৰকাৰে দমন কৰাৰ চেষ্টা কৰাৰ অভিযোগ উঠিছে। এনে দুৰ্নীতিৰ বিৰুদ্ধে বিহীত ব্যৱস্থা ল'বলৈ বিন্নাকান্দি উন্নয়ন খণ্ড বিষয়াক দাবী জনাইছে স্থানীয় ৰাইজে।



## 'সহায় প্ৰকল্প'ৰ যোগেদি জনস্বাস্থ্যবিষয়ক সজাগতা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৱামুখ, ১৮ নৱেম্বৰ ঃ** উত্তৰ পূব পীড়িত অঞ্চল উন্নয়ন সমিতি চমুকৈ নীডছ নামৰ বে-চৰকাৰী সংগঠনৰ 'সহায় প্ৰকল্প'ৰ যোগেদি বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত মহুৱামুখৰ গৰৈমাৰীৰ মাৰুক চাপৰিত জনস্বাস্থ্যৰ ওপৰত এক সজাগতা শিবিৰৰ সম্পন্ন কৰা হয়। নীডছৰ সঞ্চালক গিৰিণ চেতিয়া আৰু যুটীয়া সঞ্চালক তীৰ্থ প্ৰসাদ শইকীয়াৰ তৎপৰতাত ২০২০-২১ বৰ্ষাৰ বাবে নীডছে গ্ৰহণ কৰা আচঁনিত 'সহায় প্ৰকল্প'ৰ জড়িয়তে অন্তৰ্ভুক্ত হোৱা মহুৱামুখ অঞ্চলৰ বান ক্ষতিগ্ৰস্ত আঠ খন গাঁও সমিতিৰ প্ৰায় অৰ্ধশতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানৰ আতঁ ধৰে নীডছৰ 'সহায় প্ৰকল্প'ৰ সমন্বয়ক দাদু দত্তই। সভাত উপস্থিত থাকি ভাষণ প্ৰদান কৰে বোকাখাত মহকুমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উপ-সংমণ্ডল বিষয়া কুমুদ ৰঞ্জন হাজৰিকাই। নীডছৰ গাঁও পৰ্যায়ৰ তীৰ্থ ছেত্ৰী, উমানন্দ পাঠৰী, ডেইজি গগৈ, ইভিম নো সিং, গৱেষিকা ছাত্ৰী প্ৰস্তুতি দাসৰ উদ্যোগত অনুষ্ঠিত হোৱা সজাগতা শিবিৰত পানী, স্বাস্থ্য আৰু অনাময়ৰ ওপৰত বিশদভাৱে আলোচনা কৰা।

## বিশ্বনাথত শুভাৰম্ভ ৰাষ্ট্ৰীয় পশু ৰোগ নিয়ন্ত্ৰণ আঁচনিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৮ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰন কাৰ্যকৰীৰ বাবে আজিৰ পৰা বিভাগীয় ভাৱে নিদ্দেৰ্শনা দিয়া হয়। ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনি হ'ল ভাৰত চৰকাৰৰ সাহায্য পুঁজিৰে ৰাজ্যিক প্ৰাধীকৰণ অথবা পশুধন পৰিষদে কাৰ্যকৰী কৰিবলগীয়া এখন আঁচনি এই আঁচনিখন চবকা আৰু ব্ৰুছেলচিছ ৰোগ নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা হৈছে ২০১৯ চনৰ ১১ ছেপ্তেম্বৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে উত্তৰ প্ৰদেশৰ মথুৰাত এই আঁচনিৰ শুভাৰম্ভ কৰে আঁচনিখনৰ জৰিয়তে ২০২৫ চনৰ ভিতৰত ৰোগ দুবিধ নিয়ন্ত্ৰন আৰু ২০৩০ চনৰ ভিতৰত নিৰ্মূলকৰণৰ লক্ষ্য কৰা হৈছে আজি বিশ্বনাথৰ লেহুগাঁওস্থিত আঞ্চলিক কৃত্ৰিম গোপ্ৰজনন কেন্দ্ৰত পশুধন টিকাকৰন আৰম্ভ কৰা হয়। এই সময় ছোৱাত ড° পাৰ্থ প্ৰতীম বৰা তৎত্বাৱধানত জ্যেষ্ঠ ক্ষেত্ৰ সহায়ক জয় কুমাৰ সূতাৰ, গজেন বৰুৱা আৰু মকবুল হুচেইনৰ লগতে ক্ষেত্ৰসহায়ক, গোপালমিত্ৰ, পক্ষীমিত্ৰ লগতে পশুধনৰ টিকাকৰনত অস্থায়ীভাৱে বহু নিবনুৱা যুৱকক প্ৰশিক্ষণ দি এই অভিযানত নিয়োজিত কৰি টিকা কৰ্মীসকলক আজিৰ পৰা শুভাৰম্ভ হোৱা টিকাকৰনৰ সামগ্ৰী সমূহ বিতৰন কৰাও হয়। টিকাকৰণ কাৰ্যত ৰাইজৰ সহযোগিতা বিচাৰিছে পশুপালন আৰু পশু চিকিৎসা বিভাগীয় বিষয়া-কৰ্মীসকলে। এই অভিযানত ঘৰে ঘৰে গৈ পশুধনক চবকা ৰোগৰ টিকা দিয়া হ'ব। আৰু সচেতনতাৰ বিষয়ে গাঁও অঞ্চলসমূহত সজাগ কৰিব বিভাগীয়ভাৱে।

## লখিমপুৰত মিচিং বাঃনী কৌবাঙৰ কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১৮ নৱেম্বৰ ঃ** মিচিং জনজাতিসকলৰ পিতৃস্বৰূপ সংগঠন মিচিং বাঃ নী কৌবাঙৰ এখনি কৰ্মশালা অলপতে লখিমপুৰ জিলাৰ বগীনদীৰ গৰৈমাৰীত অনুষ্ঠিত হৈ যায়। কৰ্মশালাখনত মিচিং বাঃনী কৌবাঙৰ গোগামুখ অধিৱেশনৰ প্ৰস্তাৱ আৰু জোনাই জঃনী কৌৰীং অধিৱেশনত ঘোষণা কৰা সিদ্ধান্ত সমূহ বিস্তাৰিতভাৱে আলোচনা কৰা হয়। মিচিং মিমাগ কৌবাঙৰ কেন্দ্ৰীয় সভাপতি সুনীল কুমাৰ পেগুৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কৰ্মশালাখন উদ্বোধন কৰে মিচিং বাঃনী কৌবাঙৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক বিজু পেগুৱে। কৰ্মশালাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মিচিং বাঃনী কৌবাঙৰ কেন্দ্ৰীয় সচিব ৰাজু মেদকে। কৰ্মশালাখনত উপস্থিত থাকে এম এ চিৰ সাধাৰণ সদস্য অনিল পায়েং, টি এম এম কেৰ কেন্দ্ৰীয় উপসভানেত্ৰী বিচিত্ৰা দলে, সহকাৰী সম্পাদিকা শৰ্মিলা পেগু, দিপশিখা দলে, এম এম কেৰ কেন্দ্ৰীয় সদস্য নিম কুমাৰ পেগু, দেৱৰঞ্জন মৰাং, মুকুল পেগু, টি এম পি কেৰ কেন্দ্ৰীয় সদস্য কুশত পায়েং, বিপ্ৰ টাইদ, পুণ্যেশ্বৰ পেগু, সমাজকৰ্মী যোগেন মিলি, অৱসৰপ্ৰাপ্ত শিক্ষক হৰেণ পেগু, অধ্যক্ষ মহেশ দলে আদিয়ে। কৰ্মশালাখনৰ পূৰ্বে স্মৃতি তৰ্পণ, সম্বৰ্ধণা অনুষ্ঠান অনুষ্ঠিত হয়।

## চাবুৱাৰ অসম বিদ্যাপীঠৰ ৫গৰাকী শিক্ষকক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৮ নৱেম্বৰ ঃ** বৃহত্তৰ চাবুৱা অঞ্চলৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫ জন শিক্ষকক আজি বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হৰনাথ দুৱৰাৰ পৌৰোহিত্যত অনুষ্ঠিত, শিক্ষক ৰমেশ গগৈয়ে আঁতধৰা, শিক্ষক মনমোহন ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা আৰু অধ্যক্ষ নিপেন চন্দ্ৰ গোহাঁইয়ে আদৰণি ভাষণ প্ৰদান কৰা সভাখনত শিক্ষক অনুপম বুঢ়াগোহাঁইৰ পৰিচালনাৰে এটি সমবেত সংগীতেৰে শুভাৰম্ভ কৰে। সভাৰ জৰিয়তে বিদায়ী শিক্ষক প্ৰদীপ কুমাৰ বৰুৱা, প্ৰণৱ জ্যোতি শইকীয়া, অৱনী দত্ত, বিষয় শিক্ষয়িত্ৰী দিপ্তী নেওগ আৰু



কমলা দে'ক একোখনকৈ ফুলাম গামোচা, চেলেং, শৰাই, কিতাপৰ টোপোলা আৰু একোখনকৈ সম্বৰ্ধনা সঁফুৰাৰে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। বিদায় সভাত অনামিকা গোহাঁই আৰু তেওঁৰ লগৰীয়াসকলে পৰিৱেশন কৰা গীত, চমিৰণ চেত্ৰীৰ নৃত্য আৰু শিক্ষক অনুপম বুঢ়াগোহাঁইৰ বাঁহী বাদনে অনুষ্ঠানটি জীপাল কৰি তোলে।


## SHORT NOTICE INVITING TENDER

1. Sealed tenders affixing court fee stamp of Rs.8.25 (Rupees eight and paise twenty five) only with a validity period of 180 (one hundred and eighty) days is invited from the contractors/ firm registered under APWD (Building) for the following works: -

| Gr. No. | Name of work | Approx. value of work | Bid Security | Cost of tender document | Period of completion | Eligibility of contractor |
|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 |
| 1 | Construction of Open Community Hall near Maa Kamakhya Mandir at Lower Lumpi, Kamrup under Jongakhuli Constituency of RHAC for the year 2019-20. | Rs.5,58,296.00 | Rs.11,166.00 (Rs.5583.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 90(ninety) days | APWD (Building) Class-I (A), I (B), I(C), II & III. |
| 2 | Construction of Sobha Ghor at Pakharapara Hajong Basti near Boko Don-Bosco School at Pakharapara Village, kamrup under Jongakhuli Constituency of RHAC for the year 2019-20. | Rs.7,44,393.00 | Rs.14,888.00 (Rs.7444.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 90(ninety) days | Do |
| 3 | Construction of Community Development Centre at Lepgaon Burha Goshai Mandir of Lepgaon Village, Kamrup under Jongakhuli Constituency of RHAC for the year 2019-20. | Rs.7,44,433.00 | Rs.14,889.00 (Rs.7445.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 90(ninety) days | Do |
| 4 | Construction of Car Parking & Earth filling of Rabha Hasong Tourist Lodge Campus at Boko, Kamrup under Boko Constituency of RHAC for the year 2019-20. | Rs.9,30,531.00 | Rs.18,611.00 (Rs.9306.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 90(ninety) days | Do |
| 5 | Construction of Brick Boundary wall including iron Gate of Raipara Baptist Church (Missionary) of Raipara Village, Boko, Kamrup under Boko Constituency of RHAC for the year 2019-20. | Rs.5,58,305.00 | Rs.11,166.00 (Rs.5583.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 45(forty five) days | Do |
| 6 | Construction of Half Brick Boundary wall with Grill including Iron Gate of Katalgaon Burgoshai Mandir near Purno Boro House, Boko, Kamrup under Boko Constituency of RHAC for the year 2019-20. | Rs.5,58,332.00 | Rs.11,167.00 (Rs.5584.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 45(forty five) days | Do |
| 7 | Construction of brick boundary wall of Durapara LPS at Durapara, kamrup under Boko Constituency of RHAC for the year 2019-20. | Rs.5,58,305.00 | Rs.11,166.00 (Rs.5583.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 45(forty five) days | Do |
| 8 | Construction of Office Building of Kanaklata Mahila Samity at Paslakath under Boko Constituency of RHAC for the year 2019-20. | Rs.6,51,369.00 | Rs.13,027.00 (Rs.6514.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 90(ninety) days | Do |
| 9 | Construction of Moniquit with open Community Hall of Krishna Mandir at Raipara Kacharipara under Boko Constituency, Kamrup of RHAC for the year 2019-20. | Rs.5,58,296.00 | Rs.11,166.00 (Rs.5583.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 90(ninety) days | Do |
| 10 | Construction of Brick Boundary wall including Iron Gate of Jarapara Mohila Samity of Dodanpur (Near Don-Bosco School), Boko, Kamrup under Boko Constituency of RHAC for the year 2019-20. | Rs.6,51,380.00 | Rs.13,028.00 (Rs.6514.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 45(forty five) days | Do |
| 11 | Construction of Open Tholi Ghor with Kitchen at Aunihati Satra, Kaithpara, Kamrup under Boko Constituency of RHAC for the year 2019-20. | Rs.6,51,358.00 | Rs.13,027.00 (Rs.6514.00 in case of SC/ ST/OBC/ MOBC/ UGE/ UDE etc.) | Rs.500.00 | 90(ninety) days | Do |

The tender papers will be issued to the contractor / authorized representatives on receipt of application along with registration certificate, VAT and PAN Card on payment of the prescribed cost in the form of Bank Draft / crossed IPO drawn in favour of the Executive Engineer, PWD, Guwahati Building Division No.ll payable at Guwahati from 25-11-2020 to 26-11-2020 during office hours. The same will be received upto 2.00 PM 27-11-2020 and will be opened at 2.30 P.M. on the same date.

Sd/-
Executive Engineer, P.W.D.
Guwahati Bldg. Division No.II
Dispur, Guwahati-6.

Janasanyog/C/7037/20

## প্ৰথম পৃষ্ঠাৰ পৰা—

# এক অভাৱনীয় সিদ্ধান্ত

বেছিভাগ ফাৰ্মাচীষ্টৰে সপোনৰ চাকৰি। এইহেন চাকৰিক আজিৰ দিনত কোনোবাই অগ্ৰাহ্য কৰিব পাৰে বুলি আপুনি ভাবিব পাৰেনে? নোৱাৰে, আমিও নোৱাৰো, সপোনতো নোৱাৰো। অথচ তেনেকুৱা এটা ঘটনাই ঘটি গ'ল। আপুনি, মই সপোনতো ভাবিব নোৱাৰা ঘটনাটো সৌ সিদিনা এইখন অসমতে ঘটি গ'ল। তেনে ঘটনা ঘটাব পৰা মানুহ কিন্তু আজিৰ তাৰিখত শৰ মাজততো নাপায়ে, হাজাৰতো নাপায়, লাখৰ মাজত কৰ'বাত এজন-দুজন ওলাব। দীপাংকৰ বৰদলৈ সেই লাখৰ মাজৰে এজন যিজনে এই সপোনৰ চাকৰি অনায়াসে অগ্ৰাহ্য কৰি ৰেল বিভাগত এজন ফাৰ্মাচীষ্ট হিচাপে কৰ্মত যোগদান কৰিলে যিটো চাকৰিৰ বাবে ডিপ্লমাই যথেষ্ট আছিল। দুখ লাগিছে এইখিনিতেই যে দীপাংকৰে যিটো পদত সোমালে তাত তেওঁৰ উচ্চ শিক্ষাৰ কোনোধৰণৰ প্ৰয়োগৰ সুবিধাই নাপাব। এক কথাত এটা মানব সম্পদৰ যেন অপচয় হ'ল।

দীপাংকৰৰ সিদ্ধান্তত আমি হতভম্ব হৈ পৰিছিলো সেয়ে তাক ফোন কৰিছিলো ইয়াৰ প্ৰকৃত কাৰণ জানিব বিচাৰি।একমাত্ৰ ঘৰখন অৰ্থাৎ তাৰ বয়সীয়াল মাকদেউতাকৰ কাৰণেই হেনো তাৰ এই সিদ্ধান্ত। ঔষধ পৰিদৰ্শকৰ চাকৰিত বদলিকৰণৰ ব্যৱস্থা থকা হেতুকে কেতিয়াবা দুৰলৈ যাব লগা হলে পিতৃ মাতৃৰ চোৱাচিতা কৰাত অসুবিধা আহি পৰিব যাৰ বাবে এনেধৰণৰ ঈৰ্ষণীয় পদো প্ৰত্যাখ্যান কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। এইফালৰ পৰা দীপাংকৰৰ পিতৃ মাতৃ যথেষ্ট সৌভাগ্যৱান কাৰণ যিটো সময়ত ল'ৰাছোৱালীয়ে নিজৰ কেৰিয়াৰৰ কথা চিন্তা কৰি পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত থ'বলৈ কুণ্ঠাবোধ কৰা নাই সেইসময়ত মাকদেউতাকৰ কথা চিন্তা কৰি এনেকুৱা এক উজ্জ্বল কেৰিয়াৰক হেলাৰঙে নেওচা দিয়া দীপাংকৰৰ এই ক্ষেত্ৰত নিশ্চয় আজিৰ যুৱচামৰ মাজত এক আদৰ্শ বুলিয়ে আমি কব লাগিব। যিটো সময়ত সন্তানৰ দ্বাৰা পিতৃ মাতৃ নিৰ্যাতিত হোৱাৰ ক্ৰমবৰ্ধমান খবৰ বোৰে সকলোকে হতাশ কৰি তোলে সেই সময়ত এনেকুৱা ধৰণৰ বাতৰিয়ে নিশ্চয় কিবা যেন এক আশাৰ সঞ্চাৰ কৰে।

যিয়েই নহওক ইয়াৰ অন্তৰালত হয়তো অন্য কাৰণো থাকিব পাৰে, কাৰণ মই যিমানদুৰ দীপাংকৰক জানো, দীপাংকৰ ল'ৰাজন অতি সহজ-সৰল, সৎ আৰু অমায়িক। অপ্ৰিয় সত্য কথা যে ঔষধ নিয়ন্ত্ৰণ বিভাগটোত আছে বহু দুৰ্নীতিৰ অভিযোগ, আছে বহু প্ৰত্যাহ্বান। হয়তো সি এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ সাহস কৰিব নোৱাৰিলে নতুবা তাৰ সততাৰ মৃত্যু হয় বুলি সি নিজেই আঁতৰি গ'ল।

দীপাংকৰৰ সিদ্ধান্তক সম্পূৰ্ণ সন্মান জনাইয়ে কৈছো এই সিদ্ধান্তত আমি অসন্তুষ্ট। অকনমাণ সাহস কৰি এই পদটো গ্ৰহণ কৰাহেঁতেন বিভাগটোৱে এজন সৎ ব্যক্তিক বিষয়া হিচাপে পালেহেঁতেন। বিভাগটোত এনে ব্যক্তিৰ খুবেই প্ৰয়োজন আছিল। একমাত্ৰ আত্মবিশ্বাস আৰু অকনমাণ সাহসৰ অভাৱত বিভাগটোৱে এজন সৎ ব্যক্তিক পাইয়ো হেৰুৱালে।

আমি এই সিদ্ধান্তত দুগুণ অসন্তুষ্ট কাৰণ এই পদ কেইটা অসম চৰকাৰে বহু বছৰৰ মুৰত বিভিন্ন ফালৰ পৰা হেচা দি থকাৰ পিছতো বিভাগটো যেতিয়া মানুহৰ অভাৱত এক প্ৰকাৰ স্থবিৰ হৈ পৰিছিল তেতিয়াহে চৰকাৰে মোকলাই দিছিল। তাৰে এটা যদি কাৰোবাৰ বাবে এইদৰে অবাবত নষ্ট হৈ যায় বা পুৰণ নোহোৱাকৈ থাকি যায় সেয়া আমাৰ বৃত্তিটোৰ বাবেই দুৰ্ভাগ্যজনক। দীপাংকৰৰ এই অভাৱনীয় সিদ্ধান্তৰ বাবে ক্ষতি হ'ল বিভাগটোৰ কাৰণ এজন মানুহৰ অভাৱ বিভগে অনুভৱ কৰিয়ে থাকিব, লগতে বহুদিনলৈ এজন ফাৰ্মাচীষ্টে নিযুক্তিৰ পৰি বঞ্চিত হৈয়ে থাকিব লাগিব কাৰণ চৰকাৰে পুনৰ এই পদ কেতিয়া মুকলি কৰি দিয়ে তাৰ কোনো নিশ্চয়তা নাই।

# আমাক কমতাপুৰ দিয়ক

বাধ্য নকৰে, তাৰ বাবে আমি সকলো পক্ষকে সকীয়াই দিছোঁ– এই ভাষ্য সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক গকুল বৰ্মনৰ। সদৌ বাক্সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আৰু তামুলপুৰ আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত ঐতিহাসিক কমতাপুৰ ৰাজ্য পুনৰ গঠন আৰু কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত আজি তামুলপুৰৰ ঘগ্ৰাচকত অনুষ্ঠিত এক বিশাল গণ সমাবেশত আক্ৰাছু নেতা গকুল বৰ্মনে এই মন্তব্য আগবঢ়ায়। বাক্সা জিলা আক্ৰাছুৰ সভাপতি কপিল দেৱ সিংহৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বৰ্মনে পুনৰ কয় জন্ম লগ্নৰে পৰা সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাই কোচ ৰাজবংশী জনগোষ্ঠীৰ নিজৰ প্ৰাপ্য বিচাৰি, নিজৰ ৰাজ্য বিচাৰি, নিজৰ সাংবিধানিক অধিকাৰ বিচাৰি আন্দোলন কৰি আহিছে। কোচ ৰাজবংশী জনগোষ্ঠীক উদ্ধাৰ কৰাৰ কাৰণে আন্দোলন কৰি আহিছে। নিজৰ উদাত্ত ভাষণত তেওঁ পুনৰ কয় এই ভূমিত আমাৰ দপদপনি চলিব। আমি আঁঠু কাঢ়ি নহয়, বুকু ফিন্দাই জীয়াই থাকিম। কমতাপুৰ আছিল, আছে আৰু থাকিব। এনআৰচিৰ প্ৰসংগ উল্লেখ কৰি গকুল বৰ্মনে কয় অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ এজন লোকৰ নামো যাতে এনআৰচিৰ পৰা বাদ নপৰে। অন্যথা অসম জ্বলিব বুলিও তেওঁ হুংকাৰ দিয়ে। সমাগত বিটিচি পৰিষদীয় আৰু বিধানসভা নিৰ্বাচনৰ প্ৰসংগ টানি তেওঁ কয় নিৰ্বাচন আহিলে ৰাজনৈতিক দল সমূহে প্ৰতিশ্ৰুতিৰ বন্যা বোৱাই দিয়ে। কিন্তু নিৰ্বাচনী ইস্তাহাৰত কোচ ৰাজবংশীক জনজাতিনকৰণ কৰা হ'ব, কমতাপুৰ ৰাজ্য গঠন হব আদি প্ৰসংগ কোনো ৰাজনৈতিক দলকে সন্নিবিষ্ট নকৰিবলৈ তেওঁ আহ্বান জনায়। তাৰ বিপৰীতে তেওঁ কয় যদিহে সদিচ্ছা আছে তেন্তে কোচ ৰাজবংশী জনগোষ্ঠীক নিৰ্বাচনৰ পূৰ্বেই জনজাতিকৰণ কৰাৰ ব্যৱস্থা কৰক। নেতাগৰাকীয়ে পুনৰ কয় কোচ ৰাজবংশীসকলৰ প্ৰথম পৰিচয় কোঁচ ৰাজবংশী, তাৰ পিছতহে অসমীয়া। আওচা, পাতানি, আনচা নাথাকিলে কোচ ৰাজবংশী জনগোষ্ঠীৰ লোক নহয়। সেয়েহে তেওঁ কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰতিটো পৰিয়ালতে জাতীয় পোচাক পৰিধান কৰাটো বাধ্যতামূলক বুলি অভিহিত কৰে। কোঁচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ বিৰুদ্ধাচৰণ কৰা লোকক ব্ৰহ্মপুত্ৰ নৈত উটুৱাই দিব লাগে বুলি উল্লেখ কৰি তেওঁ কয় আমি কাকো শত্ৰু জ্ঞান নকৰোঁ, কিন্তু আমাক কোনোবাই শত্ৰু জ্ঞান কৰিলে সহ্য কৰা নহব। বাক্সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক উপেন ৰয় আৰু তামুলপুৰ আঞ্চলিক কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি ভূমিধৰ দাসে আঁত ধৰা সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিটিএডি কোঁচ ৰাজবংশী সন্মিলনীৰ সভাপতি কেশৱ ৰাজবংশীয়ে। পাঁচ সহস্ৰাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত সভাখনত অংশগ্ৰহণ কৰি সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপ সভাপতি ভাৰত ৰাজবংশীয়ে কয় অসমৰ ভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা কোচ ৰাজবংশী জনগোষ্ঠীৰ লোক ৰজাৰ বংশধৰ। তাৰ পিছতো কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ সমস্যা অনেক। নিজৰ ভাষণত তেওঁ নিজৰ জাতীয় সত্তাক, নিজৰ সংগ্ৰামক বিক্ৰী নকৰিবলৈ ৰাইজক আহ্বান জনায়। তেওঁ কয় - আমি মৃত্যুক ভয় নকৰোঁ, আমি বন্দুকলৈ ভয় নকৰোঁ। তেওঁ পুনৰ কয় যে কোচ ৰাজবংশী জনগোষ্ঠীৰ লোক সকলে ঐক্যবদ্ধভাৱে সংগ্ৰামৰ জৰিয়তে দিল্লী, দিছ্পুৰ কঁপাব লাগিব। তেতিয়াহে জনগোষ্ঠীটোৰ লোকসকলৰ সমস্যাসমূহ সমাধান হ'ব। সভাখনত অংশগ্ৰহণ কৰি সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৰ সাধাৰণ সম্পাদক টাইছন হুছেইনে কয় চুক্তিৰ পিছত চুক্তি হ'ল, আন্দোলনৰ পিছত আন্দোলন হ'ল। কিন্তু আমি একাংশই লাঞ্চিত বঞ্চিত প্ৰতাড়িত হৈয়ে থাকিলোঁ। সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ আন্দোলনত এবিএমছুৱে পূৰ্ণ সহযোগিতা আগবঢ়াই যাব বুলি টাইছন হুছেইনে প্ৰতিশ্ৰুতি প্ৰদান কৰে। সভাখনত উপস্থিত থাকি সদৌ অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক কেশৱ ৰয়ে কয় যে ঐতিহাসিক কমতাপুৰ ৰাজ্য পুনৰ গঠন আৰু কোঁচ ৰাজবংশীক জনজাতিকৰণ নকৰা পৰ্যন্ত কোঁচ ৰাজবংশী সকল কেতিয়াও ক্ষান্ত নহয়। চৰকাৰে জনগোষ্ঠীটোৰ লগত খেলা খেলি আছে। জনগোষ্ঠীটোক অৱহেলা কৰি আছে। কিন্তু ন্যায্য প্ৰাপ্তিৰ দাবীত জনগোষ্ঠীটোৰ লোক সকল হাত সাৰতি বহি নাথাকে। প্ৰয়োজনত হাতত বন্দুক তুলি লব লাগিব। তেজৰ ফাকু খেলিব লাগিব। কাৰণ গণতান্ত্ৰিক আন্দোলনৰ ভাষা চৰকাৰে বুজি নাপায়। সভাত সদৌ কোচ ৰাজবংশী মহিলা সন্মিলনীৰ সভানেত্ৰী পূৰবী সৰকাৰেও ভাষণ ৰাখে। আজিৰ সভাত তামুলপুৰ আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মানস দাস, প্ৰাক্তন সভাপতি জিতেন দাস, তামুলপুৰ আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি মুকুন্দ দাস আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# 'কা'বিৰোধী আঞ্চলিক

আহ্বানৰ প্ৰতি সহাৰি জনাই ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ একলগ নহ'লে জাতিটোক বিশ্বাসঘাটকতা কৰা হ'ব। সেয়ে মই বিচাৰো দুয়োটা দল একলগ হওক। একলগ হ'বঞ্জই লাগিব। এইয়া সময়ৰ দাবী। জাতীয় চিন্তা, ধ্যান, ধাৰণাৰ সকলো আঞ্চলিক ৰাজনৈতিক দল একত্ৰিত হয় তেন্তে ২০২১ ৰ নিৰ্বাচনত আমি বিজেপিক প্ৰতিহত কৰিব পাৰিম। সমান্তৰালভাৱে ভাৱে কংগ্ৰেছ আৰু এ আই ইউ ডি এফকো পৰাজিত কৰিব পাৰিম। অসমৰ ৰাইজ এতিয়া যথেষ্ট সচেতন। সেয়ে ২০২১ৰ নিৰ্বাচনত জাতীয় চেতনা ধ্যান ধাৰণাৰে গঠিত আঞ্চলিক শক্তিয়ে সন্মিলিত ভাৱে এখন জাতীয় চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব। অগপ সম্পৰ্কত সোধা এক প্ৰশ্নৰ উত্তৰত কোঁৱৰে কয়-অগপক ইতিমধ্যে অসমৰ ৰাইজে নাকচ কৰিছে। তেওঁলোকৰ লগত একত্ৰিত হোৱাৰ কোনো প্ৰশ্নই নাহে। অখিল গগৈৰ সম্পৰ্কত সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়- অখিল গগৈক আক্ৰোশ আৰু ষড়যন্ত্ৰ মূলকভাৱে বন্দী কৰি ৰখা হৈছে। অখিল গগৈয়ে ন্যায় পাব। আক্ৰোশ আৰু ষড়যন্ত্ৰ বেছি দিন টিকি নাথাকে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপি ৰাজ্যিক সভাপতি ৰঞ্জিত দাসকে ধৰি বিজেপি নেতা সকলে ভয় খাইছে। তেওঁলোকৰ ক্ষমতা দখলৰ পথ নিস্কণ্টক কৰি ৰাখিবৰ বাবে বে অখিল গগৈক ষড়যন্ত্ৰ মূলকভাৱে গ্ৰেপ্তাৰ কৰি ৰখা হৈছে। মই প্ৰত্যাহ্বান জনাইছো তেওঁলোকৰ যদি সাহস আছে তেন্তে অখিল গগৈক মুক্তি দি নিৰ্বাচন খেলক। আনহাতে সংবাদ মাধ্যমৰ আগত ৰাইজৰ দলৰ মুখ্য আহ্বায়ক ভাস্কোডি শইকীয়াই কয়— আমি বাৰংবাৰ কৈ আহিছোঁ যে, কা বিৰোধী আঞ্চলিক শক্তি একত্ৰিত হ'ব লাগে। আমাৰ উমৈহতীয়া শত্ৰু বিজেপি, কংগ্ৰেছ, এ আই ইউ ডি এফ ক প্ৰতিহত কৰাৰ বাবে শীঘ্ৰে কা বিৰোধী আঞ্চলিক শক্তি এখন মঞ্চত উপবিষ্ট হ'ব। আমাৰ অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক অধিৱেশনত এই সম্পৰ্কত ৰণ কৌশল প্ৰস্তুত কৰা হ'ব। কংগ্ৰেছৰ মহাজোঁটৰ লগত ৰাইজৰ দল জড়িত হ'ব নেকি বুলি সংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শইকীয়াই কয়— কংগ্ৰেছ, এআইইউডিএফৰ মহাজোঁটৰ লগত ৰাইজৰ দল কেতিয়াও জড়িত নহয়। আমি 'কা' বিৰোধী আঞ্চলিক শক্তিৰ মহাজোঁট গঠনৰ পোষকতা কৰিছো। মহাজোঁটত আমাক জড়িত কৰিবলৈ ৰিপুন বৰাই অলীক কল্পনা কৰিছে বুলি মন্তব্য কৰি শইকীয়াই কয়- আমি আমাৰ উমৈহতীয়া শত্ৰু কংগ্ৰেছ এআইইউডিএফৰ মহাজোঁটৰ লগত জড়িত হোৱাৰ কোনো প্ৰশ্নই নাহে। তেওঁ লগতে কয়— এইবাৰ ২০২১ ৰ নিৰ্বাচনত ধৰ্মক লৈ, জাত- পাতক লৈ ৰাজনীতি কৰিবলৈ দিয়া নহ'ব। এইবাৰ উন্নয়ন আৰু থলুৱাৰ অধিকাৰ প্ৰতিষ্ঠাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে জানিবলৈ দিয়ে যে নগাঁৱত ৰাইজৰ দলৰ সংগঠন যথেষ্ট শক্তিশালী হৈছে। প্ৰতিটো সমষ্টিতে সমষ্টি কমিটি গঠন কৰা হৈছে। আজি নগাঁৱত ৰাইজৰ দলৰ ৰাজ্যিক আহ্বায়ক সকলৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। ৰাজ্যিক আহ্বায়ক মহেন্দ্ৰ দিহিঙিয়াৰ সভাপতিত্বত অনুষ্ঠিত ৰাজ্যিক আহ্বায়ক ভাস্কোডি শইকীয়াই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত ৰাজ্যিক আহ্বায়ক হুছেইন মহম্মদ চাহজাহান, সমন্নয়ক ৰাজু বৰা, ৰুবুল দাস, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক ধৈৰ্য কোঁৱৰ আদিকে ধৰি ৰাইজৰ দলৰ সকলো আহ্বায়কে অংশগ্ৰহণ কৰে।

# ৰাজ্যৰ বিভিন্ন স্থানত 'কা'

কৰে এক প্ৰতিবাদী কাৰ্যসূচী। একাধিক দল-সংগঠনৰ দ্বাৰা গঠিত 'কা' বিৰোধী সমন্বয় সমিতিয়ে স্থানীয় টাই আহোম কৃষ্টি বিকাশ কেন্দ্ৰৰ খেলপথাৰৰ পৰা এক প্ৰতিবাদী সমদল বাহিৰ কৰি শিৱসাগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰী সকলে 'কা' আমি নামানো, 'কা' আমাক নালাগে, বিজেপি চৰকাৰ হাঁয় হাঁয়, জাতি-মাটি-ভেটিৰ প্ৰতিশ্ৰুতি ক'ত হেৰাল শীৰ্ষক ধ্বনিৰে উত্তাল কৰি তোলে প্ৰতিবাদস্থলী। প্ৰতিবাদকাৰী সকলে নাগৰিকত্ব সংশোধনী আনি বাতিল, চূড়ান্ত এন আৰ চি প্ৰকাশ প্ৰক্ৰিয়া অনতিপলমে সম্পূৰ্ণ কৰা, 'কা' বিৰোধী আন্দোলনৰ কাৰাবন্ধী সকলক অনতি পলমে মুকলি কৰি দিয়া আৰু বিজেপি-এআইইউডিএফ দলৰ সাম্প্ৰদায়িক ৰাজনীতি বন্ধ কৰাৰ দাবীতেই এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বুলি নেতৃত্ব প্ৰদান কৰা কনক গগৈয়ে উল্লেখ কৰে। ইয়াৰ পিছতেই প্ৰতিবাদকাৰী সকলে শিৱসাগৰ জিলা উপায়ুক্তৰ যোগেদি ভাৰতৰ ৰাষ্ট্ৰপতি গৰাকীলৈ বিজেপি-এআইইউডিএফৰ সাম্প্ৰদায়িক ৰাজনীতি বন্ধ কৰাৰ দাবীত এখনি স্মাৰক পত্ৰ প্ৰদান কৰে।

**'কা' প্ৰত্যাহাৰ, এনআৰচি চূড়ান্তকৰণ আৰু 'কা' বিৰোধী কাৰাবন্দীসকলক মুক্তিৰ দাবী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ ঃ** আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে তেজপুৰতো জাতিধ্বংসী নাগৰিকত্ব সংশোধনী আইন-২০১৯ চমুকৈ 'কা'ৰ বিৰুদ্ধে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। 'কা' বিৰোধী সমন্বয় সমিতিৰ আহ্বান মৰ্মে তেজপুৰত সমন্বয় সমিতিৰ অংশীদাৰ চি পি আই (এম) প্ৰমুখ্যে বাওঁপন্থী দল সমূহৰ শতাধিক কৰ্মীয়ে আজি দিনৰ ১১ বজাত স্থানীয় ন্যায়িক আদালত পাঁচআলিত অৱস্থান গ্ৰহণ কৰি বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে বিভিন্ন ধৰ্ণা-শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তুলি 'কা' প্ৰত্যাহাৰ কৰা, 'কা' বিৰোধী কাৰাবন্দীসকলক মুক্তি দিয়া আৰু এন আৰ চি প্ৰক্ৰিয়া চূড়ান্তকৰণৰ দাবী উত্থাপন কৰে। প্ৰতিবাদথলীত সমাজকৰ্মী তথা অধিবক্তা কৃষ্ণ শৰ্মা, তপন দাস, প্ৰগতিশীল নাৰী সংগঠনৰ নেত্ৰী ৰাজু বৰুৱা, চি পি আই (এম)ৰ জ্যেষ্ঠ নেতা ৰবীন তামুলী আৰু জিলা সম্পাদক মনেশ্বৰ বড়োৱে আগবঢ়োৱা বক্তব্যত নাগৰিকত্ব সংশোধনী আইন ২০১৯ ৰ বিৰোধিতা কৰাৰ লগতে এই আইন প্ৰত্যাহাৰৰ দাবী জনাই 'কা' বিৰোধী আন্দোলনত জড়িত নেতা অখিল গগৈ, দেবাংগনা কলিতাকে ধৰি কাৰাবন্দী হৈ থকাসকলক অনতিপলমে মুকলি কৰিবলৈ দাবী জনায়। বক্তা কেইগৰাকীয়ে ভাষণ প্ৰসংগত কোটি কোটি টকা ব্যয়ৰে অসমত সম্পাদনা কৰা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী চূড়ান্ত কৰণৰো দাবী উত্থাপন কৰে।

**বঙাইগাঁৱত 'কা' বিৰোধী সমন্বয় সমিতিৰ আহ্বানত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁওঃ** 'কা' প্ৰত্যাহাৰ আৰু চূড়ান্ত এন আৰ চি প্ৰকাশৰ প্ৰক্ৰিয়া অনতিপলমে সম্পূৰ্ণ কৰা, 'কা' বিৰোধী সকলো কাৰাবন্দীক অতিশীঘ্ৰে মুক্তি দিয়া আৰু সাম্প্ৰদায়িক ৰাজনীতি বন্ধ কৰাৰ দাবীত বুধবাৰে 'কা' বিৰোধী সমন্বয় সমিতি অসমৰ আহ্বানত বঙাইগাঁৱতো বিক্ষোভ কাৰ্যসূচী প্ৰদৰ্শন কৰা হয়। বঙাইগাঁও চহৰৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখৰ গান্ধী ময়দানত ৰূপায়ণ কৰা বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলে হাতে হাতে বিভিন্ন প্লেকাৰ্ড লৈ দেশৰ সংবিধান ৰক্ষা কৰক, নাগৰিকত্ব আইন-২০১৯ বাতিল কৰক ,অখিল গগৈ, দেবাংগনা কলিতাসহ সকলো 'কা' বিৰোধী প্ৰতিবাদীক নিঃ চৰ্তে মুক্তি দিয়ক, 'কা' বিৰোধী সমন্বয়, স্বৈৰাচাৰী সাম্প্ৰদায়িক বিজেপি চৰকাৰ হায় হায়, সাংবাদিকৰ ওপৰত আক্ৰমণ মানি লোৱা নহ'ব,গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকতাৰ ওপৰত আক্ৰমণ মানি লোৱা নহ'ব, সাংবাদিকৰ মুক্তকণ্ঠ ৰোধ কৰিব বিচৰা বিজেপি চৰকাৰ হায় হায় শেগানো দিয়ে। ইপিনে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিশিষ্ট অধিবক্তা তথা চি পি আই (এম)ৰ বঙাইগাঁও আঞ্চলিক সমিতিৰ সম্পাদক হৰেশ্বৰ দাসে সংবাদ মাধ্যমৰ আগত কয় যে সমন্বয়ৰক্ষী সমিতিৰ আহ্বানত ৰাজ্যখনত পুনৰ 'কা' বিৰোধী আন্দোলন আৰম্ভ হৈছে। এই আন্দোলন এই কাৰণে হৈছে যে গণতন্ত্ৰৰ যিটো প্ৰকৃত খলপ সেই খলপটো ওলাই পৰিছে অতি সম্প্ৰতি ককপথাৰৰ পৰাগ ভূঞাৰ হত্যাৰ মাজেদি। ৰাজ্যৰ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰৰ যি নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰ সেই চৰকাৰ গণতন্ত্ৰৰ পক্ষত নহয়। এন আৰ চি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিচতো তেওঁলোকে মুকলি নকৰিলে। 'কা' বিৰোধী আন্দোলনত জড়িত অখিল গগৈ, দেবাংগনা কলিতা আদি কাৰাবন্দী হৈ থকাসকলে বিভিন্ন আদালতত জামিন মঞ্জুৰ হোৱাৰ পিচতো আজিও তেওঁলোক মুক্ত আকাশৰ তলত ঠিয় হ'ব পৰা নাই। চৰকাৰৰ এইটো চক্ৰান্ত। সেয়ে আমি এই চক্ৰান্তৰ প্ৰতিবাদত এই প্ৰতিবাদী কাৰ্যসূচী সংগঠিত কৰিছো।

**গোলাঘাটত 'কা' বিৰোধী সমন্বয় মঞ্চৰ প্ৰতিবাদী কাৰ্যসূচী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁওঃ** 'ভাৰতত ভস্মাসুৰ মোডী নামৰ এজন প্ৰধানমন্ত্ৰী আছে। তেওঁ ক্ষমতালৈ আহিয়েই ভাৰতৰ বহু কল কাৰখানা বন্ধ কৰি দিলে। ভাৰতৰ কৃষি খণ্ড, ৰে'ল বিভাগ, বিমান বন্দৰ আদি কৰি বহু প্ৰতিষ্ঠান ব্যক্তিগত খণ্ডক বিক্ৰী কৰিলে। এতিয়া তেওঁ ধৰ্মৰ ৰাজনীতি কৰি ভাৰত খনক ভাগ ভাগ কৰাৰ চেষ্টা কৰিছে।' এই অভিযোগ 'কা' বিৰোধী সমন্বয় মঞ্চ গোলাঘাট জিলা সমিতিৰ। আজি সংগঠনটোৱে এক প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে শাসনাধিষ্ঠ বিজেপি চৰকাৰ তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কঠোৰ সমালোচনা কৰে। সংগঠনটোৱে গোলাঘাট জিলা উপায়ুক্ত কাৰ্যালয়ৰ সমীপত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰি নাগৰিকত্ব সংশোধনী আইন বাতিল কৰা, এনে আৰ চিৰ প্ৰকাশ প্ৰক্ৰিয়া অনতিপলমে প্ৰকাশ কৰা, 'কা' বিৰোধী সকলো নেতাক কাৰাগাৰৰ পৰা মুক্তি দিয়া আৰু সাম্প্ৰদায়িক ৰাজনীতি বন্ধ কৰাৰ দাবীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে।

# প্ৰতিবেশী ৰাষ্ট্ৰখনৰ স্বাধীনতাৰ

আন্দোলনৰ মূল গোটৰ প্ৰতিনিধি বৰ্গই গুৱাহাটীস্থিত সংবাদমেল আয়োজন কৰাৰ পিছত ভাৰত-চীন যুদ্ধৰ স্মৃতি বিজড়িত ঐতিহাসিক তেজপুৰ চহৰতো আয়োজন কৰে [illegible]

[illegible]

প্ৰতিবেশী ৰাষ্ট্ৰ তিব্বতক স্বাধীনতা প্ৰাপ্তিৰ বাবে ভাৰতবৰ্ষত গণজাগৰণৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত সংবাদ মাধ্যমৰ বিশেষ ভূমিকা পালন কৰিবলৈ আজি আহ্বান জনায় অন্যতম আহ্বায়ক সৌম্যদ্বীপ দত্তই। এই গণ জাগৰণ বৃদ্ধিৰ বাবেই দেশৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ কৰাৰ অন্তত তেজপুৰত উপস্থিত হোৱা এই দলটোৰ অন্যতম সদস্য তথা তিব্বত মুক্তি আন্দোলনৰ ৰাষ্ট্ৰীয় আহ্বায়ক সুৰেন্দ্ৰ কুমাৰে আগবঢ়োৱা বক্তব্যত ভাৰত আৰু তিব্বতৰ সম্পৰ্ক আৰু সংস্কৃতিৰ কথা উল্লেখ কৰি বিশ্বৰ বিভিন্ন প্ৰান্তত তিব্বতৰ স্বাধীনতাৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছত সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সমাগত দিনত প্ৰতিবেশী ৰাষ্ট্ৰখনৰ স্বাধীনতাৰ বাবে ভাৰততো এক গণজাগৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলি মন্তব্য কৰে।

# 'অন্যায়-অসাধু চক্ৰৰ বিৰুদ্ধে

বিজেপি চৰকাৰৰ দিনতেই চিণ্ডিকেট আৰু মাফিয়াৰাজ অধিক চলিছে। এইবোৰত বিজেপিৰ বহু নেতা জড়িত। সেয়ে এইবোৰৰ বিৰুদ্ধে বিজেপি নেতাই মাত নামাতে। কিন্তু কংগ্ৰেছে মাত মাতি আহিছে এইবোৰৰ বিৰুদ্ধে।' এই মন্তব্য কলিয়াবৰ লোকসভাৰ সাংসদ গৌৰৱ গগৈৰ। নগাঁও জিলাৰ বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত ৰাইদঙীয়াত বুধবাৰে দলংঘাট আৰু বটদ্ৰৱা ব্লক মহিলা কংগ্ৰেছৰ উদ্যোগত আয়োজিত বিশাল কৰ্মীসভাত অংশগ্ৰহণ কৰি সাংসদগৰাকীয়ে লগতে কয় যে-বৰ্তমান অসমত অন্যায়ৰ বিৰুদ্ধে, অসাধু চক্ৰৰ বিৰুদ্ধে মাত মতাৰ বাবেই সাংবাদিকক হত্যা কৰা হৈছে। কিন্তু এনে অন্যায়-দুৰ্নীতি নিৰ্বিঘ্নে চলি থকাৰ পিছতো মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেৱল গাদী ৰক্ষাৰ স্বাৰ্থতহে ব্যস্ত হৈ আছে। ক্ষমতাশালী মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম উচ্চাৰণ নকৰাকৈ সাংসদ গৌৰৱ গগৈয়ে মন্ত্ৰীগৰাকীক কটাক্ষ কৰি কয় যে— এই গৰাকী মন্ত্ৰীয়ে আছু, কংগ্ৰেছৰ দৰে সৰ্বানন্দ সোণোৱালকো বিশ্বাসঘাতকটা কৰিব। অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদিকা শিৱামনি বৰাই উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাখনিত সাংসদগৰাকীয়ে এতিয়া নতুন চিন্তাৰ ৰাজনীতিৰ দৰকাৰ বুলি উল্লেখ কৰি কয় যে— শান্তি আৰু সম্প্ৰীতি থাকিলেহে উন্নয়ন সম্ভৱ এই উন্নয়ণৰ বাবে প্ৰয়োজনীয় শান্তি আৰু সম্প্ৰীতি আনি দিব পৰা দল হৈছে কংগ্ৰেছ। দলংঘাট আৰু বটদ্ৰৱা ব্লক মহিলা কংগ্ৰেছৰ বিভিন্ন মণ্ডলৰ পৰা অহা সহস্ৰাধিক মহিলা কৰ্মীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা সভাখনত প্ৰাক্তন মন্ত্ৰীদ্বয় গৌতম বৰা আৰু ৰকিবুল হুছেইনেও ভাষণ প্ৰদান কৰে। নগাঁও জিলা মহিলা কংগ্ৰেছৰ সভাপতি ৰূপালী শইকীয়াৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাখনিত অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা ৰেহেনো নেৱাজ, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক অভিজিৎ বৰা, দলংঘাট ব্লক কংগ্ৰেছৰ সভাপতি মঞ্জুল বৰদলৈ, বটদ্ৰৱা ব্লক কংগ্ৰেছৰ সভাপতি নুৰুল আমিন, শিক্ষাবিদ ৰাণা প্ৰকাশ বৰাকে প্ৰমুখ্য কৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ উপস্থিত থাকে।

# এবছৰতে বাঢ়িল ৭৬,০২০ ভোটাৰ

বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ ব্যাপক সংশোধনীৰ কাম কৰিব। যদিহে ২০২১ চনৰ ১ জানুৱাৰীত ১৮ বছৰ বা তাতকৈ বেছি বয়স হ'বলগা কোনো ব্যক্তিৰ নাম খচৰা তালিকাৰ পৰা বাদ পৰিছে, তেনেহ'লে তেওঁলোকে এই সময়ছোৱাত নাম অন্তৰ্ভুক্ত কৰিবলৈ বা নাম সংশোধন কৰিবলৈ, এটা ভোট কেন্দ্ৰৰ পৰা অন্য এটা ভোটকেন্দ্ৰলৈ নাম পৰিৱৰ্তন কৰিবলৈ সুযোগ পাব। ইয়াৰ বাবে বিএলঅ' আৰু ইআৰঅ' অৰ্থাৎ ব্লক পৰ্যায়ৰ বিষয়া আৰু ভোটাৰ পঞ্জীয়ন বিষয়াৰ জৰিয়তে নতুনকৈ প্ৰ-পত্ৰ দাখিল কৰিব লাগিব। অনলাইন পদ্ধতিৰেও আবেদন কৰিব পাৰিব নিৰ্দিষ্ট ৱেবছাইটৰ জৰিয়তে। ইফালে আজি প্ৰকাশ কৰা খচৰা তালিকাত নতুনকৈ ১,১৭,০৫১ জন নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈছে। তেওঁলোকৰ বয়স ১৮-১৯ বছৰ হ'ব আগন্তুক বৰ্ষৰ পহিলা দিনটোত। ইফালে খচৰাত স্থান পাইছে ২০-২৯ বছৰ বয়সৰ ৬০,৬৪,৬৭৮ জনৰ নাম। ৩০-৩৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৫৬,৫৬,৭২৪ জন। ৪০-৪৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৪৫,৩৬,০২০ জন। ৫০-৫৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৩২,০৩,২৮৬ জন। ৬০-৬৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ১৭,৬৩,৫৭১ জন। ৭০-৭৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৭,৮৩,১৬৯ জন। আনহাতে ৮০ বছৰৰ অধিক বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৩,১৫,০২৩ জন। এই তালিকাত স্থান লাভ কৰা সৰ্বমুঠ পুৰুষ ভোটাৰৰ সংখ্যা হ'ল ১,১৪,২৫,৭৪৮ জন আৰু মহিলা ভোটাৰৰ সংখ্যা হ'ল ১,১০,১৩,৭৭৪ গৰাকী। ৰাজ্যত মুঠ ভোটকেন্দ্ৰৰ সংখ্যা ২৮,২০৫ টা বুলি উল্লেখ কৰা হৈছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা আছিল ৯৫৪ গৰাকী। কিন্তু আজি প্ৰকাশ পোৱা খচৰা ভোটাৰ তালিকাত মহিলাৰ সংখ্যা বৃদ্ধি পাইছে আৰু প্ৰতি এহেজাৰজন পুৰুষৰ বিপৰীতে মহিলা ভোটাৰৰ সংখ্যা হ'ল ৯৬৪ গৰাকী। চলিত বৰ্ষৰ জানুৱাৰী মাহত প্ৰকাশ পোৱা ভোটাৰ তালিকাৰ তুলনাত আজি প্ৰকাশ পোৱা খচৰা ভোটাৰ তালিকাত ০.৩৪% বৃদ্ধি পাইছে। ইফালে বিগত বৰ্ষৰ তুলনাত এইবাৰ বৃদ্ধি পোৱা ভোটাৰৰ সংখ্যা হ'ল ৭৬,০২০ জন।

**শিৱসাগৰ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ১০৩ নং আমগুৰি ১০৭ নং থাওৰা আৰু ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়**

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ঃ** শিৱসাগৰ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ১০৩ নং আমগুৰি ১০৭ নং থাওৰা আৰু ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। উক্ত খচৰা ভোটাৰ তালিকা অনুসৰি ১০৩ নং আমগুৰি বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা ১১৮৯৯৯ জন। ইয়াৰে পুৰুষ ভোটাৰ ৫৯৯৮১ জন মহিলা ভোটাৰ ৫৯০১৭ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ ১ জন । ১০৭ নং থাওৰা বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা ১১১০২৩ জন ইয়াৰে পুৰুষ ভোটাৰ ৫৬৬৬৬ জন আৰু মহিলা ভোটাৰ ৫৪৩৫৭ গৰাকী আৰু ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা ১৪৭২৯৭ জন ইয়াৰে পুৰুষ ভোটাৰ ৭৩৬৮৬ জন আৰু মহিলা ভোটাৰ ৭৩৬১১ গৰাকী। শিৱসাগৰ নিৰ্বাচন জিলাত ৬ টা ভোট কেন্দ্ৰ নতুনকৈ গঠন কৰা হৈছে। ইয়াৰে ১০৩ নং আমগুৰি বিধানসভা সমষ্টিত ২টা ক্ৰমে টিং বস্তি আৰ্দশ প্ৰাথমিক বিদ্যালয় আৰু আমগুৰি বাগান প্ৰাথমিক বিদ্যালয়, ১০৭ নং থাওৰা বিধানসভা সমষ্টিত ১টা -মিলনকুৰ জনজাতি স্কুল আৰু ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টিত ৩ টা -৬৮৬ নং ব্যাসদেব প্ৰাথমিক বিদ্যালয়, ৮৩৪ নং গটঙা প্ৰাথমিক বিদ্যালয় আৰু ১৯নং জখিনি প্ৰাথমিক বিদ্যালয়ত ভোট কেন্দ্ৰ নতুনকৈ গঠন কৰা হৈছে। বৰ্তমান শিৱসাগৰ নিৰ্বাচন জিলাত ভোট গ্ৰহণ কেন্দ্ৰৰ সংখ্যাসমূহ এনেধৰণৰ— ১০৩ নং আমগুৰি বিধানসভা সমষ্টিঞ্চ১৬৮ টা, ১০৭ নং থাওৰা বিধানসভা সমষ্টি ১৪৫টা আৰু ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টিঞ্চ১৯৯টা সৰ্বমুঠ ৫১২টা। শিৱসাগৰ নিৰ্বাচন জিলাত ভোটাৰ তালিকাৰ সংক্ষিপ্ত সংশোধন,২০২১ৰ কাম আজিৰে পৰা আৰম্ভ হৈছে। সেয়েহে ১ জানুৱাৰী,২০২১ ভিত্তি তাৰিখ হিচাপে গণ্য কৰি ১৮ বছৰ সম্পূৰ্ণ হোৱা যোগ্য ভাৰতীয় নাগৰিকে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে প্ৰ-পত্ৰ নং-৬, নাম কৰ্তন কৰিবৰ বাবে প্ৰ-পত্ৰ নং-৭, নাম বা অন্য তথ্য শুধৰণিৰ বাবে প্ৰ-পত্ৰ নং-৮, এটা সমষ্টিৰ ভিতৰতে ভোটকেন্দ্ৰ সালসলনি বাবে প্ৰ-পত্ৰ নং-৮ কত আবেদন কৰিব পাৰিব । আবেদন পত্ৰসমূহ অহা ইং ১৫য১২য২০২০ তাৰিখৰ ভিতৰত বুথ পৰ্যায়ৰ বিষয়া (BLO)ৰ যোগেদি নাইবা Online "NVSP.IN" Portal বা Voter Helpline Mobile Appৰ যোগেদি দাখিল কৰিব পাৰিব। বিতং তথ্যৰ বাবে আপোনাৰ স্থানীয় BLO নাইবা চক্ৰ বিষয়াৰ কাৰ্যালয় নাইবা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিব পাৰিব।

**জোনাইত খচৰা ভোটাৰ তালিকা প্ৰকাশ, ডি' ভোটাৰৰ সংখ্যাা ২৮০৮ গৰাকী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, জোনাই ঃ** জোনাই মহকুমা মহকুমাধিপতি আৰু নিৰ্বাচনী বিষয়াই আজি জোনাই সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ খচৰা ভোটাৰ তালিকা-২০২১ প্ৰকাশ কৰে। এই উদ্দেশ্যে আজি মহকুমাধিপতিৰ সভাকক্ষত বিভিন্ন ৰাজনৈতিক দলৰ নেতা কৰ্মী সৈতে অনুষ্ঠিত সভাত মহকুমাধিপতি জিমলি শইকীয়া কাকতিয়ে সদৰি কৰা সূত্ৰমতে ১১৪ নং জোনাই বিধান সভা সমষ্টিত পুৰুষ ১,৫৩,৫৫৬, মহিলা ১,৪৭,৬৩৫ গৰাকী ভোটাৰসহ মুঠ ৩,০১,১৯১ গৰাকী ভোটাৰৰ নাম খচৰাত অন্তৰ্ভুক্ত হৈছে বুলি সদৰি কৰিছে। ক'ভিড-১৯ৰ প্ৰতি লক্ষ্য ৰাখি এইবেলি মহকুমাটোত এক হাজাৰতকৈ অধিক ভোটাৰ থকা ভোট কেন্দ্ৰসমূহক বিভক্ত কৰা হ'ব। তদুপৰি মহকুমাটোত নতুন দুটা ভোট কেন্দ্ৰ সংযোগ কৰি মুঠ ৩৫২ টা ভোট কেন্দ্ৰ কৰা হৈছে। নিৰ্বাচনী বিষয়া গায়ত্ৰী পাতিৰ আৰু মহকুমাধিপতিৰ উপস্থিত থকা সভাত জোনাই সমষ্টিত ১২৭৫ গৰাকী মহিলা আৰু ১৫৩৩ গৰাকী পুৰুষ মুঠ ২৮০৮ গৰাকী সন্দেহ জনক 'ডি' ভোটাৰ থকা বুলি নিৰ্বাচনী বিষয়াই জনাইছে। উল্লেখযোগ্য যে প্ৰকাশিত খচৰা ভোটাৰ তালিকাৰ সন্দৰ্ভত দাবী আৰু নিষ্পত্তিৰ বাবে চলিত বৰ্ষৰ ১৮ নৱেম্বৰ পৰা ১৫ ডিচেম্বৰলৈ আবেদনৰ দিন ধাৰ্য কৰি দিয়াৰ উপৰি এই দাবী নিষ্পত্তি ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ পিছত অহা ২০২১ চনৰ ১৫ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি মহকুমা নিৰ্বাচনী বিষয়া গায়ত্ৰী পাতিৰে সদৰি কৰে।

**মাজুলীত খচৰা ভোটাৰ তালিকা প্ৰকাশ ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে উপায়ুক্তৰ বৈঠক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি মাজুলী জিলাতো ফটোযুক্ত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ বাবে আজি আনুষ্ঠানিকভাৱে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। মাজুলীৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজিকালি উপায়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া বিক্ৰম কৈৰীৰ সভাপতিত্বত জিলাখনৰ সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধি, সাংবাদিক আৰু ভোটগ্ৰহণ কেন্দ্ৰ পৰ্যায়ৰ বিষয়া-চুপাৰভাইজসকলৰ উপস্থিতিত অনুষ্ঠিত এখন সভাত ৯৯নং মাজুলী (অনুসূচীত জনজাতি) বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। বিধান সভা সমষ্টিটোৰ বাবে চূড়ান্ত ভোটাৰ তালিকা-২০২১ প্ৰস্তুত কৰিব পৰাকৈ বিশেষ সংক্ষিপ্ত সংশোধনীৰ অৰ্থে মাজুলীৰ নিৰ্বাচক পঞ্জীয়ক বিষয়া কাকুমণি শইকীয়াৰ স্বাক্ষৰত প্ৰকাশ পোৱা এই খচৰা ভোটাৰ তালিকাত মুঠ ১,২৮,৮৬৭ গৰাকী ভোটাৰৰ নাম সন্নিবিষ্ট হৈছে। সভাত অতিৰিক্ত উপায়ুক্ত (নিৰ্বাচন) অৰিন্দম বৰুৱাই প্ৰকাশ কৰা তথ্য অনুসৰি মাজুলী বিধান সভা সমষ্টিক সামৰি থকা নদীদ্বীপ জিলাখনৰ ২০২০ চনৰ চূড়ান্ত ভোটাৰ তালিকাতকৈ এই খচৰা ভোটাৰ তালিকাত ৮৫৭গৰাকী ভোটাৰৰ সংখ্যা বৃদ্ধি পাইছে। চলিত বৰ্ষৰ ১৪ ফেব্ৰুৱাৰীত জাৰি কৰা মাজুলীৰ চূড়ান্ত ভোটাৰ তালিকা-২০২০ত মুঠ ভোটাৰৰ সংখ্যা আছিল ১,২৭,৯৭০গৰাকী। অৰ্থাৎ জিলাখনত এইবাৰৰ খচৰা ভোটাৰ তালিকাত ভোটাৰৰ বৃদ্ধিৰ হাৰ হৈছে০.৬৯ শতাংশ। আজি প্ৰকাশিত এইখচৰা ভোটাৰ তালিকাৰ এটাকৈ প্ৰতিলিপি জিলাখনৰ প্ৰতিটো ৰাজনৈতিক দলকে সভাতেই অৰ্পণ কৰাৰ উপৰি জিলাবাসী সৰ্বসাধাৰণ ৰাইজৰ দৰ্শনৰ সুবিধাৰ্থে প্ৰতিটো ভোটকেন্দ্ৰতো এটাকৈ প্ৰতিলিপি উপলব্ধ কৰা হৈছে। তদুপৰি, মাজুলীৰ নিৰ্বাচক পঞ্জীয়কৰ কাৰ্যালয়তো জনসাধাৰণে এই খচৰা ভোটাৰ তালিকা চাব পাৰিব। মাজুলীৰ উপায়ুক্ত কৈৰীয়ে এখন শুদ্ধ, আঁসোৱাহমুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত প্ৰতিটো ৰাজনৈতিক দলৰ লগতে জনসাধাৰণকো পূৰ্ণ সহযোগিতাৰ বাবে আহ্বান জনায়। বিশেষ সংক্ষিপ্ত সংশোধনীৰে প্ৰস্তুত হ'ব লগা চূড়ান্ত ভোটাৰ তালিকা-২০২১ত যাতে জিলাখনৰ এগৰাকীও যোগ্য ভোটাৰৰ নাম বাদ নপৰে আৰু কোনো অযোগ্য ভোটাৰৰ নাম সন্নিবিষ্ট হ'ব নোৱাৰে, সেইক্ষেত্ৰত সংশোধনী প্ৰক্ৰিয়া চলি থকাৰ সময়ত সম্পূৰ্ণ সজাগ দৃষ্টি ৰাখিবলৈকো উপায়ুক্ত গৰাকীয়ে সকলোকে অনুৰোধ কৰে। উল্লেখ্য যে, নিৰ্বাচন আয়োগৰ দ্বাৰা নিৰ্ধাৰিত সূচী অনুসৰি আজি খচৰা ভোটাৰ তালিকা প্ৰকাশৰ লগে লগে মাজুলী জিলাতো বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হ'ল। ২০২১ চনৰ ১ জানুৱাৰীক ভোটাৰ তালিকাত নামভৰ্তিৰ ন্যূনতম বয়স ১৮ বছৰৰ ভিত্তি তাৰিখ হিচাপে লৈ এই বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। অৰ্থাৎ অহা পহিলা জানুৱাৰীত ১৮ বছৰ বয়স হোৱা প্ৰতিগৰাকী নৱপ্ৰজন্মৰ প্ৰতিনিধিয়ে নতুন ভোটাৰ হিচাপে চূড়ান্ত ভোটাৰ তালিকাত নামভৰ্তিৰ আবেদন কৰিব পাৰিব। যোগ্যতাসম্পন্ন নতুন ভোটাৰে ৬ নং প্ৰপত্ৰ পূৰণ কৰি নিজ ভোটকেন্দ্ৰত বিএলঅ' ওচৰত বা নিৰ্বাচক পঞ্জীয়ক বিষয়াৰ কাৰ্যালয়ত দাবী উত্থাপন কৰিব পাৰিব। একেদৰে ভোটাৰ তালিকাৰ পৰা নাম কৰ্তনৰ বাবে ৭ নং প্ৰ পত্ৰ, ভোটাৰ তালিকাত সন্নিবিষ্ট তথ্য সংশোধনীৰ বাবে ৮নং প্ৰপত্ৰ আৰু একেটা সমষ্টিৰ ভিতৰত অন্য ভোটকেন্দ্ৰলৈ ঠিকনা সলনিৰ বাবে ৮(ক) নং প্ৰপত্ৰৰ জৰিয়তে আবেদন কৰিব পাৰিব। নতুন ভোটাৰৰ নামপঞ্জীয়নৰ বাবে www.nvsp.in অথবা Voter Helpline Appৰ জৰিয়তেও ৬ নং প্ৰপত্ৰ পূৰণ কৰিব পাৰিব। ভোটাৰ তথা জনসাধাৰণৰ বাবে ভোটাৰ তালিকাত নাম-ভৰ্তি, নাম-কৰ্তন, তথ্য সংশোধনী তথা ঠিকনা সলনিৰ দাবী উত্থাপন তথা আপত্তি দাখিলৰ অন্তিম দিন অহা ১৫ ডিচেম্বৰ ধাৰ্য কৰিছে নিৰ্বাচন আয়োগে। এই দাবী তথা আপত্তি নিষ্পত্তি প্ৰক্ৰিয়া ৫ জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰি ১৪ জানুৱাৰীত পৰিপূৰক তালিকা প্ৰস্তুত কৰিব নিৰ্বাচক পঞ্জীয়কৰ কাৰ্যালয়ে। ইয়াৰ পাছতে ১৫ জানুৱাৰীত মাজুলী বিধান সভা সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা-২০২১ প্ৰকাশ পাব।

**কামৰূপ মহানগৰ নিৰ্বাচন জিলা ঃ খচৰা ভোটাৰ তালিকা প্ৰকাশ**

**দৈনন্দিন বাৰ্তাৰ সেৱা ঃ** ফটোযুক্ত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ উদ্দেশ্যে কামৰূপ মহানগৰ নিৰ্বাচন জিলাৰ জিলা নিৰ্বাচন বিষয়া তথা জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে আজি জিলাখনৰ অন্তৰ্গত ৫১ নং জালুকবাৰী বিধানসভা সমষ্টি, ৫২ নং দিশপুৰ বিধানসভা সমষ্টি, ৫৩ নং গুৱাহাটী পূব বিধানসভা সমষ্টি আৰু ৫৪ নং গুৱাহাটী পশ্চিম বিধানসভা সমষ্টিৰ ভোটাৰ তালিকা তথা নিৰ্বাচক নামাৱলীৰ খচৰা প্ৰকাশৰ জাননী জাৰি কৰিছে। এইখচৰা ভোটাৰ তালিকা কামৰূপ মহানগৰ নিৰ্বাচন জিলাৰ জিলা নিৰ্বাচন বিষয়াৰ কাৰ্যালয়, সংশ্লিষ্ট বিধানসভা সমষ্টিকেইটাৰ নিৰ্বাচক পঞ্জীয়ন বিষয়া তথা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু সমষ্টি সমূহৰ সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত কাৰ্যালয় খোলা থকা সময়ত ৰাইজৰ দৰ্শনৰ বাবে ৰখা হব। ভোটাৰ তালিকা তথা নিৰ্বাচক নামাৱলীৰ প্ৰস্তুতকৰণৰ অৰ্হতাৰ তাৰিখ হৈছে ০১-০১-২০২১। যদি কোনো অৰ্হতা সম্পন্ন ব্যক্তিৰ ভোটাৰ তালিকা তথা নিৰ্বাচক নামাৱলীত নাম অন্তৰ্ভুক্তিৰ বাবে কোনো দাবী বা আপত্তি থাকে অথবা প্ৰবিষ্ট বিৱৰণৰ শুধৰণী কৰিবলগীয়া থাকে বা একেটা সমষ্টিৰ ভিতৰত নাম স্থানান্তৰ কৰিব বিচাৰে তেতিয়াহলে নিৰ্ধাৰিত প্ৰ-পত্ৰ নং ৬, ৬(ক], ৭, ৮ আৰু ৮(ক) পূৰণ কৰি ১৮-১১-২০২০ তাৰিখৰ পৰা ১৫-১২-২০২০ তাৰিখৰ ভিতৰত দাখিল কৰিব পাৰিব। দাবী আপত্তি সমূহ আবেদনকাৰীয়ে সংশ্লিষ্ট বিধানসভা সমষ্টিসমূহৰ নিৰ্বাচক পঞ্জীয়ন বিষয়া তথা ৰাজহ চক্ৰ বিষয়া অথবা ভোটগ্ৰহণ কেন্দ্ৰসমূহত নিযুক্তি দিয়া মনোনীত বিষয়াৰ ওচৰত নিৰ্দ্ধাৰিত তাৰিখ ১৫-১২-২০২০ৰ ভিতৰত দাখিল কৰিব পাৰিব। তদুপৰি, আবেদনকাৰীয়ে অনলাইন যোগেও www.nvsp.inত দাবী-আপত্তিদাখিল কৰিব পাৰিব। ০৫-০১-২০২১ তাৰিখৰ ভিতৰত দাবী-আপত্তিসমূহনিষ্পত্তিকৰি ১৫-০১-২০২১ তাৰিখে সংশ্লিষ্ট সমষ্টিকেইটাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব বুলি আজি প্ৰকাশিত জাননীখনত কোৱা হৈছে।

**বিটিচি নিৰ্বাচন ঃ ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ ঃ** আজি বিজনী মহকুমাধিপতি কাৰ্যালয়ত নিৰ্বাচনী বিষয়া মৌসম পাতিম বড়া বিজনীৰ মহকুমাধিপতি ধ্ৰুৱজ্যোতি দাস আৰু প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত আগন্তুক বিটিচি নিৰ্বাচন বিজনী সমষ্টিৰ ৪টা এমচিএলএ সমষ্টিৰ ২০২০ৰ ভোটাৰ তালিকা প্ৰতিলিপি প্ৰকাশ কৰে। ৪টা এমচিএলএ পৰিষদীয় সমষ্টিবিলাক হ'ল ১৯ নং থুৰীবাড়ী সমষ্টি, ১৮ নং মানাস চেলফাং সমষ্টি, ১৭সুপাইখাৰ সমষ্টি আৰু ১৬ নং নিশিমা সমষ্টি। বিজনী সমষ্টিত মুঠ ভোটাৰ ২,০০৯৬২ জন। তাৰ মাজত পুৰুষ হ'ল ১,০১৪৯২ জন আৰু মহিলা হল ৯৯,৪৭০ জন। বিটিচি পৰিষদীয় নিৰ্বাচনত ৪টা সমষ্টিৰ মুঠ পুলিং ষ্টেচন ২৩৩টা আৰু ৪টা সমষ্টিত ২২ জনৰ দায়িত্বত আছে।

# এৰিবনে আছু, নে

তথা সংগঠনটোৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই বিগত সময়ত আছুৰ পৰা অব্যাহতি লোৱাৰ কথা ঘোষণা কৰিছিল [illegible]

[illegible]

# ছাত্ৰ সন্থাৰ দুলীয়াজান

[illegible]

# শংকৰদেৱৰ কলাক্ষেত্ৰত অসম

[illegible]

আমি কোনো আশাপ্ৰদ ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই।' আজি গুৱাহাটী পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ চৌহদত অসম সাহিত্য সভাৰ এটি গ্ৰন্থ বিপণী উদ্বোধন কৰি অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই এইদৰে কয়। ভাষণ প্ৰসংগত সভাপতি ড° শইকীয়াই কয়—'অসম সাহিত্য সভাৰ বিশ্বকোষ, অৰুনোদয়, সাহিত্য সভাৰ ইতিহাস, জোনাকী, অসমৰ সাংস্কৃতিক ইতিহাসকে ধৰি বহু মূল্যবান গ্ৰন্থ আমি আমাৰ কাৰ্যকালত পাঠকৰ কাষলৈ লৈ যোৱাৰ পৰিকল্পনা কৰিছোঁ। তাৰেই অংশ হিচাপে আমি দেশী-বিদেশী পৰ্যটক তথা অসমৰ সহৃদয়বান ৰাইজৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু শংকৰদেৱ কলাক্ষেত্ৰত সাহিত্য সভাৰ এই গ্ৰন্থ বিপণী আজি উন্মোচন কৰা হৈছে। আশা কৰিছোঁ এই গ্ৰন্থ বিপণীয়ে অসমীয়া ভাষা-সাহিত্যৰ বিকাশ বিস্তৃতিত সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰিত কৰিব।' অসম সাহিত্য সভাৰ সচিব চন্দন শৰ্মাই আঁত ধৰা অনুষ্ঠানটোৰ প্ৰাৰম্ভণিতে আদৰণি ভাষণ দিয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে। ভাষণ প্ৰসংগত ঠাকুৰে অসম সাহিত্য সভাই গ্ৰন্থ বিপণী স্থাপনাৰ বাবে গ্ৰহণ কৰা পদক্ষেপক শলাগ জনায়। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাক বৃহত্তৰ পাঞ্জাবাৰী শাখা সাহিত্য সভা আৰু শংকৰদেৱ কলাক্ষেত্ৰই ফুলাম গামোছাৰে আদৰণি জনায়। ইফালে অসম সাহিত্য সভাৰ তৰফৰ পৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাৰ অন্তত সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই শংকৰদেৱ কলাক্ষেত্ৰত গ্ৰন্থ বিপণী স্থাপন প্ৰসংগই অসম সাহিত্য সভা আৰু শংকৰদেৱ কলাক্ষেত্ৰৰ মাজত সম্পৰ্ক অধিক সুদৃঢ় কৰিলে বুলি উল্লেখ কৰে। ভাষণ প্ৰসংগত শৰ্মাই শিৱসাগৰত এজন ব্যক্তিৰ হাতত অসুৰক্ষিত হৈ থকা অসম সাহিত্য সভাৰ সভাপতিসকলৰ (একাংশ) অভিভাষণৰ ৰেকৰ্ডিং সংৰক্ষণ কৰিবলৈ কলাক্ষেত্ৰৰ সচিবক মুকলি আহ্বান জনায়। আনহাতে আজিৰ এই অনুষ্ঠানতে শংকৰদেৱ কলাক্ষেত্ৰ কৰ্তৃপক্ষৰ সন্মতি সাপেক্ষে জানুৱাৰীৰ প্ৰথম সপ্তাহত অসম সাহিত্য সভাৰ উদ্যোগত আৰু কলাক্ষেত্ৰ কৰ্তৃপক্ষৰ সহযোগত এক বিশেষ সাহিত্য অনুষ্ঠান অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক মনজিৎ সিং, বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তী, অসম সাহিত্য সভাৰ প্ৰকাশন সমিতিৰ কাৰ্যকৰী সভাপতি ড° গংগাপদ দেৱচৌধুৰী, উপ-সভাপতি ড° নমিতা ডেকা, আহ্বায়ক দেৱজিৎ বৰা, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি দাসো কলিতা, বৰ্ষীয়ান ব্যক্তি অমিয় বৰ্মণ, সুৰেন্দ্ৰমোহন মহন্ত, মহেন্দ্ৰ নাথ বৰা, বৃহত্তৰ পাঞ্জাবাৰী শাখা সভাৰ সভাপতি ডাঃ ভবেন্দ্ৰ দেৱশৰ্মা, সম্পাদক দীপ্তি বৰাকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে সাহিত্যৰ বিকাশ-বিস্তৃতিৰ প্ৰতি লক্ষ্য ৰাখি অসম সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ উদ্যোগত ইতিমধ্যে সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱনত এটি গ্ৰন্থ বিপণী ইতিপূৰ্বেই উদ্বোধন কৰা হৈছে। ইয়াৰ পৰৱৰ্তী সময়ত পৰিকল্পিতভাৱে ধুবুৰী আঞ্চলিক কাৰ্যালয়, বাক্সা আঞ্চলিক কাৰ্যালয়, ৰাংছিনা ভৱন, উত্তৰ লক্ষীমপুৰ কাৰ্যালয়ত গ্ৰন্থ বিপণী শুভাৰম্ভ কৰা হ'ব।

# হঠাৎ শিৱসাগৰত বিত্ত-স্বাস্থ্য


গৌৰৱস্বৰূপ টাই যাদুঘৰ নামৰ পুৰাতাত্ত্বিক সমল সংৰক্ষণ কৰা ভৱনটোৰ চূড়ান্ত দুৰৱস্থা, জহি-খহি যোৱা পৰিস্থিতিৰ বুজ লবলৈ আজি হঠাৎ শিৱসাগৰত উপস্থিত হ'ল ৰাজ্যৰ বিত্ত, স্বাস্থ্য আৰু শিক্ষা বিভাগৰ মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। আজিৰ পৰা এটা মাহৰ পূৰ্বে স্থানীয় যুৱদ'লত আয়োজিত এক অনুষ্ঠানত অংশ লৈ হঠাৎ কাষতে থকা টাই যাদুঘৰ প্ৰত্যক্ষ কৰিবৰ বাবে প্ৰৱেশ কৰাৰ সময়তেই মন্ত্ৰী শৰ্মাৰ দৃষ্টিগোচৰ হৈছিল চৰকাৰী অৱহেলাত মৃত্যুৰ মুখলৈ আগবাঢ়ি যোৱা গৃহটোৰ প্ৰকৃত ছবি। ইয়াৰ পিছতেই সেইদিনাই বিভাগীয় কৰ্তৃপক্ষক এনে দুৰৱস্থাৰ বাবে জৱাবদিহি কৰি আজি দ্বিতীয়বাৰৰ বাবে পুনৰ উপস্থিত হলহি টাই যাদুঘৰৰ চৌহদত। বিভাগীয় আয়ুক্ত সচিব প্ৰীতম শইকীয়াক লগত লৈ উপস্থিত হোৱা মন্ত্ৰী শৰ্মাই লগত লৈ অনা পৰিকল্পনা বিষয়া মণ্ডলীৰ আগত সদৰি কৰিলে। উল্লেখ্য যে গুৱাহাটীৰ পৰা হেলিকপ্তাৰযোগে পোনে পোনে আহি অএনজিচিৰ হেলিপেডত অৱতৰণ কৰাৰ পিছতেই মন্ত্ৰী গৰাকী উপস্থিত হৈছিলহি টাই যাদুঘৰত। আয়ুক্ত সচিব প্ৰিতম শইকীয়া, জিলা সাংস্কৃতিক বিষয়া যজ্ঞেশ্বৰ গগৈ, জিলা উপায়ুক্ত লক্ষীনন্দন গগৈ, অতিৰিক্ত উপায়ুক্ত বিদিত দাসৰ লগতে সাংস্কৃতিক বিভাগৰ আন বহু বিষয়াসহিতে মন্ত্ৰী গৰাকীৰ লগত উপস্থিত আছিল ৰাজ্যিক মন্ত্ৰী যোগেন মহন, সাংসদ তপন গগৈ, থাওৰা সমষ্টিৰ বিধায়ক কুশল দুৱৰী, সোনাৰি সমষ্টিৰ বিধায়িকা নৱনিতা সন্দিকৈ, বিজেপি নেত্ৰী সুৰভী ৰাজকুমাৰী, যুৱনেতা ময়ুৰ বৰগোঁহাই। টাই যাদুঘৰত প্ৰৱেশ কৰিয়েই পোনে পোনে ক্ৰমাৎ অৱহেলাৰ বাবেই মৃত্যুমুখী যাত্ৰা আৰম্ভ কৰা টাই যাদুঘৰৰ এই দুৰৱস্থাৰ সৰ্ন্দভত সাংস্কৃতিক বিষয়া যজ্ঞেশ্বৰ গগৈৰ পৰা ইয়াৰ সুদুত্তৰ বিচাৰে। সম্পূৰ্ণৰূপে বিভাগীয় প্ৰশাসনিক অজ্ঞতাৰে এই সৰ্ন্দভত মন্ত্ৰী গৰাকীৰ সন্মুখত কোনো সুদোত্তৰ দিব নোৱাৰাত মন্ত্ৰী শৰ্মাৰ কৰ্কথনাৰ সন্মুখীন হ'ব লগা হয়। আন নালাগে মন্ত্ৰী শৰ্মাই এই সৰ্ন্দভত জিলা উপায়ুক্তৰ পৰাও কঠোৰভাৱে এই অচলাৱস্থাৰ প্ৰকৃত কাৰণ উল্লেখ কৰিবলৈ নিৰ্দেশ দিয়ে। বিষয়া মণ্ডলীৰ পৰা টাই যাদুঘৰৰ আভ্যন্তৰীণ দুৰৱস্থাৰ বুজ লৈ এইবাৰ মন্ত্ৰী গৰাকী উপস্থিত হয় যাদুঘৰটোৰ পিছফালে। ইয়াতেই ড০ হিমন্ত বিশ্ব শৰ্মাই সাংস্কৃতিক বিভাগৰ মন্ত্ৰী নৱ দলৈৰ লগতে সাংস্কৃতিক বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে আলোচনা কৰি যুগুত কৰা পৰিকল্পনাও বিষয়া-মণ্ডলীৰ আগত সদৰী কৰে। এই পৰিকল্পনা অনুসৰি টাই যাদুঘৰৰ পিছফালে খালি থকা অংশটোত সদ ব্যৱহাৰ কৰি শিশুৰ উপযোগীকৈ এখনি উদ্যান নিৰ্মাণৰ পৰিকল্পনাৰ কথা উল্লেখ কৰাৰ লগতে টাই যাদুঘৰটো আৰু উন্নত পৰিকল্পনাৰে সম্পূৰ্ণ আধুনিকীকৰণেৰে দেশী-বিদেশী পৰ্যটকৰ বাবে আকৰ্ষণীয় কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। গুৱাহাটীৰ পৰাই তৈয়াৰ কৰি অনা পৰিকল্পনাৰ আধাৰত আগন্তুক ১০ ৰ পৰা ১৫ দিনৰ ভিতৰত সেই পৰিকল্পনা কাৰ্যকৰীকৰণৰ চূড়ান্ত নিৰ্দেশ প্ৰদান কৰা মন্ত্ৰী গৰাকীয়ে আগন্তুক দিনত টাই যাদুঘৰত দেশী-বিদেশী পৰ্যটকৰ মনোৰঞ্জনৰ বাবেও পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। বিশেষকৈ টাই যাদুঘৰক সম্প্ৰসাৰণ কৰা, ভিতৰত অডিঅ ভিজুৱেলৰ ব্যৱস্থাৰ লগতে শিৱসাগৰৰ টাই যাদুঘৰৰ ভিতৰত থকা সংৰক্ষিত পৌৰাণিক সমল সমূহকলৈ গৱেষক সকলেও যাতে গৱেষণাৰ আধাৰ হিচাপে ব্যৱহাৰ কৰিব পাৰে সেই ব্যৱস্থাও শিৱসাগৰৰ টাই যাদুঘৰত উপলব্ধ হোৱাৰ কথা অৱগত কৰে মন্ত্ৰী শৰ্মাই। আনহাতে বিদ্যুতৰ বিল অনাদায়ৰ বাবে দীৰ্ঘ সময় ধৰি অন্ধকাৰত বুৰ গৈ থকা যাদুঘৰৰ অনাদায় বিল চৰকাৰী শিতানৰ পৰা আদায় দিয়া, টাই যাদুঘৰত কিউৰেটৰ আৰু নেৰেটৰ নিযুক্তি দিয়াৰ লগতে পূৰ্বৰ এডভাইজাৰী কমিটি ভংগ কৰি মেনেজমেণ্ট সমিতিৰ হাতলৈ সম্পূৰ্ণ ক্ষমতা অৰ্পণ কৰাৰ লগতে কেতবোৰ গুৰুত্বপূৰ্ণ নীতি নিৰ্দেশনা জাৰি কৰে মন্ত্ৰী গৰাকীয়ে। সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত শিৱসাগৰবাসীৰ আৱেগ-অনুভূতি জড়িত টাই যাদুঘৰৰ স্বকীয়তা সম্পূৰ্ণৰূপে ৰক্ষা কৰি এই একে স্থানতেই অত্যাধুনিক কাৰুকাৰ্যৰে অধিক আকৰ্ষণীয়ৰূপত সজাই-পৰাই তোলাৰ ওপৰত গুৰুত্ব দিয়াৰ কথা উল্লেখ কৰে। একে সময়তে মন্ত্ৰী গৰাকীয়ে টাই যাদুঘৰত পূৰ্ণ পৰ্যায়ত বিষয়া-কৰ্মচাৰী নিযুক্তি দিয়াৰ লগতে খালি পদ সমূহো অচিৰেই নিযুক্তি দিয়াৰ কথাও সাংবাদিকৰ আগত ব্যক্ত কৰে। বিপদজনক অৱস্থাত হিমন্ত বিশ্বৰ টাই যাদুঘৰ পৰিদৰ্শনঃ শিৱসাগৰ টাই যাদুঘৰ পৰিদৰ্শনৰ সময়চোৱাত শীৰ্ষ বিষয়া-মণ্ডলীৰ সৈতে মন্ত্ৰী গৰাকী যাদুঘৰৰ পিছফালে উপস্থিত হোৱাৰ সময়তেই পোহৰলৈ আহে এক ভয়ংকৰ দৃশ্য। বিষয়া-মণ্ডলীৰ সৈতে থিয় হৈয়েই উন্নিতকৰণৰ গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হৈ থকাৰ সময়তেই মন্ত্ৰী গৰাকীৰ মূৰৰ পৰা দুফুট উচ্চতাতেই ওলমি আছিল ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চাৰিডালকৈ বিদ্যুঠ পৰিবাহী তাঁৰ। কিন্তু হঠাতে একাংশ সাংবাদিকে এই বিপদজনক দৃশ্যৰ কথা মন্ত্ৰী গৰাকীক অৱগত কৰাত তাৎক্ষণিকভাৱে মন্ত্ৰী গৰাকীয়ে উপায়ুক্ত সহিতে আন বিষয়াক এইয়া কি হৈছে বুলি মন্তব্য কৰাৰ লগতে তাৎক্ষণিকভাৱে আজিৰ ভিতৰতে এই বিপদজনক তাঁৰ কেইডাল ইয়াৰ পৰা স্থানান্তৰিত কৰাৰ বাবে নিৰ্দেশ দিয়ে। আটাছু-কল্যাণ পৰিষদৰ স্মাৰক পত্ৰঃ শিৱসাগৰ ভ্ৰমণৰত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আজি টাই যাদুঘৰ প্ৰাঙ্গণতেই সাক্ষাৎ কৰে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি লিটুল বুঢ়াগোঁহাইৰ নেতৃত্বত এটা সজাতি দলে। দলটোৱে মন্ত্ৰী গৰাকীক ঐতিহাসিক শিৱসাগৰ বৰপুখুৰীৰ পাৰত থকা কেন্দ্ৰীয় কাৰাগাৰ স্থানান্তৰিত কৰা, শিৱদ'লৈ ভাবুকি সৃষ্টি কৰা যমুনাক বে-দখলমুক্ত কৰা, টাই যাদুঘৰক পূৰ্ণ পৰ্যায়ত সঁজাই তোলা, গড়গাঁৱৰ কাৰেংঘৰৰ কাষত থকা উজনি অসম বিদ্যুৎ বিতৰণ সংস্থাৰ পাৱাৰ হাউছ স্থানান্তৰিত কৰাৰ লগতে শিৱসাগৰ জিলাখনৰ বিভিন্ন স্থানত থকা পুৰাতাত্ত্বিক এলেকাক বে-দখলমুক্ত কৰাৰ দাবী উল্লেখিত এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। ইফালে উজনি অসম মুছলি কল্যাণ পৰিষদৰ হৈ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি মণিৰুল ইছলাম বড়াই আজান পীৰ ক্ষেত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এশ কোটি টকা অনুদান প্ৰদান কৰিবলৈ দাবী জনোৱাৰ লগতে মাহমৰা সমষ্টিৰ অৰ্ন্তগত গড়মূৰত থকা চৰকাৰী ভূমিৰ ৬০ বিঘা আৱণ্টন দিবলৈ এখনি স্মাৰক পত্ৰ প্ৰদান কৰে।

# কেতিয়া হ'ব দশম-দ্বাদশৰ চূড়ান্ত পৰীক্ষা, নিৰুত্তৰ চিবিএছই

**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** বিভ্ৰান্তিৰ সৃষ্টি হৈছে আগন্তুক দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ বাবে। বিভিন্ন সামাজিক মাধ্যমত বিয়পিছে নতুন তথ্য। কিন্তু চিবিএছ ই অৰ্থাৎ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা সংসদ নীৰৱ হৈ আছে। প্ৰাপ্ত তথ্য মতে চি বিএছ ইৰ কৰ্তৃপক্ষই ২০২১ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ দ্বিতীয়াৰ্ধৰ পৰা মাৰ্চ মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত এইবাৰৰ চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰিব। সাধাৰণতে পূৰ্বে মাৰ্চ মাহত লিখিত পৰীক্ষাসমূহ অনুষ্ঠিত হয় আৰু জানুৱাৰী-ফেব্ৰুৱাৰী মাহৰ ভিতৰত লেবৰেটৰীৰ ব্যৱহাৰিক পৰীক্ষাসমূহ সমাপ্ত কৰা হয়। চলিত বৰ্ষৰ ক'ৰ'ণা ভাইৰাছৰ সংক্ৰমণ আৰু লকডাউনৰ বাবে চিবিএছই কৰ্তৃপক্ষই দশম-দ্বাদশ শ্ৰেণীৰ আটাইকেইটা বিষয়ৰ চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰিব পৰা নাছিল। আগন্তুক সময়ত তেনেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব নেকি, তাক লৈ বিভ্ৰান্তিত পৰিছে সাধাৰণ ৰাইজ। ছাত্ৰ-ছাত্ৰীসকলো চিন্তিত হৈছে। বিশেষকৈ সামাজিক মাধ্যমত বিয়পি পৰা অকৰ্তৃত্বশীল সংবাদৰ বাবে সৃষ্টি হোৱা বিভ্ৰান্তি দূৰ কৰিবলৈ অভিভাৱকসকলে আহ্বান জনাইছে কৰ্তৃপক্ষক।


## মাউথৱাশ্বৰ দ্বাৰা ক'ৰ'ণা হত্যা !

**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** ক'ৰ'ণা ভাইৰাছৰ প্ৰতিষেধক আৰু পথ্য বিচাৰি বিশ্ববাসী হাবাথুৰি খাইছে। কিন্তু সচৰাচৰ ব্যৱহাৰ কৰা মাউথৱাশ্বৰ দ্বাৰাই বোলে ক'ৰ'ণা ভাইৰাছ নিধন কৰিব পাৰি। মাত্ৰ ৩০ ছেকেণ্ডৰ ব্যৱধানত ক'ৰ'ণা ভাইৰাছ নিমিষতে নোহোৱা হয় বুলি শেহতীয়াকৈ



প্ৰকাশ কৰিছে লণ্ডনৰ কাৰ্ডিফ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা। এই সম্পৰ্কত প্ৰকাশ কৰিছে গৱেষণা পত্ৰ। মাউথৱাশ্বত থকা বীজাণুনাশক সামগ্ৰীৰ সন্মুখত ক'ৰ'ণা ভাইৰাছ তিষ্ঠি থাকিব নোৱাৰে। গৱেষণাগাৰত এইকথা প্ৰমাণিত হোৱা বুলিও দাবী কৰা হৈছে। অৱশ্যে এই দাবীৰ সম্পৰ্কত লক্ষ্যণীয় হ'ব বিশ্ববাসীৰ স্থিতি।

## বতৰৰ পৰিৱৰ্তন ঃ অক্সফোৰ্ডৰ ছাত্ৰই অগ্ৰাহ্য কৰিলে গো-ভেড়াৰ মাংস খাবলৈ




**লণ্ডন, ১৮ নৱেম্বৰ ঃ** গো মাংস আৰু ভেড়াৰ মাংস খাবলৈ অস্বীকাৰ কৰিছে অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যয়নৰত অধিকাংশ শিক্ষাৰ্থীয়ে। জলবায়ুৰ লগতে বতৰৰ পৰিৱৰ্তনৰ বাবেই এনেধৰণৰ মাংসৰ আৱশ্যকতা নাই বুলি ছাত্ৰ সমাজে সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশেষকৈ শিক্ষাৰ্থীৰ আৱাস তথা বিশ্ববিদ্যালয় চৌহদৰ কেণ্টিনত যাতে এনে মাংসৰ প্ৰচলন বন্ধ কৰা হয় তাৰ বাবে সমুহীয়াভাৱে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰাপ্ত তথ্য মতে বিশ্ববিদ্যালয় চৌহদত ১২ হেজাৰতকৈ অধিক শিক্ষাৰ্থী আছে। এই শিক্ষাৰ্থীসকলে প্ৰতি পষেকত একোখনকৈ সমুহীয়া সভাত অংশ গ্ৰহণ কৰে। বিভিন্ন সমস্যাৰ লগতে শৈক্ষিক বিষয়তো হয় আলোচনা। এইবাৰ আলোচনাৰ বিষয় আছিল বিশ্ববিদ্যালয় চৌহদত যোগান ধৰা খাদ্য সামগ্ৰীৰ উপকৰণ। অধিকাংশ শিক্ষাৰ্থীয়ে গো-মাংস আৰু ভেড়াৰ মাংস খাবলৈ অস্বীকাৰ কৰিছে। তেওঁলোকে ভোটৰ জৰিয়তে গ্ৰহণ কৰিছে সিদ্ধান্ত। এই বিষয়ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অৱগত কৰা হৈছে। কিন্তু কৰ্তৃপক্ষই ছাত্ৰ সমাজৰ এনে দাবী কেনেভাৱে গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্যণীয় বিষয়।

## সংক্ষিপ্ত সংবাদ

### বানত আবদ্ধ কুকুৰক উদ্ধাৰ

**মেক্সিকো, ১৮ নৱেম্বৰ ঃ** দক্ষিণ-পূব মেক্সিকোৰ নগৰীয়া অঞ্চলত কৃত্ৰিম বানত আবদ্ধ এটা কুকুৰক উদ্ধাৰ কৰা কাৰ্যই প্ৰশংসা বুটলিছে বিভিন্ন মহলৰ। এই সম্পৰ্কীয় এটা ভিডিঅ' ভাইৰেল হৈছে আৰু বিশ্বৰ বিভিন্ন স্থানৰ পৰাস শলাগ লোৱা দেখা গৈছে। আমেৰিকাৰ বাস্কেটবল খেলুৱৈ ৰেক্স ছাপমেনৰ জৰিয়তে ভাইৰেল হৈছেএই ভিডিঅ'টো। ডিঙিলৈকে পানীত ডুবি থকা কুকুৰ এটাই শীতৰ বাবে একপ্ৰকাৰ মৃত্যুমুখী হৈ



পৰিছিল। তেনে সময়তে উদ্ধাৰকাৰী দলৰ চকুত পৰে আৰু কৌশলেৰে নিজৰ নাওলৈ আনিবলৈ সক্ষম হয়। ফলস্বৰূপে অসহায় কুকুৰটোৰ প্ৰাণ ৰক্ষা পৰে আৰু এই কাৰ্যই উদ্ধাৰকাৰীসকলৰ মানৱতাবোধ আৰু জীৱজন্তুৰ প্ৰতি থকা স্নেহ প্ৰতিফলতি কৰিছে।

### পিজা ভালপোৱা এন্দুৰ


**নিউয়ৰ্কা, ১৮ নৱেম্বৰ ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা এন্দুৰে বৃহৎ আকাৰৰ এটা পিজা উদৰস্থ কৰিছে। এই দৃশ্য ভাইৰেল হৈছে সৰ্বত্ৰে। অৱশ্যে



এই এন্দুৰটো এলাপেচা নহয়। দেশখনৰ প্ৰতিষ্ঠিত তথা জনপ্ৰিয় অভিনেতা জনথন লিঅ'নে নিজকে এন্দুৰৰ ৰূপত সজাই তুলিছে। উপেক্ষিত জীৱ হ'লেও এন্দুৰেও যে পিজাৰ দৰে অত্যাধুনিক দামী খাদ্যবস্তু খাবৰ বাবে যোগ্য আৰু আশা কৰে সেই বাৰ্তাকে প্ৰতিফলিত কৰিব খোজা হৈছে। উল্লেখ্য যে এন্দুৰৰ সাজত নিজকে এনেদৰে পিজা খাই থকা অৱস্থাত অভিনয় কৰি এতিয়া প্ৰশংসা বুটলিছে লিঅ'নে।

### কেবিচি-১২ত জুহি চাওলা

**মুম্বাই, ১৮ নৱেম্বৰ ঃ** কেবিচি অৰ্থাৎ কৌন বনেগা ক্ৰোৰপতি শীৰ্ষক বিগ-বি অমিতাভ বচ্চনৰ ৰিয়েলিটি শ্ব'ত আবিৰ্ভাৱ ঘটিল জনপ্ৰিয় অভিনেত্ৰী জুহি চাওলাৰ। ৰাজস্থানৰ প্ৰতিযোগী মোহিত কুমাৰ জয়ছোৱালে উক্ত ৰিয়েলিটি শ্ব'ত অংশ লৈ দহটা প্ৰশ্নৰ শুদ্ধ উত্তৰ দিবলৈ সক্ষম হৈছিল। কিন্তু একাদশ প্ৰশ্নটোৰ উত্তৰ শুদ্ধকৈ দিব নোৱাৰাৰ বাবে প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব লগা হ'ল। প্ৰশ্নটো আছিল এই যে তলত উল্লেখ কৰা কোনটো ফুলৰ নাম— উত্তৰকেইটা আছিল কৰিশ্মা, জুহি,




কৰীণা আৰু জয়া। প্ৰতিযোগীজনে বিমোৰ পৰে আৰু শুদ্ধ উত্তৰ দিব নোৱাৰিলে। পিছত অমিতাভে ঘোষণা কৰে শুদ্ধ উত্তৰটো- জুহি। অভিনেত্ৰী জুহি চাওলাৰ নামৰ সৈতে সামঞ্জস্য থাকিলেও জুহি নামৰ এবিধ ফুল ঘৰুৱা বাগিচাসমূহত জলমলা ফুলি থাকে। এই জুহি ফুলৰ অন্য এটা নাম হ'ল জামিনী মলি। এই উত্তৰ পিছতে জুহি চাওলাই টুইটাৰৰ জৰিয়তে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে এনেদৰে— চোৱা, আজি মই কেবিচিৰ মজিয়াত আছো।

## কেঁচামাছ খোৱা মন্ত্ৰী দিলীপ ৰেডাৰাচ্চী

**কলম্বো, ১৮ নৱেম্বৰ ঃ** শ্ৰীলংকাৰ এগৰাকী ৰাজনৈতিক নেতাই কেঁচা মাছ ভক্ষণ কৰিছে। এই ভক্ষণৰ তথ্য আৰু দৃশ্যই খলকনি তুলিছে সৰ্বত্ৰে। নেতাজনৰ নাম হ'ল দিলীপ ৰেডাৰেচ্চী। শ্ৰীলংকা চৰকাৰৰ প্ৰাক্তন মীন মন্ত্ৰী। ৰাজহুৱা স্থানত মাছৰ উপকাৰিতাৰ বিষয়ে বসানিবলৈ গৈ নেতাজনে কেঁচা মাছ কামুৰি চোবাই খাই দেখুৱাইছে। তেওঁৰ বক্তব্য হ'ল এয়া যে ক'ৰ'ণা ভাইৰাছৰ পৰা মুক্ত হৈ থাকিবলৈ হ'লে সাগৰীয় খাদ্য তথা সাগৰীয় মাছ খোৱাটো অতি প্ৰয়োজনীয়। কাৰণ এনে মাছত ক'ৰ'ণা ভাইৰাছ নাথাকে। বৰঞ্চ এনে মাছ ভক্ষণ কৰিলে নিজৰ শাৰীৰিক অৱস্থা টনকিয়াল হয় আৰু ক'ৰ'ণা ভাইৰাছ




নিয়ন্ত্ৰণ কৰিব পাৰি। উল্লেখ্য যে দ্বীপ ৰাষ্ট্ৰখনত ১৮ হাজাৰতকৈ অধিক বাসিন্দা ক'ৰ'ণা ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছে। কলম্বোৰ এখন মাছৰ বজাৰত এই ভাইৰাছ সংক্ৰমিত হোৱাৰ বাবে গ্ৰাহকৰ অভাৱত মাছৰ বজাৰখন বন্ধ হৈ গৈছে। ফলত বহুতো মাছ এতিয়া বিক্ৰী নোহোৱাকৈয়ে নষ্ট হৈছে। কিন্তু মাছৰ জৰিয়তে ক'ৰ'ণা ভাইৰাছৰ সংগ্ৰমণ নহয় আৰু ৰাইজে মাছ ভক্ষণ কৰাৰ আৱশ্যকতাৰ বিষয়ে বুজনি দিছে প্ৰাক্তন মন্ত্ৰীজনে। সেয়েহে উদাহৰণ দাঙি ধৰিবলৈ গৈ দিল্লীত ৰেডাৰাচ্চীয়ে নিজেই কেঁচা মাছ ভক্ষণ কৰি ৰাইজক পতিয়ন নিয়াব খুজিছে। ৰাইজ পতিয়ন গ'ল নে নাই সেই কথা জানিব পৰা হোৱা নাই যদিও কেঁচা মাছ ভক্ষণৰ বাবে এতিয়া নেতাজনৰ নাম সৰ্বাধিক চৰ্চাত থকা পৰিলক্ষিত হৈছে।

## শ্বাহৰুখৰ ঘৰত আলহী হ'ব নেকি ?



**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** জনপ্ৰিয় অভিনেতা শ্বাহৰুখ খান আৰু তেওঁৰ পত্নী গৌৰী খানৰ নিজৰ ঘৰত আপুনি অতিথি হ'ব খোজে নেকি, এৰাতি ৰাজভোগ আৰু ৰাজসুখ বিচাৰে নেকি? এই সুযোগ দিছে খান দম্পতিয়ে। নতুন দিল্লীৰ দক্ষিণ অঞ্চলত অৱস্থিত পঞ্চশীল পাৰ্কত আছে শ্বাহৰুখ-গৌৰীৰ এটা বিশাল বাসভৱন। নতুনকৈ সজাই তোলা হৈছে এই বাসভৱনটো। আগন্তুক বৰ্ষৰ ১৩ ফেব্ৰুৱাৰী তাৰিখে এই বাসভৱনত এৰাতি আতিথ্যৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। ইয়াৰ বাবে দাখিল কৰিব লাগিব এখন আবেদন আৰু লিপিবদ্ধ কৰিব লাগিব ১০০টা শব্দৰ ভিতৰত আপোনাৰ মনোভাৱ আৰু আগ্ৰহ। কি কাৰণত শ্বাহৰুখ খানৰ বাসভৱনত কটাব বিচাৰে তাৰ কাৰণ ব্যাখ্যা কৰিব লাগিব। এই সম্পৰ্কত শ্বাহৰুখ খানে ইনষ্টাগ্ৰামৰ জৰিয়তে আজি এই কথা ঘোষণা কৰিছে। তেওঁ কয় যে দিল্লীত এই ঘৰটো আৰম্ভণিতে ক্ৰয় কৰা হৈছিল আৰু গৌৰীয়ে নিজ হাতেৰে সজাইছিল। নতুনকৈ গৌৰীয়ে ঘৰটো পুনৰ সজাই তুলিছে। উল্লেখ্য যে উক্ত বাসভৱনত যদিহে এৰাতি কটাবৰ বাবে নিৰ্বাচিত হয় তেনেহ'লে অতিথিৰ ইচ্ছানুসৰি আৰু নিজৰ পছন্দৰ খাদ্যসামগ্ৰীৰ যোগান ধৰা হ'ব। শ্বাহৰুখৰ চিনেমা প্ৰত্যক্ষ কৰাৰ সুযোগ থাকিব ঘৰতে বহি। বিনিময়ত শ্বাহৰুখৰ পৰা লাভ কৰিব উপহাৰ। মুঠৰ ওপৰত খান দম্পতিৰ এই সিদ্ধান্তই তোলপাৰ লগাইছে বলীউডৰ লগতে সাধাৰণ ৰাইজৰ মাজতো।

## পদপথৰ ব্যৱসায়ীলৈ আত্মনিৰ্ভৰ নিধি

### আবেদন ২৫ লাখ, ঋণ লাভ কৰিছে ৫.৩৫ লাখে

**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** ক'ৰ'ণাকালীন সময়ৰ অৰ্থনৈতিক বিপৰ্যয়ৰ মোকাবিলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছিল কেইবাটাও পৰ্যায়ৰ আৰ্থিক পেকেজ। ইয়াৰে প্ৰধানমন্ত্ৰী পদপথ ব্যৱসায়ীৰ বাবে আত্মনিৰ্ভৰ নিধি অনুসৰি পদপথৰ ব্যৱসায়ীসকলক দহ হেজাৰ টকাকৈ ঋণ প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। চৰকাৰে এই প্ৰতিশ্ৰুতিৰ অংশ হিচাপে বৰ্তমানলৈকে ৫.৩৫ লাখ পদপথৰ ব্যৱসায়ীক ঋণ প্ৰদান কৰিছে। এই সম্পৰ্কত ভাৰত চৰকাৰৰ নিজস্ব ঘোষণা অনুসৰি সমগ্ৰ দেশৰ বিভিন্ন ৰাজ্যৰ পৰা ২৫ লাখতকৈ



অধিক লোকে উক্ত নিধিৰ জৰিয়তে ঋণ বিচাৰি আবেদনপত্ৰ দাখিল কৰিছিল। এই আবেদনসমূহৰ মাজৰে ১২ লাখ আবেদনকাৰীক ঋণ মঞ্জুৰ কৰা হৈছে। ইয়াৰে ৫.৩৫ লাখ আবেদনকাৰীকহে বৰ্তমানলৈকে দহ হেজাৰ টকীয়া ঋণ মোকলাই দিয়া হৈছে। এই সম্পৰ্কত ভাৰত চৰকাৰৰ তথ্যত প্ৰকাশ পাইছে যে কেৱল উত্তৰ প্ৰদেশতে ৬.৫ লাখতকৈ অধিক লোকে আবেদন জনাইছিল। ইয়াৰ মাজৰে ৩.২৭ লাখ আবেদনকাৰীৰ বাবে ঋণ মঞ্জুৰ কৰা হৈছে আৰু ১.৮৭ লাখ আবেদনৰ বিপৰীতে ঋণ মোকলাই দিয়া হৈছে। উল্লেখ্য যে লকডাউনৰ সময়ছোৱাত পদপথৰ ব্যৱসায়ীসকলে দিহিঙে দিপাঙে ঢপলিয়াবলগা হৈছিল। নিজৰ ক্ষুদ্ৰ ব্যৱসায়স্থলী এৰি ঘৰত আবদ্ধ থাকিব লগা হৈছিল। যাৰ বাবে আয় শূন্য হৈ পৰিছিল আৰু তেওঁলোকৰ ব্যৱসায় একেবাৰে নোহোৱা হৈছিল। চৰকাৰে তেওঁলোকক সকাহ দিবৰ বাবে সূত বিহীন ঋণ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল। নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে যদিহে পদপথৰ ব্যৱসায়ীয়ে আবেদন কৰে তেনেহ'লে দহ হেজাৰ টকালৈকে সূতবিহীন ঋণ প্ৰদান কৰাৰ কথা ব্যক্ত কৰিছিল। তাৰ ফলশ্ৰুতিতে মাৰ্চ মাহৰ দ্বিতীয়াৰ্ধৰ পৰা ছেপ্টেম্বৰ মাহলৈকে অব্যাহত থকা কঠোৰ লকডাউনৰ ক্ষয়-ক্ষতিৰ সকাহ দিয়াৰ বাবে এনেধৰণৰ দহ হেজাৰটকীয়া ঋণ মঞ্জুৰ কৰা বুলি চৰকাৰী তথ্যত প্ৰকাশ পাইছে।



*ছিৰিয়াৰ কুৰ্ডিছ শৰণাৰ্থী শিবিৰ স্থানান্তৰৰ পিছত দুটি শিশুৱে আগুৱাইছে নিজৰ অনিশ্চিত ঠিকনালৈ*

## কোভিড ভেকচিনৰ পৰীক্ষাৰ বাবে নিজকে অৰ্পণ কৰিলে হাৰিয়ানাৰ মন্ত্ৰীয়ে

**নতুন দিল্লীা, ১৮ নৱেম্বৰ ঃ** হাৰিয়ানাৰ কেবিনেট মন্ত্ৰী অনিল ভিজে দেখুৱাইছে সাহস। ক'ৰ'ণা ভাইৰাছ প্ৰতিৰোধৰ বাবে উদ্ভাৱন কৰা ভেকচিনৰ মানৱ শৰীৰত সম্পৰীক্ষাৰ বাবে নিজেক উৎসৰ্গা কৰিছে। তেওঁ ৰাজহুৱাভাৱে কয় যে ভাৰত বায়'টেক প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰস্তুত কৰা কোভাকচিন ভেকচিনৰ তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষা সমাগত। এই তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষা কৰা হ'ব মানৱ দেহত। অহা ২০ নৱেম্বৰত আৰম্ভ হ'ব লগা তৃতীয় পৰ্যায়ৰ সম্পৰীক্ষাত নিজে অংশ ল'বলৈ আগ্ৰহ প্ৰকাশ কৰিছে। এই সম্পৰ্কত তেওঁ কয় যে ভাৰতবাসীৰ লগতে বিশ্বৰ মানৱ সমাজৰ সুৰক্ষাৰ বাবে ক'ৰ'ণা ভাইৰাছ আৰু ভেকচিনৰ মাজত কোনোবাই মধ্যস্থতাকাৰীৰ ভূমিকা ল'বই লাগিব। সেই মধ্যস্থতাকাৰীজন হ'ল উদ্ভাৱন কৰা ভেকচিন মানৱ শৰীৰত সম্পৰীক্ষাৰ বাবে নিজকে অৰ্পণ কৰাজন। কোনেও যদি আগবাঢ়ি নাহে তেনেহ'লে এনে ভেকচিনৰ পৰা সুফল মানৱ জাতিয়ে কেতিয়াও লাভ কৰিব নোৱাৰিব। গতিকে দেশবাসীৰ লগতে বিশ্বৰ মানৱ জাতিৰ কল্যাণ আৰু সুৰক্ষাৰ বাবে ক'ৰ'ণা ভাইৰাছৰ সম্পৰীক্ষামূলক ভেকচিন গ্ৰহণ কৰিবলৈ তেওঁ সাজু থকা বুলি ঘোষণা কৰিছে। উল্লেখ্য যে বিগত মাৰ্চ মাহৰ পৰা ক'ৰ'ণা ভাইৰাছৰ ফলশ্ৰুতিত দেশত লক্ষাধিক লোকৰ প্ৰাণ হান হৈছে। ইয়াৰ মাজতে দিল্লী তথা উত্তৰ ভাৰতৰ



কেবাখনো ৰাজ্যত শাম কটা সংক্ৰমণে পুনৰ মূৰ দাঙি উঠিছে। হিন্দীবলয়ত বৃদ্ধি পাইছে মৃতকৰ সংখ্যা। মহাৰাষ্ট্ৰতো বৃদ্ধি হৈছে নতুন সংক্ৰমণ আৰু মৃত্যুৰ সংখ্যা। গতিকে ভেকচিনৰ বাবে দেশবাসীয়ে গভীৰ উৎকণ্ঠা আৰু আশাৰে অপেক্ষা কৰি আছে।

## মোদী-বিডেনৰ কথোপকথন

### ভাৰত-আমেৰিকাৰ সম্পৰ্ক সুদৃঢ় কৰাৰ আশ্বাস

**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পিছত প্ৰথমবাৰলৈ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সৈতে বাৰ্তালাভ কৰিলে জ' বিডেনে। এই বাৰ্তালাপত ভাৰত-আমেৰিকাৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে একেলগে যুঁজ দিয়াৰ আৱশ্যকতা দোহাৰিছে। উল্লেখ্য যে আজি টেলিফোনৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ' বিডেনক অভিনন্দন জ্ঞাপন কৰে। মোদীয়ে সেই দেশৰ নৱ নিৰ্বাচিত উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছকো প্ৰশংসা কৰে বিডেনৰ সন্মুখত। ভাৰতবাসীয়ে কমলা হেৰিছৰ বাবে গৌৰৱ অনুভৱ কৰে বুলিও নিজৰ মনোভাৱ ব্যক্ত কৰে। ইয়াৰ প্ৰত্যুত্তৰত আমেৰিকাৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতৰ ভূমিকাক শলাগ লোৱা বুলি প্ৰকাশ পাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে নিজৰ টুইটাৰৰ জৰিয়তেও এই কথা বিশ্ববাসীক অৱগত কৰিছে। আগন্তুক সময়ত ক'ৰ'ণা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰা, জলবায়ু পৰিৱৰ্তন আৰু ইণ্ডো-পেচিফিক অঞ্চলৰ সম্পৰ্ক আৰু সহযোগিতা সুদৃঢ় কৰাৰ বিষয়ত দুইজন ৰাষ্ট্ৰপ্ৰধানে সহমত প্ৰকাশ কৰে। উল্লেখ্য যে ড'নাল্ড ট্ৰাম্পক অভিলেখ সংখ্যক ভোটত পৰাভূত কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ পদলৈ নিৰ্বাচিত হৈছে ডেম'ক্ৰেট



দলৰ নেতা জ' বিডেন। একেটা দলৰে নেত্ৰী তথা ভাৰতীয় বংশোদ্ভৱ কমলা হেৰিছ নিৰ্বাচিত হৈছে দেশখনৰ নতুন উপ-ৰাষ্ট্ৰপতি হিচাপে। অৱশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধান আৰু আইন অনুসৰি বৰ্তমানলৈকে দুয়োজন নৱনিৰ্বাচিতই চৰকাৰৰ দায়িত্ব গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে অচিৰেই দায়িত্ব গ্ৰহণ কৰিবলৈ প্ৰচেষ্টা চলাই থকা পৰিলক্ষিত হৈছে।

## -৪০ ডিগ্ৰী ছেলছিয়াছ, শীতৰ পৰা সুৰক্ষাৰ বাবে বাংকাৰত আবদ্ধ ভাৰতীয় সেনা

**লাডাখ, ১৮ নৱেম্বৰ ঃ** প্ৰচণ্ড শীত নেওচি নিজৰ কৰ্তব্যত বিদ্যমান হৈ আছে ভাৰতীয় সেনা আৰু নিৰাপত্তাৰক্ষীৰ জোৱানসকল। লাডাখত এতিয়া প্ৰচণ্ড শীতপ্ৰবাহ অব্যাহত আছে। তাপমাত্ৰা নামি আহি -৪০ ডিগ্ৰী ছেলছিয়াছৰ সীমা স্পৰ্শ কৰিছে পাৰাস্তম্ভই। তেনেক্ষেত্ৰত মুকলি আকাশৰ তলত বা বৰফৰ শীতল স্তুপৰ মাজত সীমান্ত সুৰক্ষাৰ দজদায়িত্বত থকাসকলৰ অৱস্থা অভাৱনীয় হৈ পৰিছে। যাৰ বাবে শীতৰ প্ৰকোপৰ পৰা সুৰক্ষিত হ'বলৈ একাধিক বাংকাৰ নিৰ্মাণ কৰা হৈছে। উল্লেখ্য যে খোৱাপানীকে ধৰি খাদ্যসামগ্ৰী আদি বৰফত গোট মাৰি থকাটো স্বাভাৱিক পৰিঘটনা হিচাপে পৰিগণিত হৈছে। সেয়েহে বাংকাৰসমূহত বৈদ্যুতিক সংযোগ দিয়াৰ লগে লগে পানী গৰম কৰা সঁজুলি, স্বাস্থ্যৰ সুৰক্ষাৰ বাবে ঔষধ আৰু প্ৰয়োজনীয় পোছাক আদি সঠিকভাৱে মজুত ৰাখিবলৈ চৰকাৰে নিৰ্দেশ প্ৰদান কৰিছে। কৰ্তব্যত নিয়োজিতসকলে যাতে নিজৰ শাৰীৰিক অৱস্থা সুস্থিৰ আৰু ৰোগমুক্ত কৰি ৰাখিব পাৰে ইয়াৰ বাবেই বাংকাৰসমূহত



আভ্যন্তৰীণভাৱে নিৰ্দিষ্ট পৰিমাণৰ তাপৰ যোগান প্ৰদানৰ বাবেও কাৰিকৰী পদক্ষেপ গ্ৰহণ কৰা বুলি কোৱা হৈছে।

## দিল্লী চৰকাৰৰ নিৰ্দেশনা বাহাল ৰাখিলে ন্যায়ালয়ে কোভিড প্ৰট'কল অনুসৰি ষট পূজা

**নতুন দিল্লী, ১৮ নৱেম্বৰ ঃ** দিল্লী উচ্চ ন্যায়ালয়ে আজি ৰাজ্যখনৰ বিভিন্ন স্থানত ষট পূজা পালনৰ বাবে দিল্লী চৰকাৰে জাৰি কৰা পৰামৰ্শাৱলী সম্পৰ্কত কোনোধৰণৰ হস্তক্ষেপ নকৰিলে। ইয়াৰ বিপৰীতে কোভিড প্ৰট'কল অনুসৰি ষটপূজা উদযাপন কৰিবলৈ ন্যায়ালয়ে আবেদনকাৰীক পৰামৰ্শ দিছে। উল্লেখ্য যে দিল্লী চৰকাৰে অলপতে নিৰ্দেশনা জাৰি কৰিছিল এইবুলি যে ৰাজহুৱা স্থানত কোনো কাৰণতে সমজুৱাভাৱে ষটপূজা পালন কৰিব নোৱাৰিব। কাৰণ ষট পূজাৰ নীতি অনুসৰি এটা নিৰ্দিষ্ট সময়ত সকলোৱে স্নান কৰা অৱস্থাতে সূৰ্য প্ৰণাম কৰিব লাগে। গতিকে এই সময়ছোৱাত কোনেও সামাজিক দূৰত্ব মানি চলিব নোৱাৰে। লগতে কোভিড প্ৰট'কল অনুসৰি ভাইৰাছৰ সংক্ৰমণৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাও সম্ভৱ নহ'ব। ফলশ্ৰুতিত ষট পূজাৰ ধৰ্মীয় ৰীতি পালনৰ জৰিয়তে দিল্লীত কোভিড-১৯ ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। সেইবাবেই নিজৰ আৱাসত থাকিয়ে পূজাৰ ৰীতি-নীতি পালন কৰাৰ পৰামৰ্শ দিয়া হৈছে। দিল্লী চৰকাৰৰ এই নিৰ্দেশনাৰ প্ৰত্যাহ্বান জনোৱা হৈছিল ন্যায়ালয়ত। কিন্তু ন্যায়াধীশ হিমা কোহলী আৰু সুব্ৰমণিয়াম প্ৰসাদৰ খণ্ড বিচাৰপীঠে আবেদনকাৰীক হতাশ কৰে। ইয়াৰ বিপৰীতে দিল্লী চৰকাৰৰ নিৰ্দেশৰ ভিত্তিত কোভিড প্ৰট'কল সম্পূৰ্ণৰূপে মানি চলিহে যাতে ষট পূজাৰ সকলো ধামিক প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হয় তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। প্ৰণিধানযোগ্য এয়ে যে দিল্লীৰ লগতে উত্তৰ



ভাৰতৰ কেবাখনো ৰাজ্যত ষট পূজাৰ ব্যাপক আয়োজন কৰা হয়। উত্তৰপ্ৰদেশ, বিহাৰ, ৰাজস্থান, উত্তৰাখণ্ড, ঝাৰখণ্ড, পশ্চিমবংগৰ লগতে অসমতো ব্যাপকভাৱে ষট পূজা পালন কৰা দেখা যায়। কিছুদিনৰ পূৰ্বে ঝাৰখণ্ড চৰকাৰে ৰাজহুৱাভাৱে ষট পূজা পালনত নিষেধাজ্ঞা জাৰি কৰিছে। হাৰিয়ানা চৰকাৰেও ৰাজহুৱা ষটপূজাৰ অনুমতি দিয়া নাই। চলিত বৰ্ষৰ মাৰ্চ মাহৰ দ্বিতীয়াৰ্ধৰ পৰা বৰ্তমানলৈকে দেশৰ সকলো ৰাজ্যতে পূজাপাৰ্বন, উৎসৱ, সভা-সমিতি আদিত নিষেধাজ্ঞা জাৰি কৰা হৈছিল ক'ৰ'ণা ভাইৰাছৰ অত্যধিক সংক্ৰমণৰ আশংকাত। চলিত বৰ্ষৰ দুৰ্গা পূজাও অনুষ্ঠুপীয়াকৈ পালন কৰা হৈছিল। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত উদাপন কৰা বিহু তথা অন্যান্য জাতীয় আৰু পৰম্পৰাগত উৎসৱ-পাৰ্বনসমূহ স্থগিত ৰখা হৈছিল। গতিকে এইবাৰৰ ষট পূজাও ৰাজহুৱাভাৱে উদযাপনৰ অনুমতি প্ৰদান কৰা নাই চৰকাৰে। ন্যায়ালয়ৰ হস্তক্ষেপ বিচৰাৰ পিছতো চৰকাৰৰ স্থিতিকে সমৰ্থন জনোৱা পৰিলক্ষিত হ'ল।

# ভূত বাংলোত পৰিণত বৰপেটাৰ খোলাবান্ধা পশু চিকিৎসালয়

## চিকিৎসালয় চৌহদৰ ভূমি বেদখল কৰি একাংশই মেলিছে দোকান-পোহাৰ ঃ কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষ-চৰকাৰ-প্ৰশাসনৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ চেঙা সমষ্টিৰ অন্তৰ্গত খোলাবান্ধা পশু চিকিৎসালয়খন দিনক দিনে নিচিহ্ন হবলৈ ধৰাৰ লগতে চিকিৎসালয় চৌহদৰ ভূমি বেদখল হোৱাত সম্প্ৰতি ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। জানিব পৰা মতে সুদীৰ্ঘ পচিশ বছৰ ধৰি গোহালি সদৃশ বন জংঘলে আবৰি আছে চিকিৎসালয়খন। দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত দৰ্জা-খিৰিকীতো দূৰৰ কথা, চাল বিহীন চিকিৎসালয় গৃহ খনৰ ভিতৰৰ পৰা প্ৰত্যক্ষ কৰিলে দেখা যায় মুক্ত আকাশ। সম্প্ৰতি চিকিৎসালয় খন ভূত বাংলোত পৰিণত হৈছে। অঞ্চলটোৰ খোলাবান্ধা, মৈৰাদিয়া, পাঠিমাৰী, চাংবান্ধা, আদুৰীপাৰ, হলংগাবাৰী আদি গাঁৱ সমূহৰ কৃষক ৰাইজ তথা পশু পালকৰ সুবিধাৰ্থে পশু চিকিৎসালয়খন ১৯৯৫ চনত নিৰ্মাণ কৰা হয় যদিও আজিকোপতি গাঁওসমূহৰ ৰাইজে চিকিৎসালয়খনৰ চিকিৎসকতো বহু দূৰৰ কথা দেখা নাপালে এজন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী মুৰ। অথচ কৃষি প্ৰধান অঞ্চলটোৰ ৯০ শতাংশ লোক কৃষি তথা পশুধনৰ সৈতে প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে জড়িত। হাজাৰ হাজাৰ জনবসতি পূৰ্ণ অঞ্চলটোত চৰকাৰ-স্থানীয় জনপ্ৰতিনিধি তথা বিয়াগোম বিভাগটোৰ অকৰ্মণ্যতাৰ বাবে পশুধনৰ চিকিৎসাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। বিগত কংগ্ৰেছ চৰকাৰৰ পোন্ধৰ বছৰীয়া শাসনৰ কাণ্ডজ্ঞানহীনতাৰ বাবে চিকিৎসালয়খনৰ জৰাজীৰ্ণ অৱস্থাত আছিল যদিও ৰাজ্যখনত আমোল পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতি দি চৰকাৰ গঠন কৰা বিজেপি নেতৃত্বাধীন সোণোৱাল চৰকাৰৰ চাৰি বছৰৰ অধিক পাৰ হৈ গ'ল তথাপিও চকুত নপৰিল এই পশু চিকিৎসালয়খন। সম্প্ৰতি চিকিৎসালয় খন ধ্বংসৰ গৰাহত যাওঁ যাওঁ অৱস্থা। ইপিনে ইয়াৰ সুযোগ লৈ কেইবা বছৰ পূৰ্বে চিকিৎসালয়খনৰ কাষত থকা মৈৰাদিয়া-খোলাবান্ধা বজাৰখনৰ বজাৰ সমিতিয়ে চিকিৎসালয়খনৰ ভূমি বজাৰখনত সংলগ্ন কৰি একাংশ লোকৰ পৰা লাখ লাখ টকা সংগ্ৰহ কৰি বজাৰৰ স্থায়ী ভেটি পট্টন দিয়ে আৰু ভেটি ক্ৰয় কৰা লোকসকলে চিকিৎসালয় চৌহদ খনত পকী ঘৰ নিৰ্মাণ কৰি দোকান-পোহাৰ কৰা পৰিলক্ষিত হৈছে। চিকিৎসালয় চৌহদৰ আংশিক খালি থকা ভূমিত বজাৰ সমিতি খনে সম্প্ৰতি পুনৰ বজাৰ ভেটি পট্টন দিয়াৰ কাৰ্য অব্যাহত ৰাখিছে বুলি একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে। বজাৰ সমিতিৰ এনে কৰ্মকাণ্ডত সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৃহত্তৰ অঞ্চলটোৰ পশু ধনৰ চিকিৎসাৰ প্ৰতি লক্ষ্য কৰি অতিশীঘ্ৰে চিকিৎসালয়খন পুনৰ নিৰ্মাণ কৰি পৰ্যাপ্ত চিকিৎসক- কৰ্মচাৰী নিয়োগ কৰাৰ লগতে চিকিৎসালয় চৌহদৰ ভূমি বেদখল মুক্ত কৰিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে অঞ্চলটোৰ সৰ্বস্তৰৰ ৰাইজে।

### এআইইউডিএফৰ ভেটি উৎখাত কৰাৰ সংকল্প
### আকাশীগংগাত অনুসূচিত জাতি মৰ্চাৰ কাৰ্যনিৰ্বাহক

## 'আজমলৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিপৰীতে বিজেপিয়ে উন্নয়নৰ ৰাজনীতিহে কৰে'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১৮ নৱেম্বৰ ঃ** হোজাই জিলাৰ তিনিওটা সমষ্টি ক্ৰমে হোজাই, লামডিং আৰু যমুনামুখ সমষ্টিত আগন্তুক নিৰ্বাচনত বিজেপিৰ দখললৈ লোৱাৰ চেষ্টাৰে হোজাই জিলাৰ যমুনামুখ সমষ্টিৰ আকাশী গংগাত হোজাই জিলা অনুসূচিত জাতি মৰ্চাৰ ১৬ নৱেম্বৰত দিনযোৰা কাৰ্যসূচীৰে এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। অনুসূচিত জাতি মৰ্চাৰ হোজাই জিলা সভাপতি পতুল দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আৰম্ভণিতেই অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সভাপতি নবাৰুণ মেধিয়ে দলীয় পতাকা উত্তোলন কৰে। ৰাজ্যিক সভাপতিগৰাকী আৰু ৰাজ্যিক পৰ্যায়ৰ কেবাগৰাকীও বিষয়ববীয়াৰ লগতে জিলা পৰ্যায়ৰ নেতা কৰ্মীৰ উপস্থিতিত শ্বহীদসকলৰ আত্মাৰ সদ্গতি কামনা কৰি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। কেবাশতাধিক দলীয় কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাত অনুসূচিত জাতি মৰ্চাৰ অসম প্ৰদেশ ৰাজ্যিক সভাপতি নবাৰুণ মেধিয়ে হোজাই জিলাৰ তিনিটা সমষ্টি হোজাই, লামডিং আৰু যমুনামুখত অনুসূচিত জাতি মৰ্চাই শক্তিশালী ৰূপত কাম কৰি ২০২১ৰ নিৰ্বাচনত তিনিওটা সমষ্টিৰ ভিতৰত বিশেষকৈ যমুনামুখ সমষ্টিত আজমলৰ ভেটি উৎসাত কৰি বিজেপিৰ দখলত লোৱাৰ বাবে আহ্বান জনায়। হোজাই জিলা অনুসূচিত জাতি মৰ্চাৰ সভাপতি পুতুল দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত ৰাজ্যিক উপ-সভাপতি সুভাষ দাস, বিমল দাস, ৰাজ্যিক সাধাৰণ সম্পাদক ফনিদ্ৰ নাথ শৰ্মাৰ লগতে বিজেপিৰ হোজাই জিলা সভাপতি অনুপ দেৱ, লামডিং সমষ্টিৰ বিধায়ক শিবুমিশ্ৰ, হোজাই সমষ্টিৰ বিধায়ক শিলাদিত্য দেৱ আৰু জিলা অৰুণোদয় আহ্বায়ক অধিবক্তা অমৰজ্যোতি শইকীয়াৰ লগতে যুৱ মৰ্চাৰ জিলা সভাপতি বিনয় কলিতাকে ধৰি ৰাজ্যিক আৰু জিলা তথা আঞ্চলিক পৰ্যায়ৰ বহু নেতৃবৃন্দ উপস্থিতি থাকি সকলোৱে একে বাক্যত হোজাই জিলাৰ তিনিটা সমষ্টি ২০২১ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ দখলত নিয়াৰ সংকল্প লোৱা পৰিলক্ষিত হয়। অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সভাপতি নবাৰুণ মেধিৰ মতে অকল হোজাই জিলাতেই নহয়, সমগ্ৰ অসমৰ লগতে দেশজুৰি বিজেপিয়ে যিহাৰে উন্নত কৰিবলৈ আৰম্ভ কৰিছে। তাৰ ফলস্বৰূপে ২০২১ৰ নিৰ্বাচনত বিজেপিয়ে কোনো প্ৰতিদ্বন্দ্বিতা নকৰাকৈয়ে পুনৰ অসমৰ লগতে ভাৰতত চৰকাৰ গঠন কৰাটো নিশ্চিত। অনুসূচিত জাতিৰ বাবেও বিজেপিয়েও বহু উন্নয়ন মূলক আঁচনি আগবঢ়াইছে। আৰু বিজেপিয়ে উন্নয়নৰ ৰাজনীতি কৰে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ উন্নতি সাধন হোৱাটো বিজেপিৰ প্ৰথম লক্ষ্য আৰু উদ্দেশ্য সেয়া দেশৰ জনতা ভালকৈ অৱগত। যাৰ বাবে অসমৰ লগতে ভাৰতত পুনৰ বিজেপিৰেই চৰকাৰ গঠন হ'ব। সভাৰ শেষ মুহূৰ্তত আকাশী গংগাৰ স্থানীয় বাসিন্দা ৰঞ্জিত নাথৰ জীয়ৰী প্ৰাৰ্থনা নাথ নামৰ আকাশী গংগা শংকৰ নিকেতনৰ এগৰাকী ষষ্ঠ শ্ৰেণীৰ প্ৰতিভাশালী কণমানিয়ে দেশমাতৃৰ জয়গানেৰে নাট্য প্ৰদৰ্শন কৰি সকলোকে অফুৰন্ত আনন্দিত কৰা পৰিলক্ষিত হয়।

# শিষ্যজ্যোতি জাতীয় বিদ্যালয়ত শিশু বন্ধুত্ব সপ্তাহ পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৮ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত টংলাৰ বজ্ৰাখাটস্থিত শিষ্যজ্যোতি জাতীয় বিদ্যালয়ত মঙ্গল বাৰে শিশু বন্ধুত্ব সপ্তাহ পালন কৰা হয়। ওদালগুৰি জিলা চাইল্ড লাইনৰ উদ্যোগত অনুষ্ঠিত হোৱা উক্ত 'শিশু বন্ধুত্ব সপ্তাহ'ৰ কাৰ্যসূচী মতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা চিত্ৰঙ্কণ প্ৰতিযোগিতা পৰিচালনা কৰে চিত্ৰ শিল্পী অৰূপ বড়োৱে। চিত্ৰঙ্কণ প্ৰতিযোগিতা প্ৰথম স্থান লাভ কৰে সুজয় ৰয়ে, দ্বিতীয় স্থান লাভ কৰে ভণিতা ৰাভাই আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে জাচমীনা ৰাভা, অংকুৰ ৰাভা আৰু বলুৰাম ৰায়য়ে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাত ওদালগুৰি জিলাৰ চাইল্ড লাইনৰ কৰ্মী মণিমুগ্ধ কাকতিয়ে শিশুৰ সুৰক্ষা আৰু শিশুৰ যতনৰ ওপৰত আলোকপাত কৰে লগতে শিষ্যজ্যোতি জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জীৱন ৰাভা আৰু বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্তী বড়োৱে ভাষণৰ প্ৰসংগত অনুষ্ঠানৰ সলাগ লয়। অনুষ্ঠান খনত গীত পৰিৱেশন কৰে শিক্ষক কুলেন ৰাভা আৰু ছাত্ৰ উদয় ৰাভাই লগতে কবিতা পাঠ কৰে মল্লিকা বসুমতাৰী, শিৱ ৰাভা, সুজল ৰয়, ভূমিতা ৰাভা, সুভাংকৰ দে, আয়োজ যোৰদ্দাৰ, নয়না ৰাভা, চণ্ডিকা ৰাভা আৰু সৌৰভ জ্যোতি ৰাভাই। উক্ত অনুষ্ঠানখনত উপস্থিত ঠাকে ক্ৰমে জিলা চাইল্ড লাইনৰ কৰ্মী জুনু ৰাভা, মিতালি ৰাভা, সাগৰিকা ডেকা, উৰ্মিলা বাগলাৰী, ৰস্মিতা বৰগয়াৰী, সমন্বয়ক ভূমিতা বসুমতাৰীৰ লগতে বিদ্যালয়খনৰ শিক্ষক সমৰজিত ৰাভা, বাপন বড়ো, পিংকী ৰাভা আৰু কৃষ্ণমণি বড়োই। অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীৰ গীত, নৃত্যৰে জীপাল হৈ পৰে।

### ৬ নং কচুগাঁও সমষ্টিৰ ৰামপুৰ, পানবাৰী, খলিচানীমাৰীত নিৰ্বাচনী প্ৰচাৰ

# বিটিচিত হিমন্তৰ দাদাগিৰি নচলিব ঃ হাগ্ৰামা মহিলাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৮ নৱেম্বৰ ঃ** বিজেপি, ইউ পি পিএল, গণ সুৰক্ষা পাৰ্টী কোনো এটা দলেও বি টি চিত চৰকাৰ গঠন কৰিব নোৱাৰিব ।বি পিএফ দলে ৩০টা আসনত বিজয়ী হৈ বি টি চিত পুনৰায় চৰকাৰ গঠন কৰিব তাত কনো সন্দেহ নাই। বি টি চিত বিও মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যিমানেই বি পিএফৰ বিৰুদ্ধে আবোল তাবোল ভকি থাকিলেও বি পিএফ দলৰ এক বিন্দু ক্ষতি কৰিব নোৱাৰিব। বি পিএফ দলে বি টি চি এলেকাৰ কেনেধৰণৰ উন্নয়ণ কৰিছে সেয়া ৰাইজে উপলব্ধি কৰিব পাৰিছে। বি টি চিত বি পিএফৰ বিৰুদ্ধে হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন অভিযোগ কৰিব ধৰিছে। সেই সমূহ অভিযোগ ভিত্তিহীন। বি পিএফ দলে দুৰ্নীতি কৰা বুলি শৰ্মাই বিজেপি দলৰ জনসভাসমূহত ধাৰাবাহিকভাৱে ক'ব ধৰিছে। হিমন্ত বিশ্ব শৰ্মা নিজেই কিমান দুৰ্নীতিৰ কেলেংকাৰীত জড়িত আছে সেয়া একবাৰ ভাৱক তাৰ পাছত বেলেগক সমালোচনা কৰক। মোদী চৰকাৰে বি টি চিত এক হাজাৰ কোটি দিব লগা আছিল, কিন্তু দিছে মাএ ৬০০ কোটি। ৪০০ কোটি ক'ত গ'ল বুলি মহিলাৰীয়ে প্ৰশ্ন কৰে। বি টি চিৰ বিষয়ে হিমন্ত বিশ্ব শৰ্মাই একো নাজানে। হিমন্ত বিশ্ব শৰ্মাৰ দাদা গিৰি বি টি চি এলেকাত নচলিব। এনেদৰে কয় বি পিএফ দলৰ সভাপতি তথা বি টি চিৰ প্ৰাক্তন চীফ হাগ্ৰামা মহিলিৰীয়ে। মঙলবাৰে কচুগাঁও সমষ্টিৰ ৰামপুৰ, পানবাৰী, খলিচানীমৰীত বি পি এফ দলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব আহি তিনিটা জনসভাত অংশ গ্ৰহণ কৰি মহিলাৰীয়ে মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ক্ষুৰধাৰ সমালোচনা কৰি আৰু কয় যে শৰ্মাৰ সাহস আছে যদি অকল বি টি চিৰ মানুহলৈ জনসমাগম কৰি সভা পাতক। আজিও গোসাইগাৱত বিজেপি দলৰ যিখন মিটিং হৈছে সেইখন মিটিংতো বি টি চিৰ বাহিৰৰ পৰা মানুহ আনি জনসমাগমৰ সৃষ্টি কৰি বাঃ বাঃ লৈছে। বিজেপি দল যে মিছলীয়া তাৰ জলন্ত প্ৰমাণ হ'ল বিজেপি দল শাসনত আহিলে কোচ ৰাজবংশী, আদিবাসীক তিনি মাহৰ ভিতৰত জনজাতিকৰণৰ মৰ্যাদা দিব বুলি বিজেপি দলৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে চিঞৰি চিঞৰি ভাষণ দিছিল । মিথ্যাবাদী দল বিজেপিৰ নেতা, মন্ত্ৰী, পালিনেতাৰ কথাত ভোল নাযাব । বিটিআৰ চুক্তিও বিটিচিৰ বাবে এক ভয়ংকৰ চুক্তি। আমাৰ দলে বি টি চিত খাচ মাটিত বসবাস কৰ লোক মাটিৰ পট্টা দিয়াৰ বাবে সদায় প্ৰস্তুত। বি টি চিৰ মানুহ শান্তিত দিন ৰাতি অতিবাহিত কৰি থকাৰ সময়ত হিমন্তই বি টি চিত আহি অযথা কথাৰে অশান্তি কৰা চেষ্টা চলাইছে। অৱশ্যে হিমন্তই বি টি চিত নানা ভংগীৰে যিমানে ৰাজনীতি নকৰক কিয় হিমন্তৰ বাকপটুতা বি টি চিত কামত নাহে বুলিও মহিলাৰীয়ে কয়।

### নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

# পূৰ্বৰ গুৰু-ছাত্ৰৰ সম্পৰ্ক পাহৰি যোৱা উচিত নহয় ঃ বিধায়ক ৰূপক শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ নৱেম্বৰ ঃ** নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ মঙলবাৰে ১৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। মঙলবাৰে পুৱা বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি গংগাবল্লভ গোস্বামীয়ে পতাকা উত্তোলন কৰি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৷ইয়াৰ পিছতেই স্মৃতি তৰ্পন কৰে বিদ্যালয় খনৰ প্ৰাক্তন অধ্যক্ষ বিমল বৰাই। ক'ভিড প্ৰটকল মানি দিনৰ ১১ বজাত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক গৰিমাৰ বিষয়ে উল্লেখ কৰি কয় যে বৰ্তমান পৰিবৰ্তিত সময়ত শিক্ষাৰ্থী আৰু শিক্ষক উভয়ে আধুনিক প্ৰযুক্তিক শিক্ষাৰ এটি অবিচ্ছেদ্য অংগ কৰি ল'লেও পূৰ্বৰ গুৰু ছাত্ৰৰ সমন্ধ পাহৰি যোৱাটো উচিত নহ'ব। আনহাতে এসময়ত অধ্যয়ন কৰা বিদ্যালয়খনৰ ১৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি নিজকে ধন্য আৰু গৰ্বিত অনুভৱ কৰা বুলি বিধায়ক শৰ্মাই মন্তব্য কৰে ৷মুকলি সভাত পুবেৰুন বৰা স্মৃতি ন্যাস ,কেপ্টেইন থানেশ্বৰ শৰ্মা স্মৃতি ন্যাস, পূৰ্ণকান্ত ৰাজখোৱা-ঘুনুচা ৰাজখোৱা স্মৃতি ন্যাস, দীপ্তি গোস্বামী স্মৃতি ন্যাস, শইকীয়া স্মৃতি ন্যাসৰ বঁটাসমূহ বিদ্যালয়খনৰ দহগৰাকী মেধাৱী আৰু দৰিদ্ৰ ছাত্ৰক প্ৰদান কৰা হয়। মুকলি সভাত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট সাহিত্যিক ভদ্ৰেশ্বৰ ৰাজখোৱা, শিক্ষাবিদ সদা বৰা, অধিবক্তা কৃপাসিন্ধু অধিকাৰীয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সভাৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়খনৰ অধ্যক্ষা দীপিকা লস্কৰে ৷সন্ধিয়া বিদ্যালয়খনৰ চৌহদত ১৫৫ গছি বন্তি প্ৰজ্বলনৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী সামৰণি পৰে। বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মিন্টু শৰ্মাই।

### বৰক্ষেত্ৰীত নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত বিহগী কবিক স্মৰণ

# অসম সাহিত্য সভাই ৰঘুনাথ চৌধাৰীৰ স্মৃতি যুগমীয়া কৰিবলৈ কোনো বাস্তৱিক ব্যৱস্থা লোৱা নাই



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১৮ নৱেম্বৰ ঃ** অসমীয়া সাহিত্যত ৰমন্যাস সাহিত্যৰ ধাৰাৰ অধ্যয়ন কৰিবলৈ হ'লে অসমীয়া জাতীয়তাবাদ আৰু মানৱতাবাদৰ ধ্বজাবাহক ৰঘুনাথ চৌধুৰীৰ লেখাক অগ্ৰাধিকাৰ দিবই লাগিব। বিহগী কবিখ্যাত চৌধুৰীৰ চিন্তা চেতনা আৰু সাহিত্যক বাদ দি অসমীয়া সাহিত্যৰ আলোচনা সম্পূৰ্ণ হ'ব নোৱাৰে। এই মন্তব্য অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিনচন্দ্ৰ কলিতাৰ। নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত তথা বিহগী কবি ৰঘুনাথ চৌধাৰী সাহিত্য সভা আৰু পূব বৰক্ষেত্ৰী হাইস্কুলৰ কৰ্তৃপক্ষৰ সহযোগত আয়োজিত বিহগী কবি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰঘুনাথ চৌধাৰী স্মৃতি দিৱসত অতিথি হিচাপে ভাগ লৈ দিয়া ভাষণ প্ৰসংগত এই মন্তব্য আগবঢ়োৱাৰ লগতে অসম সাহিত্য সভাই সভাৰ প্ৰাক্তন সভাপতিগৰাকীৰ স্মৃতি যুগমীয়া কৰাৰ বাবে কোনো বাস্তৱিক ব্যৱস্থা নোলোৱা বুলি গভীৰ আক্ষেপ প্ৰকাশ কৰে। লোহাৰকাঠাৰ পূব বৰক্ষেত্ৰী হাইস্কুলত এই দিৱস উপলক্ষে হোৱা ৰঘুনাথ চৌধাৰী স্মাৰক সভাত পৌৰোহিত্য কৰি দিয়া ভাষণত নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই কয় যে ভাল মানুহ হ'বলৈ হ'লে বৈজ্ঞানিক চিন্তা চৰ্চাৰে আগবাঢ়িব লাগিব। আমাৰ সকলো মনীষীৰ তেজৰ ৰং আছিল ৰঙা। ইয়াত ধৰ্মৰ কোনো কথা নাই। সকলো ধৰ্মৰ লোকৰ তেজৰ ৰং ৰঙা। সেয়ে কোৱা হয় ভাল মানুহ হ'বলৈ ধৰ্মৰ বিচাৰ কৰা নহয়। নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই আকাশৰ তৰা, গ্ৰহ, নক্ষত্ৰ অবিহনে যেনেদৰে পৃথিৱী অন্ধকাৰময় হয় তেনেদৰে ৰঘুনাথ চৌধাৰীৰ দৰে প্ৰাতঃস্মৰণীয় লোকসকলৰ চিন্তা, চেতনা আৰু আদৰ্শ অবিহনে জাতিটো পৰিচয়হীন হ'ব বুলি অনুষ্ঠান আয়োজনৰ লক্ষ্য-উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানৰ আঁত ধৰে ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ সম্পাদক নয়নজ্যোতি মেধিয়ে। অনুষ্ঠানত জামালুদ্দিন আহমেদ, কুশল হালৈ আৰু নেকিবুৰ ৰহমানে স্বৰচিত কবিতা পাঠ কৰে। ইয়াৰ পূৰ্বে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি দিৱসৰ শুভাৰম্ভ কৰে বিহগী কবি ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ সভাপতি আনোৱাৰ হুছেইন শইকীয়াই। ইয়াৰ পাছতে পূব বৰক্ষেত্ৰী হাইস্কুলৰ প্ৰধান শিক্ষক মইনুল হক শইকীয়াই বিদ্যালয়ৰ পতাকা উত্তোলন কৰে। ছহিদ তৰ্পণ অনুষ্ঠান মুকলি কৰে পূব বৰক্ষেত্ৰী হাইস্কুল পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ফিৰোদুৰ ৰহমানে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে বিহগী কবি ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰমোহন কলিতাই। গছপুলি ৰোপণ কৰে লোহাৰকাঠা আদাবাৰী গাঁও পঞ্চায়তৰ সভাপতি জিলিমা বেগম আৰু ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ উপ সভাপতি চবিনচন্দ্ৰ কলিতাই। অনুষ্ঠানত নলবাৰী জিলা সাহিত্য সভাৰ চৰ-চাপৰি উপ-সমিতিৰ আহ্বায়ক চামচুল হক, ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক কনক কলিতা, আটাউৰ ৰহমান, ইমৰান হুছেইন, কুশল হালৈ, হাফিজুল ইছলাম, হৰমোহন কলিতা, তৰুণচন্দ্ৰ ডেকা, মহেন্দ্ৰনাথ বড়ো, ৰুস্তম আলী, প্ৰধান শিক্ষক মজুৰুদ্দিন আহমেদ, বিনয় চক্ৰৱৰ্তী, নেকিবুৰ ৰহমান, নুৰ ইছলাম, কহিনুৰ বেগম, কৰবী কলিতা প্ৰমুখ্যে বহুকেইগৰাকী লোকে ভাগ লোৱা এই অনুষ্ঠান অসম সংগীত পৰিৱেশনেৰে সামৰণি মৰা হয়।

# নাজিৰাত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেছাগড়, ১৮ নৱেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে, ১০৪ নং নাজিৰা বিধানসভা সমষ্টিতো ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ কাম ১৮ নৱেম্বৰ, ২০২০ৰ পৰা আৰম্ভ হ'ব। উক্ত দিনাই জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্য্যালয়ত ফটোযুক্ত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ১৮ নৱেম্বৰ, ২০২০ৰ পৰা ১৫ ডিচেম্বৰ, ২০২০লৈকে দাবী আপত্তিসমূহ গ্ৰহণ কৰা হ'ব। ১ জানুৱাৰী, ২০২১ত ১৮ বছৰ সম্পূৰ্ণ কৰাসকলেও ভোটাৰ তালিকাত নিজৰ নাম অন্তভূৰ্ক্ত কৰাৰ সুযোগ লাভ কৰিব। তদুপৰি ভোটাৰ তালিকাত নাম, ঠিকনা, ফটো আদি ভুল হৈ থকাসকলেও সংশোধনীৰ বাবে আবেদন কৰিব পাৰিব লগতে নাম কৰ্তনো কৰিব পাৰিব। সেয়েহে যিসকল লোকে ভোটাৰ তালিকাত নিজৰ নাম অন্তভূৰ্ক্ত কৰিব বিচাৰে বা কাৰোবাৰ নাম কৰ্তন বা সংশোধন কৰিবলগীয়া থাকিলে উক্ত সময়ৰ ভিতৰত নিদিষ্ট প্ৰ-পত্ৰত আবেদন কৰিবলৈ জিলা নিৰ্বাচনী বিষয়া লখিমী দত্তই আহ্বান জনাইছে। সকলো সংশোধনীৰ পিছত ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা ১৫ জানুৱাৰীত প্ৰকাশ কৰা হ'ব।

# দোষীক শাস্তি প্ৰদানৰ দাবীত উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৮ নৱেম্বৰ ঃ** ১৫ নৱেম্বৰত দক্ষিণ কামৰূপৰ মিৰ্জাৰ 'অসমীয়া প্ৰতিদিন' কাকতৰ সাংবাদিক মিলন মহন্তক একাংশ জুৱাৰীয়ে আক্ৰমণ কৰি শাৰীৰিক নিৰ্যাতন কৰা ঘটনাৰ প্ৰতিবাদত ইণ্ডিয়ান জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ নলবাৰী জিলা সমিতিয়ে জিলা উপায়ুক্তকৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাললৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়। সাংবাদিকৰ ওপৰত চলা এই ধাৰাবাহিক আক্ৰমণে অশুভ ইংগিত বহন কৰি আহিছে। সেয়েহে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালক প্ৰধানক এনেবোৰ ঘটনা ৰোধৰ ক্ষেত্ৰত শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে ইণ্ডিয়ান জাৰ্ণেলিষ্ট এছ'চিয়েছনৰ নলবাৰী জিলা সমিতিয়ে। এই ক্ষেত্ৰত ইণ্ডিয়া জাৰ্ণেলিষ্ট এছ'চিয়েচনৰ নলবাৰী জিলা সমিতিয়ে স্মাৰকপত্ৰ যোগে এই ঘটনাৰ নিৰপেক্ষ তদন্ত বিচাৰিছে। আৰু অতিশীঘ্ৰে দোষীক কৰায়ত্ব কৰি উপযুক্ত শাস্তি বিহাৰ দাবী জনোৱাৰ লগতে আৰু সাংবাদিকৰ ভৱিষ্যত জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী জনায়।

# সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সন্থাৰ ধুবুৰী জিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৮ নৱেম্বৰ ঃ** ২০০৫ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখৰ পৰা অসম চৰকাৰৰ অধীনত নিযুক্তি লাভ কৰা সকলো বিভাগৰ বিষয়া, চিকিৎসক, অভিযন্তা, শিক্ষক, কৰ্মচাৰীসকলক ৰাষ্ট্ৰীয় পেঞ্চন প্ৰণালীৰ আওতালৈ অনাৰ ফলত সেই কৰ্মচাৰীসকলে পুৰণি পেঞ্চন ব্যৱস্থাৰ সুফলৰ পৰা বঞ্চিত হবলগীয়া হৈছে। তেনে যিসকল কৰ্মচাৰীয়ে ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে তেওঁলোকে উৰ্ধতম দুই হাজাৰ টকালৈ মাহিলী পেঞ্চন পাই আছে। ফলত এই অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ অৱস্থা পানীত হাঁহ নচৰা অৱস্থা হোৱাৰ লগতে বৰ্তমানে কৰ্মৰত কৰ্মচাৰীসকলৰ বাৰ্ধক্যলৈ অন্ধকাৰ নামি অহাৰ সম্ভাবনা প্ৰকট। সেয়েহে, এই অন্যায়মূলক নতুন এনপিএছ ব্যৱস্থা ৰদ কৰি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰাৰ দাবীৰে আন্দোলন চলাই যোৱা সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ ধুবুৰী জিলা সমিতখন আজি গঠন কৰা হয়। এই উদ্দেশ্যে আজি জিলাখনৰ গৌৰীপুৰ ছোৱালী হাই স্কুলত আব্দুল হামিদ প্ৰধানীৰ সভাপতিত্বত এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। সন্থাৰ কেন্দ্ৰীয় সমিতিৰ হকে পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে হেমেন বায়ন, ৰতন দাস আৰু বাবুল দাসে। সভাই এনপিএছ ৰদ কৰি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰিবলৈ দাবী উত্থাপন কৰে। জিলাখনৰ বিভিন্ন বিভাগৰ প্ৰায় তিনি শতাধিক কৰ্মচাৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত আব্দুল হামিদ প্ৰধানীক সভাপতি, মফিদুল ইছলামক কাৰ্যকৰী সভাপতি, ধৃতধী প্ৰধানী, ইউনুচ আলী জোৱাদ্দাৰ আৰু ছামছুল ইছলাম আহমেদক উপ-সভাপতি, শ্ৰী সঞ্জীৱ কুমাৰ ৰায়ক সাঃ সম্পাদক হিচাপে লৈ ধুবুৰী জিলা সমিতি গঠন কৰা হয়। নৱগঠিত জিলা সমিতিয়ে সন্থাৰ দাবীসমূহ পুৰণৰ ক্ষেত্ৰত ধুবুৰী জিলাৰ সকলো বিভাগৰ এনপিএছৰ আওতাত থকা সকলো কৰ্মচাৰীৰ সহযোগিতা কামনা কৰে। তদুপৰি ২৪ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হবলগীয়া 'পেঞ্চন অভিৱৰ্তন'ত দলে-বলে যোগদান কৰিবলৈও আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

# ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত ৭০গৰাকী সাংবাদিকক লৈ বৰপেটা জিলা প্ৰশাসনৰ মনোজ্ঞ আলোচনা, সম্বৰ্ধনা

## সাংবাদিকসকলক ইতিবাচক দৃষ্টিভংগীৰে অগ্ৰসৰ হ'বলৈ আহ্বান জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৮ নৱেম্বৰ ঃ** সাংবাদিকসকলক সমাজৰ প্ৰগতিৰ দিশত অধিক মনোযোগ দি ইতিবাচক দৃষ্টিভংগীৰে অগ্ৰসৰ হ'বলৈ বৰপেটা জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই আহ্বান জনাইছে। যোৱা ১৬ নৱেম্বৰৰ দিনা ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে বৰপেটা জিলা প্ৰশাসনৰ সৌজন্যত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত বৰপেটাৰ তৰুণৰাম ফুকন প্ৰেক্ষাগৃহত আয়োজিত আলোচনা চক্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰি দিয়া ভাষণত তেওঁ কয় যে নেতিবাচক ভূমিকাই সমাজৰ মঙ্গল সাধন নকৰে। সংবাদ সেৱাৰ প্ৰধান লক্ষ্য সমাজৰ হিত সাধন বুলিয়ে তেওঁ মন্তব্য কৰে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই সঞ্চালনা কৰা 'সংবাদ মাধ্যমৰ ওপৰত ক'ভিড মহামাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদ মাধ্যমৰ ভূমিকা' বিষয়ক আলোচনা চক্ৰত মূল বক্তৃতা দিয়ে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা প্ৰাক্তন সাংবাদিক ড° বাবুল চন্দ্ৰ দাসে। তেওঁ কয় যে ক'ভিড মহামাৰীৰ সময়ত সাংবাদিকসকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি আগবঢ়োৱা সেৱা অতি প্ৰশংসনীয়। অৱশ্যে এইধৰণৰ পৰিস্থিতিত বা আন সকলো সময়তে সাংবাদিকে বাতৰি পৰিৱেশন কৰাৰ পূৰ্বে তাৰ সত্যতা নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত ৪৪ বছৰীয়া সাংবাদিকতাৰ অভিজ্ঞতাৰে পুষ্ট বৰপেটাৰ সুনীল কুমাৰ দাসক জিলা উপায়ুক্ত শৰ্মাই মানপত্ৰ, শৰাই আৰু ফুলাম গামোছাৰে বিশেষ সম্বৰ্দ্ধনা জনায়। তদুপৰি অনুষ্ঠানত উপস্থিত থকা জিলাখনৰ বিভিন্ন প্ৰান্তৰ ৯০ জন সাংবাদিকক ডায়েৰী, কিতাপ, কলম আৰু ফুলাম গামোছাৰে সম্বৰ্দ্ধনা জনোৱা হয়। আলোচনা চক্ৰত সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ, বৰপেটা প্ৰেছ গিল্ডৰ সাধাৰণ সম্পাদক কমলেশ বৈশ্য, সৰ্থেবাৰী মহকুমা সাংবাদিক সন্থাৰ সভাপতি হৰমোহন বৰ্মণ, পাটাছাৰকুছী প্ৰেছ ক্লাবৰ সভাপতি নৰকান্ত কলিতা আৰু সম্পাদক বিৰাজ কলিতা, বৰপেটা ৰোড প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি অৰূপ বায়ন, কলগাছিয়া প্ৰেছ গিল্ডৰ সভাপতি আব্দুল হাই, কলগাছিয়া প্ৰেছ ক্লাবৰ সম্পাদক দোষ্ট হাফিজুৰ ৰহমান, হাউলী প্ৰেছ ক্লাবৰ সম্পাদক কৌশিক কমল দাস, পাঠশালা প্ৰেছ গিল্ডৰ প্ৰাক্তন সম্পাদক জিন্তুল তালুকদাৰ, অসমীয়া প্ৰতিদিনৰ ভৱানীপুৰৰ সংবাদদাতা প্ৰশান্ত কুমাৰ দাস, ইণ্ডিয়ান জাৰ্ণেলিষ্ট এচোছিয়েশ্যনৰ বৰপেটা জিলাৰ সভাপতি আব্দুল জলিল, বৰপেটা জিলা সাংবাদিক সংস্থাৰ সভাপতি নজৰুল ইছলাম, আকাশবাণীৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত আৰু কয়াকুছী প্ৰেছ গিল্ডৰ সভাপতি ছাহেদ আলী আহমেদে অংশলৈ নিজ নিজ মত ব্যক্ত কৰে। সভাৰ আৰম্ভণীতে যোৱা বছৰটোত মৃত্যু মুখত পৰা বৰপেটা জিলাৰ তৰুণ গোস্বামী, ছেৰিফুদ্দিন আহমদ, ভূৱনেশ্বৰ বৰ্মন আৰু অৰ্নৱ ডেকাৰ উপৰি কাকপথাৰৰ পৰাগ ভূএগৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি এটা শোক প্ৰস্তাৱ পাঠ কৰাৰ লগতে সকলোৱে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা। চলিত কোভিদ মহামাৰী জনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উপস্থিত সকলোৱে সামাজিক দূৰত্ব বৰ্তাই ৰখাৰ লগতে মাস্ক পৰিধান কৰি অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী সাংবাদিক সকলে জিলা প্ৰশাসনৰ এনে উদ্যোগৰ প্ৰশংসা কৰে। জিলা প্ৰশাসনৰ এই পদক্ষেপক প্ৰশংসা কৰি সক্ৰিয় সাংবাদিক তথা ইণ্ডিয়ান জাৰ্ণেলিষ্ট ইউনিয়নৰ বৰপেটা জিলা সমিতিৰ কাৰ্যকৰী সভাপতি আজিজুল হকে কয় যে জিলা প্ৰশাসনৰ উদ্যোগত লোৱা এনে ধৰণৰ পদক্ষেপে মফচলীয় নবীন-প্ৰবীণ সাংবাদিকসকলোকে উৎসাহিত কৰিব। এই ক্ষেত্ৰত জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাৰ ভূমিকাৰো শলাগ লই কয় যে বিকাশ শৰ্মা যে এগৰাকী অতি দায়িত্বশীল চৰকাৰী বিষয়া আৰু নিজে সংবাদ জগতৰ সৈতে বহুবছৰ জড়িত হোৱা বাবে গ্ৰাম্যাঞ্চলৰ সাংবাদিক সকলোৰ ত্যাগ, মৰ্যদাক তেওঁ ভালকৈ উপলব্ধি কৰিব পাৰে সেইটো প্ৰমাণ কৰি দেখুৱাইছে।




# মাজুলী জিলা 'পৰম্পৰাগত খেল-ধেমালি-ড্ৰেগন বট এছ'চিয়েছন' গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৮ নৱেম্বৰ ঃ** মাজুলীত আজি পৰম্পৰাগত খেল-ধেমালি - ড্ৰেগন বট এচ'ছিয়েছনৰ মাজুলী জিলা সমিতিখন গঠন কৰা হয় । এই উপলক্ষে আজি মাজুলী মিলন সংঘ , কমলাবাৰীত ৰাজীৱ দত্ত ভূএগ্ৰাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয় । পৰম্পৰাগত খেল-ধেমালী - ড্ৰেগন বট এচ'ছিয়েছনৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অনুপ চৌধুৰী, ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সদস্য অংশুমান দত্তৰ উপস্থিতিত অনুষ্ঠিত সভাত মনোজ কুমাৰ বৰাক সভাপতি, আদিত্য দত্ত, জীতেন দাস , অনুপল বৰুৱা, মণিকা টাইদ, বিতোপন দলেক উপ-সভাপতি, অনিৰুদ্ধ দত্তক সাধাৰণ সম্পাদক, মজিন দাস, ঋতু বৰা, জয়দ্বীপ হাজৰিকাক সহঃসম্পাদক , প্ৰতাপ বৰুৱাক কোষাধ্যক্ষ, বিজিত মুদৈ, মাধৱ দাসক প্ৰচাৰ সম্পাদকৰ লগতে এঘাৰ গৰাকীক কাৰ্যকৰী সদস্য ৰূপে লৈ মাজুলী জিলা পৰম্পৰাগত খেল-ধেমালি আৰু ড্ৰেগন বট কমিটীখন গঠন কৰা হয়।

## ৰঙাপৰাত বিজেপিৰ নগৰ মণ্ডল মহিলা মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৮ নৱেম্বৰ ঃ** আজি ৰঙাপৰা নগৰৰ বৰজুলি ওৱেলফাৰ চেণ্টাৰত বিজেপি নগৰ মণ্ডল মহিলা মৰ্চাৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। নগৰ মণ্ডল মহিলা মৰ্চাৰ সম্পাদিকা সংগীতা শৰ্মা মিশ্ৰইআত ধৰা সভাত সভাপতিত্ব কৰে নগৰ মণ্ডল মহিলা মৰ্চাৰ সভাপতি তৃপ্তি গুহ। সভাত অংশগ্ৰহণ কৰি নিৰ্বাচনী সমন্বয়ক লোহিত ভূঞাই কয় যে বিগত সময়চোৱাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে মহিলা সকলৰ বাবে বহুত উন্নয়ন মুলক আচনি গ্ৰহণ কৰিছে। বিজেপি চৰকাৰ খনে মহিলা সাৱলী কৰনত অগ্ৰাধিকাৰ দি আহিছে ।যিকোনো চৰকাৰী আচনিত পৰুসসকলৰ বিপৰীতে মহিলা সকলক অগ্ৰাধিকাৰ দিলে আঁচনিখনত পৰ্যাপ্ত ভাৱে অনিয়ম সংঘটিত নহয় বুলি তেওঁ উল্লেখ কৰে। তেওঁ বহু চৰকাৰী উন্নয়নমূলক আঁচনিসমূহৰ উপৰত আলোপাত কৰে ।সভাত ৰাজ্যিক চাহ মৰ্চাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বাৰ্তা উৰাং, শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলি চুৰিন, শোণিতপুৰ জিলা সমিতিৰ সভাপতি তুলশী বৰঠাকুৰ, ৰাজ্যিক চাহ মৰ্চাৰ মেডিয়া চেলৰ সদস্য বিকি তাঁতী আৰু ৰঙাপৰা ব্লক সংমণ্ডলৰ সভাপতি স্বপন ধৰ আদিকে ধৰি বিভিন্ন বিষয়ববিয়া উপস্থিত থাকে।

## শিৱসাগৰৰ বকতাত অ' এন জি চিৰ খোৱাপানী প্ৰকল্প উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকতা, ১৮ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ খেলুৱা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত বকতা পশ্চিমবস্তি জনজাতি মধ্য ইংৰাজী বিদ্যালয়ত অ'এনজিচি এলৰ জনকল্যাণমূলক আঁচনি চি এছ আৰৰ অধীনত ৩ লক্ষ ৭২ হাজাৰ টকাৰ অনুদানেৰে নিৰ্মাণ কৰা খোৱা পানী প্ৰকল্প এটা আজি সংস্থাটোৰ আচাম এচেটৰ চি জি এম সঞ্জয় গোৱেলৰ উপস্থিতিত ইডি পাৰ্থপ্ৰতীম দাসে উদ্বোধন কৰে। এই উপলক্ষত সমাজকৰ্মী অতুল ফুকনৰ পৌৰোহিত্যত অনুষ্ঠিত উদ্বোধনী সভাত বিশিষ্ট অতিথি হিচাপে শিক্ষা বিষয়া ৰেখামণি বৰা, অ'এনজিচিৰ ৱৰ্কাৰ্চ ইউনিয়নৰ সম্পাদক হেমন্ত গগৈ উপস্থিত থাকে।

## গহপুৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী শংকৰলাল আগৰৱালাক ভাবুকি দি ভুল স্বীকাৰ ৰতন সৰকাৰৰ

# প্ৰাপ্য ধন বিচৰাত ব্যৱসায়ীৰ ঘৰ উৰুৱাই দিয়াৰ ভাবুকি চাহ ফেক্টৰীৰ পৰিচালন সঞ্চালকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হেলেম, ১৮ নৱেম্বৰ ঃ** দোকানৰ পৰা বাকীত লোহাৰ সামগ্ৰী লৈ যোৱা ৪ বছৰে প্ৰাপ্য ধন আদায় নিদি পলায়নবাদী মনোভাব গ্ৰহণ কৰি অহা গহপুৰৰ মহকুমাৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত চন্দামাৰী বঙালী নিবাসী তথা চন্দামাৰীস্থিত পুৰজ্যোতি টি প্ৰাইভেট লিমিটেড কোম্পানীৰ পৰিচালন সঞ্চালক ৰতন চৰকাৰে বাকীৰ ধন বিচৰাৰ বাবে বৰঙাবাৰীৰ প্ৰতিষ্ঠিত ব্যৱসায়ী তথা বিশিষ্ট সমাজকৰ্মী শংকৰলাল আগৰৱালাৰ ঘৰ উৰুৱাই দিয়াৰ ভাবুকি দিয়াৰ অৱশেষত ভুল স্বীকাৰ কৰিবলৈ বাধ্য হোৱাৰ লগতে বাকীৰ ধন আদায় দিবলৈ বাধ্য হয় তেওঁ। উল্লেখযোগ্য যে,ৰতন চৰকাৰে ২০১৭ চনৰ মাৰ্চ মাহত শংকৰলাল আগৰৱালাৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা বহু পৰিমাণৰ লোহাৰ সামগ্ৰী বাকীকৈ ক্ৰয় কৰি নিছিল বিশ্বাস আৰু আগৰে পৰা থকা চিনাকিৰ ভিত্তিত শংকৰলাল আগৰৱালাই তেওঁক বাকীত সামগ্ৰী সমূহ দিছিল। চুক্তি অনুসৰি এমাহৰ ভিতৰত ৰতন চৰকাৰে সমুদায় ধন আদায় দিয়াৰ কথা আছিল যদিও নিৰ্দ্ধাৰিত সময়ত তেওঁ ধন আদায় নিদি পলায়নবাদী মনোভাব গ্ৰহণ কৰি আহিছিল। শংকৰলাল আগৰৱালাৰ ফোন কলো বিচিভনকৰা হয় ৰতন চৰকাৰে পৰৱৰ্তী সময়ত শংকৰলাল আগৰৱালাৰ লগতে তেওঁৰ দোকানৰ কৰ্মচাৰীয়ে কেইবাবাৰো ৰতন চৰকাৰৰ ঘৰলৈ গৈ তেওঁৰ পৰা প্ৰাপ্য ধন বিচাৰে যদিও চৰকাৰে আজি দিম,কাইলৈ দিম বুলি কৈ ওভতাইপঠিয়াই দিয়ে তেওঁলোকক। যোৱা ১৪ নৱেম্বৰত শংকৰলাল আগৰৱালাই এটা নতুন মবাইল নম্বৰৰ পৰা ৰতন চৰকাৰলৈ ফোন কৰি ৪ বছৰৰ আগৰ দিবলগীয়া টকাৰ বিষয়ে তেওঁক সোধবাই দি এসপ্তাহৰ ভিতৰত সমুদায় ধন আদায় দিবলৈ অনুৰোধ কৰে। কিন্তু ৰতন চৰকাৰে শংকৰলাল আগৰৱালাৰ কথাখিনি গুৰুত্ব সহকাৰে লোৱাৰ পৰিবৰ্তে তেওঁৰ পিতৃতুল্য জ্যেষ্ঠ ব্যৱসায়ীজনক বিভিন্ন তুচ্ছ-তাচ্ছিল্য শব্দ ব্যৱহাৰ কৰি ব্যৱসায়ী জনক গালি-শপনি পৰাৰ লগতে সম্পূৰ্ণ মাফিয়াৰ কায়দাৰে "তোৰ ঘৰ উৰুৱাই দিম" বুলি ভাবুকি দিয়ে। কেৱল ইমানতে নহয় গুৰু গোসাই নামানি ওভতোৱাইহে নাচি ভাল পোৱা ধুৰন্ধৰ ব্যৱসায়ী ৰতন চৰকাৰে জ্যেষ্ঠ ব্যৱসায়ীজনক "তোৰ টকা নিদিলে কি কৰিবি","মানুহ চিনি পোৱা নাই, পুলিচ লগাই যোৱা বাহিৰ কৰি দিম"বুলি ভাবুকি দিয়াৰ উপৰিও তেওঁৰ মৃত পিতৃৰ নাম ধৰি অশ্লীল শব্দ-বাক্যৰে গালি-শপনি পাৰে ৰতন চৰকাৰে ফোনযোগে কৰা এনে অশোভনীয় আচৰণৰ প্ৰতিবাদৰ শব্দ-বাৰ্তা শংকৰলাল আগৰৱালাই মবাইল ফোনত আবদ্ধ কৰি থয়। বিশেষকৈ ঘৰ উৰুৱাই দিয়াৰ ভাবুকিত অধিক শংকিত হৈ পৰা শংকৰলাল আগৰৱালাই নিজৰ লগতে পৰিয়ালৰ নিৰাপত্তাৰ খাতিৰত যোৱা ১৫ নৱেম্বৰত ৰতন চৰকাৰৰ বিৰুদ্ধে ঘাহিগাওঁ আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে উক্ত এজাহাৰৰ ভিত্তিত ঘাহিগাওঁ আৰক্ষীয়ে তেওঁক আৰক্ষী চকীলৈ মাতি পঠিওৱাৰ পিছত ভয়ত ভিজা মেকুৰীৰ দৰে হৈ পৰা ৰতন চৰকাৰে বিভিন্ন জনৰ আশ্ৰয় লৈ বিষয়টো আপোচ-মিমাংসাৰে নিস্পত্তি কৰিবলৈ অনুৰোধ কৰে।সেই অনুসৰি আজি দিনৰ প্ৰায় ১২ বজাত দুয়ো পক্ষ ঘাহিগাওঁ আৰক্ষী চকীত উপস্থিত হৈ বিষয়টো আপোচ-মিমাংসাৰে নিস্পত্তি কৰাৰ লগতে ৰতন



চৰকাৰে শংকৰলাল আগৰৱালাক আদায় দিবলগীয়া সমূদায় ধন আদায় দিয়ে। তদুপৰি জ্যেষ্ঠ ব্যৱসায়ীজনক কৰা অপমান আৰু ঘৰ উৰুৱাই দিম বুলি কোৱা ভাবুকিৰ সন্দৰ্ভত ভুল স্বীকাৰ কৰি এখন কাগজত নিজ হাতে চহী কৰি ভৱিষ্যতে তেনে ভুলৰ পনৰাবৃত্তি নকৰাৰ লিখিত প্ৰতিশ্ৰুতি দিয়ে ৰতন চৰকাৰে ।ইপিনে বিভিন্ন বটা আৰু সমাজিক আৰু ৰাজহুৱা সন্মানেৰে সন্মানিত হৈ অহা প্ৰতিষ্ঠিত ব্যৱসায়ী, বিশিষ্ট সমাজকৰ্মী শংকৰলাল আগৰৱালাক এনেদৰে ভাবুকি দিয়া কাৰ্য্যক বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে ৰতন চৰকাৰক সংযত হ'বলৈ সকীয়াই দিছে ।উল্লেখযোগ্য যে,আজি ঘাহিগাও আৰক্ষী চকীত দুয়োপক্ষৰ আপোচ মিমাংসা চলি থকাৰ সময়ত আৰক্ষী চকীখনত উপস্থিত হোৱা ঘাহিগাৱৰ ৰাম অবতাৰ (ৰামু) নামৰ ব্যৱসায়ীজন উপস্থিত হৈ তেওঁক ৰতন চৰকাৰে যোৱা প্ৰায় ৪ বছৰে ৩৩ হাজাৰ আদায় নিদি পলাই ফুৰা বুলি সকলোৰে আগত মুকলিকৈ প্ৰকাশ কৰে ।দোকানৰ পৰা বাকীত সামগ্ৰী লৈ তেওঁ পলাই ফুৰা বুলি জানিবলৈ দিয়ে ৰাম অবতাৰে ।অৱশ্যে অতি সোনকালে উক্ত টকা আদায় দিয়া হ'ব বুলি ৰতন চৰকাৰে প্ৰকাশ কৰাত ব্যৱসায়ীজন আশ্বস্ত হয় যদিও ৰতন চৰকাৰে উক্ত টকা আদায় দিবনে নিদিয়ে সেয়া সময়তহে দেখা পোৱা যাব।

**চন্দামাৰীৰ ৰাইজক প্ৰতাৰণা ঃ** চন্দামাৰীৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত পুৰজ্যোতি টি প্ৰাইভেট লিমিটেড কোম্পানী নামেৰে এটা বটলিফ চাহ ফেক্টৰী স্থাপন কৰাৰ আগতে কোম্পানীটোৰ পৰিচালন সঞ্চালক ৰতন চৰকাৰে ফেক্টৰীটোৰ সন্মুখত থকা চন্দামাৰীবাসী ৰাইজৰ ৰাজহুৱা শ্মশানখনৰ চাৰিওফালে পকী বাইণ্ডেৰী ৱাল,এটা কুৱা,এটা জিৰণি ঘৰ আৰু বিদ্যুতৰ ব্যৱস্থা কৰি দিয়া হ'ব বুলি আদালতৰ নটাৰীৰ জৰিয়তে নিজ চন্দামাৰী যুৱক সংঘৰ লগত চুক্তি কৰিছিল ।কিন্তু চাহ ফে''ৰী স্থাপন হোৱাৰ ৬-৭ মাহৰ পিছতো আজিলৈকে উক্ত চুক্তি কাৰ্য্যকৰী নকৰিলে ৰতন চৰকাৰে ।নিজৰ স্বাৰ্থ সিদ্ধি হ'লেই শুভাকাংখী সকলৰ সহায়-সহানুভূতি পাহৰি যোৱাত সিদ্ধহস্ত এইজন স্বাৰ্থপৰ ব্যৱসায়ীয়ে এতিয়া চন্দামাৰীৰ যি সকল ব্যক্তিয়ে উক্ত ফেক্টৰীটো হৈ উঠাৰ ক্ষেত্ৰত দেহে-কেহে খাটিছিল তেওঁলোকৰ সৰহসংখ্যক ব্যক্তিক ৰতন চৰকাৰে দেখিলেও নেদেখাৰ ভাও ধৰিবলৈ লোৱাত উক্ত চুক্তি তেওঁ কাৰ্যকৰী কৰিবনে নাই তাত যথেষ্ট সন্দেহ আছে বুলি স্থানীয় একাংশ ৰাইজে মতপোষন কৰিছে।

# তামুলপুৰত মহিলা আত্মসহায়ক গোটৰ সজাগতা সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ নৱেম্বৰ ঃ** তামুলপুৰ মহকুমা সদৰস্থ ৰাজহুৱা উদ্যানত আজি গয়বাৰী ব্লক ইউ পি পি এলৰ মহিলা গোটৰ উদ্যোগত মহিলা আত্মসহায়ক গোটক লৈ এখন মহিলা সবলীকৰণৰ ওপৰত সজাগতা সভা অনুষ্ঠিত হৈ যায়। স্থানীয় সমাজকৰ্মী বৰুণ ৰামচিয়াৰীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মহিলা সবলীকৰণৰ সজাগতা সভাত অতিথি হিচাবে উপস্থিত থাকি এবছু সভাপতি দ্বীপেন বড়োৱে কয় যে অসমৰ ৩ কোটি ২৫ লাখ জাতি - জনগোষ্ঠীৰ কিছু অংশহে মহিলা। এই মহিলাসকলৰ বেছি অংশই অশিক্ষিত। মহিলা সকল যেতিয়ালৈকে শিক্ষিত নহ'ব তেতিয়ালৈকে কৰ্ম সংস্কৃতি উন্নত নহ'ব আৰু তেতিয়ালৈকে আমাৰ উন্নয়ন নহ'ব। আমাৰ পৰিয়ালটো, সমাজ খন, দেশ আৰু অঞ্চলৰ উন্নয়ন হ'ব লাগিলে মহিলা সকলৰ উন্নয়ন হ'ব লাগিলে পুৰুষৰ সমানে সমানে মহিলা সকলেও কৰ্মত অগ্ৰসৰ হ'ব লাগিব, কাম কৰিব লাগিব। দেশৰ সংবিধানে আমাৰ মহিলাসকলক যি অধিকাৰ প্ৰদান কৰিছে তাক লবলৈ পুৰুষৰ সমানে কাম কৰি যাব



লাগিব। মহিলাসকলে যি কামেই নকৰক কিয় আমি সকলোৱে সকলো কামৰ সন্মান, মৰ্যদা দিব লাগিব। বিটিআৰ চুক্তিৰ জৰিয়তে আমি সমাজ পৰিবৰ্তনৰ কাৰণে সুন্দৰ এটি পৰিবেশ লাভ কৰিছো অঞ্চলটোত কাম কৰিবলৈ সুবিধা পাইছো। এই সুবিধা আমি গ্ৰহণ কৰিব লাগিব। আজিৰ সভাখনত অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ মনজিৎ বড়ো, শক্তিশালী দল গঠনৰ কাৰণে চিন্তা সমন্বয়ক অবিনাশ নাৰ্জাৰী , যুৱ উদ্যোক্তা মাৰ্দ দৈমাৰী আৰু কিৰণ বড়োৱে ক্ৰমে সামাজিক নেতৃত্ব, আত্মসহায়কৰ গোটৰ আঁচনি আৰু ইয়াৰ দুৰ্নীতি আদি বিষয় সম্পৰ্কত বিতং আলোচনা কৰে। আজিৰ এই সজাগতা সভাত গয়বাৰী ব্লক ইউ পি পি দলৰ মহিলা গোটৰ সভানেত্ৰী ৰুমা বড়ো, সম্পাদিকা ৰেখা বড়ো, ইউপিপিএলৰ বহুসংখ্যক নেতা কৰ্মী আৰু গয়বাৰী অঞ্চলৰ আত্মসহায়ক গোটসমূহৰ তিনি সহস্ৰাধিক মহিলা উপস্থিত আছিল।

## মোবাইল গেমে কাল হ'ল তামুলপুৰৰ যুৱতীৰ

# ফ্ৰি-ফায়াৰেৰে প্ৰেমৰ জালত পেলাই পশ্চিমবংগৰ যুৱকে কৰিলে অপহৰণ

## কলকাতাৰ পৰা উদ্ধাৰ অপহৃতাক, এজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ নৱেম্বৰ ঃ** মোবাইল গেমেৰে প্ৰেমৰ জালত পেলাই পশ্চিমবংগৰ এগৰাকী যুৱকে তামুলপুৰ মহকুমাৰ এগৰাকী যুৱতীক অপহৰণ কৰি নিয়াক লৈ সমগ্ৰ তামুলপুৰ মহকুমাতেই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। জানিব পৰা মতে কিছুদিন পূৰ্বে পাবজি নামৰ মোবাইল গেম খেলি তাৰ জৰিয়তে তামুলপুৰৰ এগৰাকী যুৱতী চিনাকি হৈছিল পশ্চিমবংগৰ ২৪ পৰাগনা জিলাৰ এখন অখ্যাত গাঁওৰ যুৱকৰ লগত। চিনাকি হোৱাৰ পিছত মোবাইল নম্বৰৰ আদান প্ৰদান আৰু তাৰ পিছত দুয়োৰে মাজত গঢ়ি উঠিছিল মধুৰ প্ৰেমৰ সম্পৰ্ক। প্ৰথমে মোবাইলত গেম, পিছত চলাহী কথাৰে যুৱকৰ প্ৰেম। মোবাইল গেমেৰে প্ৰেমৰ জালত পেলাই অতি কৌশলেৰে অপহৰণ কৰি নিয়ে যুৱতী গৰাকীক। যুৱকজনে হাওঁৰালৈ বুলি অনলাইন ব্যৱস্থাৰে ৰেলৰ টিকত কাটি দিছিল যুৱতীক। প্ৰেমত মতলীয়া যুৱতী গৰাকীয়েও হৈ পৰিল আবেগিক ।কলকাতাৰ যুৱক শ্বেখ ৰছিদ আমিনে পঠাই দিয়া অনলাইন টিকট লৈ হঠাৎ ঘৰৰ পৰা ৫ নাৱেম্বৰত অন্তৰ্ধান হয় যুৱতী গৰাকী। যুৱতী গৰাকী ঘৰৰ পৰা অন্তৰ্ধান হোৱাৰ পিছত পৰিয়ালৰ মাজত হাঁহাকাৰ অৱস্থাৰ সৃষ্টি হয়। বহুত বিচাৰ খোচাৰ কৰিও পৰিয়ালৰ লোকে যুৱতী গৰাকীৰ কোনো সন্ধান নাপাই কাষ চাপিল তামুলপুৰ আৰক্ষীৰ। তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অসীম বৰাৰ তত্বাৱধানত চলা তদন্তত সন্ধান ওলাল যুৱতী গৰাকীৰ। মোবাইল ট্ৰেকিংৰ জৰিয়তে কলকাতাৰ ২৪ পৰগনা জিলাৰ তিতাগড় থানাৰ এখন অখ্যাত গাৱঁত যুৱতী গৰাকী থকা বুলি আৰক্ষী নিশ্চিত হয়। পিছত গান্ধীবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দাসৰ নেতৃত্বত তামুলপুৰৰ এটি আৰক্ষীৰ দলে বেংগল পুলিচৰ সহযোগত উদ্ধাৰ কৰিলে অপহৃত যুৱতী গৰাকীক আৰু আটক কৰে শ্বেখ ৰছিদ আমিন নামৰ ২৩ বছৰীয়া যুৱক জনক। পশ্চিমবঙ্গৰ আইনী প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পিছত যুৱতী গৰাকীৰ সৈতে আটক কৰা যুৱকজন লগত লৈ আৰক্ষীৰ দলটো কালি নিশা তামুলপুৰ আৰক্ষী থানাত উপস্থিত হয়। যুৱক জনক নিশা আৰক্ষীয়ে জেৰা কৰি আজি বা'ৰ জিলা সদৰ মুছলপুৰৰ ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয় যুৱক-যুৱতী হালক। পিছত যুৱক জনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰা মতে যুৱক জন দুষ্ট চক্ৰৰ সৈতে জড়িত।

# নিটত সফলতা লাভ কৰা আজমল ছুপাৰ ৪০ ৰ শিক্ষাৰ্থীক সম্বৰ্ধনা আজমল ফাউণ্ডেচনৰ


**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ১৮ নৱেম্বৰ ঃ** দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰা ৰাজস্থানৰ ছোয়েব আফতাবক হোজাইত বহৎ সম্বৰ্ধনাৰ লগতে ১ লাখ টকাৰ জলপানি প্ৰদান আজমল ফাউণ্ডেচনৰ। আজি হোজাইৰ নাজিৰ আজমল বি এড কলেজত আজমল ফাউণ্ডেচনৰ উদ্যোগত অনুষ্ঠিত সভাখনত ৰাজস্থানৰ ছোয়েব আফতাৰৰ লগতে ২০২০ ত সফলতা লাভ কৰা আজমল সুপাৰ ৪০ ৰ ৮০ গৰাকী কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত আজমল চি এছ আৰৰ মুখ্য ন্যাসৰক্ষী মৌলানা বদৰুদ্দিন আজমল, নগাঁও লোকসভাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, প্ৰাগ নিউজৰ মুখ্য সম্পাদক প্ৰশান্ত ৰাজগুৰু,বিশিষ্ট লিখিকা শিখা শৰ্মা, NGOৰ সদস্যা মিৰা বৰঠাকুৰ গোস্বামীসহ বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। সম্বৰ্ধনা অনুষ্ঠানত সদ্য মেডিকেলত স্থান প্ৰাপ্ত ৮০




গৰাকী কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। লগতে ভেঞ্চাৰ বিদ্যালয়ত বিনা বেতনে শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা ৭৫ জন শিক্ষকক ২০ হাজাৰ টকাকৈ সাহাৰ্য প্ৰদান কৰে আজমল ফাউণ্ডেচনে। সভাত ১০ গৰাকী দৰিদ্ৰক ২ লাখ টকাকৈ ঘৰ নিৰ্মাণৰ বাবে ২০ লাখ টকাৰ চেক প্ৰদান কৰে আজমলে। ২০ গৰাকী বিধৱা মহিলাৰ প্ৰতিজনক ৩৬ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। শাৰীৰিকভাৱে সক্ষম ২৫ গৰাকী হিতাধিকাৰীৰ প্ৰতিজনক ২৪ হাজাৰ টকাকৈ সাহাৰ্য প্ৰদান কৰে আজমল ফাউণ্ডেচনে। ধুবুৰীৰ আজমল কলেজত ১ লাখ ৫০ হাজাৰ টকা, মৰিয়ম আজমল ৱমেন কলেজ চাইন্স এণ্ড টেকনোলোজী কলেজৰ শিক্ষক গোটক ২ লাখ টকা, মৰিয়ম আজমল আৰ্টচ কলেজত ২ লাখ টকা, নাজিৰ আজমল মেমৰিয়েল বি এড কলেজত ৩ লাখ টকা আজমল চুপাৰ ফৰ্টিৰ শিক্ষক গোটক ১০ লাখ টকা, মেডিকেলৰ শিক্ষাৰ্থী চৈয়ব আফতাবক ১ লাখ টকাৰ সাহাৰ্য প্ৰদান কৰাৰ লগতে আন বহু কেইগৰাকী কৃতী শিক্ষাৰ্থী নগদ ধন প্ৰদান কৰা হয়। সমূহ কৃতী শিক্ষাৰ্থীক ফুলাম গামোচা, জাপি, শৰাই, মানপত্ৰ আদিৰ লগতে চিকিৎসা কাৰ্যত ব্যৱহাৰ কৰা সামগ্ৰীসমূহ উপস্থিত অতিথি সকলৰ দ্বাৰা বিতৰণ কৰে আজমল ফাউণ্ডেচনে। আজিৰ এই শৈক্ষিক সভাত শিক্ষক, শিক্ষাৰ্থীসকলৰ লগতে তেওঁলোকৰ অভিভাৱক, বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল।

# উদমাৰী হাইস্কুলৰ দুই কৃতী শিক্ষকক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ১৮ নৱেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত উদমাৰী হাইস্কুলৰ দুগৰাকী কৃতী শিক্ষকক আজি সহকৰ্মী শিক্ষক - শিক্ষয়িত্ৰীই বিদায় সম্বৰ্দ্ধনা জনায় ।জানিব পৰা মতে আজি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে দিনযোৰাকৈ উদমাৰী হাইস্কুলৰ প্ৰেক্ষাগৃত সদ্যহতে অৱসৰ লাভ কৰা শিক্ষয়িত্ৰী জামিনী বৰঠাকুৰ ভাগৱতী আৰু শিক্ষক পুলিন চন্দ্ৰ পাঠকদেৰক বিদায় দিয়াৰ উদ্দেশ্যে বিদ্যালয়ৰখনৰ ছাত্ৰ - ছাত্ৰী, শিক্ষক বৃন্দই সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰে। উত্তৰ প্ৰজন্মক আজীৱন শিক্ষা কৰ্মত ব্ৰতি হৈ সুদীৰ্ঘ প্ৰায় ত্ৰিশ বছৰ কাল উদমাৰী হাইস্কুলত দুয়োগৰাকী শিক্ষকে মানৱ সম্পদ গঢ়াৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰী তথা সমাজখনক শিক্ষা দান কৰি চাহ বাগিছা অধ্যুষিত অঞ্চলটোত জ্ঞানৰ পোহৰ বিলাই আহিছিল। সম্বৰ্দ্ধনা সভাতে বিদ্যালয়খনৰ শিক্ষকবৃন্দ তথা



ছাত্ৰ ছাত্ৰীসকলে দুয়োগৰাকী শিক্ষাবিদক শৰাই, গামোচা, কিতাপৰ টোপোলা আৰু সম্বৰ্দ্ধনা পত্ৰয়ে অভিনন্দন জ্ঞাপন কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে চলিত বৰ্ষৰ আগষ্ট মাহত কৃতি শিক্ষক পুলিন চন্দ্ৰ পাঠক ডাঙৰীই উক্ত বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ লগতে যোৱা ছেপ্টেম্বৰ মাহত কৃতী শিক্ষয়িত্ৰী জামিনী বৰঠাকুৰ ভাগৱতীয়ে অৱসৰ গ্ৰহণ কৰে বুলি বিদ্যালয়খনৰ প্ৰধান শিক্ষক আদিত্য বৰদলৈয়ে জানিবলৈ দিয়ে উক্ত সভাত প্ৰাক্তন প্ৰধান শিক্ষক, অৱসৰ প্ৰাপ্ত শিক্ষক - শিক্ষয়িত্ৰীকে ধৰি কৰ্মৰত সকলো শিক্ষক - শিক্ষয়িত্ৰী, ছাত্ৰ - ছাত্ৰী উপস্থিত থাকে বুলি জানিব পৰা গৈছে।

## বকোত আয়োজিত 'কেম্পাছ ইণ্টাৰভিউ' মেলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৮ নৱেম্বৰ ঃ** শিক্ষিত নিবনুৱা - বৰ্তমান সময়ৰ এটা জলন্ত সমস্যা। সমগ্ৰ ৰাজ্যতে দিনক দিনে বৃদ্ধি পাই আহিছে নিবনুৱা সমস্যাই। সংস্থাপন লাগে শিক্ষিত নিবনুৱাক। তেনে সময়তে জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোত আয়োজন কৰা হ'ল চাকৰি মেলা। যোৱা মঙলবাৰে মহাবিদ্যালয় পৰ্যায়ত প্ৰথমবাৰৰ বাবে ছাত্ৰ - ছাত্ৰীৰ মাজত 'কেম্পাছ ইণ্টাৰভিউ' অনুষ্ঠিত কৰা হয় বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত। মহাবিদ্যালয়খনৰ অধ্যক্ষ তপন দত্তৰ তৎপৰতাত আয়োজন কৰা হয় চাকৰি মেলাৰ। এই চাকৰি মেলাত পাঁচটা কোম্পানীয়ে অংশগ্ৰহণ কৰি প্ৰায় ডেৰ শতাধিক ছাত্ৰ - ছাত্ৰীৰ সাক্ষাৎ গ্ৰহণ কৰে। যোগ্যতাৰ ভিত্তিত অংশগ্ৰহণ কৰা পাচটা কোম্পানীয়ে নিৱনুৱাক মকৰল কৰিব। চাকৰি মেলাত ফুড প্ৰচেচিং কোম্পানী, ফাইনেন্স কোম্পানী, নিৰস্ত্ৰ সুৰক্ষা কোম্পানীয়ে চাকৰি প্ৰাৰ্থীৰ পৰা সাক্ষাৎকাৰ গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় দক্ষতা সংৰচনা আচনিৰ অধীনত যোৱা বৰ্ষৰ পৰা কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰাৰ পিছতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰে এই চাকৰি মেলা।

# নিৰ্মীয়মান ৰাজগড় ৰোডৰ কামৰ বুজ গুৱাহাটী উন্নয়ন মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ নৱেম্বৰ ঃ** গড়কাপ্তানী বিভাগৰ দ্বাৰা নিৰ্মীয়মাণ ৰাজগড় ৰোডৰ কাম অতি লেহমীয়া হোৱাত স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰি আহিছে। ডিভাইদাৰ আৰু ক্ৰছিঙ নিৰ্মান ক্ষেত্ৰত ঠিকাদাৰ কৰ্তীপক্ষয় কিছু অসুবিধাৰ সন্মুখীন হৈছে। কিয়নো এই পথচোৱাত কেইবাটাও উপপথ সংযোজিত হৈ আছে। এই ক্ষেত্ৰত ক্ৰছিঙ আৰু ডিভাইদাৰ বহুৱাক লৈ গড়কাপ্তানী বিভাগে যঠেষ্ট সমেস্যাৰ সন্মুখীন হৈছে। ইয়াৰ বাবেই আজি স্হানীয় বিধায়ক তথা গুৱাহাটী উন্নয়ন মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই ৰাজগড়ত উপস্থিত হৈ নিৰ্মীয়মাণ পথছোৱাৰ কামৰ বুজ লয়। স্থানীয় ৰাইজ তথা গড়কাপ্তানী বিভাগৰ অভিযন্তা বিষয়া কৰ্মচাৰী, ঠিকাদাৰ কৰ্তীপক্ষৰ উপস্থিতিত পথ নিৰ্মানৰ এক আলোচনা অনুষ্ঠিত হয়। স্থানীয় ৰাইজৰ পৰামৰ্শ অনুযায়ী ক্ৰছিঙত আৰু ডিভাদাৰসমূহ নিৰ্মান কৰিবলৈ গড়কাপ্তানী বিভাগ তথা ঠিকাদাৰ কৰ্তীপক্ষক মন্ত্ৰীগৰাকীয়ে পৰামৰ্শ আগবঢ়াই। লগতে ৰাইজৰ সুবিধাৰ্থে অতি ক্ষিপ্ৰতাৰে পথ নিৰ্মানৰ কাম সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়া তথা ঠিকাদাৰ কৰ্তীপক্ষক মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য নিৰ্দেশ দিয়ে। উল্লেখ্য যে পথ নিৰ্মান আলোচনা সভাত জেষ্ঠ্য সাংবাদিক মৃনাল তালুকদাৰসহ কেইবাগৰাকী স্হানীয় ব্যক্তি উপস্থিত থাকে। কৰ্তীপক্ষক মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য নিৰ্দেশ দিয়ে। উল্লেখ্য যে পথ নিৰ্মান আলোচনা সভাত জেষ্ঠ্য সাংবাদিক মৃনাল তালুকদাৰসহ কেইবাগৰাকী স্থানীয় ব্যক্তি উপস্থিত থাকে ।

# বাটৰহাটৰ জিলা কাৰ্যালয়ত বিজেপিৰ 'পৰিয়াল মিলন' কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ সেৱা, মীৰ্জা, ১৮ নৱেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টি কৰ্যকৰ্তাসকলে বৰ্তমানলৈ বছৰ বছৰ ধৰি দলটোৰ হৈ নিষ্ঠা সহকাৰে সেৱা আগবঢ়ায় আহিছে। এনেক্ষেত্ৰত কাৰ্যকৰ্তাসকলৰ পৰিয়ালসমূহেও সহযোগিতা আগবঢ়ায় অহাৰ লগতে তেওঁলোকৰ অবদানো অতুলণীয়। ভাৰতীয় জনতা পাৰ্টিৰ হৈ কাৰ্যকৰ্তাৰ লগতে পৰিয়ালবৰ্গসমূহৰ অবদানৰ বাবে দলটোৰ ৰাজ্যিক সমিতিৰ পৰামৰ্শমতে দক্ষিণ কামৰূপ জিলাৰ উদ্যোগত পলাশবাৰীৰ বাটৰহাটস্থিত জিলা কাৰ্যালয়ত আজি পৰিয়াল মিলন কাৰ্যসুচী অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীত ভাৰতীয় জনতা পাৰ্টি দক্ষিণ কামৰূপ জিলাৰ কাৰ্যকৰ্তাসকলৰ লগতে পৰিয়ালবৰ্গসমূহ উপস্থিত থাকি গীত, কবিতা, নৃত্য আদি পৰিবেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত পৰিয়ালবৰ্গৰ সদস্যসমূহক দক্ষিণ কামৰূপ জিলা তৰফৰ পৰা একোখনকৈ ফুলাম গামোচাৰে আদৰণী জনোৱা হয়। জিলা সভাপতি ধনেশ্বৰ তালুকদাৰে উপস্থিত থাকি ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰবাদ, সমাজবাদ আৰু সংস্কৃতিবাদ এই লক্ষ্যৰে ভাৰত ৰাষ্ট্ৰ নিৰ্মাণৰ লক্ষ্য কৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আজিৰ এই অনুষ্ঠানটো অন্যতম পৰিয়াল মিলন কাৰ্যসুচী প্ৰথম বাৰৰ বাবে কৰাত সচাঁকৈয়ে অতুলণীয়। বিজেপি দলটো অকল সভা, সমিতি তথা বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ মাজৰে সকলো জন-জাতি, ভাষা-ভাষিক একত্ৰিত কৰি শক্তিশালী কৰাৰ উদ্দেশ্য বুলি প্ৰকাশ কৰে। অনুষ্ঠানত বিজেপি ৰাজ্যিক মুখ্য মুখ্যাপাত্ৰ ৰূপম গোস্বামী, মুখপাত্ৰ হেমাংগ ঠাকুৰীয়া, ৰাজ্যিক কাৰ্যনিৰ্বাহক অনুপ মেধী, বিজেপি নেত্ৰী তথা অসম শিশু সুৰক্ষা আয়োগ অধিকাৰৰ অধ্যক্ষা ড° সুনীতা চাং কাকতি, কৃষাণ মৰ্চাৰ ৰাজ্যিক কোষাধ্যক্ষ ৰাজেন নাথ, যুৱ মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি হিমাংশু শেখৰ বৈশ্য, দক্ষিণ কামৰূপ জিলা কৃষাণ মৰ্চাৰ সভাপতি মানিক সিংহ, প্ৰাক্তন পৌৰপতি ৰাতুল শৰ্মা, দক্ষিণ কামৰূপ জিলাৰ সাধাৰণ সম্পাদক পৰমানন্দ দাস আদিৰ লগতে ৰাজ্যিক, জিলা, মণ্ডল পৰ্যায়ৰ সকলো বিষয়ববীয়া আৰু কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

# টীয়কত পকী পথৰ আধাৰশিলা উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৮ নৱেম্বৰ ঃ** যোৰহাট জিলা টীয়ক সমষ্টিত সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনতৰ টীয়ক সমষ্টিৰ কাকজানত কেইবাটাও পথৰ আধাৰ শিলা উদ্বোধন কৰে টীয়কৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাৰ সহিতে যোৰহাট জিলাৰ অগপৰ সম্পাদক বিকাশ শইকীয়া, জিলা বিজেপিৰ সাধাৰণ



সম্পাদক অমৰ জ্যোতি শইকীয়া , মহিলা মৰ্চাৰ সাধাৰণ সম্পাদিকা ৰুমী চেতিয়াকে ধৰি অভিযন্তা, দলৰ উচ্চ স্তৰীয় কৰ্মকৰ্তা সকলৰ লগতে উপস্থিত থাকে কৰ্মী সকল ।মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত টীয়কৰ দুনৈমুখ পথ প্ৰথমে শুভাৰম্ভ কৰাৰ পাছত সোণাৰী ভৰলুৱা পথ আধাৰ শিলা কৰাৰ লগতে পূব যোৰহাটৰ গ্ৰাম্য অঞ্চলৰ কাকজান বনগাঁও সৰহৰিয়া উপ পথ আধাৰ শিলা কৰাৰ লগতে সমীপৱতী অঞ্চল কাকজান দ বাম কুকুৰা চৰা গাৰোৱাল চুণ্ডী পথ শুভাৰম্ভ কৰে বিধায়িকাৰ নেতৃত্বত দলৰ উচ্চ ষ্টৰীয় কৰ্মকৰ্তা সকলে ।কাকজান স্থিত দ বাম কুকুৰা চোৱা গাৰোৱাল চুণ্ডীত পথৰ শুভাৰম্ভ হোৱাৰ লগতে এক বিশেষ সভা অনুষ্ঠিত হয় ।গ্ৰাম্য অঞ্চলৰ পথৰ উন্নয়নৰ ওপৰত জিলা বিজেপিৰ অমৰ শইকীয়াই আলোপপাত ধৰা অনুষ্ঠানত দলৰ কৰ্মকৰ্তা সকল উপস্থিত থকাৰ লগতে জ্যেষ্ঠ সাংবাদিক দিলিপি দত্ত, ৰাম প্ৰসাদ ফুকন, মানৱজ্যোতি বৰদলৈ, বিৰাজ কুমাৰ বৰা,অভিযন্তা ,পথ উন্নয়নৰ ওপৰত আলোপাত কৰি এক কাকজানৰ দীৰ্ঘদিনীয়া সমস্যা দূৰ হোৱা বুলি উপস্থিত লোক সকলে মত ব্যক্ত কৰি । উল্লেখ যে টীয়ক সমষ্টিত পথৰ উনয়নে সমষ্টি বাসীৰ এক দীৰ্ঘদিনীয়া সমস্যা দূৰ হোৱাৰ কথা সদৰী কৰে ভালেকেইজন সচেতন সমাজ কৰ্মী ৰাইজে ।

# নাগ্ৰীজুলিৰ কাউলীত বিজেপিৰ বিশাল যোগদান সমাৰোহ

## বিভিন্ন দল-সংগঠনৰ পৰা ৩৪৪ জনৰ বিজেপিত যোগদান

### সমাগত পৰিষদীয় নিৰ্বাচনত অধিক আসন লাভ কৰি বিটিচিত বিজেপিয়ে চৰকাৰ গঠন কৰাটো নিশ্চিত ঃ বিধায়ক ইমানুৱেল মছাহাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ নৱেম্বৰ ঃ** ব্ৰহ্মপুত্ৰ নৈত পানী থকা পৰ্যন্ত এতিয়াৰ পৰা বিটিচিত পদুম ফুল ফুলি থাকিব। ১৭ বছৰে বিপিএফ দলে বিটিচিত শাসনভাৰ চলালে। কিন্তু এতিয়া বিজেপিয়ে বিটিচি দখল কৰি বিটিআৰত শাসন কৰিব। এইবাৰৰ



পৰিষদীয় নিৰ্বাচনত বিজেপিয়ে অধিক সংখ্যক আসন লাভ কৰি বিটিচিত বিজেপিয়ে চৰকাৰ গঠন কৰাটো নিশ্চিত। এই ভাষ্য তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ইমানুৱেল মছাহাৰীৰ। আজি ২৭ নং নাগ্ৰীজুলি বিটিচি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত কাউলিত বিজেপিৰ নাগ্ৰীজুলি মণ্ডল সমিতিৰ উদ্যোগত আবেলি ৩-০০ বজাত অনুষ্ঠিত এখন যোগদান সমাৰোহত অংশ গ্ৰহণ কৰি ইমানুৱেল মছাহাৰীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ পুনৰ কয়- বিটিচিত বিপিএফৰ তীব্ৰ গৰাখহনীয়া আৰম্ভ হৈছে। এতিয়া বিপিএফ শূন্য হবলৈ গৈ আছে। জনবহুল সভাখনক সম্বোধন কৰি ইমানুৱেল মছাহাৰীয়ে কয়- ৰাইজে এতিয়া পৰিৱৰ্তন বিচাৰিছে। পৰিবৰ্তনৰ ঢৌৱে সকলোৰে অন্তৰাত্মা স্পৰ্শ কৰিছে। ৰাইজে বিজেপি দলক আস্থা আৰু বিশ্বাসত লৈ বিজেপি দলৰ প্ৰতি আকৃষ্ট হৈ বিজেপি দলত যোগদান কৰিছে। নৰেন্দ্ৰ মোদীৰ আঁচনিৰ দ্বাৰা যি উন্নয়নৰ ধাৰা, সেইয়া ৰাইজৰ সহায়-সহযোগে আৰু অধিক ত্বৰন্বিত কৰিব বুলি মন্তব্য কৰি মছাহাৰীয়ে কয়- ২০২১ ৰ বিধান সভা নিৰ্বাচনতো বিজেপিয়ে বিটিচিত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰদান কৰিব প্ৰতিটো সমষ্টিত। বিজেপি দলৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আজি কেৱল কাউলীতেই নহয়, সমগ্ৰ দেশ, ৰাজ্য তথা বিটিচিজুৰি যোগদান প্ৰক্ৰিয়া অব্যাহত আছে। নাগ্ৰীজুলি মণ্ডল বিজেপিৰ সভাপতি ৰাম বাস্তলাই সভাপতিত্ব কৰা আজিৰ যোগদান সভাত ২৭ নং নাগ্ৰীজুলি পৰিষদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থী ধৰ্মনাৰায়ণ দাসে ভাষণ ৰাখি কয় - কেন্দ্ৰত বিজেপি চৰকাৰ, দিছপুৰতো বিজেপি চৰকাৰে শাসন চলাই আছে। এই বাৰ বিটিচিত বিজেপিৰ শাসন চলিব। বিগত বিটিচি নিৰ্বাচনত বিজেপি দলে লাভ কৰা একমাত্ৰ ২৭ নং নাগ্ৰীজুলি বিটিচি পৰিষদীয় সমষ্টি ও বিজেপি দলৰ হাতলৈ যে আহিব আজিৰ সভাত ৰাইজৰ যি উপস্থিতি সেই উপস্থিতিয়ে তাকেই প্ৰমাণ কৰিছে। বিগত ১৭ বছৰে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে অপশাসনৰ যোগেদি এক লুণ্ঠনৰাজ চলাই গৈছিল যদিও, দেৰিকৈ হলেও এতিয়া সৰ্বস্তৰৰ ৰাইজে এই কথা উমান পাই হিল-দল ভাঙি বিজেপি দলত যোগদান কৰিব ধৰিছে। বিজেপি দলৰ প্ৰতি বিটিআৰবাসীৰ অভূতপুৰ্ব সহাৰিয়েই বিটিআৰত বিজেপিৰ শাসন নিশ্চিত কৰিছে। শেহতীয়াকৈ তামুলপুৰৰ বিপিএফ দল ত্যাগ কৰি তামুলপুৰৰ বিধায়ক ইমানুৱেল মছাহাৰী আৰু ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰীয়ে বিজেপিত যোগদান কৰাৰ পাছত বিটিআৰত বিজেপিৰ শক্তি দুগুন বৃদ্ধি হব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আজিৰ এই সভাত নাগ্ৰীজুলি ব্লক বিপিএফৰ উপ সভাপতি টেক বাহাদুৰ ছেত্ৰীৰ নেতৃত্বত বিপিএফ দলৰ তিনি শতাধিক ব্লক পৰ্যায়ৰ নেতা কৰ্মীৰ লগতে অন্যান্য দলৰ পৰা অহা মুঠ ৩৪৪ জন লোকে আনুষ্ঠানিক ভাৱে বিজেপি দলত যোগদান কৰিয়েই বিজেপি জিন্দাবাদ, সৰ্বানন্দ সোণোৱাল জিন্দাবাদ, ৰঞ্জিত দাস জিন্দাবাদ, ধৰ্মনাৰায়ণ দাস জিন্দাবাদ আদি শ্লোগান দি সভা স্থলী উত্তাল কৰি তোলে। আজিৰ এই সভাত বা'ষ্কা জিলা বিজেপিৰ সভাপতি ৰাম দাহাল, সম্পাদক ৰাজেশ বড়ো, অনুসূচীত জাতি মৰ্চাৰ বা'ষ্কা জিলাৰ সভাপতি গজেন দাস, জিলা যুৱ মৰ্চাৰ উপ সভাপতি ভজন দাস, যুৱ বিজেপি নেতা খগেন দাস, দীপাংকৰ ভট্টাচাৰ্য, ৰঞ্জিত দে', সহ ভালে সংখ্যক নেতা কৰ্মী উপস্থিত থাকে।

## সংকটজনক অৱস্থাত চিকিৎসাধীন এসময়ৰ দুৰ্দান্ত ফুটবলাৰ তুলতুল দত্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৮ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ এসময়ৰ দুৰ্দান্ত ৰাইট উইংগ পজিছনত খেলা ফুটবলাৰ তুলতুল দত্ত এতিয়া জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত আই চি ইউৰ বিচনাত জীৱন যুদ্ধৰ লগত যুঁজি আছে। শিৱসাগৰ ফুটবলৰ ভোটাতৰা সদৃশ প্ৰয়াত তোষেশ্বৰ দত্তৰ ভতিজা তুলতুল দত্তই তিনিবাৰকৈ সন্তোষ ট্ৰফী ফুটবলত অসম দলক প্ৰতিনিধিত্ব কৰাৰ উপৰিও বি চি ৰয় ট্ৰফীত অসম দলক প্ৰতিনিধিত্ব কৰি ৰানাৰ্চ-আপৰ সন্মান লাভ কৰিবলৈও সক্ষম হৈছিল। ইয়াৰ উপৰিও দত্তই গুৱাহাটীৰ মহাৰাণা, টাউন ক্লাবকে ধৰি কেইবাটাও অসমৰ আগশাৰীৰ ফুটবল দলক প্ৰতিনিধিত্ব কৰিছিল। এইগৰাকী ফুটবল খেলুৱৈয়ে জীৱনত একো স্থায়ী সংস্থাপন লাভ কৰিব নোৱাৰি শিৱসাগৰৰ কে পি চাৰিআলিত অস্থায়ীভাৱে শাক-পাচলিৰ ব্যৱসায় কৰি পৰিয়ালক পোহপাল দি আছিল। কাথপাৰ নিবাসী তথা বৰ্তমান শিৱসাগৰ মেলাচকৰৰ বাসিন্দা তুলতুল দত্তই আৰ্থিক অনাটনৰ মাজত পত্নী, দুগৰাকী কন্যা আৰু এজন পুত্ৰৰ সৈতে পৰিয়ালটো এতিয়া হাঁহাকাৰ অৱস্থা হৈছে। উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱা দত্তক উন্নত চিকিৎসাৰ বাবে নিবলৈ পৰিয়ালটোৰ নাই পৰ্যাপ্ত ধন। ফুটবল খেলাৰ সময়ত দত্তৰ সংগ দিয়া বৰ্তমান প্ৰতিষ্ঠিত বন্ধুসকলো আজি দত্তৰ কাষত কোনো নাই। আনকি শিৱসাগৰ ফুটবলৰ গৌৰৱ, দত্তৰ কাষত শিৱসাগৰ ক্ৰীড়া সন্থাৰ কোনো এজন কৰ্মকৰ্তাই এই বাতৰি লিখা পৰ্যন্ত খবৰ কৰা নাই বুলি জানিব পৰা গৈছে।

## লুড' কাপ ফুটবল প্ৰতিযোগিতাত গুৱাহাটী জি এল এফ চি কোৱাৰ্টাৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১৮ নৱেম্বৰ ঃ** লোকেল ইউনাইটেড ডেভেলপমেণ্ট অৰগেনাইজেশ্বন চমুকৈ লুড'ৰ উদ্যোগত গোগামুখ উচ্চচতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ফুটবল প্ৰতিযোগিতাত আজি গুৱাহাটী এল এফ চিয়ে দুলীয়াজান টেঙাখাট এফ চিক ৪-০ গলৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত হোৱা খেলত এল এফ চিয়ে টেঙাখাট এফ চিক পৰাজিত কৰে। কাইলৈ আন এখন খেলত লখিমপুৰ হাতীলুং এফ চিয়ে বেঙেনাগড়াৰ এফ চিৰ মুখা-মুখি হ'ব। আজিৰ খেলখন উদ্বোধন কৰে এম এ চিৰ সাধাৰণ সদস্য ৰাজু পেগু আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ এথলেটিক প্ৰশিক্ষক তথা এথলেটিকৰ ডিপলমাপ্ৰাপ্ত গেৰেমছা দৈমাৰীয়ে।




# পশ্চিম কাৰ্বি আংলঙৰ বিথুঙত কৃষক-মহিলাৰ মাজত কৃষি-ৰন্ধন সামগ্ৰী বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিফু, ১৮ নৱেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ বিথুং সমষ্টিৰ দৰিদ্ৰ কৃষকসকলৰ মাজত আজি বিভাগীয় কৰ্তৃপক্ষৰ ফালৰ পৰা বিনামূলীয়াকৈ আলু, সৰিয়হ ইত্যাদি বিতৰণ কৰা হয়। আনহাতে অঞ্চলটোৰ মহিলাসকলৰ মাজত প্ৰেচাৰ কুকাৰ, গেছ ষ্টভ আদিও বিতৰণ কৰে জিলাখনৰ স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে। প্ৰায় দুই শতাধিক কৃষক আৰু মহিলাই যোগদান কৰা সামগ্ৰী বিতৰণী সভাত অংশগ্ৰহণ কৰে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, সাংসদ হৰেণ সিং বে, মনোনীত সদস্য চন্দ্ৰ বাহাদুৰ ছেত্ৰী, দিঅ'লাল হান্সু, তাৰজান লাংঠাছা, ডংকামকাম বিজেপি সমিতিৰ সভাপতি ৰদীপ ৰংহাং, মহিলা সমিতিৰ সদস্যসকলৰ লগতে বিথুং সমষ্টিৰ বিজেপি দলৰ সমূহ কৰ্মকৰ্তা উপস্থিত থাকে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থকা মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে ভাষণ প্ৰসংগত উল্লেখ কৰে যে অঞ্চলটোৰ ৰাইজৰ উন্নয়নত অধিক গুৰুত্ব প্ৰদান কৰাৰ লগতে যাতায়াত, শিক্ষা, অৰ্থনীতি, কৃষি সকলো ক্ষেত্ৰতে আগন্তুক দিনত বিজেপি চৰকাৰখনে ৰাইজক সহযোগ কৰি যাব বুলি আশ্বাস প্ৰদান কৰে। সভাত উপস্থিত থকা আন আন অতিথিসকলেও ৰাইজৰ মাজত অঞ্চলটোৰ উন্নয়ন সন্দৰ্ভত বহুমূলীয়া ভাষণ প্ৰদান কৰে।

# কোকৰাঝাৰ সদৰ চহৰত বিপিএফৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

### বিশ্বজিৎ দৈমাৰীক বিটিচিৰ চীফ কৰাৰ হিমন্তৰ পৰিকল্পনা সফল নহ'ব ঃ দনেশ্বৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৮ নৱেম্বৰ ঃ** হিমন্ত বিশ্ব শৰ্মাই প্ৰমোদ বড়োক চীফ বনোৱাৰ পৰিকল্পনা কৰিছিল , কিন্তু অংক নিমিলাৰ বাবে এতিয়া বিশ্বজিৎ দৈমাৰীক চীফ বনোৱাৰ পৰিকল্পনা কৰিছে। সেই পৰিকল্পনাও ফলৱতি নহব । এই মন্তব্য বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বাওখুংগ্ৰী পৰিষদীয় সমষ্টিৰ বিপিএফ প্ৰাৰ্থী দনেশ্বৰ গয়াৰীৰ। আজি কোকৰাঝাৰ সদৰ চহৰত বিপিএফৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বাওখুংগ্ৰী পৰিষদীয় সমষ্টিৰ বিপিএফ প্ৰাৰ্থী দনেশ্বৰ গয়াৰীয়ে উক্ত মন্তব্য প্ৰকাশ কৰি হিমন্ত বিশ্ব শৰ্মা আচল বিজেপি নহয় বুলিও মন্তব্য কৰে। কংগ্ৰেছ দল ধ্বংস কৰা হিমন্ত বিশ্ব শৰ্মা বিজেপি দলকো ধ্বংস কৰিব বুলি মন্তব্য কৰি দলবাগৰা ৰাজনীতিক হিমন্ত বিশ্ব শৰ্মাৰ মিছা বক্তব্য এতিয়া আৰু অসমৰ ৰাইজে বিশ্বাস নকৰে আৰু হিমন্ত বিশ্ব শৰ্মাক শিয়াল আখ্যা দিয়ে। ইউপিপিএল দলকো কঠোৰ ভাষাৰে সমালোচনা কৰি প্ৰমোদ বড়ো বিটিচি এলেকাৰ ভিতৰত " এক নম্বৰ " মিছা কথা কোৱা ব্যাক্তি বুলি মন্তব্যৰে অহা ১২ ডিচেম্বৰত সকলো কথা পৰিষ্কাৰ হব আৰু বিপিএফে একক সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিব বুলি দাবী কৰিছে বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বাওখুংগ্ৰী পৰিষদীয় সমষ্টিৰ বিপিএফ প্ৰাৰ্থী দনেশ্বৰ গয়াৰীয়ে । উল্লেখ্য যে বিটিচি নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পিছতে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী কুচকাৱাজ তুংগত উঠিছে আৰু ৰাজনৈতিক দলসমূহে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা , প্ৰচাৰ সভা ইত্যাদি অনুষ্ঠিত কৰিছে ।

# পুনৰ ৩৫ জন অসমৰ সাংবাদিকলৈ 'এন ইউ জে আই'ৰ ৰাষ্ট্ৰীয় সন্মান

### মহানগৰ জিলা উপায়ুক্ত বিশ্বজিত পেগুক 'ক'ৰ'না যোদ্ধা' ৰাষ্ট্ৰীয় সন্মান প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ নৱেম্বৰ ঃ** ইণ্টাৰনেশ্যনেল ফেডাৰেশ্যন অৱ্ জাৰ্নেলিষ্ট , আইএফজে' ৰ পৰামৰ্শ ক্ৰমে নেশ্যনেল ইউনিয়ন অৱ জাৰ্নেলিষ্ট ইণ্ডিয়া, 'এন ইউ জে আই'ৰ উদ্যেগত আৰু জাৰ্নেলিষ্ট এছ'চিয়েছন অৱ আসাম 'জা' ৰ সহযোগত আগবঢ়োৱা "ক'ৰ'না যোদ্ধা" ৰাষ্ট্ৰীয় সন্মান আজি কামৰূপ মহানগৰ জিলা উপায়ুক্ত বশ্বজিত পেগুক আনুষ্ঠানিক ভাবে প্ৰদান কৰা হয়। 'এনইউজেআই' ৰ ৰাষ্ট্ৰীয় উপ-সভাপতি তথা 'জা' ৰ মুখ্য উপদেষ্টা ভূপেন গোস্বামী, 'জা' ৰ সম্পাদক সুদীপ শৰ্ম্মা চৌধুৰী , সদস্য সন্তোষ দাস ,মহানগৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া ৰতন সাউদকে প্ৰমুখ্য কৰি উপায়ুক্ত কায্যালয়ৰ কেইবাজনো বিষয়া কৰ্মচাৰীৰ উপস্থিতিত জিলা উপায়ুক্ত পেগুক আনুষ্ঠানিক এই সন্মান প্ৰদান কৰা হয়। উল্লেখ্য যে সমগ্ৰ বিশ্বত ত্ৰাসৰ সৃষ্টি কৰা ক'ৰ'না মহামৰীৰ দুৰ্যোগৰ সময়ত দিনে- নিশাই ৰাইজৰ সেৱা আগবঢাই অহা ব্যক্তি সকললৈ ইণ্টাৰনেশ্যনেল ফেডাৰেশ্যন অৱ্ জাৰ্নেলিষ্ট , আইএফজে' ৰ পৰামৰ্শ ক্ৰমে নেশ্যনেল ইউনিয়ন অৱ জাৰ্নেলিষ্ট ইণ্ডিয়া, 'এন ইউ জে আই' য়ে "ক'ৰ'না যোদ্ধা" ৰাষ্ট্ৰীয় সন্মান আগবঢ়াইছে । ইয়াৰ প্ৰথম পৰ্যায়ত অসমৰ মুঠ ৩০ জন ব্যক্তিক "ক'ৰ'না যোদ্ধা" হিচাপে নিৰ্বাচিত কৰি যোৱা ২৭ আগষ্টত গুৱাহাটী প্ৰেছ ক্লাবত আনুষ্ঠানিক এই সন্মান ভাবে প্ৰদান কৰা হৈছিল যদিও ক'ৰ'নাত আক্ৰান্ত হোৱাৰ বাবে উপায়ুক্ত পেগু উক্ত দিনা উপস্থিত থাকিব পৰা নাছিল। আনহাতে 'এনইউজেআই' ৰ উদ্যেগত দেশৰ খ্যাতনামা সাংবাদিক ডঃ অলোক মেহতাৰ নেতৃত্বত গঠিত ১১ জনীয়া ৰাষ্ট্ৰীয় কোৰ'না যোদ্ধা নিৰ্বাচক সমিতিয়ে দ্বিতীয় পৰ্যায়ত অসমৰ মুঠ ৫০ জন ব্যক্তিক এই ৰাষ্ট্ৰীয় কোৰ'না যোদ্ধা সন্মানৰ বাবে নিৰ্বাচিত কৰিছে । ইয়াৰ ভিতৰত গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন জিলাৰ ৩৫ জন সাংবাদিকৰ নামো অৰ্ন্তভুক্ত কৰা হৈছে । নেশ্যনেল ইউনিয়ন অৱ জাৰ্নেলিষ্ট ইণ্ডিয়াৰ ৰাষ্ট্ৰীয় সভাপতি ৰাজবিহাৰী আৰু সম্পাদক প্ৰধান প্ৰসন্ন মহন্তীয়ে জাৰ্নেলিষ্ট এছ'চিয়েছন অৱ আসাম 'জা' কেন্দ্ৰীয় সভাপতি তথা বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তীলৈ প্ৰেৰন কৰা এক পত্ৰ যোগে এই কথা জানিবলৈ দিছে । আগন্তুক সময়ত এন ইউ জে আই পৰামৰ্শক্ৰমে সাংবাদিক সহ আৰু প্ৰায় ৫০ জন বিভিন্ন ক্ষেত্ৰৰ সমাজ হিতৈষীক দ্বীতিয় পৰ্যায়ৰ "ক'ৰ'না যোদ্ধা" ৰাষ্ট্ৰীয় সন্মান আগবঢ়োৱা হ'ব বুলি বুলি 'জা'ৰ এক প্ৰেছ বিজ্ঞপ্তিত আজি এই কথা প্ৰকাশ কৰে । ইতিমধ্যে প্ৰথম পৰ্যায়ত আৰ্ন্তৰাষ্ট্ৰীয় সাংবাদিক সংগঠনৰ উদ্যোগতযোৱা ২৭ আগষ্টত গুৱাহাটী প্ৰেছ ক্লাবত অসমৰ ২০ জন সাংবাদিকক "ক'ৰ'না যোদ্ধা" ৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত কৰা হৈছিল ।



# যোৰহাট মালৌপথাৰৰ ঐতিহাসিক বৰভেটিত কৃষি মন্ত্ৰী অতুল বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ১৮ নৱেম্বৰ ঃ** যোৰহাটৰ উত্তৰ-পশ্চিম দিশৰ ভোগদৈ নৈৰ পাৰৰ মালৌপথাৰৰ ঐতিহাসিক বৰভেটিত ১৮ অ'ে'াবৰৰ বিয়লি দুই বজাত উপস্থিত হয় ৰাজ্যৰ কৃষি দপ্তৰৰ মন্ত্ৰী অতুল বৰা।মন্ত্ৰীজনে বৰভেটিলৈ নৈবেদ্যসহ শৰাই-সঁফুৰা আগবঢ়োৱাৰ লগতে ধূপ-দীপ প্ৰজ্বলন কৰি বৰভেটিৰ নামঘৰত সেৱা লয়।সাংগো-পাংগোসহ উপস্থিত হোৱা কৃষি মন্ত্ৰীজনে বৰভেটিৰ চাৰিও দিশ দৰ্শন কৰি মোৱামৰীয়া বিদ্ৰোহৰ সময়তে ১৭৬০ চনতে মায়ামৰীয়া সম্প্ৰদায়ৰ লোকসকলে সত্ৰাধিকাৰ অষ্টভূজদেৱৰ নিৰ্দেশত দ-পিটনিত একো চপৰাকৈ মাটি দি আঠ লক্ষ্য লোকে বন্ধা বুৰঞ্জী প্ৰসিদ্ধ বৰভেটিটোৰ বৰ্তমানলৈকে হোৱা উন্নয়নৰ বুজ লয়।ৰান্ধনিজান হাইস্কুলৰ প্ৰধান শিক্ষক দিগন্ত ৰাজখোৱাই বৰভেটিৰ ইতিহাস চমুকৈ ব্যাখ্যা কৰে।মন্ত্ৰীজনে জলসম্পদ দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্তক বৰভেটিৰ উন্নয়নৰ বাবে অনুদান বিচাৰিবলৈ উপস্থিত দলীয় কৰ্মীসকলক পৰামৰ্শ আগবঢ়ায়।এই সম্পৰ্কত মহন্তৰ সৈতে কথা পাতিব বুলিও কয়।মটৰ চাইকেলৰ দুৰ্ঘটনাত পতিত হৈ ঘৰতে শয্যাগত হৈ থকা স্থানীয় যুৱক দীপক হাজৰিকাৰ চিকিৎসাৰ বাবে পৰিয়ালৰ লোকে আৰ্থিক সাহায্য বিচাৰি আবেদন প্ৰদান কৰিব বিচৰাত মন্ত্ৰীজনে যুৱকজনৰ মাতৃগৰাকীক নগদ ধন প্ৰদান কৰে আৰু আবেদনখন স্থানীয় বিধায়ক ভবেন্দ্ৰনাথ ভৰালীক প্ৰদান কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।প্ৰায় আধা ঘন্টা সময় মন্ত্ৰীজন বৰভেটিৰ প্ৰাঙ্গণত থাকি ৰাওনা হয়। উল্লেখ্য, বৰভেটি সংৰক্ষণ আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াসকল কৃষিমন্ত্ৰীজন উপস্থিত হোৱাৰ সম্পৰ্কত অৱগত নাছিল বুলি সম্পাদক ঠানুৰাম দাসে জনাইছে।ইফালে অগপ দলৰ সভাপতি কৃষি মন্ত্ৰীজন অগপৰ দখলত সমষ্টিটোত থকা বৰভেটিত উপস্থিত হোৱাৰ পাছতো তৃণমূল পৰ্যায়ৰ দলীয় কৰ্মীসকল অৱগত নোহোৱাত আৰু স্থানীয় আঞ্চলিকখনৰ লগতে কৰ্মীসকলে দলীয় সভাপতিজনক আদৰণীও জনাবলৈ নোপোৱাত জিলা নেতৃত্বত থকা আৰু মন্ত্ৰীজনক বৰভেটিলৈ আগবঢ়াই অনা বিষয়ববীয়া কেইজনৰ প্ৰতি কৰ্মীসকলে ক্ষোভ উজাৰিছে।কৃষি মন্ত্ৰীজন ঘৰৰ সন্মুখতে উপস্থিত হোৱাৰ পাছতো কৃষি প্ৰধান অঞ্চলটো খেতিয়কসকলে লগ পাবলৈ সক্ষম নোহোৱাত সমগ্ৰ মালৌপথাৰ অঞ্চলটোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।বৰভেটিৰ ন'লগোৱা উৎসৱ এই বছৰ ২২ নৱেম্বৰ,দেওবাৰে অনুষ্টুপীয়াকৈ উদযাপনৰ প্ৰস্তুতি চলাইছে।সেইদিনা পুৱা পৰিবেশ নিকাকৰণৰ পাছতে ধৰ্মধ্বজা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ আৰু ১০:০০ বজাৰ পৰা ভাগৱত পাঠ কৰিব।১০:৩০ বজাৰ পৰা প্ৰতি গাঁৱৰ প্ৰতিনিধিয়ে শালি খেতিত উৎপাদিত শস্যৰে পৰম্পৰা অনুসৰি বৰভেটিত ন' লগাব।আৰু বিয়লিলৈ উৎসৱৰ সামৰণি পৰিব।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি